# মহীয়সী

অষ্টম সংখ্যা

৫৬১ শঙ্কৰাব্দ, অক্টোবৰ ২০০৯ চন

সম্পাদিকা

ড° ইন্দিৰা শইকীয়া বৰা

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

**MAHIYASHI :** ***8th Issue,***

*Women Magazine of Srimanta Sankaradeva Sangha, Edited by Dr. Indira Saikia Bora and published by Sahitya Sakha Samittee of Srimanta Sankaradeva Sangha, October:2009, Price Rs. 25.00 only.*

---

**© শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আহিন ঃ ৫৬১ শঙ্কৰাব্দ ঃ অক্টোবৰ'২০০৯

**প্ৰকাশক**

সাহিত্য শাখা সমিতি

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীকৈলাস দাস

সম্পাদক ঃ শ্ৰীজীৰকান্ত নাথ

**সদস্যসকল**

ড° সুৰেশ চন্দ্ৰ বৰা, সম্পাদক ঃ 'মহাপুৰুষ জ্যোতি'

শ্ৰীকমলাকান্ত বৰা, সম্পাদক ঃ 'ডেকাগিৰী'

শ্ৰীগোবিন্দ চন্দ্ৰ ডেকা, সম্পাদক ঃ 'শিশু-মঞ্জৰী'

শ্ৰীহেমপ্ৰসাদ বৰা, সম্পাদক ঃ 'প্ৰাচীৰ পত্ৰিকা'

শ্ৰীভৱেন দুৱৰী

শ্ৰীনাৰায়ণ গগৈ

শ্ৰীজগত কলিতা

**সম্পাদিকা**

**ড° ইন্দিৰা শইকীয়া বৰা**

**মূল্য** ঃ ২৫.০০ (পঁচিশ) টকা

ছপা সংখ্যা ঃ **১৫০০** (পোন্ধৰশ)

**প্ৰাপ্তিস্থান**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস**

সত্যসন্ধা প্ৰেছ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ**

মাতৃ অফ্‌ছেট প্ৰেছ,

হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

# আই-মাতৃসকললৈ একলম

**শ্ৰীকৰুণাকান্ত কলিতা**
**পদাধিকাৰ , শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আই-মাতৃ,
জনালো প্ৰণাম
তোমাৰ ওপৰতে
কৰে নিৰ্ভৰ
শিশুৰ ভৱিষ্যত জীৱন
গৰ্ভত কৰিলা ধাৰণ
দিলা জন্ম
অশেষ কষ্ট
কৰি বৰণ
মাতৃত্বৰ গৌৰৱ
কৰিলা অৰ্জন
কত যে মৰম
কত যে আদৰ-সাদৰ
নাই পাৰাপাৰ
শিশুটিক লৈয়ে
কৰা কত যে
ৰঙীন সপোন
কত যে আশাৰ উৰ্মিয়ে
তোমাৰ হৃদয় সাগৰ
কৰি তোলে তোলপাৰ
ভাবি চোৱা মাতৃ
শুনি চোৱা মাতৃ
সেই শিশুৰ জীৱন
যদিহে তোমাৰ অযত্নত
হয় নষ্ট
হয় বিপৰ্যস্ত
দোষ দিবা কাক
দোষ দিলে হ'ব জানো
ভাগ্য বিধাতাক?
বিদ্যাৱতী হোৱা মাতৃ
দিয়া শিক্ষাদান
ভক্তিমতী হোৱা মাতৃ
দিয়া ভক্তি জ্ঞান
গুণৱতী হোৱা মাতৃ
দিব্য গুণেৰে
সজোৱা শিশুৰ জীৱন
হিয়াভৰি মৰম
কৰা যেনেকৈ
অনুশাসনো কৰা
সুবাটে ৰাখিবলৈ
মৰম আৰু অনুশাসন
শিশুৰ জীৱন
গঢ়াৰ বাবেই
অতি প্ৰয়োজন
শিকোৱা নীতিজ্ঞান
সজ আচৰণ
মূল্যবোধ
সামাজিক জ্ঞান
চকুৰাখা সৰ্বক্ষণ
নিয়ন্ত্ৰণত ৰাখা
চলন-ফুৰণ
পঢ়া-শুনাত
দিছেনে মন
মাতৃ, চকু ৰাখা প্ৰতিক্ষণ
কৃষ্ণ ঈশ্বৰ
গুৰু শ্ৰীমন্ত শঙ্কৰ
দিয়া কৃষ্ণভক্তি জ্ঞান
দিয়া গুৰু জ্ঞান
সজোৱা তোমাৰ শিশুৰ
নৈতিক আধ্যাত্মিক
মধুৰ পৱিত্ৰ জীৱন
সমাজৰ কৰা
পৰম সম্পদ
সুমাতৃ বুলি
কৰা গৌৰৱ অৰ্জন
লভা সমাজত
স্থান-মান
জনালোঁ আহ্বান■■

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একেষাৰ

দৰং জিলাৰ মহলীয়াপাৰা "আই সত্যসন্ধা" ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 'পঞ্চদশ বাৰ্ষিক কেন্দ্ৰীয় শিশু সমাৰোহ-২০০৯ বৰ্ষ'ৰ ১, ২, ৩, ৪ অক্টোবৰ তাৰিখে সমাৰোহেৰে অনুষ্ঠিত হৈছে। এই সমাৰোহৰ প্ৰথম দিনৰ কাৰ্যসূচীতে 'মহীয়সী'ৰ অষ্টম সংখ্যাটি পঢ়ুৱৈসকলৰ হাতত তুলি দিবলৈ পাই ধন্য হৈছো। মহীয়সীৰ সম্পাদনা সমিতি তথা সম্পাদিকা ড° ইন্দিৰা শইকীয়া বৰা আইগৰাকীয়ে যথা সময়ত আলোচনীখনি সুন্দৰকৈ সম্পাদনা কৰি উলিওৱাৰ বাবেও কৃতজ্ঞতা প্ৰকাশ কৰিছো।

প্ৰস্তাৱনা সংখ্যাটিৰে সৈতে বৰ্তমানলৈকে প্ৰকাশিত নটা সংখ্যাই পাঠক সমাজক যথেষ্ট উপকৃত কৰিছে। বিশেষকৈ নাৰীসমাজৰ বাবে প্ৰকাশিত এই আলোচনীখনিয়ে সমাজত আধ্যাত্মিক ভাৱ-আদৰ্শৰ প্ৰতি সচেতন কৰি তোলাৰ লগতে নৈতিক শিক্ষা-সদাচাৰৰ ওপৰতো গুৰুত্ব বঢ়াইছে।

পৰম্পৰাগত পুৰুষ তান্ত্ৰিক সমাজৰ এলান্ধুকলীয়া ধ্যান-ধাৰণাৰ কবলৰ পৰা আমাৰ সমাজৰ নাৰীসকল এতিয়াও বলিৰ পঠাৰ দৰেই অতিবাহিত হৈ আছে। নাৰী-শিক্ষা, নাৰী-স্বাধীনতাই এতিয়াও বহুতকে স্পৰ্শ কৰা নাই। নাৰী-নিৰ্য্যাতন, নাৰী-হত্যা, নাৰীক লৈ চলি অহা প্ৰাত্যাহিক ব্যৱসায়-বাণিজ্য নিয়ন্ত্ৰণ হওক চাৰি বৃদ্ধি পাই আহিছে। সমাজ সংস্কাৰৰ কোনো কাৰ্যসূচীয়ে সেইবোৰ দুষ্কাৰ্য্য ৰোধ কৰিব পৰা নাই। সেয়েহে নাৰী মুক্তি সংগ্ৰাম তীব্ৰতৰ কৰি তোলাৰ প্ৰয়োজন হৈ আহিছে। অন্যথা যিসকলক অৰ্দ্ধ আকাশ, অৰ্দ্ধাঙ্গিনী আদি বিশেষণেৰে ভূষিত কৰা হৈছে সেই সকলো বুমেৰাং হৈ পৰিব।

নাৰী জাতিক সাক্ষৰ আৰু শিক্ষিত কৰি তোলাৰ লগতে সুস্বাস্থ্য, কৰ্মসংস্থান আৰু সমাজ সচেতন আৰু আধ্যাত্মিক জীৱন-দৰ্শনৰ প্ৰতি শিক্ষা প্ৰদান কৰাৰ বিভিন্ন কাৰ্যসূচী সামাজিক সংগঠনসমূহে গ্ৰহণ কৰিব লাগিব। তেনে কাৰ্যসূচীবোৰ সফলভাৱে ৰূপায়ণ কৰাৰ প্ৰতি পুৰুষপ্ৰধান সমাজখন শ্ৰদ্ধাশীল হ'ব লাগিব। ভৱিষ্যত প্ৰজন্মৰ জননীসকলক সুগৃহিণী হিচাপে লাভ কৰা সমাজখনেহে সমাজলৈ পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব পাৰিব।

তুলনামূলকভাৱে চালে দেখা যায় যে পূৰ্বতকৈ নাৰীসকলৰ সামাজিক উত্তৰণ ঘটিছে। কিন্তু সামগ্ৰীকভাৱে এই উত্তৰণে সমাজক স্পৰ্শ কৰিব পৰা নাই। আধ্যাত্মিক জ্ঞান আৰু ভক্তি-ধৰ্মৰ অনুশীলন অবিহনে তথাকথিত উত্তৰণে সমাজক প্ৰকৃতাৰ্থত উপকৃত কৰা নাই। এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ মতাদৰ্শতে একত্ৰিত হৈ আমাৰ আইসকলে নিৰহ-নিপালী প্ৰচেষ্টাৰে মাতৃজাতিৰ সবলীকৰণৰ প্ৰতি বিভিন্ন উন্নয়নমুখী আঁচনি গ্ৰহণ কৰি সফলভাৱে ৰূপায়ন কৰাত গুৰুত্ব দিব লাগিব।

সেৱাৰে--

নগাঁও

**শ্ৰীহৰিপ্ৰসাদ হাজৰিকা**

১০/৯/২০০৯

জয় গুৰু শঙ্কৰ

# সম্পাদকীয়...

কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত।।
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ।। --কীৰ্ত্তন, প্ৰহ্লাদ চৰিত, ৩৭৭

অসমৰ জাতীয়জীৱনত মহাপুৰুষ শঙ্কৰদেৱৰ দৰে প্ৰভাৱবিস্তাৰ কৰিব পৰা সৰ্বকালৰ দ্বিতীয় ব্যক্তি এজন নিশ্চয় ওলোৱা নাই। শঙ্কৰদেৱ অকল ধৰ্মগুৰু বা ধৰ্ম প্ৰচাৰকেই নাছিল, আছিল এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি, যাৰ কৰ্ম আৰু আদৰ্শই অসমীয়া জাতীয় জীৱনৰ গতিয়েই সলনি কৰি পেলাইছিল। সমাজৰ মঙ্গল চিন্তাকাৰী এই মহাপুৰুষজনাৰ কাপত নাৰীৰ স্থান আৰু সামাজিক মূল্যায়ণ স্পষ্টৰূপে ফুটি ওলাইছে। নাৰীৰ কোমল আৰু অনুভূতিশীল অন্তৰত ভক্তিৰ বীজ অতি সোনকালে অঙ্কুৰিত হয়, সেয়া মহাপুৰুষে নাৰীৰ মাতৃ, পত্নী, ভগ্নী, প্ৰেমিকা আদি ৰূপ তাৰাৰ লেখনিৰ মাজেদি দেখুৱাইছে লগতে মাতৃসকলক কৃষ্ণভক্তি আৰু একশৰণ হৰি নামধৰ্মৰ ফালে গতি কৰাইছে।

বৈদিক যুগতে বিশ্বব্ৰহ্মাণ্ডৰ স্ৰষ্টা বা আধাৰ স্বৰূপে এক পৰমসত্তাক স্বীকাৰ কৰি লোৱা হ'ল আৰু এই পৰমসত্তাৰ বিশ্বাসৰ আধাৰতে ঋক্‌বেদত 'ধৰ্মন' (ধৃ ধাতু, কৰ্ম বাচ্য, মন্ প্ৰত্যয়) শব্দই জন্ম লাভ কৰিলে। উল্লেখযোগ্য যে, ঋক্‌বেদতে ধৰ্মৰ ধাৰণাতো পাৰলৌকিক শক্তিৰ বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠিছিল যদিও সেইখিনি সময়ৰ পৰাই ধৰ্মভাবক লোক হিতায় কৰ্মৰূপে মূল্যায়ণ তথা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি আহিছে।

ঋগ্বেদত 'ধৰ্মন্' শব্দৰ সমাৰ্থক ৰূপে 'সৎ' শব্দও প্ৰয়োগ কৰা হৈছে। 'সৎ' বুলিলে আমি 'ভাল' বুলি ভাবোঁ, কিন্তু ঋগ্বেদে সেই অৰ্থত প্ৰয়োগ কৰা নাই। ঋগ্বেদৰ 'সৎ' শব্দ চতুৰ্গুণ বিশিষ্ট শব্দ। সৎ শব্দই বহন কৰা চাৰিটা গুণ হ'ল-- ১) বিশ্বৰ অব্যক্ত মূলসত্তা ২) বিশ্বৰ ব্যক্ত সত্তা ৩) মনুষ্যৰ স্বভাৱৰ সততা ৪) মনুষ্যত্ব সুলভ মঙ্গলময়তা। এই চাৰিটা গুণৰ প্ৰথম দুটা তাত্বিক। এই তাত্বিক গুণকেইটাৰ যোগেদি দেখুৱা হৈছে যে বিশ্ব চৰাচৰৰ আধাৰ অব্যক্ত ব্ৰহ্মই সৎ। ই অক্ষয়, অব্যয় আৰু চিৰ সনাতন।

'সৎ' শব্দৰ লগতে থকা প্ৰেম, কৰুণা, পৰোপকাৰিতা, ক্ষমা আদি গুণবোৰ হৈছে-- মনুষ্যত্বসুলভ গুণ। এনেবোৰ গুণৰ অধিকাৰী হ'ব পাৰিলেই মানুহ মঙ্গলদৰ্শী হয়, মঙ্গলশ্ৰৱী হয়, মঙ্গলচিন্তাকাৰী হয়, মঙ্গলকৰ্মী হয় আৰু মানুহ সামগ্ৰিকভাৱে মঙ্গলময় হৈ পৰে। সকলো মানুহেই যদি এনে ধৰণৰ মঙ্গলময় হৈ উঠে, তেনেহ'লে সমাজ হ'ব মঙ্গলময়। এনেকৈয়ে ঋগ্বেদতে সুখময়, শান্তিময় আৰু মঙ্গলময় সমাজ গঢ়াৰ মানসেৰে ধৰ্ম বা ধৰ্মচিন্তাক সামাজিক দায়বদ্ধতাৰ সৈতে জড়িত কৰিছিল।

ধৰ্মক অধিক মানৱ কল্যাণকামী কৰি তোলাত মহাভাৰতৰ ভূমিকা অত্যন্ত গুৰত্বপূৰ্ণ। মহাভাৰতে ধৰ্মক তেৰটা গুণ বিশিষ্ট বুলি কৈছে, সেয়া হ'ল-- ইন্দ্ৰিয়দমন, ঈৰ্ষাশূন্যতা, ক্ষমা, দয়া, নম্ৰতা, সহনশীলতা, কৰুণা, উদাৰতা, ত্যাগ, ধ্যান, সদাচাৰ, ধৈৰ্য আৰু অহিংসা। এই তেৰটা গুণ আয়ত্ব কৰিব পাৰিলে ব্যক্তি জিতেন্দ্ৰিয় হয় আৰু সমাজত শান্তিয়ে বিৰাজ কৰে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে ধৰ্মগ্ৰন্থসমূহে মানুহক মনুষ্যত্বসুলভ গুণৰ অধিকাৰী হ'বলৈকে শিক্ষা দিছে। ধৰ্মশাস্ত্ৰৰ কাহিনীবোৰ সাহিত্যকৰ্ম হিচাবে স্বীকৃত হ'লেও কিন্তু কাহিনীবোৰৰ যোগেদি আধ্যাত্মিক শিক্ষা দান কৰে। এনে ধৰণৰ নৈতিক শিক্ষামূলক কাহিনীৰে ধৰ্ম শাস্ত্ৰবোৰ ভৰি আছে।

মহাভাৰতৰ পঞ্চপাণ্ডৱৰ স্বৰ্গাৰোহনৰ কাহিনীটোত বহুত শিক্ষণীয় কথা আছে। সসাগৰা ভাৰতৰ ৰজা হৈয়ো যুধিষ্ঠিৰে সভাৰ্যা আৰু সভাতৃৰে স্বৰ্গযাত্ৰা কৰাৰ কথা ভাবিলে। স্বৰ্গযাত্ৰাৰ আগতে পঞ্চপাণ্ডৱে যিটো কাম কৰিলে বুলি মহাভাৰতে কৈছে; সেই কাহিনী অনুসৰি পঞ্চপাণ্ডৱে প্ৰথমতে ৰাজকীয় পোছাক পৰিহাৰ কৰি গছৰ বাকলি পিন্ধিলে।

কাৰণ স্বৰ্গ মানে অসূয়া-অপ্ৰীতি আৰু হিংসাশূন্য এক পৰম শান্তিৰ স্থান। সেইবাবে স্বৰ্গ মহৎ। মহৎপ্ৰাপ্তিৰ বাবে ত্যাগ লাগিবই। এয়া হৈছে মানৱে শিকিবলগীয়া প্ৰথম মহৎ জ্ঞান।

ইয়াৰ পিছতে তেওঁলোকে হাতে হাতে থকা অস্ত্ৰ আনকি অৰ্জুনেও গাণ্ডীৱ ত্যাগ কৰিলে লৌহিত্যত। পঞ্চপাণ্ডৱৰ এই দুটা কাৰ্যৰ মাজেদি লোক সমাজক শিক্ষা দিয়া হৈছে যে, পৰমসুখময় শান্তিময় আৰু মাধুৰ্যময় জীৱন উপভোগ কৰিবলৈ হ'লে পাৰ্থিৱ ভোগ আৰু হিংসাবৃত্তি ত্যাগ কৰিব লাগিব। অস্ত্ৰ ত্যাগ এটা প্ৰতীকহে। এই দুটা মহৎ ত্যাগৰ পিছত পঞ্চপাণ্ডৱে স্বৰ্গযাত্ৰা আৰম্ভ কৰিলে। যথাৰ্থ মনুষ্যত্ব গুণেৰে গুণান্বিত মহৎ জীৱনপ্ৰাপ্তিত বাধা দিয়ে আসুৰিক প্ৰবৃত্তিসমূহে এই সত্যটো দেখুওৱা হৈছে ভীম, অৰ্জুন, নকুল, সহদেৱ আৰু দ্ৰৌপদী এই পাঁচগৰাকী বাটত এজন এজনকৈ খহি পৰা ঘটনাৰ মাজেদি। যুধিষ্ঠিৰৰ ব্যাখ্যা অনুসৰি দ্ৰৌপদীৰ অসাম্যভাব আছিল স্বৰ্গপ্ৰাপ্তিৰ প্ৰধান অন্তৰায়, কিয়নো তেওঁ অৰ্জুনক বাকী কেইজনতকৈ বেছি ভাল পাইছিল। সহদেৱৰ আছিল বিদ্যাভিমান, নকুলৰ আছিল ৰূপগৰ্ব, অৰ্জুনৰ আছিল অব্যৰ্থ গাণ্ডীৱধাৰী বুলি গৰ্ব, ভীমৰ আছিল স্বাৰ্থপৰতা, আনৰ কথা নাভাবি নিজে খোৱা।

এনে কথাবোৰ চিন্তা কৰি চালে বুজিব পাৰি যে অসাম্যভাৱ, অভিমান বা গৰ্ব, স্বাৰ্থপৰতা আদি স্বৰ্গপ্ৰাপ্তিৰ বাধা অৰ্থাৎ সুখী, শান্তিপূৰ্ণ জীৱন আৰু সুস্থ সমাজ অসৎ প্ৰবৃত্তিৰ অন্তৰায়। এনেদৰে ধৰ্মশাস্ত্ৰই সুস্থ-সবল সমাজ গঢ়াৰ শিক্ষা দিছে।

বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰাণ প্ৰভৃতি ধৰ্মগ্ৰন্থই সমাজক উচ্চতৰ জীৱনমুখী কৰি তোলাৰ শিক্ষাদি আহিছে। ঋগ্বেদ ৰচনা হোৱাৰ আগত ভাৰতত 'সমন' নামৰ এটা লোক-উৎসৱ চলি আছিল। এই উৎসৱত লোকসকলে দিনৰ ভাগত ৰথ আৰু ষাঁড়গৰু দৌৰাইছিল আৰু ৰাতি স্ত্ৰী-পুৰুষ উভয়ে উদ্‌বাউল হৈ নৃত্য-গীত কৰিছিল। উল্লেখযোগ্য যে, এই উৎসৱৰ উদ্দেশ্য আছিল কামনাৰ দেৱী (Goddess of Sex) এগৰাকীক উপাসনা কৰা। দেৱীগৰাকী যিহেতু কামনাৰ দেৱী, গতিকে ৰাতিৰ নৃত্য-গীত যৌন অশ্লীলতাৰে উচ্ছৃঙ্খল হৈ পৰিছিল. সমাজক বিভ্ৰান্ত কৰা এই 'সমন' উৎসৱক পৰিমাৰ্জিত কৰি সমাজক সুস্থিৰতালৈ অনাৰ উদ্দেশ্যেৰে ঋক্‌বেদে কাল্পনিক কামনাৰ দেৱী গৰাকীক মানৱী সজাই 'ইন্দ্ৰানি' নাম দিলে আৰু ইন্দ্ৰানিক এগৰাকী 'ঋষি' ৰূপ দিলে। আনকি অন্যান্য ঋষিৰ দৰেই ইন্দ্ৰানি নামৰ মহিলা ঋষিয়ে ৰচনা কৰা বুলি কিছুমান শ্লোক বেদ ৰচকে ৰচনা কৰি ঋক্‌বেদত স্থান দিলে। ঋক্‌বেদৰ সাত গৰাকী মহিলা ঋষি হ'ল-- লোপামুদ্ৰা (১ম মণ্ডল, ১৭৯ সূক্ত) বিশ্ববাৰা (৫ম মণ্ডল, ২৮ সূক্ত) অপালা (৮ম মণ্ডল, ৯৬ সূক্ত) ঘোষা (১০ম মণ্ডল, ৩৯-৪০ সূক্ত) সাৱিত্ৰী (১০ম মণ্ডল, ৮৫ সূক্ত) বাক্ (১০ম মণ্ডল, ১২৫ সূক্ত) আৰু ইন্দ্ৰাণি (১০ম মণ্ডল, ১৫৪ সূক্ত)।

ঋগ্বেদৰ ইন্দ্ৰাণি নামৰ মহিলা ঋষিগৰাকীৰ প্ৰসঙ্গ টানি অনা হ'ল এই কাৰণেই যে, ঋগ্বেদৰ দৰে প্ৰাচীনতম ধৰ্মগ্ৰন্থয়ো সমাজৰ অসুস্থ ৰুচিক সংশোধন কৰি সমাজ সংস্কাৰৰ উদ্দেশ্য আগত ৰাখিছিল। মুঠতে ঋগ্বেদ, উপনিষদ আৰু ভাগৱত পুৰাণ, গীতাশাস্ত্ৰ আদি ভক্তিবাদী গ্ৰন্থসমূহে জনগণক চিন্তা তথা ধ্যান-ধাৰণাৰে বিকাশৰ পথত উত্তৰণ ঘটাবলৈ চেষ্টা কৰিছিল।

মহাপুৰুষ শঙ্কৰদেৱেও উদাৰতা আৰু বিশালতা প্ৰদৰ্শন কৰি সমাজে উচ্চ-নীচ সীমাৰেখাৰে আৱদ্ধ কৰা ভিন্ন জাতৰ মাজৰ পৰা যোগ্যজনক বিচাৰি আনি বাৰজন বৈষ্ণৱক সন্মান জনাইছিল। ঋগ্বেদৰ সময়ৰ পৰা আৰম্ভ কৰি শঙ্কৰদেৱৰ সময়লৈকে ধৰ্মই মানৱিকতাক হৃদয়ঙ্গম কৰি জনগণক উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰি আহিছে। ৰাধিকাক সামাজিকভাবে প্ৰতিষ্ঠা কৰি সমাজৰ অৱহেলিত নাৰীৰ প্ৰতিও উদাৰতা দেখুৱাইছিল। মহাপুৰুষৰ ৰচনাত নাৰীৰ ভক্তাৰূপটোৰ লগত নাৰীৰ মাতৃৰূপটোও অধিক আকৰ্ষণীয়ভাৱে অঙ্কিত হৈছে।

এগৰাকী মাতৃ এটা পৰিয়ালৰ ক্ৰমোন্নতিৰ বাহন। এই ভক্তিমতি নাৰীক ভগৱান কৃষ্ণই প্ৰথম স্থান দিছে বুলি অৰ্জুনক কৈছে--

'মাং হি পাৰ্থ ব্যপাশ্ৰিত্য য়েহপি স্যুঃপাপযোনয়ঃ।
স্ত্ৰিয়ো বৈশ্যস্তথা শূদ্ৰাস্তেহপি য়ান্তি পৰাংগতিম্।।' --গীতা, ৯/৩২

অৰ্থাৎ-- হে পাৰ্থ! স্ত্ৰীলোক, বৈশ্য আৰু শূদ্ৰ নাইবা যিসকল পাপ যোনিত জন্ম হয় অন্ত্যজ, সেইসকলেও মোৰ আশ্ৰয় ল'লে নিশ্চয় পৰমগতিপ্ৰাপ্ত হয়।'

মহাপুৰুষ শঙ্কৰদেৱেও তৎকালীন অন্ধকাৰাচ্ছন্ন কলুষিত সমাজত হৰিনাম ধৰ্মৰ মহামন্ত্ৰেৰে সত্য, শুদ্ধ, ভক্তি ধৰ্মৰ আলোকেৰে মহিমামণ্ডিত কৰিব বিচৰাৰ লগতে নাৰীসকলক প্ৰতিষ্ঠিত কৰি গৈছিল।

**কেন্দ্ৰীয় শিশু আৰু আইমাতৃ কল্যাণ সমিতি আৰু মহীয়সীৰ অষ্টম সংখ্যাৰ বিষয়ে একাষাৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মহান উদ্দেশ্য হৈছে সমাজৰ বৈষম্য আঁতৰাই প্ৰতি গৰাকী আইমাতৃৰে মানসিক আৰু বৌদ্ধিক দিশৰ বিকাশ ঘটোৱা। সেয়ে প্ৰতিবছৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ উদ্‌যাপিত কৰে আৰু **'মহীয়সী'** নামৰ এখনি বছেৰেকীয়া আলোচনী প্ৰকাশৰ ব্যৱস্থা কৰে। প্ৰতিগৰাকী নাৰীয়েই এগৰাকী মাতৃ, যি মাতৃ সৃষ্টিৰো মূল, সমাজ সৃষ্টিৰো মূল। মাতৃসকলে সন্তানক সৰুৰে পৰা গুৰুধৰ্ম আৰু আধ্যাত্মিক শিক্ষা দিয়াত আগ্ৰহী হ'ব লাগে। তাৰ বাবে মাতৃসকলে নিজৰ গৃহত একোটা সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ যত্নবান হোৱা উচিত। শিশুসকলৰ বাবেও শঙ্কৰদেৱ সঙ্ঘই বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত গ্ৰীষ্মকালীন শিশু সমাৰোহ, বিনামূলীয়া শিক্ষাদান, স্বাস্থ্য শিবিৰ আদি অন্যতম।

**'মহীয়সী'** নামৰ বছেৰেকীয়া আলোচনীখনৰ বৰ্তমান অষ্টম সংখ্যা প্ৰকাশিত হ'ব। মহীয়সীৰ এই অষ্টম সংখ্যাটিত যিসকল লেখক-লেখিকাই সৌষ্ঠৱ বৃদ্ধি কৰিছে সেইসকলৰ প্ৰতি পোনপ্ৰথমে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আটাইবোৰ প্ৰবন্ধ একেলগে গোট নোখোৱাৰ বাবে প্ৰবন্ধৰ ক্ৰমসমূহ সজোৱাত আসোঁৱাহ থাকি যাব পাৰে। কৰ্মজীৱনৰ ব্যস্ততা আৰু ব্যক্তিগত অসুবিধা সত্ত্বেও প্ৰবন্ধকাৰসকলে অতি কষ্টেৰে কম সময়তে তেখেতসকলৰ লেখনিসমূহ প্ৰস্তুত কৰি আমাৰ হাতত তুলি দিছে। কলেৱৰ বৃদ্ধিৰ সীমাৱদ্ধতাৰ বাবে আমাৰ হাতত পৰা সকলো প্ৰবন্ধ প্ৰকাশ কৰিব নোৱাৰা বাবে আমি ক্ষমা প্ৰাৰ্থী।

সম্প্ৰতি পঞ্চদশ বাৰ্ষিক সমাৰোহখনি 'আই সত্যসন্ধা ক্ষেত্ৰ, মহলীয়াপাৰা, দৰঙত ২০০৯ বৰ্ষৰ ১৪, ১৫, ১৬ আৰু ১৭ আহিন (৫৬১ শঙ্কৰাব্দ) ইংৰাজী ১, ২, ৩ আৰু ৪ অক্টোবৰ ২০০৯ খ্ৰীষ্টাব্দৰ বৃহস্পতি, শুক্ৰ, শনি আৰু দেওবাৰে অনুষ্ঠিত হ'ব। এইখনিতে সমাৰোহত সমৱেত সমূহ ধৰ্মপ্ৰাণ ৰাইজলৈ সশ্ৰদ্ধ সেৱা জনালো।

**কৃতজ্ঞতা জ্ঞাপন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীকৰুণাকান্ত কলিতা বাপ, প্ৰধান সম্পাদক মাননীয় শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি মাননীয় শ্ৰীকৈলাস দাস বাপ, সম্পাদক মাননীয় শ্ৰীজীৱকান্ত নাথ বাপ প্ৰমুখ্যে মাননীয় সদস্যসকলে আগবঢ়োৱা বিভিন্ন দিহা-পৰামৰ্শৰ বাবে তেখেতসকলৰ প্ৰতি সশ্ৰদ্ধ কৃতজ্ঞতা নিৱেদিলো।

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ (ৰূপনগৰ, গুৱাহাটী), সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধি লগতে মাতৃ অফ্‌ছেটৰ স্বত্বাধিকাৰ মাননীয় শ্ৰীকমলাকান্ত বৰা বাপ আৰু কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শলাগ যাচিলোঁ। সাৱধানতা অৱলম্বন কৰা সত্ত্বেও অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পটুৱৈ সমাজৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে সেৱা জনালোঁ।

কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো মঞি দুৰাশয়।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময়।। -- নাম-ঘোষা, ৩১৭

সেৱাৰে--
ইন্দিৰা শইকীয়া বৰা

গুৱাহাটী
২০/০৯/০৯

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| **কবিতা** | | |
| অভিযান | ঃ শ্ৰীগীতা পাঠক | ১ |
| অন্তৰঙ্গ | ঃ শ্ৰীপ্ৰদীপ্তি ডেকা | ১ |
| হে মাতৃ, হে নাৰী— | ঃ শ্ৰীজয়ন্তী দাস | ১ |
| মাতৃ হোৱা তুমি, আলোকৰ যাত্ৰী | ঃ শ্ৰীপূৰ্ণিমা বৰা | ২ |
| নামঘৰ | ঃ শ্ৰীজ্যোৎস্না বড়া (চুতীয়া) | ২ |
| খেৰসূতী আই | ঃ শ্ৰীসৰ্বেশ্বৰ মজুমদাৰ | ৩ |
| শিষ্টাচাৰ | ঃ শ্ৰীমণি চেতিয়া | ৩ |
| **প্ৰবন্ধ** | | |
| বেদান্তৰ নিৰ্গুণ ব্ৰহ্ম আৰু মহাপুৰুষীয়া ধৰ্মৰ কৃষ্ণ | ঃ শ্ৰীবোধেশ্বৰ কাকতি | ৪ |
| শ্ৰীমদ্ভগৱদ্গীতা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ | ঃ শ্ৰীঅঞ্জলি দেৱী | ৮ |
| ৰামায়ণ আৰু শ্ৰীশঙ্কৰদেৱ ঃ নিবিড় সম্বন্ধৰ সংশ্লেষণ | ঃ ড° মালিনী গোস্বামী | ১২ |
| মাধৱদেৱৰ গদ্যৰীতি | ঃ ড° লীলাৱতী শইকীয়া বৰা | ২২ |
| গুৰু-চৰিত-কথাত মাধৱদেৱৰ গীত-ৰচনাৰ প্ৰসঙ্গ | ঃ ড° মুকুল চক্ৰৱৰ্তী | ২৯ |
| প্ৰসঙ্গ ঃ কীৰ্ত্তন পুথিত ভক্তিৰ মাহাত্ম্য | ঃ শ্ৰীচিত্ৰজিৎ শইকীয়া | ৩৪ |
| বৈষ্ণৱ ধৰ্মত সাহিত্য আৰু প্ৰেম | ঃ শ্ৰীকবিতা গগৈ | ৪১ |
| শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত | ঃ শ্ৰীমইনা ডেকা | ৪৬ |
| অঙ্কীয়া নাটৰ প্ৰথম লিখিত নিদৰ্শন পত্নীপ্ৰসাদ ঃ এক চমু আলোকপাত | ঃ শ্ৰীবেবীমণি গগৈ চমুৱা | ৫১ |
| শঙ্কৰদেৱৰ ৰুক্মিণী-হৰণ নাটৰ উৎস, মৌলিকতা আৰু নাৰী চৰিত্ৰসমূহৰ চমু বিশ্লেষণ | ঃ ড° চিত্ৰলেখা ফুকন | ৫৫ |
| গুণমালা ঃ অনুপম নামৰ মালা | ঃ শ্ৰীপূৰবী দুৱৰা | ৫৮ |
| মাধৱদেৱ ঃ বহুমুখী প্ৰতিভা | ঃ শ্ৰীকমলা দাস | ৬২ |
| গোপী-উদ্ধৱ সংবাদ আৰু ভ্ৰমৰগীত প্ৰসঙ্গ | ঃ ড° মণিকা শইকীয়া লস্কৰ | ৬৫ |
| এক মানৱীয় আবেদন ঃ দামোদৰ বিপ্ৰাখ্যান | ঃ শ্ৰীদীপালি বৰুৱা ফুকন | ৬৭ |
| নায়িকা ঃ এক সাহিত্যিক বিশ্লেষণ | ঃ শ্ৰীনীলাক্ষি দেৱী | ৭০ |
| শৈক্ষিক পাঠ্যক্ৰমত নৈতিক আৰু আধ্যাত্মিক শিক্ষা বিষয়ৰ প্ৰয়োজনীয়তা | ঃ শ্ৰীৰামচন্দ্ৰ ডেকা | ৭৪ |
| **গল্প** | | |
| মাধৱীৰ স্বয়ম্বৰ | ঃ ড° সোণালী বুঢ়াগোহাঁই | ৭৭ |
| **আইন** | | |
| মহিলা আৰু বিবাহ বিচ্ছেদ | ঃ শ্ৰীপাৰুল দেৱী | ৮১ |
| **সাক্ষাৎকাৰ** | | |
| কৰ্মযোগী শ্ৰীযুতা চম্পা বড়া আই | ঃ ড° ইন্দিৰা শইকীয়া বৰা | ৮৩ |
| মহীয়সীৰ পাতে পাতে ... | ঃ শ্ৰী নিৰ্মলা দাস | ৮৮ |
| **স্বাস্থ্য** | | |
| কোষ্ঠ্যকাঠিন্য | | ৯৪ |
| ছোৱালীৰ ঋতুস্ৰাৱজনিত তলপেটৰ বিষ | ঃ ডাঃ প্ৰাঞ্জলজ্যোতি বৰা | ৯৫ |

# অভিযান

## শ্ৰীগীতা পাঠক

এক নৱ অভিযান
তাত আছে আলোকৰ সন্ধান;
শিশু-আই-মাতৃ কল্যাণ সমিতিৰ
নৱ নৱ অভিযান
তাত আছে নৱ চেতনাৰ, নৱ প্ৰেৰণাৰ
এক অনুসন্ধান
শিশু-আই-মাতৃ কল্যাণ সমিতিয়ে
কৰিছে এক অবিৰত অভিযান
যি অভিযানত আছে প্ৰাণৰ সঞ্চাৰ
নৱ নৱ প্ৰেৰণাৰ
পাহাৰে-ভৈয়ামে সিঁচৰিত আইমাতৃৰ
হৃদয়ৰ জয়গান--■

**লেখিকা কেন্দ্ৰীয় শিশু-আইমাতৃ কল্যাণ শাখা সমিতিৰ উপ-সভানেত্ৰী**

# অন্তৰঙ্গ

## শ্ৰীপ্ৰদীপ্তি ডেকা

কোন তুমি ছিন্ন আত্মাত হিয়া সুন্দৰী
পুঞ্জীভুত বেদনাৰ সান্ত্বনা ৰমনী
লাঞ্ছিত-কলঙ্কিত-ঘৃণিত আপুনি
আদৰি আনা শতাব্দীৰ মৰ্ত্যৰ নাৰী
পতিত অৱলা শত নৱ কৰ্ম শক্তি
সাহিত্য চৰ্চা মানৱ কল্পত সাৰটি
ধন্য তুমি ধন্য নৰতনু জননী
নীচতা হীনতা বেৰ ভাঙি সঙঘী কৰ্মী
ওলাই আহে আই ওলাই আহে বাই
হৰি মোৰ ঐ লগত আনে শিশু কানাই
একে ৰূপে ৰসে বান্ধ পুৰুষ প্ৰকৃতি
সুপ্ত জীৱন জগোৱা গুৰুৰ নিনাদ সৃষ্টি
শুভ্ৰ প্ৰাণ প্ৰসঙ্গত আশা বহুমুখী
মানস ৰসত আই কল্যাণ সমিতি।■

**লেখিকা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একান্ত সেৱিকা**

# হে মাতৃ, হে নাৰী—

## শ্ৰীজয়ন্তী দাস

নাৰী নিৰ্য্যাতন নাৰী প্ৰপীড়ন
যেতিয়াই হয় আৰম্ভণ
তেতিয়াই যুগে যুগে জাগে ভগৱান।
দ্ৰৌপদীৰ বস্ত্ৰহৰণ, সীতা-অপহৰণ
সাক্ষী মহাভাৰত ৰামায়ণ
আজিও তাৰেই অনুৰণন।
কুৰি শতিকাৰ নাৰী-আন্দোলন
প্ৰতিবাদ নাৰী নিৰ্য্যাতন
বিশ্বজুৰি কৰে পদাঙ্কন।
যুগ নায়ক শ্ৰীশঙ্কৰদেৱ
পথদ্ৰষ্টা পোন্ধৰ শতিকাতে
কৰে নাৰী মুক্তি আলোড়ন
সামাজিক অৰ্থনৈতিক আধ্যাত্মিক
সৰ্বদিশে মানৱৰ ভক্তি আন্দোলন
হ'লনে সমাজ সংশোধন?
আজিও বঞ্চিত নাৰী সমতাৰ
মছজিদ-নামঘৰ প্ৰবেশৰ নাই অধিকাৰ।
প্ৰবাহিত সাম্প্ৰতিক নাৰী নিৰ্য্যাতন
বিৰাজিত একৈশ শতিকতো
ধৰ্ষণ-লুণ্ঠন-অপহৰণ
যৌতুকৰ মহাৰণ
আজিও কৰাইছে সমাজে
মৃত স্বামীৰ পদাঙ্কন
ধৰ্ষিতা-বিধবাক সমাজচ্যুত
লাঞ্চিত নিপীড়িত বঞ্চিত।
হে মাতৃ, হে নাৰী--
কৰিব লাগিব মহাপুৰুষৰ পদাঙ্কন
একশৰণ হৰি নামত নিজকে অৰ্পণ
অৱধাৰণ অৱতৰণ অৱলম্বন
বাঢ়িব ভক্তি-শক্তি বাঢ়িব আত্মবল
জীৱনত মিলিব জীয়াৰ ইন্ধন।
যুগে যুগে ক'ত নাৰী হৈছে লাঞ্ছিতা
তথাপিও নহয় নাৰী হীন,
বিশ্বৰ মাজত ভক্তি কৰ্তব্যৰ প্ৰভাৱেৰে
গঢ়িলে আদৰ্শ মহান।■

**লেখিকা উপদেষ্টা, কেন্দ্ৰীয় শিশু-আইমাতৃ কল্যাণ সমিতি**

# মাতৃ হোৱা তুমি, আলোকৰ যাত্ৰী

**শ্ৰীপূৰ্ণিমা বৰা**

মাতৃ,---
তোমাৰ অফুৰন্ত জ্ঞানৰ সম্ভাৰেৰে
আলোকিত কৰিলা মহীয়সী বাৰ্তালোচনী--
প্ৰথমে জনাইছো
মহীয়সীলৈ
হিয়াভৰা স্নেহাঞ্জলী।
গভীৰ অন্ধকাৰ নাশি
পুৰতীৰ সুৰুযৰ হেঙুলী আভাক
ল'লা আকোৱালি।
এইয়া--
"কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত
নাম ধৰ্ম কৰিলা বিদিত"
ভকতিৰ ৰসেৰে বোৱালা।
কৃষ্ণগুণ নাম,
আনন্দত সকলোৰে জাগে মন প্ৰাণ।
গুৰুজনাৰ ধৰ্মাদৰ্শ
অমিয়া ভকতি
সকলোৰে একতাৰে গঢ়ে সম্প্ৰীতি
আহা! মহীয়সীক
সকলোৰে লওঁ আকোৱালি
বিলাব ভক্তিৰ সুবাস সমগ্ৰ বিশ্বজুৰি।
মাতৃ-- সপ্তগুণৰে তুমি হৈ বিভূষিতা
'কীৰ্তি, শ্ৰী, বাক্, স্মৃতি,
মেধা, ক্ষমা, ধৃতি"
সমস্তকে মহীয়সীত ললা আদৰি
খ্যাতি ৰাখিবা তুমি হৈ 'কালজয়ী'
হয় যেন মহীয়সী
যুগজয়ী বাৰ্তালোচনী
মাগিছো মাতৃসৱৰ
আশিস নিৰ্মালি
পুনৰ সেৰিছো চৰণ
তোমাক মহীয়সী
মাতৃ! হোৱা তুমি আলোকৰ যাত্ৰী
দূৰন্ত পথত তুমি আলোক সন্ধানী■

**লেখিকা প্ৰাক্তন মূলৰ সদস্যা, গহপুৰ জিলা**

# নামঘৰ

**শ্ৰীজ্যোৎস্না বড়া (চুতীয়া)**

(১)
নামঘৰ গুৰুজনাৰ পৰিকল্পিত
অভিনৱ সৃষ্টি
যিয়ে মেলিছিল অসমত
এটি নতুন যুগৰ পাতনি।
(২)
নামঘৰ নোহে সাধাৰণ ঘৰ
ঐক্য সম্প্ৰীতি, সংহতিৰ মহান অনুষ্ঠান
ইয়াত আছে সাতোটা কোঠা, সাত বৈকুণ্ঠ
চৈধ্যটা খুটা, চৈধ্য সাক্ষী।
(৩)
য'ত পোৱা যায় উচ্চ মানবিশিষ্ট
স্থাপত্য ভাস্কৰ্যৰ নিদৰ্শন
যি পৰম পৱিত্ৰ হৰিৰ আলয়
সেয়ে নামঘৰ।■

**লেখিকা হাহিঁ আঞ্চলিক (ঢকুৱাখানা) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সেৱিকা**

# খেৰসূতী আই

## শ্ৰীসৰ্ব্বেশ্বৰ মজুমদাৰ

আই খেৰসূতী তুমি মহামতী,
একান্ত ভকতি ঈশ্বৰৰ প্ৰতি।
সন্ত শিশুমতি আদৰুৱা অতি,
ভুগিছা দুৰ্গতি পালি দুষ্ট নাতি।।

তোমাৰ হাততে তোমাৰ স্নেহতে,
টোলত থাকোতে শৈশৱ কালতে।
ৰূপ বৰ্ণনাতে লিখনি পঢ়োতে,
বুজিলা হঠাতে ঈশ মহিমাতে।।

কৰিল লালন স্নেহে নাতিজন,
ধৰ্মৰ সন্ধান দিলে গুৰুজন।
একত শৰণ দিলে মহাজ্ঞান,
কৰিলে পালন পাব পৰিত্ৰাণ।।

আই খেৰসূতী হৈছা মহাসতী,
তোমাৰ সুনীতি দিছা শিক্ষানীতি।
বুজক মাতৃজাতি পাওঁক সদ্গতি
কৰিছোঁ মিনতি জনালো প্ৰণতি।।■

**লেখক নলবাৰী জিলা শাখাৰ সদস্য**

# শিষ্টাচাৰ

## শ্ৰীমণি চেতিয়া

গোপীগণে কেলি কৰে যমুনাৰ জলে।
বজায় বেণু শ্যামে বহি কদম্বৰ ডালে।।
লজ্জা নাই তোমাৰ হেৰা শ্যাম কানু।
নালাগে বজাব দলিয়াই দিয়া বেণু।।
যদিও আছে বস্ত্ৰখানি ভিজি আছে গাৰ।
কাকুতি কৰিছোঁ কানাই ধৰি তোমাৰ পাৰ।।
হেন জানি কানাই তুমি দিয়া বস্ত্ৰখান।
কেনেকৈ তীৰে উঠিম আমাৰো আছে মান।।
একহাতে অংগঢাকি অন্যহাতে মাগিছোঁ দান।
যদিহে নিদিয়া বস্ত্ৰ জলতে এৰিম প্ৰাণ।।
কানাই বোলে উঠা গোপী নকৰিবা লাজ।
আবুৰ ৰাখি ফুৰা নাৰী জাতিৰ কাজ।।
ধন, জন, যৌৱন, গৰ্ব আৰু অহংকাৰ।
এহি ৰিপুগণে কৰিছে জগত চাৰখাৰ।।
তোমালোকে নাজানা পিছে মই জানি আছোঁ।
হেনজানি গোপীগণ ৰক্ষা কৰি আছোঁ।
একহাতে দান জানিবা অপাত্ৰ জনক।
লাগে যদি দান নিয়ন্ত্ৰণ কৰা মনক।।
সাত্বিকভাৱে দিয়া দান সাত্বিকভাৱে লোৱা।
নাৰাখি মনত খেদ দুই হাত জুৰি কোৱা।।
লওঁতে দিওঁতে দুইহাত কৰি ব্যৱহাৰ।
এনে আচৰণেই জানিবা শিষ্টাচাৰ।।■

**লেখিকা সম্পাদক, সাহিত্য শাখা সমিতি,**
**ঢকুৱাখানা জিলা।**

প্ৰবন্ধ

# বেদান্তৰ নিৰ্গুণ ব্ৰহ্ম আৰু মহাপুৰুষীয়া ধৰ্মৰ কৃষ্ণ

**শ্ৰীবোধেশ্বৰ কাকতি**

উপনিষদ, বেদান্ত দৰ্শন আৰু গীতা-- এই তিনি শাস্ত্ৰক প্ৰস্থানত্ৰয় বুলি কোৱা হয়। এই তিনি শাস্ত্ৰ সনাতন হিন্দুধৰ্মৰ স্তম্ভ স্বৰূপ আৰু এই শাস্ত্ৰকে ভাৰতীয় দৰ্শনে ধ্ৰুৱতৰাৰ দৰে লক্ষ্য কৰি সংসাৰ সমুদ্ৰ পথৰ মোক্ষ সাধনাত প্ৰস্থান কৰে বুলি এই তিনি শাস্ত্ৰক প্ৰস্থানত্ৰয় বুলি কোৱা হৈছে।

উপনিষদ হৈছে বেদৰ শেষ ভাগ। সেইবাবে উপনিষদক বেদান্ত বোলা হয়। ঋষিসকলৰ আপ্ত বাক্যৰে ঔপনিষদসমূহ ভৰপূৰ। আনহাতে বেদৰ সাৰতত্ত্ববোৰ সংগ্ৰহ কৰি কৃষ্ণদ্বৈপায়ন বেদব্যাসে বেদান্ত দৰ্শন বা ব্ৰহ্মসূত্ৰ প্ৰণয়ন কৰে। গতিকে বেদান্ত দৰ্শন বেদৰ সাৰ তত্ত্ব স্বৰূপ। সেইদৰে গীতাও উপনিষদসমূহৰ সাৰমৰ্ম্ম। গীতা বেদৰ পৰৱৰ্তী হলেও বেদৰ সদৃশ মান্য; ই ত্ৰয়োদশ উপনিষদ। গীতা মাহাত্ম্যত আছে,

"গীতা সুগীতা কৰ্ত্তব্যা কিমন্যৈঃ শাস্ত্ৰ বিস্তৰৈঃ।
যা স্বয়ং পদ্মনাভস্য মুখ পদ্মাদ্বিনিসৃতাঃ।।"

"শ্ৰীমদ্ভগৱদ্ গীতা হৈছে সুগীতা, ইয়াক গীত বা কীৰ্ত্তন কৰাই কৰ্ত্তব্য, গতিকে বিস্তৰ শাস্ত্ৰ পাঠৰ আৰু কি প্ৰয়োজন? যাৰ বাক্যসমূহ স্বয়ং পদ্মনাভ শ্ৰীকৃষ্ণৰ মুখপদ্মৰ পৰা উদ্ভৱ।" গতিকে উপনিষদ, বেদান্ত দৰ্শন বা ব্ৰহ্মসূত্ৰত কৈ গীতাৰ মান্যতা অৱশ্যে স্বীকাৰ্য। এইবাবে মহাপুৰুষ শঙ্কৰদেৱে তিনি প্ৰস্থানৰ ভিতৰত গীতাৰ মাৰ্গ-দৰ্শনকে শ্ৰেষ্ঠ পন্থা বুলি নিৰ্ণয় কৰি জগতত গীতাৰ একশৰণমূলক নামধৰ্ম বা কৃষ্ণ-ভক্তি মাৰ্গ জগতত প্ৰৱৰ্তন আৰু প্ৰচাৰৰ ব্যৱস্থা কৰিছিল।

গীতা আৰু ভাগৱত শাস্ত্ৰ দুখনি পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। গীতা যিদৰে শ্ৰীকৃষ্ণৰ বাক্যামৃতেৰে পৰিপূৰ্ণ, ভাগৱত শাস্ত্ৰ সেইদৰে শ্ৰীকৃষ্ণ ভগৱানৰ নানা লীলা ৰসেৰে পৰিপূৰ্ণ। এনেদৰে চাবলৈ গলে গীতা আৰু ভাগৱত উভয় মহাগ্ৰন্থৰে প্ৰদৰ্শিত চৰম গতি একোটাই" মাত্ৰ ভাৱৰ তাৰতম্যলৈ প্ৰস্থানৰ সামান্য তাৰতম্য পৰিপ্ৰেক্ষিত হয়। উভয় শাস্ত্ৰৰে কেন্দ্ৰ পুৰুষ-- পুৰুষোত্তম শ্ৰীকৃষ্ণ, বেদান্তৰ পৰমব্ৰহ্মই গীতা-ভাগৱতৰ বিষ্ণু বা কৃষ্ণ। উপনিষদত কৈছে-- "এক দেৱতাই গূঢ়ভাৱে সকলো ভূততে অৱস্থিত আৰু সকলোতে বিয়পি আছে" আৰু তেওঁ সৰ্বভূতৰে অন্তৰাত্মা। এই দেৱতা কৰ্মাধ্যক্ষ, সৰ্বভূতৰ নিবাসস্থান, সকলোৰে সাক্ষী চৈতন্য আৰু গুণাতীত নিৰ্গুণ ব্ৰহ্ম" (শ্বেতাশ্বেতৰ উপনিষদ)। গীতাত (যাক উপনিষদৰ শ্ৰেণীভুক্ত বুলি ধৰা হয়) এই এক ঈশ্বৰৰ ধাৰণাকে শ্ৰীকৃষ্ণৰ মুখেৰে বাৰে বাৰে দোহৰা হৈছে--

"ময়া ততমিদং সৰ্বং জগদব্যক্ত মূৰ্ত্তিনা।
মৎস্থানি সৰ্বভূতানি ন চাহং তেস্বৱস্থিতঃ।।৯/৪

অৰ্থাৎ-- "মোৰ অব্যক্তমূৰ্ত্তিৰ দ্বাৰা মই গোটেই জগততে ব্যাপ্ত হৈ আছোঁ। সকলো জীৱ মোতে অৱস্থিত। কিন্তু মই সিবোৰত অৱস্থিত নহও। ইয়াত বুজোৱা হৈছে যে ভগৱান জগতত ব্যাপ্ত হৈ থাকিলেও জগততে সমাপ্ত নহয়, জগতক অতিক্ৰম কৰি আছে। শঙ্কৰাচাৰ্যৰ মতে ব্ৰহ্ম শুদ্ধ-চৈতন্য, নিৰাকাৰ নিৰ্গুণ, নিষ্কৰ্ম আৰু একমাত্ৰ সত্য।

ৰামানুজে এই চৰম অদ্বৈতবাদ মানি লোৱা নাই। তেওঁৰ মতে যদিও ব্ৰহ্মসত্য, পূৰ্ণচৈতন্য আৰু অজড়, জড়জগতো কিন্তু অব্যক্ত নহয়, কিয়নো ব্ৰহ্মই জড়জগততো ব্যাপ্ত হৈ আছে। তদুপৰি ব্ৰহ্ম নিষ্কৰ্ম নহয়। তেওঁ জীৱ আৰু জগতক স্ৰজন কৰিছে আৰু পালন কৰি আছে। তেওঁতে এই সকলোবোৰ বৰ্তি আছে, অন্যথা এইবোৰ তিষ্ঠি থাকিব নোৱাৰে। সেই হেতু জীৱ, জগত আৰু জগদ্বীশ্বৰ তিনিও বাস্তৱ সত্য। জীৱৰ চৈতন্য শক্তিক আত্মা বুলি কোৱা হয়। মায়াই ঢাকি ৰখাৰ কাৰণে জীৱই নিজৰ আত্মাক উপলব্ধি কৰিব পৰা নাই। মায়া বা অবিদ্যা দূৰ হ'লে জীৱই আত্মাক উপলব্ধি কৰিব পাৰে। যিহেতু জীৱাত্মা বিশ্বব্যাপি আত্মাৰ লগত সংলগ্ন হৈ আছে, সেই হেতু আপোন আত্মাৰ উপলব্ধি হ'লে তাৰ পৰিণামত বিশ্বব্যাপি আত্মা অৰ্থাৎ জগদীশ্বৰো উপলব্ধি হ'ব।

পুৰাণসমূহত নানা দেৱদেৱীৰ উপাসনাৰ পদ্ধতি সন্নিবিষ্ট হৈছে। কিন্তু তাৰ মাজতো পৰমেশ্বৰৰ মূল-তত্ত্ব একেশ্বৰবাদ বুলিয়েই পণ্ডিতসকলে সহমত প্ৰকাশ কৰে। বিশেষকৈ ভাগৱত পুৰাণত বেদান্তৰ একেশ্বৰবাদকে সম্পূৰ্ণৰূপে গ্ৰহণ কৰা হৈছে। ভাগৱত পুৰাণ সকলো পুৰাণৰ ভিতৰত শ্ৰেষ্ঠ। মহাপুৰুষ শঙ্কৰদেৱে এই পুৰাণক পুৰাণ-সূৰ্য্য আখ্যা দিছে-- "পুৰাণসূৰ্য্য মহাভাগৱত, বেদান্তৰো ইটো পৰমতত্ত্ব।" (পাষণ্ড মৰ্দন)।

মহাপুৰুষ শঙ্কৰদেৱ পৰম ভক্তিবাদী আছিল। জ্ঞান আৰু কৰ্মতকৈ মহাপুৰুষগৰাকীয়ে ভক্তিমাৰ্গৰ ওপৰত গুৰুত্ব দিছিল। সেই হেতুকে তেখেতৰ ভজনীয় দেৱতা কৰুণাময় ভগৱানৰ ধাৰণা অদ্বৈতবেদান্তৰ নিৰ্গুণ, নিষ্কৰ্ম, চৰম অদ্বৈত ব্ৰহ্মৰ ধাৰণাৰ লগত খাপ নাখায়। শঙ্কৰদেৱৰ ভগৱান নিৰ্গুণ, নিষ্কৰ্ম, নিশ্চল, নিৰ্মম নহয়। তেখেতৰ ভগৱান গীতা-ভাগৱতৰ সগুণ, সাকাৰ, অবিশ্ৰাম কৰ্মকৰ্ত্তা আৰু পৰম দয়ালু। মানুহৰ দুৰ্যোগত তেখেতৰ ভগৱানে চকু মেলি চায়।

মহাপুৰুষীয়া ধৰ্মত সচ্চিদানন্দ বিগ্ৰহ গোবিন্দ কৃষ্ণই পৰমতত্ত্ব পৰমেশ্বৰ। তেওঁ অনাদি সকলোৰে আদি আৰু সৰ্বকাৰণৰ কাৰণ। ব্ৰহ্মসংহিতাত কৈছে--

ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দ বিগ্ৰহঃ।
অনাদিৰাদি গোবিন্দঃ সৰ্বকাৰণ কাৰণম্।।৫/১

নিত্য ধাম, নিত্য ৰূপ আৰু নিত্য লীলা বিশিষ্ট এক কৃষ্ণই সৰ্বোপৰি বিৰাজমান পৰমতত্ত্ব। কৃষ্ণ নামেই তেওঁৰ প্ৰেমাকৰ্ষক লক্ষণযুক্ত পৰমসত্তা বাচক নিত্য নাম। সৎ, চিৎ আৰু আনন্দ ঘনীভূত হৈ চিন্ময়গুণ সেই পৰমসত্তাতেই প্ৰকাশ পায়। সেই স্বৰূপৰ জগত প্ৰকাশক অংশই পৰমাত্মা, ঈশ্বৰ বা বিষ্ণু। সেয়ে একমাত্ৰ পৰমেশ্বৰ। মহা পুৰুষ শঙ্কৰদেৱৰ দৃষ্টিত সেই সচ্চিদানন্দ ঘনীভূত কৃষ্ণই অনাদি আৰু ব্ৰহ্মা পৰমাত্মাৰো আদি। তেওঁ পুৰুষ প্ৰকৃতিৰূপ সৰ্বকাৰণৰ কাৰণ। নাম-ঘোষাত কৈছে--

"প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।"

-- নাম-ঘোষা, ৪০৫

কৃষ্ণোপনিষদত পোৱা যায়-- "কৃষ্ণোব্ৰহ্মৈৱ শাশ্বতম্।"

অৰ্থাৎ-- কৃষ্ণ হৈছে এক শাশ্বত ব্ৰহ্ম। গোপালোত্তৰ তাপনী উপনিষদত আছে-- "যোহসৌ পৰ ব্ৰহ্ম গোপালঃ।" (১৮/১৫)। গোপালেই (কৃষ্ণই) পৰমব্ৰহ্ম। আকৌ কৈছে-- "কৃষিৰ্ভূৰ্বাচকঃ শব্দো ণশ্চ নিবৃত্তিবাচকঃ। দ্বয়োৰৈক্যাৎ পৰম ব্ৰহ্ম।। ইত্যভিধীয়তে।। মহাভাৰত, উদ্যোগ পৰ্ব, ৭/৪।

কৃষি হৈছে ভূবাচক শব্দ 'ণ' হৈছে নিবৃত্তিবাচক এই উভয়ৰে ঐক্যৰূপ (ভু- সত্তা আৰু 'ণ' আনন্দৰূপ) পৰমব্ৰহ্ম। তেওঁ কৃষ্ণ নামেৰে অভিহিত হয়।

গীতাত কৈছে-- "পৰংব্ৰহ্ম, পৰং ধাম পৱিত্ৰং পৰমং ভৱান্। পুৰুষং শাশ্বতং দিব্য আদিদেৱমজং বিভূম্।।" (১০/১২) অৰ্জুনে কৃষ্ণক কৈছে-- তুমি পৰম ব্ৰহ্ম, পৰম ধৰ্ম, পৰম পৱিত্ৰ। তুমি শাশ্বত পুৰুষ, দিব্য আদি দেৱ, অজ আৰু বিভূ। মাধৱদেৱৰ দৃষ্টিত- "পৰম ঈশ্বৰ কৃষ্ণ, আত্মা প্ৰিয়তম গুৰু।" আৰু

"নিৰাকাৰ নিৰা ময় নৰোত্তম
নাৰায়ণ নিৰঞ্জন।

মুকুন্দ মুৰাৰি ভৱ ভয়হাৰী
ভকতজন ৰঞ্জন।।”

--নাম-ঘোষা, ৩৬৩

মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাত সেই দৈৱকী পুত্ৰ কৃষ্ণক পৰম ব্ৰহ্মৰূপে অসংখ্য নাম, বিভিন্ন ভাৱ, বিভিন্ন ছন্দেৰে প্ৰকাশ কৰা দেখা যায়। বেদান্তৰ পৰমব্ৰহ্ম আৰু গীতা ভাগৱতৰ দৈৱকীনন্দন কৃষ্ণ শঙ্কৰ-মাধৱৰ দৃষ্টিত একে বস্তু। পৰমতত্ত্ব কৃষ্ণকে জ্ঞানীসকলে সৎ অৰ্থাৎ সত্ত্ব প্ৰধান ব্ৰহ্ম তুলি ভাবে। ব্ৰজৰ গোপীসকলে চিৎ অৰ্থাৎ চৈতন্য প্ৰধান পৰমব্ৰহ্ম পৰমাত্মা বুলি ধ্যান কৰে আৰু ভক্তসকলে 'আনন্দ শ্ৰেষ্ঠ চিদানন্দ ঘন ভগৱন্ত' বুলি ভক্তি কৰে। বিষয়ত আসক্ত থকা সকামী সেৱক সকলে ধন-জন-বিষয় আদি কামনাৰে স্বৰ্গসুখাদি মোক্ষত্ত্ব সাধন উদ্দেশ্যে সেই পৰমতত্ত্ব পৰমাত্মাক নানা দেৱতাৰূপে অৰ্চনা কৰে।

মহাপুৰুষীয়া ধৰ্মত সগুন-সাকাৰ ৰূপত কৃষ্ণই সত্য-সনাতন প্ৰেম আৰু কৰুণাৰ মূৰ্ত্ত প্ৰকাশ। গীতাত এনে সনাতন বাণী প্ৰকাশ পাইছে--

“য়ে য়থা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যহম্।
মম বৰ্ত্মানুৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ! সৰ্বশঃ।।”

গীতা, ১১

ভগৱান কৃষ্ণই অৰ্জুনক কৈছে- যি মোক যিভাৱে ভজনা কৰে মই তেওঁক তেনেকৈয়ে অনুগ্ৰহ কৰোঁ। মনুষ্যসকলে সৰ্বপ্ৰকাৰে মোৰ পথেৰেই অনুসৰণ কৰে, অৰ্থাৎ অনুসৰণ কৰা সকলো পথেৰেই মোৰ ওচৰত উপস্থিত হয়।

বেদান্তৰ মতে অসীম অনন্ত চিৰশাশ্বত বস্তুৰ নাম ভূমা বা ব্ৰহ্ম। এই ব্ৰহ্মৰ লগত মিলন হ'ব পাৰিলেই জীৱৰ সকলো দুখৰ চিৰনিবৃত্তি সম্ভৱ হয়। এই ব্ৰহ্মৰ স্বৰূপ কেনে, কি উপায়েৰে ব্ৰহ্মক পাব পাৰি-- বেদান্তত তাকেই নিৰ্দেশ কৰা হৈছে। ব্ৰহ্মপ্ৰাপ্তিৰ উপায়-- ধ্যান বা উপাসনা। কিন্তু সেই ব্ৰহ্ম নিৰ্গুণ, বেদান্তই সেই নিৰ্গুণ ব্ৰহ্মৰ কথাকে কয়-- যিজন অশব্দ, অৰূপ, অব্যয়, ইন্দ্ৰিয়াতীত, অব্যক্ত, মনৰ অতীত, বুদ্ধিৰ অতীত, ধ্যান-ধাৰণাৰ অতীত, আৰু সকলোৰে উৰ্দ্ধত অৱস্থিত। এনে নিৰ্গুণ ব্ৰহ্মক সংসাৰী জীৱৰ উপসনা বা ধ্যান কৰি সান্নিধ্য লাভ কৰাৰ যোগ্যতা নাই। সেয়ে জগতৰ জীৱৰ কল্যাণৰ কাৰণে পৰম ব্ৰহ্ম পৰমাত্মাৰূপে অনুগ্ৰহ কৰি মানৱী তনুধাৰণ কৰিছে। ভাগৱতত কোৱা হৈছে 'অনুগ্ৰহায় ভূতানাং মানৱী তনুমাশ্ৰিতঃ।” ভূমিভাৰ গ্ৰহণৰ হেতু ভগৱানে মানৱী তনুধাৰণ কৰিছে-- এইয়ে গীতা-ভাগৱত শাস্ত্ৰত বৰ্ণিত অৱতাৰবাদ। স্বয়ং ভগৱান কৃষ্ণ পৰমব্ৰহ্ম। “কৃষ্ণস্তু ভগৱান স্বয়ম্।” তেওঁ ধ্যানৰ অতীত সত্তা, তদুপৰি শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ মাজেদি মাথোন তেওঁ ধৰা দিয়ে। সেই নিৰ্গুণ, নিৰাকাৰ, নিৰ্বিশেষ পৰম ব্ৰহ্মৰ সগুণ সাকাৰ অৱতাৰেই হ'ল ভগৱান কৃষ্ণ। তেওঁ পৰমাত্মা, তেওঁ জীৱৰ আত্মাৰ আত্মা।

ভগৱন্ত কৃষ্ণক ভক্তি কৰাৰ লক্ষ্য কি? এই সম্পৰ্কে আলোচনা কৰিলে পোৱা যায় যে ভক্তিয়ে মানুহৰ চিত্ত শুদ্ধ কৰে। যিসকল লোক অত্যন্ত বিৰক্তও নহয়, অথচ অত্যন্ত আসক্তও নহয়, তথা পূৰ্বজন্মৰ সুকৰ্মজনিত সৌভাগ্য উদয়ৰ ফলত ভগৱন্ত লীলা কথা আদিত তেওঁলোকৰ শ্ৰদ্ধা-ভক্তি উপজিছে, সেইসকল লোক ভক্তিযোগৰ অধিকাৰী। ভগৱন্তৰ জ্ঞান-শক্তি আৰু কৰ্ম-শক্তি ইমান অপৰিসীম যে, সেই বিষয়ে চিন্তা কৰাও সাধাৰণ লোকৰ কাৰণে অসম্ভৱ। পৰমপুৰুষৰূপে সৃষ্টি পিতামহ ব্ৰহ্মাই “মই কেন দুৰ্বোধ দেখিয়ো ভগৱন্ত” বুলি নিজৰ মুৰ্খতা প্ৰকাশ কৰিছে। তেনেক্ষেত্ৰত অন্যান্য জীৱৰ কথা ক'বই নালাগে। সেই মহাপুৰুষীয়া ধৰ্মত সাধাৰণ লোকৰ বাবে জীৱৰ তৰণৰ একমাত্ৰ উপায় ভক্তিমাৰ্গ।

মহাপুৰুষ শঙ্কৰদেৱে 'কীৰ্ত্তন-ঘোষা'ৰ আৰম্ভণিতে প্ৰাৰ্থনা জনাইছে--

“প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।”

এইয়ে শঙ্কৰদেৱৰ প্ৰৱৰ্তিত মহাপুৰুষীয়া ধৰ্মৰ ভেটি। এই বাণী সাৰোগত কৰি স্ত্ৰী-পুৰুষ, জ্ঞানী-অজ্ঞানী, ব্ৰাহ্মণ-চণ্ডাল আদি সকলো মনুষ্যই ভগৱন্ত কৃষ্ণক উপাসনা কৰাৰ বাবে ভক্তিধৰ্ম মহাপুৰুষ শঙ্কৰদেৱে প্ৰচাৰ কৰি থৈ গৈছে। জীৱজগতৰ মোক্ষৰ

উপায় কেৱল যে ভগৱন্ত ভক্তি এনে আচাৰ পদ্ধতিকে 'কীৰ্ত্তন' পুথিৰ সৰ্বত্ৰ স্পষ্ট হৈ আছে।

ভাগৱত শাস্ত্ৰত বৰ্ণিত হৈছে-- জ্ঞানৰ পথ দুষ্কৰ, ভক্তিৰ পথ সুগম। একান্ত চিত্তে জ্ঞান বা অজ্ঞানে হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰিলে পাপৰ আলু উভালি পৰে। ঈশ্বৰ কৃষ্ণত একশৰণ ললে ভকতিৰ দুৱাৰ আপোনা-আপুনি খোল খায়। সাংসাৰিক মহাচক্ৰত 'অহাযোৱা কৰোতে জীৱই পাপ পুণ্যৰ দুৱাৰ দুখনেদি অনৰ্গল বৈ অহা নিকাৰ ভুঞ্জিয়েই থাকে।

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত মহাপুৰুষীয়া ধৰ্মৰ ৰচনাৰাজি, বিশেষকৈ কাব্যত সগুণ উপাসনাৰ কাব্য বুলি কোৱা হয়, কিন্তু তেওঁৰ নিজৰ আৰাধ্যদেৱ কৃষ্ণৰ নিৰ্গুণ ৰূপ সম্বন্ধে সম্পূৰ্ণ পৰিচিত। নিৰ্গুণৰ প্ৰতিপাদক বহুত আখ্যান তথা পদ-ঘোষা তেওঁৰ ৰচনাৱলীত সিঁচৰিত হৈ আছে। বস্তুতঃ শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শন সচ্চিদানন্দী চেতনাৰে পৰিপূৰ্ণ হৈ আছে আৰু তাৰ উপলব্ধিও একশৰণীয়া অথবা অতিমানস স্তৰতহে হোৱা সম্ভৱ। 'নাম-ঘোষা'ত ভক্তিৰ মাহাত্ম্য প্ৰকাশ কৰি কৈছে--

কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকে নচাৰে।
জ্ঞান কৰ্মভাৱে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।।--২০০

মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা এখনি ভক্তিবাদী শাস্ত্ৰ। ইয়াত ঈশ্বৰ কৃষ্ণৰ ভগবৎ মাহাত্ম্য প্ৰকাশ কৰি মহাপুৰুষ গৰাকীয়ে লিখিছে--

"হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদৰূপ
চৰাচৰ মায়াৰ বালিত।।" ৮৪

আকৌ--

"মায়া আদি কৰি সমস্তে অসন্ত
জানিবা জড় নিশ্চয়।
হৰি মাত্ৰ সন্ত চৈতন্য ঈশ্বৰ
পৰম তত্ত্ব নিৰ্ণয়।।" ২০৫

ভক্তিবাদত কৃষ্ণই একমাত্ৰ পৰম সত্য, চৈতন্য, সনাতন ঈশ্বৰ। তেওঁ নিত্য, শুদ্ধ আত্মা আৰু অখণ্ডিত জ্ঞানস্বৰূপ। কৃষ্ণ বা বিষ্ণুৰ বাহিৰে সমস্ত চৰাচৰ মায়াৰ আনন্দদায়ক বাঞ্চিত ৰূপ মাথো। মায়াও জড় জগতৰ ভিতৰুৱা বস্তু। কাল আৰু মায়া সৃষ্টি স্থিতি আৰু প্ৰলয়ৰ-- এই সকলোৰে অধিকাৰী মূল দেৱ কৃষ্ণ বা বিষ্ণু। বিষ্ণুৱেই সমস্ত জগতৰ সাৰ।

বেদান্তৰ ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ, অব্যক্ত শুদ্ধ চৈতন্য স্বৰূপ। এই নিৰ্গুণ ব্ৰহ্মত ৰসময় ভক্তি সম্ভৱ নহয়। সেইবাবে মহাপুৰুষীয়া একশৰণ ধৰ্ম ভক্তিৰসাত্মক ভাগৱত আৰু গীতাৰ কৃষ্ণ বা বিষ্ণু পূৰ্ণব্ৰহ্ম বা পৰমাত্মা। এই সগুণ ব্ৰহ্ম জগতৰ আনন্দস্বৰূপ কৃষ্ণদেৱতহে ভক্তি সম্ভৱ, কাৰণ ভক্তি মানেই হ'ল সচ্চিদানন্দ পৰমানন্দ পৰমেশ্বৰত পৰম আসক্তি বা প্ৰেম। মহাপুৰুষীয়া এক শৰণ ধৰ্মত কৃষ্ণ বা বিষ্ণুৱেই ব্ৰহ্মাৰ মূৰ্ত্তিমান জ্ঞানময় কলাযুক্ত ৰূপ।■■

**লেখক অৱসৰ প্ৰাপ্ত বিষয় শিক্ষক, ডেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়।**

# শ্ৰীমদ্ভগৱদ্গীতা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ

শ্ৰীঅঞ্জলি দেৱী

যদা যদাহি ধৰ্মস্য গ্লানির্ভবতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।
--গীতা, ৪/৭-৮

সমগ্ৰ ভাৰতৰ শাশ্বত সংস্কৃতিৰ বাঙ্ময় বিগ্ৰহ মহাভাৰতৰ ভীষ্মপৰ্বৰ অন্তৰ্গত শ্ৰীমদ্ভগদ্গীতাৰ চতুৰ্থ অধ্যায়ৰ এয়া অৰ্জুনৰ প্ৰতি শ্ৰীকৃষ্ণৰ মৰ্মবাণী। ইয়াৰ অৰ্থ হ'ল-- 'হে ভাৰত (অৰ্জুন) যেতিয়াই পৃথিৱীত ধৰ্মৰ পতন আৰু অধৰ্মৰ উদ্ভৱ হয়। তেতিয়াই পৃথিৱীত মই নিজকে সৃষ্টি কৰো। সাধুসকলৰ ৰক্ষাৰ কাৰণে আৰু দুষ্টৰ বিনাশৰ বাবে, পৃথিৱীত ধৰ্ম প্ৰতিষ্ঠাৰ বাবে মই যুগে যুগে অৱতাৰ ধৰো।'

শ্ৰীমদ্ভৱদ্গীতাত চমুকৈ গীতা পৃথিৱীৰ সকলো মানুহৰ সকলো সময়ৰ উপযোগী এক সৰ্বোৎকৃষ্ট আধ্যাত্মিক তত্ত্বগধুৰ দাৰ্শনিক গ্ৰন্থ। পৃথিৱীৰ প্ৰায় সকলো ভাষালৈ ই অনুদিত হৈছে। গীতা বেদান্তদৰ্শনৰ প্ৰস্থানএয়ীৰ অন্যতম্। গীতা শাস্ত্ৰ কাব্যও। চাৰি হাজাৰৰো ওপৰ কাল জুৰি গোটেই বিশ্বৰ অলেখ মনিষীৰ জীৱন আৰু চিন্তাধাৰাৰ ওপৰত গীতা শাস্ত্ৰই গভীৰ প্ৰভাৱ পেলাই আহিছে। শঙ্কৰ, ৰামানুজ মধ্ব, নিৰ্ম্বাক প্ৰভৃতি বেদান্ত দৰ্শনৰ আচাৰ্যসকলে নিজ নিজ মতবাদৰ লগত মিলাই গীতাৰ ব্যাখ্যা দাঙি ধৰিছে। সাম্প্ৰতিক কালত বাল গঙ্গাধৰ তিলক, শ্ৰীঅৰবিন্দ, মহাত্মা গান্ধী, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ প্ৰভৃতি মনীষীসকলে গীতা শাস্ত্ৰৰ নতুন নতুন ব্যাখ্যা দাঙি ধৰিছে।

কেৱল সংস্কৃত সাহিত্যৰ ক্ষেত্ৰতেই নহয়-- সমগ্ৰ বিশ্বতেই শ্ৰীমদ্ভগৱদ্গীতাৰ গুৰুত্ব আৰু মহত্ব অপৰিসীম। ব্যাসদেৱ ৰচিত মহাভাৰত, যাক 'পঞ্চমবেদ' বুলি কোৱা হয় তাৰেই ভীষ্মপৰ্বৰ অন্তৰ্গত গীতা এখন উপনিষদ্ গ্ৰন্থ। উপনিষদবোৰেই ভাৰতীয় দৰ্শনৰ মূল ভেটি। সকলো উপনিষদৰে সাৰতত্ত্ব নিহিত হৈ থকা কাৰণে গীতাৰ আন নাম সৰ্বোপনিষদ্। পৰমাৰ্থ প্ৰাপ্তিৰ উপায় হিচাপে ভক্তি, জ্ঞান আৰু কৰ্মৰ ইমান সুসমন্বিত ব্যাখ্যা আৰু বিশ্বাসযোগ্য মূল্যায়ন গীতাৰ বাহিৰে আন শাস্ত্ৰত বিৰল।

সৰ্বোপনিষদো গাবো দোগ্ধা গোপাল নন্দনঃ
পাৰ্থোবৎস সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।।
--গীতাধ্যানম্, ৫

ইয়াক উপনিষদ আখ্যা দিয়া হৈছে এটা বিশেষ কাৰণত। উপনিষদ সাধাৰণতে ব্ৰাহ্মণৰ পৰিশিষ্ট। উপনিষদৰ ব্যুৎপত্তিগত অৰ্থ হ'ল উপ-নিষন্ন অৰ্থাৎ কাষত বহা। ইয়াক ৰহস্য বিদ্যা বুলিও কোৱা হয়। ইয়াৰ পৰাই গোপন সভা, গুহ্য বিদ্যা, নিগুঢ় তত্ত্বৰ একান্ত ব্যাখ্যা নিভৃত গভীৰ ৰহস্য জ্ঞানপ্ৰাপ্তি আদি ধাৰণাৰ উদ্ভৱ হৈছে। ইয়াৰ বিকৃত অৰ্থ এটাও আছে। উপনিষৎ প্ৰয়োগৰ অৰ্থ হ'ল-- অভিচাৰ, কুমন্ত্ৰ কৰা, গোপনে বিহ দি হত্যাৰ ষড়যন্ত্ৰ কৰা।

সেয়া যি কি ন'হওক-- অধ্যাত্ম ভাৱনাৰ ওপৰত আধাৰিত এক নতুন উপলব্ধিৰ উৎস হ'ল গীতা। ভাৰতীয় মনীষীসকলৰ চিন্তা পৰম্পৰাৰ এই পৰম উপলব্ধিৰ আধাৰ গুণেই গীতাক উপনিষদ বুলি কোৱা হৈছে। এই উপলব্ধিৰ ব্যাখ্যা শ্ৰীকৃষ্ণই একান্ত নিভৃতে অৰ্জুনৰ আগত উন্মোচিত কৰিছে।

উপনিষদৰ ব্ৰহ্মবোধ আৰু জ্ঞানযোগৰ পিছত ভাৰতীয় অধ্যাত্ম চিন্তাত ভক্তিযোগৰ বিস্তাৰ হৈছিল। এই তিনিওটাৰ সমন্বয়েই হ'ল গীতা। অৱতাৰবাদত নিষ্পন্ন ব্যক্তি ঈশ্বৰত্বৰ ইমান প্ৰকট প্ৰতিপাদন গীতাৰ বাহিৰে আন ক'ৰবাত আছে বুলি জনা নাযায়। সেই বাবেই হয়তো মহাপুৰুষ শঙ্কৰদেৱেও গীতাক অনুকৰণ কৰি কৃষ্ণ স্বৰূপ আৰু গুণ প্ৰকাশ কৰিছিল। শঙ্কৰদেৱৰ একশৰণ ধৰ্মত যেনেকৈ এক দেৱ, এই সেৱ তেনেকৈ গীতাতো ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক

সকলো ধৰ্ম পৰিত্যাগ কৰি তেওঁতেই শৰণাপন্ন হ'বলৈ উপদেশ দিছে।

সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যোঃ মোক্ষয়িষ্যামি মা শুচঃ।।
-- গীতা, ১৮/৬৬

গীতা শব্দৰ ব্যাখ্যা শ্ৰীমৎসদানন্দ ব্ৰহ্মচাৰীয়ে এনে ধৰণে কৈছে-- গায়ন্তং ত্ৰায়য়ে ইতি গীতা। গীতা + আ গীতা 'গ'- গমন কৰা বা গোৱা, ঈ- শক্তি, যি শক্তিয়ে উৰ্দ্ধমুখে আকৰ্ষণ কৰি পৰমাত্মাত বিলীন কৰে, 'ত'- ব্ৰহ্ম, য'ত লয় হ'লে পুনৰাগমন নহয়। 'আ' 'সংযোগ' অৰ্থাৎ যিয়ে মিলন ঘটায়। যি শক্তিৰ দ্বাৰা গানত তন্ময় হৈ উৰ্দ্ধমুখে আকৰ্ষণ কৰি পৰমব্ৰহ্মত সংযোগ ঘটায় তেওঁৰ লগত অভেদ মিলন কৰি দিয়ে, সেয়ে গীতা।

শ্ৰীকৃষ্ণৰ পৰমভক্ত অৰ্জুনৰ মোহভঙ্গ কৰিবলৈ ভগৱানৰ দ্বাৰা প্ৰবোধিত শক্তিয়েই গীতা নামেৰে ভগৱান নাৰায়ণৰ মুখপদ্মৰ পৰা বিনিসৃত হৈছিল আৰু সেইবাবেই ইয়াৰ নাম শ্ৰীমদ্ভগৱদ্গীতা।

গীতা সুগীতা কৰ্তব্যা কিমন্যৈঃ শাস্ত্ৰবিস্তৰৈঃ।
যা স্বয়ং পদ্মনাভস্য মুখপদ্মদ্বিনিঃ সৃতাঃ।।

শ্ৰীমন্ত শঙ্কৰদেৱেও ভাগৱতত কৈছে--

সৃষ্টি স্থিতি লয় হোৱন্তে আচয়
তুমি হেতু ভগৱন্ত।। -ভাগৱত, ৮ম

আকৌ--

পৰম ঈশ্বৰ হেন কৃষ্ণ কৃপাময়।
যাৰ কটাক্ষতে হোৱে সৃষ্টি স্থিতি লয়।।
-- ভাগৱত, ১১শ

গীতা কোনো সংসাৰত্যাগী সন্ন্যাসীৰ কাৰণে ৰচিত শাস্ত্ৰ নহয়। সংসাৰতে থাকি উদাৰ মানৱতা তথা আধ্যাত্মিকভাৱে জীৱন-যাপন কৰি কেনেকৈ নিজক আৰু সমাজক মহীয়ান কৰিব পাৰি সেই উপদেশকেই গীতাই দিছে। গীতা কৰ্মযোগ, ভক্তিযোগ, জ্ঞানযোগ, ধ্যানযোগ কোনো পৃথক পৃথক যোগ নহয়, সকলোটিয়েই একেলগে সাঙোৰ খোৱা। স্বামী বিবেকানন্দই কৈ গৈছে-- উপনিষদৰ আধ্যাত্মিক তত্ত্বৰ ফুলখিনি তুলি আনি গীতাৰূপ এই মনোহৰ মালাধাৰি গথা হৈছে।

জ্ঞান, কৰ্ম আৰু ভক্তি যোগৰ সমন্বয় গীতা শাস্ত্ৰ ১৮টা অধ্যায়ত বিভক্ত। ইয়াত সৰ্বমুঠ সাত (৭০০) শ শ্লোক আছে। আত্মাৰ অবিনশ্বৰত্ব, নিষ্কাম কৰ্মযোগ, আৰু সম্পূৰ্ণ ঈশ্বৰত আত্মসমৰ্পণ-- এয়াই গীতাৰ মৰ্মবাণী। কৃষ্ণই একমাত্ৰ ঈশ্বৰ। সকলো ভুততেই তেওঁ বিৰাজিত।

মহাভাৰতৰ যুদ্ধত অৰ্জুনে যেতিয়া সন্মুখ সমৰত আত্মীয় স্বজনকে প্ৰতিপক্ষৰূপে পাই যুদ্ধ নকৰো বুলি কৈছিল, তেতিয়া শ্ৰীকৃষ্ণই অৰ্জুনৰ মোহভঙ্গ কৰিবলৈ গভীৰভাৱে ধৰ্ম, জ্ঞান আৰু কৰ্মৰ মাজেৰে স্থিতপ্ৰজ্ঞৰ লক্ষণ শুনাই সকলো প্ৰকাৰ কাম্যকৰ্ম পৰিত্যাগ কৰি অনাসক্তভাৱে স্বধৰ্ম পালন কৰিবলৈ উপদেশ দিছে। কৰ্মযোগৰ দ্বাৰা কামকৰি, জ্ঞানযোগৰ দ্বাৰা বিনাশ কৰি বিশুদ্ধ হৈ ভক্তিযোগৰ দ্বাৰা সমস্ত কৰ্মফল ভগৱানত অৰ্পণ কৰিব পাৰিলেই মোক্ষৰ দ্বাৰ আপোনা আপুনি খোলা যায়। জগতত অন্যায় অধৰ্ম আঁতৰাই ন্যায়ধৰ্ম প্ৰতিষ্ঠা কৰাটোৱেই গীতাৰ উপদেশৰ মূল তাৎপৰ্য। গীতাত কৰ্ম, জ্ঞান আৰু ভক্তিৰ মাজত যি সমন্বয় দেখুৱা হৈছে সিয়েই গীতাৰ পূৰ্ণাঙ্গ যোগ। গীতাৰ যি যোগী সি একেধাৰে জ্ঞানী কৰ্মী আৰু ভক্ত। গীতাত যি কৰ্মৰ কথা কোৱা হৈছে সেয়া সাত্বিক কৰ্ম। সাত্বিক কৰ্ম কৰিবলৈ হ'লে মানুহে কৰ্মযোগী হ'ব লাগিব। কৰ্মযোগী হ'বৰ বাবে জ্ঞান আৰু ভক্তিৰ প্ৰয়োজন। জ্ঞান ভক্তিৰ বিনা নিষ্কাম কৰ্ম অসম্ভৱ। প্ৰকৃত জ্ঞান লাভ কৰি ভগৱানত ভক্তিৰাখি অনাসক্ত হৈ কৰ্ম কৰাটোৱেই গীতাৰ কৰ্মমাৰ্গ। তাত কৰ্মফলৰ কোনো স্থান নাই। ভগৱান শ্ৰীকৃষ্ণই কৈছে--

ন মাং কৰ্মাণি লিম্পন্তি ন মে কৰ্মফলে স্পৃহা।
ইতি মাং যোহভিজানাতি কৰ্মভিৰ্ন স বধ্যতে।।
-- গীতা, ৪/১৪

প্ৰস্তুয়মান প্ৰবন্ধত গীতাৰ দ্বিতীয় অধ্যায়ৰ স্থিতপ্ৰজ্ঞৰ লক্ষণ সম্বন্ধে পৰ্যালোচনা আগবঢ়োৱা হ'ব।

গীতাৰ দ্বিতীয় অধ্যায়ৰ নাম সাংখ্যযোগ। এই সাংখ্য যোগত শ্ৰীকৃষ্ণই অৰ্জুনক শোকবিমূঢ় অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰথমে দেহতত্ত্ব আৰু আত্মতত্ত্বৰ কথা বৰ্ণনা কৰিছে। দেহধৰ্ম আৰু আত্মতত্ত্ব সম্বন্ধে বৰ্ণনা কৰিবলৈ গৈ দেহৰ নশ্বৰতা আৰু আত্মাৰ অবিনাশীতা প্ৰতিপাদন কৰিছে। কৌমাৰ, যৌৱন, জৰা দেহৰ এই অৱস্থান্তৰ প্ৰাপ্তিৰ দৰে মৃত্যুও অৱস্থান্তৰ প্ৰাপ্তিহে মাত্ৰ। আত্মা অজৰ অমৰ। সুখ-দুখ আদি দেহধৰ্ম বিলাক যিয়ে সহ্য কৰে তেওঁ অম্বতত্ত্ব আৰু নিত্যানন্দ লাভ কৰে। সৎবস্তুৰ বিনাশ নাই আৰু অসৎ বস্তুৰ স্থিতি নাই। যিয়ে সৎ আৰু অসৎ বস্তুৰ স্বৰূপ দৰ্শন

কৰিব পাৰে তেৱেঁই তত্বদৰ্শী সত্যদ্ৰষ্টা। এই আত্মাও নিত্য, শাশ্বত, সনাতন। জীৰ্ণ বস্ত্ৰ পৰিত্যাগ কৰি অন্য নতুন বস্ত্ৰ পৰিধান কৰাৰ দৰে আত্মাইও পুৰণি দেহ ত্যাগ কৰি নতুন দেহ ধাৰণ কৰে। দেহৰ ধ্বংসত দেহী (আত্মা) ধ্বংস নহয়। আত্মা যে নিত্য নিৰ্বিকাৰ সনাতন শাশ্বত এই কথাকেই মধুসূদনে অৰ্জুনৰ আগত দ্বিতীয় অধ্যায়ত দাৰ্শনিক তত্ত্বগধুৰ ভাষাৰে বৰ্ণনা কৰাৰ ছলেৰে সমগ্ৰ মানৱ জাতিলৈও সেই উপদেশকেই দিছে।

আত্মাতত্ত্বৰ বিষয়ে কোৱাৰ পিছত শ্ৰীকৃষ্ণই অৰ্জুনক কৰ্মতত্ত্ব সম্পৰ্কে জ্ঞান দিছে। গীতাত স্বধৰ্মকেই শ্ৰেষ্ঠধৰ্ম অৰ্থাৎ আত্মধৰ্ম বা প্ৰাণ কৰ্ম বোলে। প্ৰাণেই আত্মা আৰু প্ৰাণৰ কৰ্মৰূপ প্ৰাণায়াম আদিয়েই আত্মধৰ্মৰূপ স্বধৰ্ম-- 'প্ৰাণায়ামো সহাধৰ্মো বেদানামপ্যগাচৰঃ'। গীতাই যজ্ঞকৰ্ম কৰিবলৈ দিছে যদিও তাক নিষ্কাম ভাৱেহে কৰিবলৈ কৈছে। যোগস্থ হৈ ফল কামনা বৰ্জন কৰি লাভালাভ, সিদ্ধি-অসিদ্ধি সমজ্ঞান কৰি যুদ্ধ কৰিবলৈ শ্ৰীকৃষ্ণই অৰ্জুনক উপদেশ দিছে। এই সমত্ব বুদ্ধিয়েই যোগ। সাম্যবুদ্ধিযুক্ত কৰ্মকেই নিষ্কাম কৰ্ম বোলে। গীতাই সাত্ত্বিক কৰ্ম কৰিব লাগে বুলি কৈছে। গীতাত কৰ্মবিলাকক সাত্ত্বিক ৰাজসিক, তামসিক হিচাপে ভাগ কৰিছে। সাত্ত্বিক কৰ্ম কৰিবলৈ হ'লে কৰ্মযোগী হ'ব লাগিব। কৰ্মযোগী হ'বৰ বাবে জ্ঞান আৰু ভক্তিৰ প্ৰয়োজন। জ্ঞান আৰু ভক্তিবিনা নিষ্কাম কৰ্ম সম্ভৱ নহয়। বুদ্ধিযুক্ত মনীষীসকলে কৰ্মজনিত ফল ত্যাগ কৰি জন্মৰূপ বন্ধনৰ পৰা মুক্ত হৈ অনাময় মোক্ষ পদ লাভ কৰে। কৰ্তাই ফল কামনা ত্যাগ কৰি অনাসক্তভাৱে আৰু অৱশ্য কৰ্তব্য বুলি যি কৰ্ম কৰে সেয়াই সাত্ত্বিক কৰ্ম। গীতাই নিয়ত কৰ্মকেই সাত্ত্বিক কৰ্ম বুলিছে আৰু নিয়ত কৰ্মই হ'ল স্বধৰ্ম। কৰ্মকাণ্ডযুক্ত বেদসমূহ ত্ৰিগুণাত্মক (সত্ব, ৰজঃ, তমঃ)। ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক ত্ৰিগুণাতীত অৰ্থাৎ নিষ্কামী হৈ কাম কৰি যোৱাৰ উপদেশ দিছে।

প্ৰকৃতি অনুসৰি মানুহকো গীতাত দুভাগত বিভক্ত কৰিছে-- দৈৱী আৰু আসুৰী। দৈৱী প্ৰকৃতিৰ মানুহৰ গাত নিৰ্ভিকতা, চিত্তশুদ্ধি, আত্মজ্ঞান আৰু যোগত একনিষ্ঠা, দান, বাহ্যেন্দ্ৰিয়সংযম, যজ্ঞ, বেদপাঠ, তপস্যা (স্বধৰ্ম পালন), সৰলতা, অহিংসা, সত্যবাদিতা, ক্ৰোধশুণ্যতা, কৰ্মফল ত্যাগ, শান্তভাৱ, পৰনিন্দাবৰ্জন, সকলো প্ৰাণীৰ প্ৰতি দয়া, লোভহীনতা, নম্ৰতা, কুকৰ্ম, কুচিন্তাৰ প্ৰতি লজ্জাবোধ, তেজস্বিতা, ক্ষমা ধৈৰ্য, শুচিভাব, পৰৰ অনিষ্টসাধনৰ পৰা বিৰত থকা আৰু অনাভিমানিতা আদি গুণবোৰ থাকে।

আসূৰী প্ৰকৃতিৰ লোকৰ গাত দম্ভ, দৰ্প, অভিমান, ক্ৰোধ, কঠোৰবাক্য প্ৰয়োগ, অজ্ঞানতা— এই গুণবোৰ থাকে। দৈৱী সম্পদৰ পৰা মোক্ষলাভ আৰু আসূৰী সম্পদৰ পৰা সংসাৰ বন্ধন হয়। কাৰণ দৈৱী প্ৰকৃতিৰ লোকসকল স্থিতপ্ৰজ্ঞ, ভগৱদভক্ত আৰু ত্ৰিগুণাতীত হয়। আসূৰী প্ৰকৃতিৰ মানুহৰ ধৰ্মাধৰ্ম, কৰ্তব্যাকৰ্তব্যৰ জ্ঞান নাথাকে। শ্ৰীকৃষ্ণৰ মতে অৰ্জুন দৈৱ প্ৰকৃতিৰ লোক। গতিকে তেওঁ ত্ৰিগুণাতীত, নিষ্কামী আৰু স্থিতপ্ৰজ্ঞ।

এতিয়া কথা হ'ল স্থিতপ্ৰজ্ঞনো কি? প্ৰজ্ঞাত যি স্থিত হৈছে-- অৰ্থাৎ প্ৰকৃত জ্ঞানত যাৰ চিত্ত নিবিষ্ট হৈছে তেৱেঁই স্থিতপ্ৰজ্ঞ। যেতিয়া মানুহে অজ্ঞান ৰূপ। বুদ্ধি অতিক্ৰম কৰি বিক্ষিপ্ত মন সমাহিত কৰিব পাৰে, তেতিয়াই নিজকে নিজে সন্তুষ্ট হ'ব পৰা যায়। নিজকে নিজ পৰিতুষ্ট হ'লেই অহং ভাব তিৰোহিত হয় আৰু পৰমানন্দৰূপী আত্মাত স্বয়ং পৰিতুষ্ট হয়। আত্মাত পৰিতুষ্ট হ'লেই মন ব্ৰহ্মত সমাহিত হৈ স্থিৰতা লাভ কৰে আৰু বোধ শক্তিৰ ক্ৰিয়াইও স্পন্দন ৰহিত হৈ যোগপ্ৰাপ্ত হয়।

অৰ্জুনে শ্ৰীকৃষ্ণক সুধিছে-- হে কেশৱ সমাধিস্থ স্থিতপ্ৰজ্ঞৰ লক্ষণ কি আৰু স্থিতিধীঃসকলে কেনেকুৱা কথা কয় বা আচৰণ কৰে? তেতিয়া ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে--

প্ৰজাহাতি যদি কাম্‌ সৰ্বান্‌ পাৰ্থ সযোগতান্‌।
আত্মন্যেবাত্মনা তুষ্টঃ স্থিতপ্ৰজ্ঞস্তদোচ্যতে।।

-- গীতা, ২/৫৫

হে পাৰ্থ-- মানুহে যেতিয়া সকলো কামনা বাসনাৰ পৰা মুক্ত হৈ নিজেই নিজত সন্তুষ্ট হয়, তেওঁকেই স্থিতপ্ৰজ্ঞ ব্যক্তি বুলি কোৱা হয়। নিষ্কামকৰ্মী জিতেন্দ্ৰিয় ব্যক্তিয়ে বিষয়-বাসনা, অহংভাব, সকলো বিষয়তে মমতাশূন্য হৈ প্ৰজ্ঞাত অধিষ্ঠিত হয় আৰু তেওঁৰ বুদ্ধি ব্ৰহ্মত উৎসৰ্গীকৃত কৰে। শ্ৰীভগৱানে কাছৰ উপমাৰ লগত স্থিতপ্ৰজ্ঞ ব্যক্তিক তুলনা কৰিছে। কাছই যেনেকৈ সকলো অঙ্গ-প্ৰতঙ্গ সংহৰণ কৰি নিজতেই সোমাই ৰাখি দৰকাৰ অনুসৰি ব্যৱহাৰ কৰে তেনেকৈ স্থিতপ্ৰজ্ঞ ব্যক্তিয়েও ইন্দ্ৰিয় সংযমৰ দ্বাৰা সকলো প্ৰকাৰ বিষয়-বাসনা পৰিত্যাগ কৰি প্ৰজ্ঞাত অধিষ্ঠিত হয়। ইন্দ্ৰিয় সংযম কৰাটো যথেষ্ট কষ্টসাধ্য কাম। কিয়নো চঞ্চল

ইন্দ্ৰিয়বোৰে বিবেকী পুৰুষৰো মন হৰণ কৰিবলৈ চেষ্টা কৰি থাকে। গতিকে ভগৱানৰ অনন্য ভক্ত হৈ তেওঁতেই চিত্ত অৰ্পণ কৰিলেই প্ৰজ্ঞাত অধিষ্ঠিত হ'ব পাৰে। যোগী ব্যক্তিয়ে ইন্দ্ৰিয় বশীভূত কৰি আত্মপৰায়ণ হৈ নিজতে নিজে মগ্ন হৈ থকা ফলত তেওঁৰ প্ৰজ্ঞা ব্ৰহ্মত অধিষ্ঠিত হয়।

বিষয়ী পুৰুষৰ কথা গীতাত এনেদৰে কৈছে-- বিষয় বাসনাৰ পৰা মানুহৰ আসক্তি ওপজে, আসক্তিৰ পৰা কামনা, কামনাৰ পৰা ক্ৰোধ, ক্ৰোধৰ পৰা সম্মোহ, সম্মোহৰ পৰা স্মৃতিবিভ্ৰম, স্মৃতিবিভ্ৰমৰ পৰা বুদ্ধিনাশ আৰু বুদ্ধি নাশ হ'লে বিনাশ হয় (২/৬২-৬৩)। ৰাগদ্বেষহীন আত্মবশীভূত অৱস্থাত সংযতমনা পুৰুষে বিষয়সমূহ উপভোগ কৰি আত্মপ্ৰসাদ লাভ কৰে। সংসাৰ সমুদ্ৰৰূপ ভৱসমুদ্ৰত নৰদেহ তৰণীৰ স্বৰূপ। সাগৰত চলা জাহাজে যেনেকৈ দিক্ নিৰ্ণায়ক যন্ত্ৰটোৰ দ্বাৰা লক্ষ্য স্থানত উপনীত হ'বলৈ সক্ষম হয়, তেনেদৰে মানুহেও ইন্দ্ৰিয়সকলৰ দ্বাৰা বিষয় বিমুখ হৈ প্ৰজ্ঞাত অধিষ্ঠিত হ'ব পাৰে।

মুঠতে যি পুৰুষে সৰ্বকামনা পৰিত্যাগ কৰি নিৰ্মম নিৰহংকাৰী হৈ জীৱন নিৰ্বাহ কৰে, তেৱেঁই পৰম শান্তি লাভ কৰে আৰু এই অৱস্থাকে ব্ৰাহ্মীস্থিতি বুলি কোৱা হয়। ব্ৰহ্মীস্থিতি প্ৰাপ্ত হোৱা পুৰুষেই মোক্ষপ্ৰাপ্ত অৰ্থাৎ নিৰ্বাণ লাভ কৰে। এইদৰে গীতাই দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক স্থিতপ্ৰজ্ঞ ব্যক্তিয়ে কেনেকৈ নিৰ্বাণ প্ৰাপ্ত হৈ ভগৱানৰ পৰমপদ লাভ কৰি ব্ৰহ্ম নিৰ্বাণ লাভ কৰিব পাৰে তাক সুন্দৰকৈ আধ্যাত্মিক ভাষাত বৰ্ণনা কৰিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও ভগৱান কৃষ্ণত একান্ত ভকতি ৰাখিবলৈ আহ্বান জনাইছে। শঙ্কৰদেৱৰ মতে ঈশ্বৰ সমস্ত ভূততে ব্যাপ্তমান। ঈশ্বৰ ভক্তিৰ বাবে জ্ঞানৰ প্ৰয়োজন। অজ্ঞানতা আৰু অজ্ঞানতাজনিত অহঙ্কাৰৰ প্ৰতীক ৰূপত হিৰণ্যকশিপুক গ্ৰহণ কৰা হৈছে। তাৰ বিপৰীতে ভক্তিযুক্ত জ্ঞান অথবা জ্ঞানযুক্ত ভক্তিৰ আদৰ্শৰূপে প্ৰহ্লাদক গ্ৰহণ কৰা হৈছে। প্ৰহ্লাদৰ মুখত গভীৰ অধ্যাত্মজ্ঞানৰ কথা যিদৰে দিয়া হৈছে, ঠিক সেইদৰে ঐকান্তিক ভক্তিৰ কথাও কোৱা হৈছে। যাৰ অধ্যাত্ম জ্ঞান নাই, তেওঁ অন্ধৰ দৰে। চকুৰ আগতে মানিক থাকিলেও নেদেখাৰ নিচিনাকৈ চকুৰ আগত থাকিলেও ভকত আৰু ভগৱন্তক দেখা নাপায়। সেই বাবেই জয়-বিজয়ে বৈকুণ্ঠত থাকিও ভকত আৰু ভগৱন্তক উপলব্ধি কৰিব নোৱাৰিলে। ঠিক সেইদৰে নানা ধৰণে বুজোৱা সত্ত্বেও আৰু শিলৰ স্তম্ভৰ পৰা সাক্ষাৎ ভগৱন্ত ওলাওতেও হিৰণ্যকশিপুৱে ব্ৰহ্ম বা ভগৱানক উপলব্ধি কৰিব নোৱাৰিলে। আৰ্চিত মুখখন প্ৰতিবিম্বিত হ'বলৈ মুখখন আৰু আৰ্চিখন থাকিলেই নহ'ব, আৰ্চিখন পৰিষ্কাৰ হ'বও লাগিব। হিৰণ্যকশিপুৱে ভগৱানক চিনি পাবৰ বাবে তেওঁৰ হৃদয় আৰ্চিখন পৰিষ্কাৰ হোৱাৰ বিপৰীতে অজ্ঞানতাৰ মলি আৰু আসুৰীক প্ৰবৃত্তিৰে ঢাক খাই আছিল। শঙ্কৰদেৱে শ্ৰৱণ-কীৰ্ত্তনকে ভক্তিৰ শ্ৰেষ্ঠতম উপায় বুলি কৈছে। শঙ্কৰদেৱৰ আদৰ্শত ভক্তিহীনজনৰ যিকোনো সময়তে আৰু যিকোনো পৰিস্থিতিতে বিপদ হ'ব পাৰে। এই ক্ষেত্ৰত প্ৰহ্লাদ চৰিতৰ জয়-বিজয়লৈ আঙুলিয়াব পাৰি। জয়-বিজয় ঘটনাক্ৰমে বৈকুণ্ঠবাসী হৈছিল সঁচা; কিন্তু জ্ঞানৰ বলত বৈকুণ্ঠগামী হোৱা নাছিল। পিতৃকৰ্মৰ ফলতহে তেওঁলোকে বৈকুণ্ঠত ঠাই পাইছিল। তেওঁলোকৰ অধ্যাত্মকজ্ঞান আৰু হৰিভক্তি দুয়োটাই নাছিল। এনে কাৰণত চাৰি সিদ্ধক চিনি নাপাই বেত্ৰাঘাত কৰিলে। যাৰ ফলত তেওঁলোক দুয়ো বৈকুণ্ঠৰ পৰা পতিত হ'ল আৰু অসুৰৰ ঘৰত জন্ম ল'ব লগা হ'ল। মুঠতে ভকত আৰু ভগৱানক চিনি পাবলৈ হ'লে হৰিভক্তিৰ দ্বাৰা অহংভাৱ আৰু অসুৰ ভাৱক নিৰ্মূল কৰিবও লাগিব। জয়-বিজয়ৰ কাহিনীৰ মাজেৰে আচলতে পৰমাৰ্থ জ্ঞান আৰু হৰিভক্তি দুয়োটাৰ গুৰুত্ব সমানে দেখুৱা হ'ল। ভগৱানক লাভ কৰাৰ বাবে শঙ্কৰদেৱে ভকতিমাৰ্গত শ্ৰৱণ-কীৰ্ত্তনক প্ৰথমতে গুৰুত্ব দিয়ে। শ্ৰৱণৰ যোগেদি পৰম ব্ৰহ্মৰ সৰ্বময় সত্তা উপলব্ধি হোৱাৰ লগে লগে ভক্তৰ মনত ভগৱানৰ প্ৰতি ভক্তিভাৱৰ উদয় হয়। পৰম বিশ্বাসেৰে হৰিনাম ল'লে, নাম লওঁতাজনৰ পাতক (পাপ) দহন হয়। অৰ্থাৎ মায়ামোহৰ পৰা আঁতৰি আহে। যিটো কথা গীতাইয়ো কৈছে।

বৰ্তমান প্ৰবন্ধত শঙ্কৰদেৱৰ ৰচনা সম্ভাৰ লগত শ্ৰীমদ্ভগৱদ্‌গীতাৰ ভালেমান সাদৃশ্য দেখুৱাব পৰা উদাহৰণ আছে। কাৰণ শঙ্কৰদেৱে শ্ৰীমদ্ভগৱদ্‌গীতাৰ ভক্তিতত্ত্বক মানি লৈছে। কিন্তু প্ৰবন্ধৰ পৰিসৰ বৃদ্ধিত অসুবিধাৰ বাবে মাত্ৰ দুটা উদাহৰণেৰে সামৰা হ'ল।■■

**লেখিকা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰবক্তা।**

# ৰামায়ণ আৰু শ্ৰীশঙ্কৰদেৱ ঃ নিবিড় সম্বন্ধৰ সংশ্লেষণ

ড° মালিনী গোস্বামী

পৰিণতপ্ৰজ্ঞ কবি শ্ৰীশঙ্কৰদেৱৰ অন্তিম ৰচনা *শ্ৰীৰামবিজয়* নাটকৰ বাবে কথাবস্তু আদিকবি বাল্মীকি বিৰচিত *ৰামায়ণ*ৰ পৰা চয়ন কৰা হৈছিল। শঙ্কৰদেৱৰ গুণমুগ্ধ বেহাৰ ৰাজ্যৰ প্ৰধান সেনাপতি চিলাৰায় দেৱানৰ অনুৰোধত এই নাট ৰচনা কৰা হৈছিল বুলি গুৰুচৰিত কথাত পোৱা যায়— "আৰু চোট দেৱানে প্ৰাৰ্থনা কৈলে *ৰামায়ণ*ৰ নাট কৰিবলৈ ঃ একে নিশা নাট সুত্ৰ গীত ভটিমা কথা কৰি সুনাইছে ৰজাক...... গুৰুজনে তাতে কাপকাঠি এৰিছে।" (ছেদ ৩৮৪)। ৰামায়ণৰ কথাৰে কাপকাঠি এৰাৰ আগতেও ৰামায়ণৰ পৰা সমল আহৰণ কৰি তেখেতে বিশালায়তন সাহিত্যসৃষ্টি কৰি থৈ গৈছে। এই কথা স্বীকাৰ্য যে শঙ্কৰদেৱৰ বাবে সাহিত্য-সৃষ্টি প্ৰয়োজন সাপেক্ষ আৰু যুগ-সাপেক্ষ আছিল। মধ্যযুগত সমগ্ৰ ভাৰতবৰ্ষ চৌৰাই যোৱা ভক্তি আন্দোলনৰ প্ৰতিটো তৰঙ্গই ভিন ভিন ৰূপেৰে ভাৰতীয় মানুহৰ জীৱন প্ৰণালীৰ বিভিন্ন দিশ প্লাৱিত কৰি গৈছিল। তাৰে সবাতোকৈ শক্তিশালী জোৱাৰটো আহিছিল সাহিত্য ৰূপে। নৱম শতিকাত ভাৰতীয় ইতিহাসৰ এক সন্ধিক্ষণত সৃষ্টি হোৱা ভাগৱতপুৰাণৰ বক্তব্য আৰু আদৰ্শই ভাৰতীয়সকলৰ চলন-ফুৰণ, ধৰ্ম-দৰ্শন, খাদ্যাখাদ্য, পোছাক-পৰিচ্ছদ, উৎসৱ-পাৰ্বণ, বিশ্বাস-অন্ধবিশ্বাস আদি সকলোতে প্ৰভাৱ পেলাইছিল। প্ৰান্তীয় দেশসমূহে তেনে সৰ্বভাৰতীয় আদৰ্শক স্থানীয় সংস্কৃতিৰ লগত খাপ খুৱাই নিজৰ বাবে উপযুক্ত কৰি প্ৰস্তুত কৰি লৈছিল যদিও *ভাগৱত*ৰ আদৰ্শক সদায় মান্যতা দিছিল। ভাগৱত পুৰাণৰ অন্যতম প্ৰত্যয় অৱতাৰবাদকো তদানীন্তন আধ্যাত্মিক চিন্তানায়কসকলে ধৰ্মীয় বিশ্বাসত স্থান দিছিল। ভাগৱতোক্ত সকলো অৱতাৰৰ ভিতৰত ৰামাৱতাৰক বিষয়ৰূপে লৈ ইতিপূৰ্বে প্ৰাচীন যুগত ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন গ্ৰন্থ ৰচিত হৈছিল। সেই সকলোবোৰ গ্ৰন্থৰ উৎস হ'ল ৰামকথাৰ প্ৰৱৰ্তক বাল্মীকি বিৰচিত আদিকাব্য *ৰামায়ণ*। দশম শতিকাৰ আগতে ৰচিত প্ৰায় সকলোবোৰ পুৰাণতে বিষ্ণুৰ অৱতাৰূপে ৰামৰ দেৱত্ব প্ৰতিপন্ন কৰা হৈছিল। চতুৰ্দশ শতিকাৰ ৰামানন্দ আৰু কবীৰ, ৰবিদাস, দাদু সৈন, পিপা আদি তেওঁৰ শিষ্যসকলে তথা তুলসীদাসৰ ৰামচৰিত মানসে ৰামক উপাস্যৰূপে গ্ৰহণ কৰি ৰামধৰ্ম প্ৰচাৰ কৰিলে আৰু তাৰ সমান্তৰালভাৱে বিকাশ লাভ কৰা কৃষ্ণমাৰ্গৰ প্ৰচাৰক সকলে কৃষ্ণ আৰু ৰামৰ অভেদত্ব কল্পনা কৰি দুয়োকে একেজন বিষ্ণুৰ দুটা ৰূপ বুলি অভিভজনা আৰম্ভ কৰিলে। বৈষ্ণৱ ভক্তিমাৰ্গীসকলৰ বাবে ৰাম আৰু কৃষ্ণৰ মৰ্যাদা সমান হৈ পৰিল। ফলত কৃষ্ণকথা আৰু ৰামকথাৰ ধাৰা দুটাই একেটা আধাৰকে আশ্ৰয় কৰি বৈষ্ণৱ সাহিত্যৰ বৃহৎ সম্ভাৰটি গঢ়ি তোলাত সহায়ক হৈ পৰিল। সেই সাহিত্যৰাজিৰ প্ৰণেতাসকলে *ৰামায়ণ*ক বেদৰ মান্যতা প্ৰদান কৰিলে। *ৰামায়ণ*ৰ উত্তৰাকাণ্ডৰ অন্তিম অধ্যায়ত ফলশ্ৰুতি প্ৰসঙ্গত পোৱা যায়— "ইদমাখ্যানময়াষ্যং সৌভাগ্যং পাপনাশনম্ ৰামায়ণং ৱেদসমং শ্ৰাদ্ধেযু শ্ৰাৱয়েদ্ বুধঃ।।" শঙ্কৰদেৱেও *ৰামায়ণ*ৰ প্ৰতি একে অভিমত পোষণ কৰিছিল। উত্তৰাকাণ্ডত পোৱা যায়— "বাল্মীকিৰ কৃত ৰামায়ণ যেন বেদ/ তাৰ কথা শুনি সৱে পাইবা পৰিচ্ছেদ//' শঙ্কৰদেৱৰ আধ্যাত্মিক আদৰ্শত ৰামায়ণে এনে এক উচ্চ স্থান অধিকাৰ কৰি লৈছিল যে তেখেতৰ শ্ৰব্য, দৃশ্য, পাঠ্য, পৰিবেশ্য, ৰৈখিক আৰু ফলিত— এই সকলো বিধ কলাত ৰামায়ণৰ উপাদান ভুৰি ভুৰি পোৱা যায়। শঙ্কৰদেৱৰ সাহিত্যৰাজিত ৰামায়ণ আৰু শঙ্কৰদেৱক নিবিড় সম্পৰ্ক প্ৰতিভাত হৈ পৰিছে। সেই সম্পৰ্কৰ স্বৰূপ নিৰূপণ কৰিবলৈ তলৰ ছেদবোৰত এক বিনম্ৰ প্ৰয়াস কৰা হৈছে।

*গুণমালা*ৰ সংক্ষিপ্ত পৰিসৰতো শঙ্কৰদেৱে ৰাম-মাহাত্ম্য *কীৰ্ত্তন* কৰিছে। ভগৱান বিষ্ণুৰ অৱতাৰ বৰ্ণন

প্ৰসঙ্গত জমদগ্নি ৰাম আৰু হলধৰ ৰামৰ পৰা পৃথককৈ বুজাবৰ বাবে শ্ৰীৰামৰ বিষয়ে শঙ্কৰদেৱে এনেদৰে উল্লেখ কৰিছে— "ভৈলা কৌশল্যাত শ্ৰীৰাম জাত", "ৰাৱণ বিঘাত কৰিলা লংকাত" ইত্যাদি। ৰামাৱতাৰৰ উল্লেখো দীঘলীয়াকৈ পোৱা যায়।

শঙ্কৰদেৱে ৰচনা কৰি থৈ যোৱা পয়ত্ৰিশটা বৰগীতৰ ভিতৰত দহোটিতে ৰামকথা আধিকাৰিক অথবা প্ৰাসংগিক বিষয়বস্তুৰূপে গৃহীত হৈছিল। তাৰ ভিতৰত "শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা" গীতটিত ৰামায়ণত বৰ্ণিত লঙ্কাযুদ্ধৰ ভয়াবহতা বিশেষ দক্ষতাৰে ফুটাই তুলিছে ধ্বনি-ব্যঞ্জনা প্ৰয়োগ কৌশলেৰে। দশস্কন্ধ ৰাৱণৰ দৰে ভীষণাকৃতিৰ ৰাক্ষসৰাজক বধ কৰিবৰ বাবে ৰামচন্দ্ৰৰ 'সন্ত্ৰাস সমৰ' দেখি 'সুৰ নৰ কিন্নৰ/ ফনধৰ থৰথৰ/ মহীধৰ তৰসি প্ৰকম্পে।' দৰ্পান্ধ ৰজনীচৰ ৰাৱণক যি ৰামচন্দ্ৰই বাহুবলেৰে বধ কৰি জানকীক প্ৰাণ দিছিল, সেই 'ৰঘুপতি পদ বৰ' হে সংসাৰ সাগৰৰ পৰা উত্তৰণৰ একমাত্ৰ উপায়। আন এক বৰগীততো একে আহ্বানকে দি শঙ্কৰদেৱে কৈছে 'বোলহু ৰাম নামেসে মুকুতি নিদানা'। আকৌ কৈছে 'ৰাম চৰণ চিন্তা চিত্ত মৃত্যু তৰণ উপায়।' বিষয়-বাসনা পৰিত্যাগ কৰি 'ৰাম চৰণে শৰণ লেহু' বুলি ভগৱান ৰামতে আশ্ৰয় বিচাৰিবলৈ শঙ্কৰদেৱে বাৰে বাৰে উপদেশ দিছে। ৰাম নাম নলৈ বিষয় নিকাৰ ভোগাসকলৰ কথাও শঙ্কৰদেৱে মনত পেলাই দিছে আন এটি বৰগীতত— 'নকহসি ৰাম মৰসি কতিলাগা/ ছোড়ি ৰাম নাম অমিয়া উপযোগা//' শঙ্কৰদেৱৰ মতে ৰাম নামেই বেদৰ তত্ত্ব 'ৰাম নাম মহ/ নিখিল পুণ্য ৰহ/ ওহি নিগম তত্ত্ববাণী।।' এনে তত্ত্বক নুবুজা শঙ্কৰে আনকি নিজকো পাপী বুলি ভাবে। 'ছিৰিৰাম/ মঞি অতি পাপী পামৰ/ তেৰি ভাৱনা নাই। জনম চিন্তামনি/কাহে গয়ো/ যেচি কাচক লাই। গীতিকাৰজনে নিজৰ মনকো ৰামক ধিয়াই ধন্য হ'বলৈ বুজাইছে— 'মন মেৰি ৰাম চৰণহু লাগু/ তঞি দেখ না অন্তক আগু।।', 'মন নিশ্চয় পতন কায়া'/ তঞি ৰাম ভজ তেজি মায়া।।' ৰামনামত একব্ৰতী শঙ্কৰদেৱৰ অন্তৰ কেৱল ৰামময় হৈ পৰিছিল। সেয়েহে ভক্ত কবিয়ে গাইছে— "ৰাম মেৰি হৃদয় পংকজে ৰৈছে।" ৰামেই তেওঁৰ সৰ্বস্ব হৈ পৰিছে। বৰগীতত গীতিকাৰ শঙ্কৰদেৱে ইয়াকো কৈছে— 'ৰাম সুহৃদ সোদৰ মাতা/ জান ৰামেসে অভয় দাতা/ ৰাম ভকত পৰম নিধি/ ৰাম বিনে নাহি একো সিদ্ধি/ ৰাম ইহ পৰলোক গতি।। অৱশেষত কবি এনে এক সিদ্ধান্তলৈ আহিছে— 'ৰাম বিনে নাহি গতি আন।' বৰগীতত যিদৰে প্ৰভু ৰামচন্দ্ৰৰ কৰুণাবাৰিধিত অৱগাহনৰ স্পৃহা প্ৰকট হৈ উঠিছে তেনেদৰে *কীৰ্ত্তন*তো শঙ্কৰদেৱৰ ৰামভক্তিয়ে পৰকাষ্ঠা লাভ কৰিছে।

*কীৰ্ত্তন*তো ৰামাৱতাৰৰ প্ৰতি শঙ্কৰদেৱৰ আনুগত্য লক্ষ্য কৰা যায়। গুণমালাৰ দৰে *কীৰ্ত্তন*তো অৱতাৰ বৰ্ণনৰ প্ৰসঙ্গত কবিজনে বিষ্ণুৰ আনবোৰ অৱতাৰ একোটাকৈ পদত উল্লেখ কৰিছে, কিন্তু শ্ৰীৰামাৱতাৰৰ বিষয়ে ক'বলৈ এঘাৰটা পদ ৰচনা কৰিছে। তদুপৰি কীৰ্তন পুথিৰ সৰহ সংখ্যক ঘোষা ৰামৰ নামত উৎসৰ্গিত হৈছে। প্ৰথমটো ঘোষাত বিষ্ণুৰ একাধিক নামৰ জয় ঘোষণা কৰা হৈছে— 'জয় হৰি গোৱিন্দ নাৰায়ণ ৰাম কেশৱ হৰি' ইত্যাদি। পৰৱৰ্তী ঘোষাবোৰো এনে— 'ৰামেসে জীৱন ৰামেসে প্ৰাণ/ ৰাম বিনা নাহি বান্ধৱ আন।।' 'পদ্মপাণি জীৱনমোহন ৰাম/ সুখে দুঃখে মুখে যোনো ছাড়ে ৰাম নাম।।' 'ৰাম ৰাম মুকুন্দ/ ত্ৰাহি ত্ৰাহি গোৱিন্দ।।' 'কৃষ্ণ যদুপতি ৰাম মোৰে গতি' ইত্যাদি ইত্যাদি।

শ্ৰীশঙ্কৰদেৱৰ সাৰস্বত সাধনাৰ অন্যতম সিদ্ধি হৈছে *শ্ৰীমদ্ভাগৱতপুৰাণ*ৰ অসমীয়া ৰূপান্তৰ। যদিও এইখন গ্ৰন্থক কেৱল অনুবাদ বুলি কোৱা হয়, প্ৰকৃততে গ্ৰন্থখন ব্যাসদেৱৰ সংস্কৃত ভাগৱতৰ আক্ষৰিক আৰু সম্পূৰ্ণ অনুবাদ নহয়। শঙ্কৰদেৱৰ *ভাগৱতপুৰাণ*ক ব্যাসৰ *ভাগৱত*ৰ পুনৰ্নিৰ্মিতি বুলি ক'ব পাৰি। কিয়নো শঙ্কৰদেৱে নিজৰ নিৰ্মিতিত মূল গ্ৰন্থৰ ঘটনাক্ৰম ৰক্ষা কৰা নাই। কাহিনী বিভাজন মূলৰ দৰে ৰখা নাই। ভালেমান স্কন্ধৰ ভালেমান অধ্যায় সমুলি বৰ্জন কৰিছে। প্ৰধানকৈ নিজৰ মতাদৰ্শৰ লগত খাপ নোখোৱা অথবা মূল কৃষ্ণকথাৰ পৰা আঁতৰি যোৱা ঘটনা তেখেতে এৰি গৈছে। বহু তাত্ত্বিক প্ৰাৰ্থনা, উপদেশ আদিও নিজৰ গ্ৰন্থৰ বাবে গ্ৰহণ কৰা নাই। যিবোৰ কথা, শ্লোক, ঘটনা, কাহিনী আদি নিজৰ ৰচনাত সন্নিবিষ্ট কৰিছে সেই সমূহ কথাবস্তুৰ চয়নত শঙ্কৰদেৱৰ ৰুচি, বক্তব্য আৰু গ্ৰন্থ প্ৰণয়নৰ উদ্দেশ্য ধৰা পৰিছে। উদাহৰণ স্বৰূপে *ভাগৱত*ৰ দ্বিতীয়

স্কন্ধৰ অন্তৰ্গত লীলাৱতাৰ কথনত বৰাহ, দত্তাত্ৰেয়, সনক, নৰ-নাৰায়ণ, পৃশ্নি, হয়গ্ৰীৱ, মৎস্য, কুৰ্ম, নৰসিংহ, বামন, হংস, ধন্বন্তৰি, ভৃগুপতি, ৰাম, লক্ষণ, ভৰত, শত্ৰুঘ্ন প্ৰমুখ্যে বিভিন্ন অৱতাৰৰ কথা ক'বলৈ যাওঁতে ৰামাৱতাৰ আৰু কৃষ্ণলীলাৰ বিষয়ে সবাতোকৈ দীঘলীয়াকৈ বৰ্ণাইছে। ব্যাসদেৱে সংস্কৃত ভাগৱত লীলাৱতাৰ বৰ্ণনাৰ বেলিকা ৰামাৱতাৰৰ কথা উল্লেখ কৰিছে মাত্ৰ তিনিটা শ্লোকত (২।৭।২৩-২৫)। শঙ্কৰদেৱে আনবোৰ অৱতাৰৰ উল্লেখ মাত্ৰ কৰি ৰামাৱতাৰৰ বিষয়ে আঠাইশটা ছবি ছন্দৰ পদ ৰচনা কৰিছে। ইয়ে ৰামকথাৰ প্ৰতি শঙ্কৰদেৱৰ দুৰ্বলতাৰ কথাকে সূচায়। তাত অধমচিত্তৰ ৰাৱণক সংহাৰৰ বাবে ইন্দ্ৰাদি দেৱগণৰ হৰিপদত শৰণ, কৃপাময় জগদাধাৰ হৰিৰ ভূমিভাৰ সংহাৰৰ বাবে সন্মতি আদিৰ লগতে এই কথাও কৈছে— 'ৰামচন্দ্ৰ লক্ষ্মণ/ ভৰত আৰু শত্ৰুঘ্ন/ চাৰিৰূপে হৈবা অৱতাৰ//" দেৱসমাজত ৰামাৱতাৰৰ বাবে প্ৰস্তুতি এই অংশত সামৰা হৈছে। ৰামৰ চৰিত্ৰটিৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাৰ বাবে শঙ্কৰদেৱে উক্ত পদসমূহত ৰামৰ পিতৃবচন পালন, দণ্ডকাৰণ্যত বাস, খৰ-দূষণ বধ, পিছত সোণৰ হৰিণৰ ৰূপেৰে মাৰীচৰ সহায়ত শূৰ্পনখীৰ ছলনা, লঙ্কেশ্বৰৰ সীতাহৰণ, জটায়ু বৃত্তান্ত, হনুমান-সুগ্ৰীৱাদিৰ সহায়ত দক্ষিণ সাগৰৰ তীৰত ৰণ-শিবিৰ স্থাপন, সেতুবন্ধন, বানৰ ভালুকাদি সেনাবাহিনীৰ সহায়ত যুদ্ধাৰম্ভ, নিশাচৰ সেনা বধ, যুদ্ধত সহায় বিচাৰি ইন্দ্ৰৰ প্ৰতি ৰাৱণৰ আদেশ, ৰাৱণৰ দ্বাৰা ইন্দ্ৰৰ হস্তীবাহন, ঐৰাৱতৰ দন্ত ভঞ্জন, ৰামৰ দ্বাৰা ৰাৱণৰ দশশিৰ ছেদ, দিব্যযানেৰে সীতা সহিত ৰামৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন, ৰামৰ সিংহাসন গ্ৰহণ আৰু প্ৰজা-পালন— এই সমগ্ৰ বৃত্তান্ত শঙ্কৰদেৱে কেৱল লীলাৱতাৰ বৰ্ণনাতে আগবঢ়াইছে। মূলৰ তিনিটা শ্লোকত উক্ত বৃত্তান্তসমূহ কিঞ্চিৎ ইঙ্গিত ব্যাসে নিদিয়া নহয়, যেনে—

অস্মদ্‌প্ৰসাদসুমুখঃ কলয়া কলেশ
ইক্ষ্বাকুৱংশ অৱতীৰ্য্য গুৰোৰ্নিৰ্দেশে।
তিষ্ঠন্ ৱনং সদয়িতানুজ আৱিৱেশ
য়স্মিন্ ৱিৰুধ্য দশকন্ধৰ আৰ্ত্তিমাৰ্চ্ছৎ।।
য়স্মা আদদুদধিৰূঢ়ভয়াংগৱেপো
মাৰ্গং সপদ্যৰিপুৰংহৰৱদ্দিধক্ষো।
দূৰে সুহৃন্মথিতাৰোষসুশোণদৃষ্ট্যা
তাতপ্যমানমকৰোৰগনক্ৰচক্ৰঃ।।
বক্ষঃস্থলস্পৰশৰুগ্নমহেন্দ্ৰৱাহ
দন্তৈৰ্ৱিড়ম্বিতককুব্জু য উঢ়হাসম্।
সদ্যোহসুভিঃ সহ ৱিনেষ্যতি দাৰহৰ্তু—
ৰ্ৱিস্ফুৰ্জ্জিৰ্তৈৰ্ধনুষ উচ্চৰতোহধিসৈন্যে।।

-- ২।৭।২৩-২৫

এই তিনিটা শ্লোকৰ কেৱল ইংগিতত শঙ্কৰদেৱে বাল্মীকি বিৰচিত অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড আৰু লংকাকাণ্ডৰ মূল বিষয় অতি চমুকৈ উপস্থাপন কৰিছে। এইখিনিতে এটা কথা অৱশ্যেই লক্ষণীয় যে ইমানখিনি কৈয়ো লীলাৱতাৰ বৰ্ণনৰ সন্দৰ্ভত শঙ্কৰদেৱে *ৰামায়ণ*ৰ উত্তৰাকাণ্ডৰ কথাবস্তুৰ অৱতাৰণা কৰা নাই। বোধকৰো উত্তৰাকাণ্ডৰ পৰা ৰামচন্দ্ৰৰ পৰাক্ৰম বা মাহাত্ম্য প্ৰকাশক কোনো তথ্য উল্লেখ কৰিবলৈ নথকাৰ বাবেই শঙ্কৰদেৱে বিষ্ণুৰ লীলাৱতাৰ বৰ্ণনাত উত্তৰকাণ্ড বৰ্জন কৰিছে।

আনহাতেদি এই কথাও লক্ষ্যণীয় যে মাধৱ কন্দলিয়ে ৰচি যোৱা *ৰামায়ণ* সম্পূৰ্ণ কৰাৰ দায়িত্ব ভগাই লওঁতে শঙ্কৰদেৱে মাধৱদেৱক আদিকাণ্ডটো দি নিজে উত্তৰাকাণ্ডৰ দায়িত্বহে লৈছে। এই সন্দৰ্ভতো শঙ্কৰদেৱৰ *ৰামায়ণ*ৰ বিষয়বস্তু নিৰ্বাচন সম্পৰ্কে ৰুচি আৰু অভিপ্ৰায় আলোচনা কৰাৰ থল আছে।

গুৰুচৰিত কথাৰ দুশ চৌৱিশ সংখ্যক ছেদত কোৱা মতে মাধৱ কন্দলিয়ে ৰচি থৈ যোৱা *ৰামায়ণ*ক সম্পূৰ্ণ কৰিবৰ মন কৰি অনন্ত কন্দলিয়ে *ৰামায়ণ* ৰচিবলৈ আৰম্ভ কৰিলে। অথবা মাধৱ কন্দলিৰ প্ৰতিবাক ছেৰ পেলাব পৰাকৈ 'ঢাকি তুচকৈ গুচাবৰ মনে' অনন্ত কন্দলিয়ে নিজে ৰামায়ণ ৰচনাৰ প্ৰকল্প হাতত ল'লে। কিন্তু আগৰজন কন্দলিৰ *ৰামায়ণ*ৰ পবিত্ৰতা আৰু সৌন্দৰ্য পিছৰজন কন্দলিৰ হাতত ৰক্ষা নহ'ব বুলি আশংকা কৰি শঙ্কৰদেৱে অসমীয়া *ৰামায়ণ* সম্পূৰ্ণ কৰাৰ দায়িত্ব নিজে ল'লে। চৰিতত কৈছে— 'পাচে গুৰুজনে বোলে বৰাপো তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা গুজাবজে খোজে ঃ য়ামি ধৰো গোৰত ঃ তুমি হোৱা আগে ঃ তেহে আদ্যে উত্তৰা কৰিছে ঃ।'

শঙ্কৰদেৱৰ পূৰ্ববৰ্তী ৰামকথাৰ প্ৰবক্তা মাধৱ কন্দলিয়ে উত্তৰ ভাৰতত পোন প্ৰথমবাৰৰ বাবে বাল্মীকি প্ৰণীত *ৰামায়ণ* মহাকাব্যক প্ৰান্তীয় ভাষালৈ অনুবাদ

কৰিছিল আৰু তাত 'সপ্তকাণ্ড ৰামায়ণ/ পদবন্ধে নিবন্ধিলো' বুলি ঘোষণাও কৰিছিল, কিন্তু মাধৱ কন্দলিৰ নামত প্ৰচলিত ৰামায়ণত প্ৰথম আৰু সপ্তম কাণ্ড দুটি সংযোগ হোৱা নাছিল। সেয়েহে শঙ্কৰদেৱে আদিকাণ্ডৰ অনুবাদৰ কাম মাধৱদেৱক দি আৰু উত্তৰাকাণ্ডৰ দায়িত্ব নিজে লৈ কামটি শেষ কৰিলে।

শঙ্কৰদেৱৰ দ্বাৰা ৰচিত উত্তৰাকাণ্ড আৰু বাল্মীকি বিৰচিত ৰামায়ণৰ উত্তৰকাণ্ডৰ এটি সমান্তৰাল আলোচনাৰ দ্বাৰাও ৰামায়ণ আৰু শঙ্কৰদেৱৰ মাজৰ সম্বন্ধৰ মান নিৰূপণ কৰিব পৰা যাব।

বাল্মীকি বিৰচিত সপ্তকাণ্ড *ৰামায়ণ*ৰ উত্তৰাকাণ্ড নামে আখ্যাত অন্তিম কাণ্ডটিৰ প্ৰক্ষিপ্ততা ইতিমধ্যে বিদ্বৎ সমাজে স্বীকাৰ কৰি লৈছে যদিও ভাৰতীয় সপ্তকাণ্ড *ৰামায়ণ*ৰ যি পাৰস্পৰিক বলবত্তা তাক ভাৰতীয় মানুহে উপেক্ষা কৰিব নোৱাৰে। সেয়েহে আদিকবি বাল্মীকিয়ে ৰামায়ণৰ ছয় কাণ্ড ৰচি যোৱাৰ পৰৱৰ্তী কালত উত্তৰকাণ্ড আন কাৰোবাৰ দ্বাৰা খণ্ড খণ্ডকৈ বা সম্পূৰ্ণকৈ ৰচিত হৈ পুৰ্বৱৰ্তী কাণ্ড ছয়টাৰ লগত সংযোগ কৰা হৈছিল যদিও বাল্মীকিকে উত্তৰাকাণ্ডৰো পিতৃৰূপ ৰামায়ণী পৰম্পৰাই মানি লৈছে। তেনে ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা ৰাখি কোৱা যায় যে আদিকবিয়ে উত্তৰাকাণ্ডৰ কথাবস্তুত এশ এঘাৰটা সৰ্গত বিভাগ কৰি বৰ্ণাইছে। যদিও প্ৰকৃততে লংকাযুদ্ধ, সীতা উদ্ধাৰ আৰু অযোধ্যা আগমনৰ পিছত ৰাম-সীতাৰ জীৱন-কথাৰ পৰিসৰ নিচেই চমু তথাপি বাল্মীকিয়ে ৰামকথাৰ লগত সাঙুৰি আন বহুতো আখ্যান উপাখ্যান উত্তৰাকাণ্ডত সন্নিৱিষ্ট কৰাৰ বাবে এই কাণ্ডটোৱে বহুদীৰ্ঘায়তন লাভ কৰিছে। ইয়াৰ পূৰ্বৱৰ্তী লংকাকাণ্ডটো ৰামচন্দ্ৰৰ অভিষেক আৰু *ৰামায়ণ* পাঠৰ ফলশ্ৰুতিৰে সমাপ্ত হৈছে। সেয়েহে উত্তৰাকাণ্ড আৰম্ভ হৈছে এনেদৰে— সদ্যাভিষিক্ত ৰজা ৰামচন্দ্ৰক আশিষ-উপদেশ দিবলৈ বুলি চৌদিশৰ পৰা মহাতপা, বেদবিদ্ অগস্ত্যাদি ঋষিগণৰ আগমন আৰু ৰামক অভিনন্দনেৰে উত্তৰাকাণ্ড আৰম্ভ হৈছে আৰু প্ৰথম সৰ্গৰ পৰা একচল্লিশ সংখ্যক সৰ্গলৈকে ৰামকথাক অৱলম্বন কৰি পুলস্ত্য, বিশ্ৰবা আদি মুনিৰ গুণবৰ্ণনা, কুবেৰৰ উৎপত্তি তপস্যা-বৰপ্ৰাপ্তি-লংকাবাস আদি, ৰাক্ষসকুল বৰ্ণনা, মাল্যবান, মালী-সুমালীৰ বৃত্তান্ত, অসুৰৰ দ্বাৰা দেৱকুল আক্ৰমণ, ৰাৱণৰ জন্ম, গোকৰ্ণত তপস্যা, বৰপ্ৰাপ্তি, ৰাজ্যাভিষেক, কুবেৰৰ কৈলাসগমন, শূৰ্পনখাৰ বৃত্তান্ত, মেঘনাদৰ জন্ম, কুম্ভকৰ্ণৰ শয়ন, সীতাহৰণৰ কাৰণ বৰ্ণনা, হনুমন্তৰ জন্মকথা, সনৎকুমাৰ— ৰাৱণ সংবাদ, শ্বেতদ্বীপবৃত্তান্ত কথন ইত্যাদি বিবিধ বিষয়ৰ অৱতাৰণা পোৱা যায়। বাল্মীকিৰ উত্তৰাকাণ্ডৰ প্ৰথম একছল্লিশটা অধ্যায়ৰ মাত্ৰ পয়ত্ৰিশ আৰু ছয়ত্ৰিশ সংখ্যক অধ্যায় দুটাহে শঙ্কৰদেৱে গ্ৰহণ কৰিছে। পুনৰ ব্যাসৰ ৰচনাৰ বিয়াল্লিশৰ পৰা ঊনপঞ্চাশ অধ্যায়ৰ বৃত্তান্ত শঙ্কৰদেৱৰ ৰচনাত পোৱা যায়। একেদৰে পঞ্চাশৰ পৰা নব্বৈলৈকে একেলেঠাৰিয়ে চল্লিশটা অধ্যায়ৰ মাজৰ পৰা মাত্ৰ দুটা অধ্যায়ৰ বিষয়বস্তুহে শঙ্কৰদেৱে গ্ৰহণ কৰিছে।

'জয় জয় জগত জনক শ্ৰীৰাম/ পাতকীয়ো তৰে যাৰ লৈলে গুণ নাম' —বুলি প্ৰভু শ্ৰীৰামচন্দ্ৰৰ বিজয় আৰু শ্ৰীৰামৰ প্ৰসাদ-ধন্য জীৱনৰ পূৰ্ণতা ঘোষণা কৰি উত্তৰাকাণ্ড শঙ্কৰদেৱে আৰম্ভ কৰিছে। পিতৃবচন পালি ৰামৰ বনগমন, সীতাহৰণ, সুগ্ৰীৱৰে মিত্ৰতা, সাগৰত সেতুবন্ধন, অগ্নিপৰীক্ষা, ৰামৰ ৰাজ্যাভিষেকলৈকে উত্তৰাকাণ্ডৰ পূৰ্বৱৰ্তী অযোধ্যা, অৰণ্য, কিষ্কিন্ধ্যা, সুন্দৰ আৰু লংকাকাণ্ডৰ কথা অতি থোৰতে আগবঢ়াইছে যাতে পাঠকে বিগত ঘটনাৱলীৰ ইংগিত তাতে পাব পাৰে। লক্ষ্য কৰা গ'ল বাল্মীকিৰ সমূহ পাৰ্শ্বকাহিনী শঙ্কৰদেৱে এৰি গৈছে। কিন্তু উত্তৰাকাণ্ডৰ পূৰ্বৱৰ্তী কথাৰ লগত যোগসূত্ৰ ৰাখিব পৰা ঘটনাৱলী নিজৰ ৰচনাত সামৰি লৈছে।

শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ মূল কথা সীতাৰ স্বপ্ন-দৰ্শনেৰে আৰম্ভ হৈছে। সপোনত সীতাই তপোবনৰ ঋষিপত্নীসকলৰ লগত কৌতুকেৰে সময় কটোৱা আৰু সেই সপোন সফল হোৱাৰ হাবিয়াসৰ কথা ৰামক কয়। বাল্মীকিয়ে সীতাৰ স্বপ্নদৰ্শনৰ পৰিৱৰ্তে মনোবাঞ্চাৰ কথাকে কৈছে। সীতাৰ চৰিত্ৰাপবাদৰ বাতৰি ৰামে ভদ্ৰ নামৰ এজন গুপ্তচৰৰ পৰা পাইছে বুলি বাল্মীকিয়ে কৈছে। শঙ্কৰদেৱৰ ৰচনাত 'দুৰ্মুখ দুৰ্জন' কোনো এজনে সীতাৰ অপযশ ৰতিছে বুলি পোৱা যায়। এইখিনিতে মনত পেলাব পাৰি যে সংস্কৃত নাট্যকাৰ ভৱভূতিৰ *উত্তৰৰামচৰিত* নাটকত দুৰ্মুখ নামে চৰৰ উল্লেখ আছে। বাল্মীকিৰ ৰামে চিন্তিত মনে সীতাৰ প্ৰতি বিহিত ব্যৱস্থা ল'বলৈ আটাইকেইজন ভায়েকৰ লগত মন্ত্ৰণা কৰিছে,

কিন্তু শঙ্কৰদেৱৰ ৰামে 'লক্ষ্মণক বিৰলে বুলিলা গুণি গাহ্থি'।

ৰাজ্যৰ প্ৰান্তত থকা গংগা নদীপাৰ কৰাই ঋষিসকলৰ তপোবনৰ নিকটৱৰ্তী স্থানলৈকে ৰথ, নৌকা আৰু পদব্ৰজে যাবলগীয়া হোৱা যথেষ্ট দীঘল এছোৱা পথৰ বৰ্ণনা বাল্মীকিৰ *ৰামায়ণ*ত পোৱা যায়। এই দীৰ্ঘ পথ অতিক্ৰম কৰি, ৰামে লোৱা সীতা-বিসৰ্জনৰ সংকল্প ব্যক্ত কৰি লক্ষ্মণে সীতাৰ পৰা বিদায় লোৱালৈকে ক্ৰমে যাত্ৰাৰ উত্তেজনাত সীতাৰ আনন্দ আৰু লক্ষ্মণৰ অন্তৰ্দ্বন্দ্ব বাল্মীকিয়ে বৰ নিপুণতাৰে ফুটাই তুলিছে। শঙ্কৰদেৱে কিন্তু দীঘলীয়া যাত্ৰাৰ বৰ্ণনাও দিয়া নাই আৰু সীতা-লক্ষ্মণৰ বিপৰীতমুখী মানসিক অৱস্থাৰ ৰূপায়ণৰ প্ৰয়াসো কৰা নাই। তপোবন দৰ্শনৰ বাবে যাবলৈ ওলোৱা বাল্মীকিৰ ৰচনাৰ পূণ্যাৰ্থী ৰাজ-মহিষীয়ে নানাবিধ অলংকাৰেৰে সালংকৃতা হৈ এই বাঞ্ছা কৰিছে যে নিজৰ পৰিধেয় আভৰণ-অলংকাৰাদি ঋষি-মুনিসকলক দান দি তেওঁ মনোকামনা সিদ্ধিৰ বাবে প্ৰাৰ্থনা কৰিব। শঙ্কৰদেৱৰ ৰচনাত সৰলমনা সীতাৰ তেনে দীঘল প্ৰস্তুতিও নাই, তেনে বাঞ্ছাও নাই। এনেবোৰ প্ৰসঙ্গত শঙ্কৰদেৱে সংযম অৱলম্বন কৰিছে। তদুপৰি লক্ষ্মণৰ দ্বাৰা ৰামৰ নিদাৰুণ অভিপ্ৰায় সীতাৰ আগত নিবেদন আৰু তাত সীতাৰ গাম্ভীৰ্যপূ প্ৰতিক্ৰিয়া প্ৰকাশৰ ক্ষেত্ৰতো শঙ্কৰদেৱে বাল্মীকিৰ দৃষ্টিভঙ্গী অনুসৰণ কৰা নাই। বৰং শঙ্কৰদেৱৰ ৰচনাত লক্ষ্মণ আৰু সীতাৰ আচৰণ সুকীয়া অনুভৱেৰে প্ৰদৰ্শন কৰা হৈছে। কোৱা হৈছে— তপোবনৰ প্ৰান্তদেশত বিহ্বল চিত্তৰ লক্ষ্মণে 'বিনান্ত কান্দি কেৱলে বোলে— নামিয়োক মাৰ অযোধ্যাৰ এৰি আশ/ তোমাক দিলন্ত আৰে ৰাঘৱে নিৰ্বাস।।' এনে অভাৱনীয় পৰিস্থিতিত সীতাই কান্দি-কাতি ব্যাকুল হ'ল, তেওঁৰ চেতনা হেৰাল, মাটিত ঢলি পৰি মূৰ্ছা গ'ল। বাল্মীকিৰ ৰচনাত লক্ষ্মণে সকলো ৰাজকীয় মৰ্যাদা অটুট ৰাখিও বাৰে বাৰে উদ্বিগ্ন হৈ পৰিছে, অন্যমনস্ক হৈ পৰিছে আৰু তেওঁৰ চিন্তা বিকল হৈছে। লক্ষ্মণৰ তেনে অৱস্থা লক্ষ্য কৰি সীতাই লক্ষ্মণক তেওঁৰ অস্বাভাৱিক ব্যৱহাৰৰ কাৰণ বা অসুস্থতাৰ কাৰণ বাৰে বাৰে সুধিছে। ৰামৰ মঙ্গল, ৰাজমাতাসকলৰ স্বাস্থ্য বা ৰাজ্যৰ সংবাদ জানিবলৈ বৰ উদ্বিগ্ন চিত্তে বাৰে বাৰে লক্ষ্মণক প্ৰশ্ন কৰিছে। শেষত ভাগীৰথী পাৰ হৈ সীতাই ৰাজ্যৰ আৰু পৰিয়াল-পৰিজনৰ মঙ্গল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে। সীতাৰ এই অধীৰ উদ্বিগ্নতা বাল্মীকিয়ে সবিস্তাৰে আগবঢ়াইছে। সীতাৰ সৰলতা, বিশ্বস্ততা আৰু ৰাজমহিষীৰ সকলো নিষ্ঠা আৰু দায়িত্ববোধ বাল্মীকিয়ে ইয়াত সীতাৰ চৰিত্ৰত আৰোপ কৰিছে।

ঋষিসকলৰ তপোবনৰ প্ৰান্তত লক্ষ্মণে কৰযোৰে, বাষ্পাকুল নয়নেৰে আৰু থোকাথুকি মাতেৰে আৰু অধোবদনেৰে ক'বলৈ আৰম্ভ কৰিলে— 'শ্ৰুত্বা পৰিষদো' মধ্যে হ্যপৱাদং সুদাৰুণম্ / পুৰে জনপদে চৈৱ ত্বৎকৃতে জনকাত্মজে// ৰামঃ সন্তপ্তহৃদয়ো মাং নিৰেদ্য গৃহং গতঃ / ন তানি ৰচনীয়ানি ময়া দেৱি তৱাগ্ৰতঃ// য়ানি ৰাজ্ঞা হৃদি ন্যস্তান্যমৰ্ষাৎ পৃষ্ঠতঃ কৃতঃ/ সা ত্বং ত্যাক্ত্ব নৃপতিনা নিৰ্দোষা মম সন্নিধৌ// পৌৰাপৱাদ ভীতেন গ্ৰাহ্যং দেৱি ন তেহন্যথা// আশ্ৰমান্তেষু চ ময়া ত্যক্তব্যা ত্বং ভৱিষ্যসি// —অৰ্থাৎ 'হে জনকতনয়া, নগৰ আৰু জনপদত প্ৰচাৰিত আপোনাৰ অতি কালিমাযুক্ত অপবাদৰ কথা ৰাজসভাত শুনি নিজে অতি সন্তপ্ত হৈ ৰজাই (ৰামে) মোক সকলো কৈ নিজৰ ৰাজগৃহত প্ৰৱেশ কৰিলে। দেৱি, অতিপাত খঙত কৈ পেলোৱা তেওঁৰ সেই সকলো কথা মই আপোনাক ক'ব নোৱাৰিম। দেৱি, ৰজা ৰামে আপোনাৰ নিৰ্দোষিতাৰ কথা মোৰ আগত ব্যক্ত কৰিছে। কেৱল পুৰবাসৰ মাজত প্ৰচাৰিত অপবাদৰ ভয়তহে তেওঁ আপোনাক ত্যাগ কৰিছে, সেয়েহে আপুনি ইয়াক আনভাৱে নাভাবিব।' ৰামায়ণত লক্ষ্মণে সীতাৰ ভৱিষ্যৎ নিৰাপত্তা নিশ্চিত কৰি এই কথাও কৈছে যে 'পিতা দশৰথৰ পৰম বন্ধু যশস্বী, বিদ্বান মুনি বাল্মীকিৰ নিকটৱৰ্তী আশ্ৰমতে সীতাই নিৰাপদ আশ্ৰয় বিচাৰি পাব।' এয়া বাল্মীকিৰ কথা। শঙ্কৰদেৱে পৰিস্থিতিৰ এনে জটিলতাৰ মাজলৈ যোৱা নাই। বাল্মীকিৰ সীতাৰ দৰে অতিশয় বিষাদগ্ৰস্ত সীতাদেৱী 'মুহূৰ্তমিৰ' অথবা 'কতোক্ষণে'ৰ বাবে সংজ্ঞাহীন হৈ পৰিল কিন্তু থিতাতে আত্মসম্বৰণ কৰি যুক্তিপূৰ্ণভাৱে লক্ষ্মণক বুজনি দিছে। এইখিনিত ৰামায়ণৰ সীতাৰ গাম্ভীৰ্যপূৰ্ণ উক্তি শঙ্কৰদেৱে কিঞ্চিত চমুৱাইছে যদিও ব্যাসৰ কথাবস্তুৰ অৰ্থ, তাৎপৰ্য আৰু শব্দচয়নো নিষ্ঠাৰে অনুসৰণ কৰিছে। *ৰামায়ণ*ত এনে সৰু-বৰ ঘটনাৰ আধাৰত ৰাম আৰু সীতাৰ লগে লগে লক্ষ্মণৰ চৰিত্ৰৰো

এক সুন্দৰ বিকাশ ঘটিছে। শঙ্কৰদেৱৰ ৰচনাত লক্ষ্মণৰ অন্তৰ্দ্বন্দ্ব উপেক্ষিত হৈ ৰৈছে। কাৰণ শঙ্কৰদেৱৰ উদ্দেশ্য আছিল ৰামায়ণৰ আধাৰত ৰাম-মাহাত্ম্য প্ৰচাৰ। সেয়েহে পাৰ্শ্বচৰিত্ৰসমূহৰ বিকাশৰ প্ৰতি শঙ্কৰদেৱে মনোযোগ দিয়া নাই। বৰং সীতা-পৰিত্যাগৰ পিছত ৰামচন্দ্ৰৰ মনৰ বিৰহ ব্যাকুল অৱস্থাৰ চিত্ৰৰ অন্তৰস্পৰ্শী ৰূপত ফুটাই তুলিছে। আনকি বিপদসংকুল বনপ্ৰান্তত সীতাক এৰি আহি লক্ষ্মণৰ যি মানসিক সংঘাত হৈছে তাকো দেখুওৱা নাই। বাল্মীকিৰ উত্তৰাকাণ্ডৰ বাৱন্ন সংখ্যক সৰ্গৰ অনুৰূপে শঙ্কৰদেৱে ৰামচন্দ্ৰৰ মনত ওপজা সীতা-বিসৰ্জনৰ বেদনা ৰূপায়ণ কৰিছে যদিও শঙ্কৰদেৱৰ ৰচনাক বাল্মীকিৰ ৰচনাৰ অনুবাদ বুলি ক'ব নোৱাৰি। মূলতঃ শোকাৰ্ত ৰামচন্দ্ৰক লক্ষ্মণে যি প্ৰবোধ বাক্যৰে সান্ত্বনা দিছে তাকো শঙ্কৰদেৱে গ্ৰহণ কৰা নাই, বৰং তেখেতে নিজৰ বোধেৰে ৰামৰ বিৰহ-বিধুৰ অৱস্থা অধিক তীব্ৰ, স্পষ্ট আৰু মৰ্মস্পৰ্শীভাৱে ৰূপায়ণ কৰিছে।

সীতা বিসৰ্জনৰ ঘটনাৱলীৰ পৰা আৰম্ভ কৰি দীৰ্ঘকাল ৰামচন্দ্ৰই ৰাজ্য শাসন কৰাৰ সময়ছোৱাত অশ্বমেধ যজ্ঞৰ অনুষ্ঠান হোৱালৈকে বাল্মীকিয়ে একাধিক আখ্যান সংযোগ কৰিছে। (দ্ৰষ্টব্য সৰ্গ ৫৩-৯০)। শঙ্কৰদেৱে সেই সকলোবোৰ আখ্যান বৰ্জন কৰিছে। নৃগৰজাৰ শাপবৃত্তান্ত, বশিষ্ঠ-নিমি কথা, বশিষ্ঠ-বৰুণ, পুৰূৰৱা-উৰ্বশী, যযাতিৰ অভিশাপ ভোগ, পুৰূৰ দ্বাৰা পিতৃৰ বৃদ্ধত্ব গ্ৰহণ, কাৰ্যাৰ্থী কুকুৰৰ কথা, গৃধ্ৰ-উলুক সংবাদ, চ্যৱনাদি মুনিৰ আগমন, মধু, লৱনাসুৰ আদিৰ কাহিনী, শুভ নগৰত শত্ৰুঘ্নৰ অভিষেক আৰু যমুনাৰ পাৰত নতুন নগৰ আৰু জনপদ স্থাপনৰ ভাৰ অৰ্পণ, বাল্মীকিৰ দ্বাৰা সুদাস পুত্ৰ কল্মাষৰ বৃত্তান্ত কথন আদি বিষয়ত বাল্মীকিয়ে বহু সময়, শক্তি আৰু কল্পনা ব্যয় কৰিছে। যদিও কাহিনীবোৰৰ কাব্যিক তথা নৈতিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি, তথাপি এই আখ্যানসমূহে ৰামকথাৰ বিকাশত বিশেষ অৰিহণা যোগাব পৰা নাই। শঙ্কৰদেৱে যিহেতু ৰামকথাৰ উক্ত পাৰ্শ্বকাহিনী আৰু পাৰ্শ্বচৰিত্ৰসমূহ গ্ৰহণ কৰা নাই, সেয়েহে লক্ষ্মণৰ দ্বাৰা সীতাক আশ্ৰম প্ৰান্তত থৈ অহাৰ বৃত্তান্ত শেষ হোৱাৰ পিছতে বাল্মীকিৰ আশ্ৰমত সীতাৰ আশ্ৰয় আৰু লৱ-কুশৰ জন্মকথা উপস্থাপন কৰিছে। ৰামৰ প্ৰতি বাল্মীকিৰ ক্ৰোধ, দুই যঁজা কুমাৰৰ জন্ম, সৌষ্ঠৰ বৰ্ণন আদি কথা কৈ গৈছে। তাৰ পিছতহে সীতাৰ বিৰহত ৰামৰ দুখৰ বিষয়ে বৰ্ণাইছে।

ৰামৰ অশ্বমেধ যজ্ঞৰ আয়োজন, যজ্ঞশালা নিৰ্মাণ, যজ্ঞভূমিৰ সাজ-সজ্জা আৰু প্ৰস্তুতি আদিৰ বৰ্ণনাত শঙ্কৰদেৱ বাল্মীকিৰ প্ৰায় অনুগামী বুলি ক'ব পাৰি। কিন্তু যজ্ঞৰ বাবে ৰামৰ সহধৰ্মচাৰিণীৰূপে স্বৰ্ণসীতাৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ কথা শঙ্কৰদেৱে স্বকীয় ৰুচিৰে আগবঢ়াইছে। শঙ্কৰদেৱৰ কথাবস্তু নিৰ্মাণৰ এই পৰিকল্পনা অধিক সামাজিক তথা বাস্তৱানুগ হৈছে। এই বিষয়ৰ আলোচনা এই প্ৰৱন্ধৰ পৰৱৰ্তী ছেদত আগবঢ়োৱা হৈছে।

বাল্মীকিৰ ৰচনাত পোৱা যায় যে— লৱনাসুৰ বধৰ বাবে যাত্ৰা আৰম্ভ কৰি ৰাজ্যাভিষিক্ত শত্ৰুঘ্নই বাটতে এৰাটি কটালে। সেই ৰাতিয়েই বাল্মীকিৰ আশ্ৰমৰে আন এটি পৰ্ণশালাত সীতাদেৱীৰ দুই পুত্ৰৰ জন্ম হ'ল। আশ্ৰমৰ মুনিকুমাৰসকলে ৰং ৰহইচ কৰি মহামুনি বাল্মীকিক খবৰ দিলেগৈ। বৃদ্ধা তপস্বিনীসকলে বালকযুগলৰ ৰক্ষাবিধানৰ নিয়ম-নীতি পালন কৰিলে। ৰাতিয়ে বাল্মীকিয়ে দুয়োটি নৱজাতকৰ অশুভ নিবাৰণৰ বাবে লৱযুক্ত কুশমুষ্টিৰে গ্ৰহবিনাশী ৰক্ষা-বন্ধন দিলেহি। সেই আশ্ৰমতে বৃদ্ধাসকলে ৰামৰ গুণ-সংকীৰ্তন কৰি বালক দুটিৰ গোত্ৰকৰ্ম আদি জাতসংস্কাৰ কৰিলে। আশ্ৰমত অৰ্দ্ধৰাত্ৰিৰ এই জন্মোৎসৱৰ ব্যস্ততাৰ মাজতে শত্ৰুঘ্নয়ো পৰ্ণশালতে এই শুভ-সংবাদটি শুনিলে আৰু আনন্দ-উদ্বেলিত কণ্ঠেৰে সীতাদেৱীক 'আই' সম্বোধনেৰে অভিনন্দিত কৰিলেহি। নিৰল বনপ্ৰান্তত বৰ্ষামুখৰ শাওন মাহৰ ৰাতিটোত বাল্মীকিৰ আশ্ৰম উৎসৱ-মুখৰ হৈ পৰিল। শত্ৰুঘ্নও এই উৎসৱৰ অংশীদাৰ হ'ল। বাল্মীকিৰ ৰচনাত পোৱা যায়— 'অৰ্দ্ধৰাত্ৰে তু শত্ৰুঘ্নঃ শুশ্ৰাৱ সুমহৎ প্ৰিয়ম্। পৰ্ণশালাং ততো গত্বা মাতৰ্দিষ্ট্যেতি চাব্ৰবীৎ।। তদা তস্য প্ৰহৃষ্টস্য শত্ৰুঘ্নস্য মহাত্মনঃ। ব্যতীতা ৱাৰ্ষিকী ৰাত্ৰিঃ শ্ৰাৱণী লঘুৱিক্ৰমা।। (৭।৬৬।১২-১৩)। কিন্তু আচৰিত কথা এইখিনিতে যে শত্ৰুঘ্নই অযোধ্যাৰ ৰাজগৃহলৈ এই খবৰ পঠোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলে। নিজেও ৰাজকুলৰ পৰম্পৰা ৰক্ষা কৰাৰ কথা নাভাবিলে আৰু পিছদিনা ৰাতিপুৱাই লৱণাসুৰ বধৰ অভিযানলৈ

বুলি বিদায় ল'লে। বোধকৰো সাম্ৰাজ্যৰ উচ্চতম শাসনাধিষ্ঠিত শক্তি ৰজা ৰামচন্দ্ৰৰ বিচাৰ, বিবেচনা আৰু সিদ্ধান্তৰ প্ৰতিবাদ কৰাৰ সাহস নবাভিষিক্ত শত্ৰুঘ্নৰ নাছিল অথবা লোকাপবাদৰ শংকাই শত্ৰুঘ্নৰ বাবেও সম্বন্ধৰ বান্ধোন আৰু স্নেহ-মমতাৰ শৃংখল সোলোকাই দিব পাৰিছিল। ৰাজশক্তিৰ প্ৰতি আনুগত্যবশতঃ শত্ৰুঘ্নৰ চৰিত্ৰত এই বিৰূপাৰস্থাই দেখা দিছিল। সেয়েহে বাল্মীকিৰ দৰে এজন মানৱ দৰদী, স্নেহপৰায়ণ, শিষ্য-বৎসল কবিৰ ৰচনাত লৱ আৰু কুশ পিতৃ, পিতৃব্য তথা পিতামহীসকলৰ স্নেহৰ পৰা বঞ্চিত হৈ ৰ'ল।

*ৰামায়ণ*ৰ উক্ত ঘটনাৱলীৰ আধাৰত শঙ্কৰদেৱৰ উত্তৰাকাণ্ড পঢ়ি চালে বুজিব পাৰি যে শঙ্কৰদেৱ বিষয়-গ্ৰথনৰ এনেবোৰ জটিলতালৈ যাব খোজা নাই। অথবা ইক্ষ্বাকু কুলৰ সদস্যৰ চাৰিত্ৰিক দুৰ্বলতা ৰূপায়ণ কৰিব খোজা নাই। অথবা ৰামায়ণৰ কাহিনীৰ শিথিল বন্ধন তেখেতৰ মনঃপুত হোৱা নাই। সেয়েহে লৱকুশৰ জন্মৰ ৰাতি বাল্মীকিৰ আশ্ৰমত শত্ৰুঘ্নৰ উপস্থিতি শঙ্কৰদেৱে উল্লেখেই কৰা নাই।

তেনেদৰে যজ্ঞৰ বাবে স্বৰ্ণসীতা নিৰ্মাণৰ বিষয়টোকো শঙ্কৰদেৱে অধিক বাস্তৱধৰ্মী কৰি তুলিবলৈ চেষ্টা কৰিছে। সংস্কৃত উত্তৰাকাণ্ডৰ একনৱতিতম সৰ্গত অশ্বমেধ যজ্ঞৰ প্ৰস্তুতিৰ বাবে ৰামচন্দ্ৰৰ আদেশ আৰু সেই বিষয়ে মন্ত্ৰণা পোৱা যায়। মন্ত্ৰণামতে নৈমিষাৰণ্যৰ মাজত গোমতী নদীৰ পৱিত্ৰ আৰু বিশাল তীৰভূমিত যজ্ঞস্থলী নিৰ্মাণৰ বাবে আদেশ দিয়া হ'ল। দেশ-বিদেশলৈ নিমন্ত্ৰণ পঠোৱা হ'ল। বিভিন্ন ঠাইৰ পৰা বিবিধ উত্তম যজ্ঞসম্ভাৰ গোটাই অনাৰ দায়িত্ব দিয়া হ'ল নিষ্ঠাবান ভৰতক। নট-নৰ্তকী, সেৱক, চাৰণ, বাট, ভৃত্য, কৃতকৃত্য, কোষাধ্যক্ষ আদিৰ উপৰিও ৰাজমাতৃসকল আৰু কুমাৰান্তঃপুৰ (ভৰত আদি কুমাৰৰ অন্তেষপুৰৰ ৰমণীসকল) যজ্ঞৰ ভূমিলৈ যোৱাৰ ব্যৱস্থা কৰা হ'ল। আৰু তাৰ লগতে ৰামচন্দ্ৰই আদেশ কৰিলে— 'কাঞ্চনীং মম পত্নীঞ্চ দীক্ষায়াজ্ঞাংশ্চ কৰ্মণি। অগ্ৰতো ভৰতঃকৃত্বা গচ্ছত্বগ্ৰে মহাশয়াঃ'।। (৭।৯১।২৫)। অৰ্থাৎ 'আৰু যজ্ঞকাৰ্যত দীক্ষিত হ'বৰ বাবে মোৰ পত্নীৰ স্বৰ্ণপ্ৰতিমা লৈ সাৱধানে মহাযশস্বী বৰতো তালৈকে যাত্ৰা কৰক।'

শঙ্কৰদেৱৰ ৰচনাত স্বৰ্ণসীতাৰপ্ৰতিমূৰ্তি নিৰ্মাণৰ প্ৰস্তুতি আৰু স্বৰ্ণসীতাৰ উপস্থিতিত ৰামচন্দ্ৰৰ মানসিক প্ৰতিক্ৰিয়া শঙ্কৰদেৱে অধিক বাস্তৱসন্মত ৰূপত উপস্থাপন কৰিছে। যজ্ঞৰ আয়োজন দেখি কুলগুৰু বশিষ্ঠ মুনিৰ 'মিলিল পৰম চিন্তা'। ক'লে— 'কেনে যজ্ঞ ভূমি/প্ৰৱেশিবা তুমি/লগতে নাহিকে সীতা'// এনে বিশাল আয়োজনত এই গুৰুত্বপূৰ্ণ কথাটোলৈ কাৰো মনতে পৰা নাছিল। গুৰুপ্ৰতীম বয়োজ্যষ্ঠসকলেহে সদায় ঘৰুৱা উৎসৱ পাৰ্বণত এনে প্ৰয়োজনীয় আৰু পালনীয় নিয়ম-নীতিৰ আঁত ধৰি যায়। এইবাৰো শঙ্কৰদেৱৰ ৰচনাত হিতাকাংক্ষী বেদনিধি বশিষ্ঠমুনিয়ে সম্যকভাৱে উপায় উদ্ভাৱন কৰি ক'লে— 'আৰে কি কৰিব/সভাৰ্যে যজিব/শাস্ত্ৰত এহিসে ন্যায়/গুৰু বশিষ্ঠই শাস্ত্ৰনীতি আওৰাবলত ৰামচন্দ্ৰৰ মনত বোধকৰো পুনৰ দোষী দোষী ভাৱেৰে আৰু বিচ্ছেদ বেদনাৰে দগ্ধ হ'ল। আৰু 'শুনি ৰঘুনাথ/চপৰাইলা মাথ/নপায় চিন্তি উপায়//' কিন্তু সুদক্ষ উদ্যোক্তা ভৰতে 'ৰাঘৱৰ চিত/বুজিলা ইংগিত/ভকত ভৰত কাজি// প্ৰবন্ধি যতনে/যোগাইলা তেখনে/সুবৰ্ণৰ সীতা সাজি// ভৰত ভাতৃক/প্ৰশংসিয়া ৰামে/দৃষ্টি দিলা প্ৰতিমাত// সেই মুখ আখি/সম্যকে জানকী/কেৱলে নাহিকে মাত// সীতাক সুমৰি/নিশ্বাস তেজিল/লোতক বহন্তে আছে// বশিষ্ঠে বুজাইল/ৰাঘৱ জুৰাইল/কুশ হস্ত ভৈল পাছে//' পৰিস্থিতিক আৰু বাস্তৱমুখী কৰি তুলিবলৈ শঙ্কৰদেৱ অধিক সূক্ষ্ম বৰ্ণনালৈ আগবাঢ়ি গৈছে। কৈছে— 'সীতাৰ প্ৰতিমা/সমে যজ্ঞশালা/প্ৰৱেশিলা ৰঘুপতি// শুভক্ষণে পাছে/যজ্ঞ আৰম্ভিলা/বশিষ্ঠৰ অনুমতি//' শঙ্কৰদেৱে সূক্ষ্ম দৃষ্টিৰে সমগ্ৰ পৰিস্থিতি গ্ৰহণযোগ্য আৰু বিশ্বাসযোগ্য কৰি তোলাৰ লগতে ৰামৰ চৰিত্ৰৰ এক নৈষ্ঠিক দিশ উদঘাটন কৰিছে। উত্তৰাকাণ্ড আৰু উত্তৰাকাণ্ডৰ যজ্ঞৰ বৰ্ণনাত সম্পূৰ্ণ মিল লক্ষ্য কৰা যায় যদিও ওপৰত তুলি দিয়া পথ কেইফাঁকিতে পৰিস্থিতি উপস্থাপনৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ সচেতনতাৰ বিষয়ে এক শুদ্ধ ধাৰণা পাব পাৰি।

শঙ্কৰদেৱৰ ৰচনাত পোৱা যায় যে বাল্মীকিৰ আজ্ঞামৰ্মে লৱ আৰু কুশই ৰামায়ণ গীত গাই সকলোৰে মন মুহিলে। সেই গীতৰ বিষয়বস্তু আছিল কেৱল 'ৰাম জনমৰ পৰা ৰাৱণৰ বধ/ৰামায়ণ শুনি সৱে নয়ন তবধ।।' এইখিনিলৈকেহে বৃত্তান্ত বৰ্ণোৱা হৈছিল। দুয়ো

কুমাৰে গীতৰ কথাৰে ৰামচন্দ্ৰৰ সুদৰ্শন, সালংকৃত অৱয়বৰ বৰ্ণনা দীঘলীয়াকৈ দিছে। আন ৰচনাবোৰত কৃষ্ণৰ ৰূপ বৰ্ণনত শঙ্কৰদেৱৰ যি উৎসাহ তেনে এক উৎসাহ শঙ্কৰদেৱৰ মতে উত্তৰাকাণ্ডৰ পঁচাশী সংখ্যক পদৰ পৰা এশ সাত সংখ্যক পদলৈকে পৰিলক্ষিত হয়। যজ্ঞভূমিত সমবেত সমূহ দৰ্শক শ্ৰোতাৰ সমুখত ৰামচন্দ্ৰৰ আদেশ মৰ্মে লৱ-কুশে ৰামায়ণী গীত পৰিৱেশন কৰি গ'ল। ক্ৰমে ক্ৰমে আদিকাণ্ড, আযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড আৰু লংকাকাণ্ডৰ লগতে উত্তৰাকাণ্ডৰ কথাবস্তুৰ প্ৰথমাৰ্দ্ধ দুয়ো ভাতৃয়ে তাল-মান ৰাখি তন্ত্ৰীবাদ্যৰ সংগত ৰাখি গাই গ'ল।

শঙ্কৰদেৱে *ৰামায়ণ*ৰ প্ৰতিটো কাণ্ডৰে কথাবস্তু সংক্ষেপে পুনৰবাৰ ৰচিছে আৰু লৱ-কুশৰ মুখত গীতৰূপে আগবঢ়াইছে। বাল্মীকিৰ ৰামায়ণত পূৰ্বৱৰ্তী কাণ্ডবোৰৰ পুনৰাবৃত্তি লৱ-কুশৰ মুখত দিয়া নাই। তাত আদিকবিয়ে কেৱল কৈছে যে— 'ত্বাংস শুশ্ৰাৱ কাকুৎস্থঃ পূৰ্বাচাৰ্যৱিনিৰ্মিতাম্/অপূৰ্ব্বাং পাঠ্যজাতীঞ্চ গেয়েন সমলংকৃতাম্// শ্ৰোতাগণৰ হৰ্ষবৰ্দ্ধনকাৰী বাল্মীকিৰ বিনিৰ্মিত সমুদায় তেওঁলোকে গালে। কোৱা হৈছে-- 'আদি প্ৰভৃতি ৱৈ ৰাজন্ পঞ্চসৰ্গশতানিচ/কাণ্ডানি ষট্‌কৃতানীহ সোত্তৰাণি মহাত্মনা// অৰ্থাৎ আদি প্ৰভৃতি (আদি, অযোধ্যা, অৰণ্য ইত্যাদি) ছয়টা কাণ্ড আৰু পাঁচশ সৰ্গ তাৰ লগতে মহাত্মা বাল্মীকিয়ে ৰচনা কৰা উত্তৰাকাণ্ডও তেওঁলোকে গালে। কিন্তু আদি প্ৰভৃতি কাণ্ডৰ কথাবস্তু বাল্মীকিয়ে পুনৰ দোহৰা নাই।

উত্তৰাকাণ্ডৰ উত্তৰাৰ্দ্ধৰ কাহিনীৰ ক্ষেত্ৰত শঙ্কৰদেৱে প্ৰায় বাল্মীকিকে অনুসৰণ কৰিছে যদিও দুই এঠাইত শঙ্কৰদেৱৰ উদ্ভাৱন, সংযোজন আৰু বিয়োজনে পুৰাতন কাহিনীভাগত নতুন গতি দিছে। উদাহৰণ স্বৰূপে দুই এটা ঘটনা আলোচনা কৰিব পাৰি।

বাল্মীকিৰ ৰচনা মতে ৰামৰ যজ্ঞভূমিত দুয়ো কুমাৰে সীতাৰ নিৰ্বাসন, বাল্মীকিৰ আশ্ৰমত আশ্ৰয়, দুটি যঁজা পুত্ৰৰ জন্ম ইত্যাদি বৃত্তান্ত গীতেৰে নিবেদন কৰাৰ পিছত আৰু ৰামে লৱ-কুশৰ পৰিচয় পোৱাৰ পিছত সীতাক আনিবলৈ দূত পঠিয়াইছে আৰু বাল্মীকিক জনোৱা হৈছে— 'যদিহে সীতা শুদ্ধাচাৰী, নিষ্পাপী, তেনেহ'লে মহামুনি বাল্মীকিৰ অনুমতি লৈ তেওঁ স্বীয় বিশুদ্ধতাৰ প্ৰমাণ দিবলৈ তৎপৰ হওক। তোমালোকে শীঘ্ৰে গৈ এই বিষয়ত মহৰ্ষি আৰু সীতাৰ মনোভাৱ জানি আহাগৈ (৭।৯৫।৪-৫)। মূলৰ এনে কঠোৰ সিদ্ধান্ত হয়তো শঙ্কৰদেৱৰ মনঃপূত হোৱা নাছিল। সেয়ে উত্তৰাকাণ্ডত পোৱা যায় যে লৱ-কুশৰ প্ৰকৃত পৰিচয় জানি ৰাম বিচলিত হৈছে, নিজৰ কৃতকৰ্ম সুঁৱৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আৰু বশিষ্ঠৰ পৰামৰ্শমতে সীতাক আনিবলৈ শত্ৰুঘ্ন, বিভীষণ, সুষেণ আৰু হনুমান এই চাৰিজনক আশ্ৰমলৈ পঠিয়াইছে। এই চাৰিওজনৰে লগত সীতাদেৱীৰ পূৰ্বাপৰ বাৎসল্য সম্পৰ্ক আছিল। সীতাদেৱীৰ বাবে অতি পৰিচিত তথা সন্তানতুল্য হনুমান আদিক দূতৰূপে নিৰ্বাচন কৰাত শঙ্কৰদেৱৰ সুষম বিবেচনা শক্তি ধৰা পৰিছে।

এনে এক জটিল মুহূৰ্তত সীতাৰ প্ৰতিক্ৰিয়া জানিবলৈ পাঠক উদ্‌গ্ৰীৱ হৈ থকাৰ সময়ত বাল্মীকিৰ ৰচনাত নিৰুত্তাপ, নিৰুদ্বেগ, অধোবদনা, অশ্ৰুনয়না সীতাদেৱীয়ে কৰযোৰে ৰাম নাম ধ্যান কৰি বাল্মীকিৰ পিছে পিছে আহি যজ্ঞভূমিত প্ৰৱেশ কৰিলেহি। কিন্তু শঙ্কৰদেৱৰ ৰচনাত সীতাৰ শক্তিশালী আৰু প্ৰতিক্ৰিয়াশীল ব্যক্তিত্ব প্ৰকাশ পাইছে। চাৰিও দূতে গৈ যেতিয়া সীতাৰ আগত ৰামৰ আহ্বান নিবেদন কৰিলে তেতিয়া— 'শুনি জানকীৰ শোক অগনি জ্বলিল'। নিজৰ ভাগ্য, দুৰ্দশা, ৰামৰ স্বাৰ্থপৰতা আৰু নিষ্ঠুৰতাৰ কথা কৈ কৈ বহুপৰিতাপ কৰিলে। সীতাৰ এই প্ৰতিক্ৰিয়া শঙ্কৰদেৱে আঠাইশটা দুলড়ী পদত আগবঢ়াইছে। বাল্মীকিয়েহে সকলো শুনি সীতাক বহুত বুজাই বঢ়াই শেষত 'মোহৰ শপত/দিয়োক সন্মত/এৰিয়ো আত আক্ৰান্তি'// বুলি শপত দিহে ৰামৰ যজ্ঞভূমিলৈ সীতাক নিব পাৰিছিল।

বাল্মীকিৰ ৰচনাত পোৱা যায় সীতাৰ পৱিত্ৰতা আৰু বিশুদ্ধতাৰ সমৰ্থনত বাল্মীকিয়ে এক দীঘলীয়া বক্তব্য আগবঢ়াইছে। তদুপৰি প্ৰাচেতসৰ দশম পুত্ৰ শ্ৰুতিধৰ বাল্মীকিয়ে আনকি এই শপতো লৈছে যে 'যদিহে মৈথিলী কোনো প্ৰকাৰে দুশ্চৰিত্ৰা হয়, তেনেহ'লে মোৰ বহু সহস্ৰ বছৰৰ তপস্যাৰ ফল থিতাতে বিনাশ হ'ব— 'বহুৱৰ্ষসহস্ৰাণিতপাৰ্থো ময়া কৃতা। নোপাশ্নীয়াং ফলং তস্যা দুষ্টেয়ং য়দি মৈথিলী (৭।৯৬।২০)। মূল ৰামায়ণত সীতাই ৰামৰ আহ্বানতো নিজৰ সমৰ্থনত

কোনো প্রত্যুত্তৰ কৰা নাই। ৰাজকন্যা, ৰাজবধু সীতাদেৱীয়ে সকলো ৰাজকীয় মৰ্যাদাক সাৰথি কৰি ৰামৰ নিষ্ঠুৰতা আৰু অন্যায়ৰ বিৰুদ্ধে নীৰৱতাকে অস্ত্ৰ কৰি ল'লে। কেৱল তিনিটি বাক্যৰে সীতাই নিজৰ পৱিত্ৰতা প্ৰমাণ কৰিলে। অথচ ৰামৰ ওচৰত আত্মসমৰ্পণো নকৰিলে। কেৱল ক'লে—

য়থহং ৰাঘৱাদন্যং মনসাপি ন চিন্তয়ে।
তথা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।.
মনসা কৰ্মনা ৱাচা য়থা ৰামং সমৰ্চয়ে।
তথা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।।
য়থৈতৎ সত্যমুক্তং মে ৱেদ্মি ৰামাৎ পৰংন চ।
ততা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।।
-- ৭।৯৭।১৪-১৬

শঙ্কৰদেৱৰ উত্তৰাকাণ্ডত কিন্তু ৰামচন্দ্ৰৰ অনুৰোধৰ উত্তৰতো সীতাই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছে। যজ্ঞমণ্ডপত বহু জনতাৰ সমুখত সীতাই দীঘলীয়া উক্তিৰে (৩৮ টা পদত অৰ্থাৎ ১৫২ টা চৰণত) সীতাই ব্যাকুল হৈ কান্দিছে, নিজৰ দুখ-দুৰ্গতিৰ কথা কৈছে আৰু ৰামক বিভিন্ন প্ৰকাৰে ককৰ্থনা কৰিছে। ৰামৰ আচৰণক এনেদৰেও মূল্যায়ণ কৰিছে— 'স্বামী তপ জপ যজ্ঞ স্বামী যোগ ধ্যান/স্বপনে সচিতে মই নিচিন্তিলো আন// তথাপি আমাত আন চিত্ত বিহৰিল/চুমাতে কামোৰ যেন ওলগতে কিল//৩৬৪।। শেষত শপত কাঢ়ি কৈছে— 'ৰামৰ পাৰত জানা মোৰ চিত্ত ডাঠ/তেৱে বসুমতী মোক জাণ্টে দিয়া বাট।।

সীতাৰ পাতাল প্ৰৱেশৰ পিছত উত্তৰাকাণ্ডৰ সমস্ত ঘটনা *ৰামায়ণ*ৰ ক্ৰমানুসাৰে শঙ্কৰদেৱে গ্ৰহণ কৰিছে। ৰামচন্দ্ৰৰ জীৱনযাত্ৰা, ৰামৰাজ্যৰ স্থিতি আদি দুয়োজন কবিয়ে গুৰুত্বসহকাৰে কৈ গৈছে। তথাপি ৰামায়ণৰ বিৰহী ৰামৰ গাম্ভীৰ্য শঙ্কৰদেৱে ৰক্ষা কৰিব খোজা নাই। বৰং সাধাৰণ মানুহৰ আবেগ অনুভূতিৰে সমৃদ্ধিশালী এখন হৃদয়ৰ অধিকাৰীৰূপে ৰামচন্দ্ৰক শঙ্কৰদেৱৰ ৰচনাত পোৱা যায়। একেদৰে পৃথিৱীৰ প্ৰতি ৰামৰ ক্ৰোধ, ব্ৰহ্মাৰ প্ৰবোধ দান আদিৰ ক্ষেত্ৰত শঙ্কৰদেৱ বাল্মীকিৰ অনুগামী। ভৰতৰ গন্ধৰ্ব দেশ জয়, শত্ৰুঘ্নৰ মথুৰা জয় আদি বিষয়ত শঙ্কৰদেৱৰ যুদ্ধৰ বৰ্ণনা সকলো কাব্যিক সুষমাৰে মণ্ডিত। সেয়ে এই সমূহ বিষয় শঙ্কৰদেৱৰ ৰচনাত অধিক উপাদেয় হৈছে। তেনেদৰে কালৰ আগমন, দুৰ্বাসাৰ ভোজন আৰু বিশেষকৈ লক্ষ্মণৰ বিদায় বেলাৰ কৰুণ বিলাপ, ৰামৰ স্বৰ্গ-গমনৰ আয়োজনত আত্মীয়-স্বজন, প্ৰজাবৃন্দ আনকি পশু-পক্ষীসকলৰো মৃতকল্প অৱস্থাৰ বিষয়ে শঙ্কৰদেৱে অধিক বিস্তৃত আৰু হৃদয়স্পৰ্শী ভাৱে ৰচনা কৰিছে। শেষত ৰামচন্দ্ৰৰ বিষ্ণুৰ ৰূপত প্ৰৱেশ দুয়োজন কবিয়ে বিশ্বাস আৰু ভক্তি সহকাৰে উপস্থাপন কৰিছে।

উত্তৰাকাণ্ড আৰু উত্তৰাকাণ্ডক সমান্তৰালভাৱে আলোচনা কৰি কিছুমান সিদ্ধান্তলৈ আহিব পাৰি। যেনে উত্তৰাকাণ্ড বাল্মীকিৰ চিন্তা আৰু কল্পনাৰ মহাকাব্যিক ৰূপ। ই বাল্মীকিৰ কবিসুলভ অনুভূতিৰ দ্বাৰা প্ৰণোদিত ৰচনা। উত্তৰাকাণ্ড ভক্তিধৰ্ম আৰু ৰাম-মাহাত্ম্য প্ৰচাৰৰ বাবে উদ্দেশ্য প্ৰণোদিত ৰচনা। শঙ্কৰদেৱৰ মৌলিক সংযোজন আৰু উদ্ভাৱনবোৰলৈ চাই ইয়াক অনুবাদ বোলাতকৈ অনুসৃষ্টি বোলাই সমীচীন হ'ব।

ওপৰত কৰা আলোচনাৰ পৰা এই কথাও সাব্যস্ত হয় যে উত্তৰাকাণ্ডৰ বহু বিষয়বস্তু শঙ্কৰদেৱে বৰ্জন কৰিছে। কিন্তু কোনো নতুন ঘটনা, বিষয় বা চৰিত্ৰ প্ৰক্ষেপ কৰা নাই। ৰামায়ণৰ ঘটনাৱলীৰ ক্ৰম দুবাৰ ভঙ্গ কৰিছে। ৰামকথাৰ জুমুঠিটোত আশ্ৰয় কৰি বিকাশ লাভ কৰা বহু আখ্যান, উপাখ্যান আৰু তাৰ লগত জড়িত পাৰ্শ্বচৰিত্ৰসমূহো বৰ্জন কৰিছে।

শঙ্কৰদেৱৰ ৰচনাত নাটকীয়তা আছে। বহু ঘটনা সংলাপত সজোৱা হৈছে। তপোবনৰ প্ৰান্তত, যজ্ঞভূমিত, ৰামৰ আহ্বানত সীতাৰ মানসিক স্থিতি বাল্মীকিয়ে নিজৰ ভাষাৰে কৈছে কিন্তু শঙ্কৰদেৱৰ সীতাই ব্যাকুল হৈ নিজৰ দুৰ্দশা, দুৰ্ভাগ্য, আশংকা, ক্ষোভ, অভিমান, খং আদি শক্তিশালী ভাষাৰে কৈ গৈছে। কোনো কোনো উক্তি অতি তীক্ষ্ণও হৈছে।

উত্তৰাকাণ্ড বাল্মীকিয়ে ৰাজতন্ত্ৰৰ পটভূমিত ৰচনা কৰিছে বাবে চৰিত্ৰবোৰ স্বভাৱসুলভ গাম্ভীৰ্য আৰু মৰ্যাদা ৰক্ষা কৰিবলগীয়া হৈছে। ফলত বাল্মীকিয়ে খং-ৰাগ, আনন্দ-বিষাদ আদি অনুভূতিক কম কথাতে ৰূপায়ণ কৰিবলগীয়া হৈছে। বোধকৰো তেনে পৰিমিতিবোধ কবি বাল্মীকিৰ বৈশিষ্ট্য। তথাপি চৰিত্ৰবোৰৰ মানসিক প্ৰতিক্ৰিয়া ৰূপায়ণত বাল্মীকি সফল হৈছে। আনহাতে

উত্তৰাকাণ্ড শঙ্কৰদেৱে জনসাধাৰণৰ মাজত ৰামকথা প্ৰচাৰৰ বাবে লিখিছিল বাবে সকলোবোৰ চৰিত্ৰক সাধাৰণ মানুহৰ স্তৰলৈ লৈ আহিছে। মানৰ মনৰ সকলো সূক্ষ্ম অনুভূতিৰে শঙ্কৰদেৱে ৰাম আৰু সীতাক নিচেই সৰলমনা, আবেগপ্ৰৱণ, অনুভূতিশীল মানুহৰূপে চিত্ৰিত কৰিছে। আবেগ-অনুভূতিৰ নিৰ্বাধ ৰূপায়ণ হোৱাৰ বাবেও শঙ্কৰদেৱৰ ৰচনাত নাটকীয়তা আহি পৰিছে।

তদুপৰি উত্তৰাকাণ্ডৰ সমগ্ৰ পাঠাংশ পঢ়ি যাওঁতে কথক শঙ্কৰদেৱৰ উপস্থিতি বাৰে বাৰে অনুভূত হয়। ঘটনাক্ৰমত শঙ্কৰদেৱৰ স্বকীয় উক্তিয়েও উত্তৰাকাণ্ডলৈ নাটকীয় গুণ আনি দিছে। এক বিশেষ কথন ভঙ্গীৰে বিষয়ৰ পৰা বিষয়ান্তৰলৈ কথক শঙ্কৰদেৱ আগবাঢ়িছে, যেনে— ‘লৱকুশৰ কথা এহিমানে থওঁ/ৰামৰ তথাত যেন কাৰ্য তাক কওঁ (৪০, খ-ঘ)। ইটো কথা থাকোক সম্প্ৰতি এহিমতে/শুনা ৰামে অশ্বমেধ যজিলা যিমতে (৪৪, গ-ঘ), ‘এহিমানে থৈলো ৰাম-অগস্তি সংবাদ’ (২২৩, ঘ) ইত্যাদি। বিবৃত কাহিনীভাগৰ পাছফালে শঙ্কৰদেৱৰ উপস্থিতি এইবাৰে বাৰে বাৰে পাঠকক সকিয়াই যায়। এনে কথনভঙ্গীত ওজাপালিৰ কথকতাৰ ৰীতি লক্ষ্য কৰা যায়। বাল্মীকিয়ে কিন্তু সমস্ত কথাভাগ তৃতীয় পুৰুষত বিৱৰি গৈছে। কেৱল বিভিন্ন চৰিত্ৰৰ কথোপকথনেৰে উপৰুৱা আখ্যানবোৰ আগবঢ়াইছে।

তদুপৰি বাল্মীকিৰ উত্তৰাকাণ্ড সৰ্গত বিভক্ত। গতিকে বুজিব পাৰি ইয়াক শ্ৰব্য আৰু পাঠ্য ৰূপে প্ৰস্তুত কৰাই বাল্মীকিৰ উদ্দেশ্য আছিল। কিন্তু শঙ্কৰদেৱে ৰুক্মিণীহৰণ বা হৰিশ্চন্দ্ৰ উপাখ্যানৰ দৰে উত্তৰাকাণ্ডতো বিষয়-বিভাগ নকৰাকৈ ধাৰাবাহিকভাৱে কৈ গৈছে। তদুপৰি ওজাপালিৰ কথকতাও উপস্থাপনত ৰক্ষা কৰি গৈছে। বুজা যায় উত্তৰাকাণ্ডক কেৱল শ্ৰব্য কাব্যৰূপেহে শঙ্কৰদেৱে পৰিকল্পনা কৰিছিল।

*ৰামায়ণ*ৰ আদিকাণ্ডৰ পঞ্চদশৰ পৰা অষ্টাদশ সৰ্গৰ ভিতৰত ৰাৱণ বধৰ বাবে দেৱতাসকলৰ উপায় উদ্ভাৱন আৰু বিষ্ণুক দশৰথৰ পুত্ৰৰূপে জন্ম ল’বলৈ ব্ৰহ্মাৰ প্ৰাৰ্থনা ইত্যাদি আখ্যানত ৰামৰ দেৱত্ব সাব্যস্ত কৰা হৈছে যদিও মাজৰ পাঁচটা কাণ্ডত বাল্মীকিয়ে ৰামৰ চৰিত্ৰৰ এই দিশটোত আলোকপাত কৰিবলৈ মুঠেই যত্ন কৰা নাই। উত্তৰাকাণ্ডৰ অন্তিম সৰ্গসমূহত কালৰ আগমন, ৰামৰ সৈতে সাক্ষাৎ, ৰামৰ স্বৰ্গাৰোহণ আদিত ৰামৰ বিষ্ণুৰ পূৰ্ণৰূপ বা অৱতাৰৰূপে প্ৰতিষ্ঠা কৰা হৈছে। অন্যথা উত্তৰাকাণ্ডৰ সমগ্ৰ কথাবস্তুত ৰামচন্দ্ৰক এক কুল-পৰম্পৰাৰ ৰক্ষক, কৰ্তব্যশীল, অথচ সহিষ্ণু আৰু নৈষ্ঠিক পতি আৰু গম্ভীৰ আৰু মৰ্যাদাসম্পন্ন শাসকৰূপে লগ পোৱা যায়। কিন্তু শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ আৰম্ভণিৰ পাঁচটা পদতে ৰামৰ দেৱত্ব আৰু মাহাত্ম্য ঘোষণা কৰি লোৱা হৈছে আৰু সমগ্ৰ কাণ্ডটিত বাৰে বাৰে তাক সোঁৱৰাই যোৱা হৈছে, যেনে— ‘নমো নমো ৰঘুবংশ/তিলক বিষ্ণুৰ অংশ/শ্ৰীৰামচন্দ্ৰ সীতাপতি//’ ‘নমো নমো ৰঘুকুল তিলক কেশৱ’ বুলি কেশৱক বা বিষ্ণুক ৰাঘৱ ৰামৰ লগত সমানাধিকৰণ কৰা হৈছে। শ্ৰীৰামৰ স্বৰ্গগমন বৃত্তান্তত দীঘলীয়াকৈ ৰামৰ ঈশ্বৰত্ব স্বীকাৰ কৰা হৈছে। আনকি ৰচনাৰ অনেক ঠাইত সীতাৰো দেৱত্ব স্বীকাৰ কৰি কোৱা হৈছে— ‘জগতৰ প্ৰভু ৰামদেৱৰ ঘৰিণী/যাক আচল লৰৈ অলেখ্য সেৱকিনী (২৮৫ ক, খ), ‘জগত ঈশ্বৰী ৰাঘৱৰ পটেশ্বৰী’ (২৮৮ ক), ‘অমৃত মথন্তে যেন লক্ষ্মী উপজিলা/বিষ্ণুক বৰিবে পিতৃ সহিতে লৰিলা// (৩৩৬ ক, খ) ইত্যাদি। এনেদৰে শঙ্কৰদেৱৰ উত্তৰাকাণ্ড ৰচনাৰ উদ্দেশ্য যে ৰাম অৱতাৰত বিষ্ণু মাহাত্ম্য প্ৰচাৰহে আছিল সি স্পষ্ট হৈ পৰিছে। শঙ্কৰদেৱৰ স্বকীয় আৰু কবিসুলভ প্ৰতিভাৰ প্ৰভাৱত এই ৰচনা উপাদেয় উপভোগ্য আৰু ৰসিক-চিত্ত-বিমোহক হৈ পৰিছে।

এনেদৰে শঙ্কৰদেৱৰ বিশালায়তন সাহিত্যৰাজিত ৰামকথা বাৰে বাৰে বিবৃত হৈছে। পদৰূপে, নাটৰূপে, কীৰ্ত্তনৰূপে, অনুবাদৰূপে বা উপদেশৰূপে ৰামকথা উপস্থাপন কৰাত শঙ্কৰদেৱৰ উৎসাহ আৰু উদ্যম পৰিলক্ষিত হয়। *ভাগৱত পুৰাণ*ক প্ৰাধিকাৰী উৎস ৰূপে লৈ আৰু বাল্মীকিৰ *ৰামায়ণ*ৰ মান্যতা স্বীকাৰকৰি লৈ মধ্যযুগৰ ভাৰতভূমিৰ ধৰ্মীয় আদৰ্শ শঙ্কৰদেৱে নিজৰ সৃষ্টিৰাজিতো সংৰক্ষণ কৰি গৈছে। সেয়েহে তদানীন্তন ভাৰতীয় আধ্যাত্মিক স্পন্দন শঙ্কৰদেৱৰ ৰচনাতো প্ৰতিধ্বনিত হৈছে।■■

**লেখিকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা**

# মাধৱদেৱৰ গদ্যৰীতি

ড° লীলাৱতী শইকীয়া বৰা

মহাপুৰুষ মাধৱদেৱৰ গদ্যৰীতিৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই নাম ল'ব লাগিব অসমীয়া গদ্যৰ জন্মদাতা কলাগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ। শঙ্কৰদেৱেই পোনতে অসমৰ পূৰ্বকবিসকলৰ বিভিন্ন ছন্দত লেখা পদ-কাব্যৰ পৰম্পৰা ভঙ্গ কৰি গদ্যত দৃশ্যকাব্য বা নাট ৰচনাৰ পাতনি মেলে। দীঘলীয়া তীৰ্থ ভ্ৰমণ কালত শঙ্কৰদেৱে উত্তৰ আৰু দক্ষিণ ভাৰতৰ ভালেমান তীৰ্থস্থান পৰিদৰ্শন কৰে আৰু সেইবোৰ ঠাইত অনুষ্ঠিত হোৱা ৰামলীলা, ৰাসলীলা, যাত্ৰা, কথক, যক্ষগান, ভাগৱতম্, ভৱই[১] আদি স্থানীয় নৃত্য-গীত-প্ৰধান লোকনাট্যানুষ্ঠানৰ ৰস উপভোগ কৰি গুৰুজনাই হয়তো উপলব্ধি কৰিছিল যে পদ-কাব্যতকৈ দৃশ্য-কাব্য বা নাটকে মানুহৰ মন অতি সহজে আকৰ্ষণ কৰিব পাৰে। সেয়ে শঙ্কৰদেৱে অভিনয়ৰ যোগেদি সাক্ষৰ-নিৰক্ষৰ সকলো শ্ৰেণীৰ মানুহক এক নিৰ্মল পৱিত্ৰ আনন্দ প্ৰদানৰ লগতে বিভিন্ন ধৰ্ম-বিশ্বাসৰ দ্বাৰা বহুধা-বিভক্ত সৰ্বসাধাৰণ মানুহৰ মন এক-শৰণীয়া ভাগৱতী ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰিবৰ কাৰণে নাট ৰচনাত মনোনিৱেশ কৰে। ফলত তেওঁৰ কাপৰ পৰা নিগৰি পৰে পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাতহৰণ আৰু ৰামবিজয় নাট। এই ছখন নাটৰ জৰিয়তে শঙ্কৰদেৱেই পোনতে অসমীয়া পদ-কাব্যৰ ভাষাক সহজ-সৰল গদ্যলৈ ৰূপান্তৰিত কৰিলে আৰু লগতে কথ্য ভাষা আৰু ভঙ্গীক সাহিত্যৰ মৰ্যাদা দান কৰিলে। কিন্তু 'অঙ্গীয়া নাট' আখ্যা পোৱা তেওঁৰ নাটৰ গদ্য শুদ্ধ অসমীয়া ভাষাৰ গদ্য নহয়, ব্ৰজবুলি বা ব্ৰজাৱলী ভাষাৰ ই এক লয়যুক্ত সাঙ্গীতিক গদ্যহে 'a prose sinewy, musical and elevated., এনে স্পন্দিত সাঙ্গীতিক গদ্যৰ বাহক ব্ৰজবুলিৰ ভেঁটি হ'ল মৈথিলী; তাৰ ওপৰতে অসমীয়া ৰূপতত্ত্ব ধ্বনিতত্বৰ ছাল-চ'তি-খুটা লগাই, হিন্দী আদিৰে খবুৰা আদি লগাই তাৰ ঘৰটো বন্ধা হৈছিল।[২] ড° সুনীতি কুমাৰ চট্টোপাধ্যায়দেৱৰ মতেও ব্ৰজবুলি হৈছে 'a kind of Maithili mixed with Bengali in Bengal and with Assamese in Assam, with some earlier Apabhramsa and contemporary western Hindi (Brajabhasha) forms.[৩] প্ৰায় একে সুৰতেই সুৰ মিলাই প্ৰসিদ্ধ পণ্ডিত সমালোচক ড০ সত্যেন্দ্ৰ নাথ শৰ্মাদেৱেও মত প্ৰকাশ কৰিছে ব্ৰজবুলি কোনো বিশেষ অঞ্চলৰ হুবহু কথিত ভাষা নহয়; মধ্যযুগীয় বৈষ্ণৱ কবিসকলে বিশেষকৈ উত্তৰ-পূব ভাৰতৰ ভক্ত বৈষ্ণৱ কবি-সাহিত্যিকসকলে কৃষ্ণভক্তি প্ৰচাৰৰ উদ্দেশ্যে বিদ্যাপতিৰ পদাৱলীৰ ভাষা মৈথিলীৰ লগত স্থানীয় আৰু স্বকীয় ভাষিক বৈশিষ্ট্যৰ সংমিশ্ৰণ ঘটাই গঢ় দি লোৱা ই এক উমৈহতীয়া কৃত্ৰিম সাহিত্যিক ভাষাহে— যি ভাষা চুবুৰীয়া বঙলা, উৰিয়া, আৰু হিন্দীভাষীসকলৰ দ্বাৰাও সহজে বোধগম্য।[৪] এনে এটি মিশ্ৰিত এক প্ৰকাৰৰ কৃত্ৰিম সৰ্বভাৰতীয় সাহিত্যিক ভাষাত অঙ্কীয়া নাট ৰচনা কৰি শঙ্কৰদেৱেই প্ৰথমে অসমীয়া কথা-সাহিত্যৰ বাট মুকলি কৰে আৰু ইয়াৰ দ্বাৰা ভাৰতৰ প্ৰান্তীয় ভাষাৰ নাটৰ সংলাপত পোন প্ৰথমে আধুনিক ভাৰতীয় আৰ্যভাষা ব্যৱহাৰ কৰাৰ গৌৰৱ অৰ্জন কৰে। শংকৰদেৱৰ ধৰ্মীয় আৰু সাহিত্যিক জীৱনৰ আদৰ্শত নিজকে গঢ় দি তোলা মাধৱদেৱে পদ আৰু গীত ৰচনাৰ লগে লগে নাট ৰচনাটো হাত দিয়ে। তাৰে ফলশ্ৰুতি হ'ল অৰ্জুন-ভঞ্জন, চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা ভোজন বিহাৰ নাট। ইয়াৰ বাহিৰেও মাধৱদেৱৰ নামত প্ৰচলিত আন কেইখনমান নাট হ'ল— গোবৰ্দ্ধন-যাত্ৰা, নৃসিংহ-যাত্ৰা, ৰাস-যাত্ৰা, কোটোৱা খেলা, ভূষণ হৰণ, ৰাস-ঝুমূৰা আৰু ব্ৰহ্মামোহণ।

ইয়াৰে প্ৰথম তিনিখন নাটৰ উল্লেখ 'কথাগুৰু চৰিত'তহে পোৱা যায়। বৰ্তমানলৈকে আৱিষ্কৃত নোহোৱা মাধৱদেৱৰ এই নাট তিনিখনৰ আকৃতি আৰু প্ৰকৃতি বিষয়ত সেয়ে খাটাংকৈ একো ক'ব নোৱাৰি। পিছৰ চাৰিখন নাটৰ ভিতৰত বিষয়বস্তু, কৃষ্ণ-চৰিত্ৰৰ চিত্ৰণ, ৰচনাৰীতি, ভাষা আৰু বৰ্ণনাভঙ্গীলৈ লক্ষ্য কৰি একমাত্ৰ 'ভূষণ-হৰণ'কহে মাধৱদেৱৰ নাট বুলি দাবি কৰিব পাৰি।[৬] বৰ্তমান নিবন্ধত নিঃসন্দেহে মাধৱদেৱৰ বুলি স্বীকৃত 'অৰ্জুন-ভঞ্জন'কে আদি কৰি প্ৰথমৰ পাঁচখন নাটৰ গদ্যৰীতিৰ বিষয়েহে আলোচনা কৰা হ'ব।

শঙ্কৰদেৱৰ আদৰ্শ আৰু অনুপ্ৰেৰণাতে নাট ৰচনাত প্ৰবৃত্ত হ'লেও মাধৱদেৱ শঙ্কৰদেৱৰ নাট্যৰীতিৰ পৰা ভালেখিনি আঁতৰি আহিছে। শঙ্কৰদেৱৰ পূৰ্ণ দৈৰ্ঘ্যৰ কাহিনী সম্বলিত নাটৰ বিপৰীতে মাধৱদেৱৰ নাটবোৰ মুহূৰ্ত বিশেষৰ ঘটনা বা পৰিস্থিতিপ্ৰধান আৰু ক্ষুদ্ৰাকৃতিৰ। শঙ্কৰী নাটৰ কেন্দ্ৰীয় চৰিত্ৰ যুৱা-কৃষ্ণৰ সলনি আমি মাধৱদেৱৰ নাটিকাকেইখনিত শিশুকৃষ্ণকহে নায়ক হিচাপে দেখা পাওঁ। ব্ৰজবুলি ভাষাৰ ব্যৱহাৰতো মাধৱদেৱে ৰক্ষণশীলতাৰ বিপৰীতে পৰিৱৰ্তনশীলতাৰ পৰিচয় দাঙি ধৰিছে। শঙ্কৰদেৱৰ গহীন গম্ভীৰ ব্ৰজবুলি ভাষা মাধৱদেৱৰ হাতত অধিক সৰল হৈ পৰিছে আৰু কথিত অসমীয়া শব্দৰ বহল ব্যৱহাৰে সেই ভাষাক অসমীয়া কথ্য ভঙ্গীৰ বৰ বেছি কাষ চপাই দিছে। মাধৱদেৱৰ নাটৰ বিষয়বস্তু আৰু ইয়াৰ উৎস, চৰিত্ৰ-চিত্ৰণ, ৰসসৃষ্টি, নাটকীয় কলা-কৌশল; সৰল ব্ৰজবুলি ভাষা আৰু ৰচনাৰীতিৰ বিশিষ্টতালৈ লক্ষ্য কৰি সেয়েহে তেওঁৰ নাটকেইখনিক (অৰ্জুন-ভঞ্জনক বাদ দি) ঝুমুৰা আখ্যা দিয়া হৈছে। মাধৱদেৱৰ নাট প্ৰতিভাৰ উজ্বল স্বাক্ষৰ 'অৰ্জুন-ভঞ্জন' নাট্য আৰু ঝুমুৰা চাৰিখনৰ মাজতেই নাট্যকাৰ গৰাকীৰ নাটকীয় কথাশৈলীয়ে বিকাশ লাভ কৰে।

মাধৱদেৱৰ গদ্যৰ পৰিসৰ তেনে সীমিত। শ্ৰীকৃষ্ণৰ বাল্যকালৰ ঘটনা বিশেষ বা পৰিস্থিতি একোটাক কেন্দ্ৰ কৰি ৰচনা কৰা হাস্যমধুৰ ক্ষুদ্ৰাকৃতিৰ ঝুমুৰাসমূহৰ বিষয়বস্তুলৈ (Content) লক্ষ্য কৰিলেই সেই কথা ফৰিংফুটা হৈ পৰিব। মাধৱদেৱৰ ঝুমুৰা কেইখনিৰ বিষয়বস্তুক ছটা ভাগত ভগাব পাৰিঃ সংস্কৃত শ্লোক, গীত ('ভোজন বিহাৰ' নাটৰ ভটিমাটিসহ), পদ, নৃত্য, চৰিত্ৰৰ সংলাপ আৰু সূত্ৰধাৰৰ কথা। অৰ্জুন-ভঞ্জন নাটককে ধৰি কেউখন ঝুমুৰাত ব্যৱহৃত হোৱা মুঠ শ্লোকৰ (নান্দী শ্লোকসহ) সংখ্যা-১৪, ভটিমা-১, গীত-২৫, পদ-৪১, চৰিত্ৰৰ সংলাপ ৮৮ আৰু সূত্ৰধাৰৰ মুখত দিয়া বৰ্ণনামূলক কথা-বচনৰ সংখ্যা হ'ল - ৬৬। কথাসূত্ৰখিনি বাদ দিলে শ্লোক-গীত-পদ আৰু নাটকীয় সংলাপৰ পৰিমান প্ৰায় সমানেই হ'বগৈ। যি কি নহওক, প্ৰায় তেৰটামান চৰিত্ৰৰ (আধামান চৰিত্ৰৰে সুনিৰ্দিষ্ট নাম নাই) মুখত দিয়া চুটি-দীঘল ব্ৰজবুলি ভাষাৰ মাত্ৰ ৮৮ টা সংলাপ আৰু ৬৬ টা কথাসূত্ৰৰ মাজতে মাধৱদেৱৰ গ্ৰন্থ সীমাবদ্ধ। তদুপৰি এনে সীমিত নাটকীয় গদ্যৰো ভালেখিনি সেই নাট বা ঝুমুৰাতে সংযোজিত সংস্কৃত শ্লোক আৰু ব্ৰজবুলি বা পুৰণি অসমীয়া ভাষাৰ গীত-পদৰ কাব্যিক পদ্যানুবাদহে। নাটকীয় সংলাপৰ সীমাবদ্ধতা আৰু কাব্যিকতালৈ লক্ষ্য কৰি ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কোৱা কথাষাৰি এই প্ৰসঙ্গত প্ৰণিধানযোগ্য ঃ "The dialogue which is introduced mainly to elaborate the lyrical sentiments in prose is very thin, though extremely musical." তলত শ্লোক আৰু পদৰ গদ্যানুবাদ সুস্পষ্ট নিদৰ্শন পিচাপে দুটি উদ্ধৃতি দাঙি ধৰা হ'ল ঃ

শ্লোকঃ ৱিনাৱাতং ৱিনাৱৰ্ষং ৱিদ্যুৎপ্ৰতনং ৱিনা।
ৱিনা হস্তিকৃতং দোষং কেনেমৌ পাতিতৌ দ্ৰুমৌ।।

গোৱালসব ঃ হে গোৱালসৱ, ওহি কি অদভূত, বাত নাহি, বৃষ্টি নাহি, নিৰ্ঘাত বজ্ৰপাত নাহি, হস্তীসৱক বিক্ৰান্ত দোষ নাহি, অতেয়ে কালৰ বৃক্ষ কৈচন উভাৰি পৰল[৭]?

পদ ঃ জানিলোঁ আসিলা তুমি ঘৰ নাজানিয়া।
লৱনু-কলসে কেনে আছা হাত দিয়া।।

গোপী ঃ হে কৃষ্ণ তুহু ঘৰ নাহি জানি আৱল, ইয়াত কোনো দোষ নাই। হামাৰ লৱনু-কলস ভিতৰে কৈচন হস্ত নিবিশিয়ে থিক?[৮]

শ্লোক আৰু পদৰ গদ্যানুবাদ হোৱা কাৰণেই এনে ধৰণৰ সংলাপত নতুনত্ব বা চমৎকাৰিত্ব নাই বুলিবই পাৰি। কিন্তু ইয়াৰ লগে লগে থকা নৃত্য-গীতে সংলাপৰ অভিনৱত্বহীনতাৰ বহুদূৰ ক্ষতিপূৰণ কৰিছে।[৯]

শঙ্কৰদেৱৰ দৰে মাধৱদেৱৰ নাটকেইখনো উদ্দেশ্যমূলক। অভিনয়ৰ জৰিয়তে জনসাধাৰণক নিৰ্মল

আনন্দ দানৰ লগতে ‘সৰল শিশুপ্ৰীতিৰ মাজেদি মোক্ষৰ পথ নিৰ্দেশ কৰাই নাটকেইখনিৰ মূল উদ্দেশ্যে যদিও মাধৱদেৱে গুৰুজনাৰ দৰে কৃষ্ণৰ ঐশ্বৰিকত্ব প্ৰকাশত বৰ বেছি গুৰুত্ব দিয়া নাই। কেৱল ‘অৰ্জুন ভঞ্জন’ নাট খনিতহে যশোদাই ‘ঘৰ মাজে যত জৰি পাৱল সবকহু জোৰা’ লগাইও কৃষ্ণক বান্ধিব নোৱাৰা আৰু শেষত ভক্ত-ভৎসল কৃষ্ণই আপোন ইচ্ছাতে বন্ধন লৈ যমলাৰ্জুন ভঙ্গ কৰা কাৰ্যতহে মানৱৰূপধাৰী শিশুকৃষ্ণৰ ঈশ্বৰত্ব প্ৰকাশ পাইছে। আনকেইখন ঝুমুৰাত সাধাৰণ মানৱ শিশুৰ দৰে চোৰ চাতুৰি খেলা ধূৰ্ত-শিৰোমণি কৃষ্ণ যে ‘অখিল ব্ৰহ্মাণ্ডৰে গৰাকী’ বৈকুণ্ঠপতি, সেই কথা সূত্ৰধাৰৰ জৰিয়তেহে অতি কলা সন্মতভাৱে ঝুমুৰকেইখনিৰ শেষত প্ৰকাশ কৰিছে। কৃষ্ণভক্তি প্ৰচাৰৰ উদ্দেশ্য ৰচিত হোৱাৰ বাবেই চিৰ শিশুৰ ৰং ধেমালি, ঠেঁহ-পেচ, দুষ্টালি প্ৰকাশক মাধৱদেৱৰ সহজ-সৰল ব্ৰজবুলি ভাষাও ঠায়ে ঠায়ে অধিক গাম্ভীৰ্যপূৰ্ণ হৈ পৰিছে। সংস্কৃত তৎসম শব্দৰ বহুল ব্যৱহাৰ এনে গদ্যৰ মন কৰিবলগীয়া বিশেষত্ব। ‘অৰ্জুন ভঞ্জন’ আৰু ‘চোৰধৰা’ৰ শেষত থকা সূত্ৰধাৰৰ কথাখিনিলৈ মন কৰিলেই উক্ত কথাৰ সত্যতা উপলব্ধি কৰিব পৰা হ’ব ঃ

“হে লোক, দেখুদেখু, পৰম ঈশ্বৰ পৰুষোত্তম ত্ৰিগুণ-নিয়ন্তা গুণাতীত পৰম দেৱতা জীৱক তৰণ নিমিত্তে আপুনে সাক্ষাৎ বেকত হুৱা কপট মানুষ চেষ্টা দেখায়া বিবিধ লীলা বিস্তাৰ কয়ল।”[১০]

“ওহি বুলি যশোদা ..... কৃষ্ণক ..... বদনে চুম্বন দিয়ে পৰম আনন্দে আপন গৃহে আনি শীতল জলে স্নান কৰাই পঞ্চামৃত ভোজন কৰাৱল। সুগন্ধ চন্দনে দিব্য বস্ত্ৰ অলঙ্কাৰে ভূষিত কৰাই কৃষ্ণক সুন্দৰ বদন নিৰেখিয়ে মোক্ষতো অধিক আনন্দ লভিয়ে পৰম সন্তোষে বহল। আহে সভাসদ লোক, শ্ৰীকৃষ্ণক পৰম কৃপালুগুণ দেখহ। কোটি ব্ৰহ্মাণ্ডক ঈশ্বৰ হুয়া নন্দক গৃহে বেকত হুৱা নানান বিনোদ-বিহাৰ-নৃত্য কয়ল।”[১১]

ওপৰৰ উদ্ধৃতি দুটা বৰ্ণনামূলক গদ্যৰ সুন্দৰ নিদৰ্শন। উদ্ধৃতি দুটাত থকা ক্ৰিয়া পদ, সৰ্বনাম পদ আৰু দুই-এটা ব্যাকৰণিকৰূপ সলাই দিলে সি সম্পূৰ্ণই সংস্কৃত তৎসম শব্দপ্ৰধান অসমীয়া ভাষাৰ গুৰু গম্ভীৰ গদ্য হৈ পৰিব।

শঙ্কৰদেৱৰ দৰে মাধৱদেৱৰ গদ্যও সুৰ আৰু লয়যুক্ত। ‘কথোপকথনতে নাটকৰ জন্ম’ যদিও গুৰুজনাৰ দৰে মাধৱদেৱৰ গদ্যইও কথ্য ৰীতি অনুসৰণ নকৰি একপ্ৰকাৰ স্পন্দিত কাব্যিক কথ্যভঙ্গীহে অনুৰসণ কৰিছে। সেই কাৰণে তেখেতৰ নাটবোৰকো আকৃতিৰ বিচাৰত নাটক আৰু প্ৰকৃতিৰ বিচাৰত গীতিকাব্য[১২] বা গীতিনাট্যহে আখ্যা দিয়া হৈছে। গীত-পদৰ অনুবাদমূলক গদ্যৰ বাহিৰেও সূত্ৰধাৰৰ বৰ্ণনামূলক কথা আৰু কথোপকথনৰ ভাষা হিচাপে চৰিত্ৰৰ মুখত দিয়া সংলাপতো সুৰ আৰু লয়ৰ প্ৰধানৰ মন কৰিবলগীয়া। প্ৰতিজন ভাৱৰীয়াই হাতেৰে অঙ্গীভঙ্গী কৰি সুৰ লগাইহে বচন মাতিব লাগে। সূত্ৰধাৰেও এক বিশেষ সুৰত নাটকীয় ঘটনা আৰু পৰিস্থিতিসমূহ বাখ্যা কৰিব লাগে। নিম্ন লিখিত উদ্ধৃতাংশই এনে সুৰীয়া গদ্যৰ নিদৰ্শন দাঙি ধৰিব।

সূত্ৰধাৰ ঃ আহে সামাজিক লোক, শ্ৰীকৃষ্ণ বৃন্দাবনে নানান নৃত্য কয় যমুনাক বালিপাৱল। পৰম সুকোমল বালি পেখিয়ে শ্ৰীকৃষ্ণ শিশুসৱক যে বোলল তা শুনহ।

শ্ৰীকৃষ্ণ ঃ আহে সখিসৱ, পেখু পেখু, কেন ৰম্যস্থান; পৰম সুকোমল বালি, পদ্মে গন্ধে ভ্ৰমৰে আকুল কৰৈছে। পদ্মক বেঢ়িয়া ভ্ৰমৰে গুঞ্জৰে। আহাৰ লগত বৃক্ষে মাতয়। বেলা গেল। আসা, অহিতে ভোজন কৰোহো, পানী পিয়া কাযত বৎসসৱ চৰোক।[১৩]

এয়া যেন এক বিশেষ ছন্দত সুৰ লগাই আবৃত্তি কৰা কবিতাহে। কেৱল গদ্যতে নহয়, নাটবোৰৰ অভিনয়তো এক বিশেষ লয় আছে। গীতি নাট্যৰ দৰে গীতৰ ছন্দ আৰু বাদ্যৰ ছেৱে ছেৱে প্ৰতিজন ভাৱৰীয়াই নাচি নাচি মঞ্চত প্ৰৱেশ কৰিব লাগে আৰু সেই একেদৰেই মঞ্চৰ পৰা প্ৰস্থান কৰিব লাগে। ফলত আদিৰ পৰা অন্তলৈকে সুৰ আৰু ছন্দত বন্ধা এই নাটবোৰৰ ভাষাও সঙ্গীতৰ দৰে শুৱলা হৈ পৰিছে।

ৰচনাৰীতি বা style হ’ল ‘বাক্য গঠন আৰু পদ বিন্যাসৰ বিশিষ্ট কৌশল। ই একোজন লেখকৰ ব্যক্তিত্ব প্ৰকাশৰো সুন্দৰ কৌশল। প্ৰত্যেক পুথিৰ অন্তৰালত যেনেকৈ এজন বিশেষ মানুহ থাকে, তেনেকৈ ৰচনাৰীতি বা প্ৰকাশভঙ্গীৰ আঁৰত এজন বিশেষ ব্যক্তিৰ ব্যক্তিত্ব লুকাই থাকে।’ অৱশ্যে এটা কথা ঠিক যে বহিধৰ্মী

বস্তুনিষ্ঠ ৰচনাতকৈ ব্যক্তিনিষ্ঠ বা সৃজনিমূলক ৰচনাতহে লেখকৰ ব্যক্তিত্ব প্ৰকাশৰ সুবিধা বেছি। মাধৱদেৱৰ গদ্যৰ বিষয়বস্তু ধৰ্মীয় আৰু বস্তুনিষ্ঠ। সেয়েহে তেওঁৰ ৰচনাৰীতিৰ মাজত ব্যক্তিত্বৰ পূৰ্ণ প্ৰতিফলন দেখিবলৈ পোৱা নাযায়। কিন্তু নাটকীয় গদ্যত পৰিস্ফুট হোৱা সুন্দৰ 'শব্দচয়ন আৰু শব্দ প্ৰয়োগৰ কৌশল, উপমা, চিত্ৰ-কল্পাদিৰ প্ৰয়োগ আৰু বাক্য ৰচনাত পৰিমিতিবোধ' আদিয়ে নাট্যকাৰ মাধৱদেৱৰ সুশৃঙ্খল সুৰুচিপূৰ্ণ জীৱনৰ পৰিচয় দাঙি ধৰে।

মাধৱদেৱৰ গদ্য আবেগাত্মক (emotive)। সাধাৰণতে আবেগ অনুভূতি কবিতাৰহে সম্পদ। কিয়নো কবিতাৰ সম্পৰ্ক হৃদয়ৰ লগত। গদ্যত আচলতে আবেগৰ স্থান নাই। কাৰণ ইয়াৰ সম্পৰ্ক ঘাইকৈ মানুহৰ মগজুৰ লগত। তত্ত্ব আৰু যুক্তিহে গদ্যৰ মুখ্য আবেদন। কিন্তু মাধৱদেৱৰ নাটকীয় গদ্যত আবেগহে মুখ্য-যুক্তি গৌণ। এনে হোৱাৰ কাৰণ হ'ল মাধৱদেৱৰ হাস্য আৰু বাৎসল্য ৰস প্ৰধান ঝুমুৰা কেইখনিৰ শিশুকৃষ্ণ বিষয়ক আবেগ-মধুৰ ধেমেলীয়া কথা-বস্তু। মাধৱদেৱ চিৰকৌমাৰ্যব্ৰতী বৈষ্ণৱ। বাস্তৱ জীৱনত নিজে পিতৃত্বৰ আৰু পুত্ৰ স্নেহৰ সোৱাদ নোপোৱা মাধৱদেৱে যশোদা আৰু কৃষ্ণ চৰিত্ৰৰ জৰিয়তে প্ৰায় কেউখন নাটতে মাক আৰু পুতেকৰ স্নেহসিক্ত সম্বন্ধ দেখুৱাই শিশু জীৱনৰ অপূৰ্ব ছবি ছিত্ৰিত কৰিছে। শিশুৰ ওচৰত যুক্তি অৰ্থহীন। আবেগ আৰু কল্পনাৰ দ্বাৰাহে শিশুৰ মন পৰিচালিত। শিশু-কৃষ্ণ বিষয়ক হোৱাৰ কাৰণেই শঙ্কৰদেৱৰ নাটতকৈ মাধৱদেৱৰ নাটৰ ভাষা বেছি আবেগিক— যিটো ভাষা নাটৰ আবেগিক পৰিস্থিতি আৰু বিষয়বস্তুৰ লগত সুন্দৰকৈ খাপ খাই পৰিছে। নিম্নলিখিত উদ্ধৃতিটোৱে মাধৱদেৱৰ আবেগিক গদ্যৰ সুন্দৰ পৰিচয় দিব ঃ

"হে বাপু কৃষ্ণ, তুহো হামাৰি কৌটি পুৰুষক পৰম দেৱতা, মথাৰ মুকুট, শিৰৰ ভূষণ, গলাৰ সাতসৰী, কৰ্ণৰ কুণ্ডল, কৰৰ কঙ্কণ। আহে বাপু, তোহাৰি অৰুণ অধৰক বালাই লঞো। মধুৰ হাস্যে ৰহয়া মাঞো। ৰাতুল চৰণ হুয়া মৰিয়া যাঞো।"[১৪]

পুত্ৰস্নেহত উথলি উঠা যশোদাৰ মাতৃ হৃদয়ৰ আকুল আবেগ ভৰা উক্ত উদ্ধৃতিটোত সুৰানুসৰি শব্দ সংযোজনৰ চাতুৰ্য আৰু সাৰ অলঙ্কাৰ প্ৰয়োগৰ ফলত হোৱা ভাৱ-প্ৰকাশৰ ক্ৰমোৎকৰ্ষই বক্তব্য বিষয়ক স্পষ্ট কৰি তুলিছে। অনুপ্ৰাসে সৃষ্টি কৰা ধ্বনি মাধুৰ্য আৰু সমান দীৰ্ঘত্বৰ চুটি চুটি বাক্য-বিন্যাসৰ ফলতো ইয়াৰ ৰচনাৰীতি সৰল, আবেগশীল আৰু লয়পূৰ্ণ হৈ পৰিছে।

ধৰ্মীয় আৰু বস্তুনিষ্ঠ হোৱাৰ বাবেই মাধৱদেৱৰ নাটত বাস্তৱ ঘটনা আৰু অৱস্থাৰ চিত্ৰণ দেখা নাযায়। চৰিত্ৰৰ মানসিক সংঘাতৰ চিত্ৰও ইয়াত বিৰল। কিন্তু দুই-এখন নাটত উদ্বেগ, অশান্তি আদি মনৰ বিভিন্ন ভাব বা অৱস্থাকো নাট্যকাৰে সফলতাৰে ৰূপায়ণ কৰিছে।

"হে মাই গোৱালী, তোহো হামু অভাগিনীত কি পুছহ? অনেক পুণ্য কৰিয়ে দেৱতাক বৰে কৃষ্ণক পুতা পাৱলোঁ। সে প্ৰাণপুত্ৰ কৃষ্ণ খেড়ি খেলাইতে বিহানে বজাৱল। বিয়াল ভৈ গেল। এখনো নাহি পাৱলোঁ। সে প্ৰাণ পুত্ৰক বিচাৰি নাপাই হামাৰি প্ৰাণ কৈছে ৰহব।"

উদ্ধৃতিটোত পুৱাই লগৰীয়াৰে খেলিবলৈ গৈ গধূলী পৰলৈকে ঘৰলৈ ঘূৰি নহা কৃষ্ণক বিচাৰি যমুনাৰ পাৰে পাৰে বাউলী হৈ ঘূৰি ফুৰা মাতৃ যশোদাৰ মানসিক উদ্বিগ্নতাৰ ছবিখন স্পষ্ট হৈ উঠিছে। তৎসম, তদ্ভৱ আৰু মৈথিলী ৰূপৰ সুখাৱহ সংমিশ্ৰণ আৰু চুটি চুটি সমদীৰ্ঘ বাক্যৰ যথোপযুক্ত সংস্থাপনে বৰ্ণনাটি ৰসঘন, স্নিগ্ধ আৰু শ্ৰুতিমধুৰ কৰি তুলিছে।

মাধৱদেৱৰ গদ্য গতানুগতিক। একে সুৰ আৰু ছন্দত ৰচিত হোৱাৰ বাবেই শঙ্কৰদেৱৰ দৰে এখেতৰ গদ্যও বৈচিত্ৰ্যহীন আৰু 'একঘেঁয়ে'। তদুপৰি কৃত্ৰিম ভাষা সদায় স্থিতিশীল। গতিশীলতা বা পৰিৱৰ্তনশীলতা এনে ভাষাত অসম্ভৱ। কিন্তু আমিও প্ৰতিভাসম্পন্ন মাধৱদেৱৰ হাতত এই স্থিতিশীল গতানুগতিক কৃত্ৰিম ব্ৰজবুলি ভাষাও ঠায়ে ঠায়ে প্ৰাণময় হৈ পৰিছে। নাটকীয় সংলাপত ব্যৱহৃত কটি, গল, লাগ, গেল, পাৰা আদি পৰিচিত কামৰূপী শব্দই আৰু পুতা পুতলী, বাপু, জৰি, ধুৱাইতে খুৱাইতে, বাহিৰে-ভিতৰে, মাটিত থেকেচোই, মাটিত আছাড়ি পেলাই, বাৰে বাৰে, মৰো মৰো বুলি আঁৰ কৰি, লৱণু চুৰি কৰি খাই আদি ঘৰুৱা অসমীয়া শব্দ, খণ্ডবাক্য তথা জতুৱা ঠাঁচে মাধৱদেৱৰ গদ্যক সজীৱতা দান কৰাৰ লগতে কথিত অসমীয়া ভাষাৰো ভালেখিনি কাষ চপাই নিছে আৰু নাট কেইখনিৰ মাজত ঘৰুৱা পৰিৱেশ সৃষ্টি কৰাতো সহায় কৰিছে।

গ্ৰাম্য কথ্যভঙ্গীয়েও মাধৱদেৱৰ কৃত্ৰিম ব্ৰজবুলি ভাষাৰ গদ্যক বাস্তৱধৰ্মী, ঘৰুৱা আৰু সৰ্বসাধাৰণৰ উপভোগ্য কৰি তুলিছে। এনে গদ্যত মৈথিলী শব্দ আৰু ব্যাকৰণিক ৰূপৰ লগত তৎসম আৰু তদ্ভৱ শব্দ তথা অসমীয়া বাক্যৰীতিৰ সুন্দৰ সংমিশ্ৰণ মন কৰিবলগীয়া।

"হে মাঞিও, ...... ওহি তোহাৰ বালক, ইহাৰ তুহু বহুত অপৰাধ পাৱল। ওহিতো বন্ধন মাত্ৰ, লগে খাণ্ডা হানিয়ে খাটিয়ে খাৱ, তবে হামাৰ কি ভেল।"[১৬]

"হামু কত তপ কৰিয়ে দেৱক বৰে বৃদ্ধ বয়সত কৃষ্ণক পুত্ৰ পাৱল। সোহি প্ৰাণ পুত্ৰ বৃক্ষ পৰিয়ে ক্ষণেক মৰি যায়, গোসাঞিক বৰসে এৰাৱল। তুহু কি নিমিত্তে মানুষ ভেলি? ৰাক্ষসতো ধিক! আপুন পুত্ৰক খাইতে চাৱল, কৃষ্ণক নখায়া হামাক খাৱ।"

গোপী আৰু নন্দৰ মুখত দিয়া উক্ত সংলাপ দুটিৰ ভাষা শুদ্ধ মৈথিলীও নহয়, শুদ্ধ অসমীয়া নহয়; কিন্তু ইয়াৰ বাক্য ৰচনাৰ ঠাঁচতো সম্পূৰ্ণ অসমীয়া। এইদৰে সংমিশ্ৰণত গঢ় লৈ উঠাৰ বাবেই মাধৱদেৱৰ গদ্যৰ ভাষাও সৰ্বজনবোধ্য হৈ পৰিছে। তদুপৰি সংলাপ দুটিত প্ৰকাশ পোৱা 'তোৰ পুতেৰক বন্ধাহে নালাগে দাৰে কাটি খা, আমাৰনো কি হ'ল, কৃষ্ণক নাখাই মোকে খা' আদি প্ৰকাশভঙ্গীয়ে অসমীয়া গ্ৰাম্য কথনভঙ্গীৰো পৰিচয় দিয়ে। গোৱালসকলৰ ৰজা হৈও পুত্ৰস্নেহত অধীৰ নন্দই খঙৰ ভমকত ৰাণী যশোদাক 'দাসীকো দাসী, বান্দী, চাণ্ডী গোৱাৰী' আৰু 'নাগিনী' বুলি গালি পাৰি মাৰিবলৈ খেদি যোৱা, তাকে দেখি ৰোহিনীয়ে আহি নন্দক বাধা দি ৰখা আৰু লাজ অপমানত মৰি যাওঁ যেন হৈ যশোদাই উলটি নন্দক দিয়া 'আহে বুঢ়িয়া, কাহেৰ আগে বচন ৰাগ দেখাৱত? .......... তোহো হামাৰি ৰাখোৱাল। ........... তুহু গৃহৰ কোন অধিকাৰ থিক? ইহাৰ ভাল মন্দ তুহু কি জানহ? হামু গৃহেৰ গৃহিনী, সৱ অধিকাৰ হামাৰ। তোহাক কে পুছত? ছি, হামাক মাৰিন্তে আৱল? হামাক চাটু বুলিহে জনম বাই। আজু ৰাগ চৰল, ছি, ঘিনেসে লাগে। হামু কথা কহিতে জানো সৱ লোকে মন্দ বোলব। কি কৃষ্ণক ধুৱাইতে খুৱাইতে দুখ পাৱত হামাক মাৰিতে আশা কয় থিক? হে ৰোহিনী, তোহো বাধা নাহি কৰবি, হামাক মাৰিয়ে চাহোক, তৱ হামাৰ বোল বুজব" এনে ধৰণৰ গালি চৰিত্ৰোচিত হোৱা নাই যদিও দাম্পত্যকলহৰ চিত্ৰ দাঙি ধৰা এনে গালিৰ অপৰিমাৰ্জিত গ্ৰাম্য ভাষাই নাটকীয় গদ্যক বাস্তৱধৰ্মী, সজীৱ আৰু সৰস কৰি তুলিছে। প্ৰশ্নবোধক বাক্যৰ সঘন প্ৰয়োগত দীঘল হোৱা সত্বেও সংলাপটি অধিক নাটকীয় হৈ পৰিছে।

মাধৱদেৱৰ গদ্যৰ এটা প্ৰধান আকৰ্ষণ হ'ল নিৰ্মল হাস্যৰস (humour)। নন্দ-যশোদাৰ মৰমৰ ছাঁত ডাঙৰ-দীঘল হোৱা শিশু কৃষ্ণক 'ভেম, অভিমান, আমনি, দুষ্টালি, উদ্ভণ্ডালি, চতুৰালি আৰু চৌৰ্যক্ৰিয়াক' কেন্দ্ৰ কৰি মাধৱদেৱৰ নাটকেইখনিৰ কথাবস্তু ৰূপায়িত হৈছে। সেয়েহে মধুৰ বাৎসল্য ৰস আৰু শিশুৰ অকপট চতুৰালিয়ে সৃষ্টি কৰা সৰল হাস্যৰসেৰে মাধৱদেৱৰ নাটকেইখনি সিক্ত। মাধৱদেৱৰ নাটৰ এনে ধেমেলীয়া কথাবস্তুলৈ লক্ষ্য কৰি ড০ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যদেৱে ঠিকেই মন্তব্য কৰিছে— "The childish trickery of Krishna does not affect our sense of justice but evokes our sense of laughter.[১৭]। 'চোৰধৰা' নাটত লৰনু চুৰ কৰি গোপীৰ হাতত ধৰা পৰা, নিজকে বিপদৰ পৰা সৰুৱাবৰ বাবে লগৰীয়াসকলক মাতি গোপীয়ে তেওঁক মিচা কলঙ্ক দিয়া বুলি গোচৰ দিয়া আৰু দলে বলে অহা সখীসৱক দেখি সাহ পাই 'আহে গোৱাৰীসৱ, আপেনহি সৱে দধি দুগ্ধ খাই হামাক কলঙ্ক দেসি' বুলি ওলোটাই গোপীসকলকে জব্দ কৰি লৰনু আদায় কৰা, পিছত মাকৰ হতুৱাই গোপীসকলক গালি খুওৱা— অঘাইতং শিশু কৃষ্ণৰ এনে নিৰ্দোষ দুষ্টালিৰ যথাযথ চিত্ৰণত মাধৱদেৱৰ গদ্য সৰস আৰু হাস্যোজ্জ্বল হৈ পৰিছে। 'পিম্পৰা গুচোৱা'ৰ শিশুকৃষ্ণ বুদ্ধিবৃত্তিত চোৰধৰাতকৈ একাঠি ছাৰ। গোপী আৰু শ্ৰীকৃষ্ণৰ কথোপকথনত মাধৱদেৱে ব্যৱহাৰ কৰা চুটি চুটি নাটকীয় সংলাপে শিশুকৃষ্ণৰ প্ৰত্যুৎপন্নমতিতা আৰু বাক্-চতুৰতাক প্ৰাণময় কৰি তোলাৰ লগতে পাঠক শ্ৰোতাকো হাঁহিৰ খোৰাক যোগাইছে। উদাহৰণ স্বৰূপে কথোপকথনৰ কিছু অংশ তুলি দিয়া হ'ল ঃ

গোপী ঃ আহে বালক, হামাৰ মন্দিৰে তুহু কে?

শ্ৰীকৃষ্ণ ঃ আঃ হামাক নাহি চিনহ! হামু বলভদ্ৰৰ কনিষ্ঠ ভাই।

গোপী ঃ আহে বালক, তুহু বলাইক কনিষ্ঠ! আঃ জানল, জানল। কি নিমিত্তে এথা আৱলি থিক?

শ্ৰীকৃষ্ণ ঃ আহে গোপী, হামু হামাৰ মন্দিৰ বুলি আৱলো, পথ বিছোড়ালো।

গোপী ঃ হে কৃষ্ণ, তুহুঁ ঘৰ নাহি জানি আৱল, ইহাত কোন দোষ নাহি। হামাৰ লৱনু কলস ভিতৰে কৈচন হস্ত নিৰেশিয়ে থিক?

অৰ্থহীন যুক্তিৰে গোপীসকলক জব্দ কৰা এয়া যে 'কৌটি কৌটি ব্ৰহ্মাণ্ডক নায়ক, ব্ৰহ্মাদিদেৱক পৰম দেৱতা' শ্ৰীকৃষ্ণৰ মানৱীয় লীলা, সেই কথা পাঠক-শ্ৰোতাই মুহূৰ্তৰ বাবে পাহৰি গৈ শিশু কৃষ্ণৰ নিৰ্দোষ ধূৰ্তালিয়ে সৃষ্টি কৰা হাঁহিৰ মাজত নিজক হেৰুৱাই পেলায়। চিৰ শিশুৰ সকলো লক্ষণৰে বিভূষিত কৰি বালক কৃষ্ণকইমান মানৱীয় আৰু সজীৱ ৰূপত ফুটাই তুলিব পৰাটো কম কৃতিত্বৰ কথা নহয়! যথোপযুক্ত সংলাপৰ সহায়ত চৰিত্ৰক প্ৰাণৱন্ত কৰি তোলাত মাধৱদেৱৰ দক্ষতা যে তুলনাহীন, উদ্ধৃত সংলাপ তাৰ অপূৰ্ব নিদৰ্শন। শিশুৰ মনস্তত্ব প্ৰকাশতো সংসাৰ-বিৰাগী মাধৱদেৱে অদ্ভুত দক্ষতা আৰু দৃষ্টিভঙ্গীৰ স্বকীয়তা প্ৰদৰ্শন কৰিছে।

মাধৱদেৱৰ গদ্যশৈলী সংস্কৃতৰ প্ৰভাৱৰপৰা মুক্ত নহয়। অৱশ্যে এনে প্ৰভাৱ প্ৰধানকৈ শব্দাৱলীৰ মাজতে আৱদ্ধ বুলিব পাৰি। শঙ্কৰদেৱৰ গদ্যৰ দৰে মাধৱদেৱৰ গদ্যতো সমাস-সংযোজিত সংস্কৃতীয়া শব্দমালাৰ ব্যৱহাৰ দেখা যায়। কিন্তু এনে সমাসবদ্ধ পদবোৰ শঙ্কৰদেৱৰ গদ্যত পোৱাৰ দৰে বেছি দীঘল নহয় আৰু ইয়াৰ ব্যৱহাৰো ব্যাপক নহয়। শিশু কৃষ্ণৰ মাহাত্ম্য প্ৰকাশত আৰু আবেগিক পৰিস্থিতি চিত্ৰণত সূত্ৰধাৰ আৰু চৰিত্ৰ বিশেষৰ মুখত দিয়া বচনতহে প্ৰধানকৈ এনে সমাসবদ্ধ পদৰ ব্যৱহাৰ দেখা যায়।

আগতেই কোৱা হৈছে যে মাধৱদেৱৰ নাটবোৰ কাব্যোপম। প্ৰকৃতাৰ্থত "His drama is not a drama in the real sense, but a lyrice-dramatic spectacle। নৃত্য-গীত প্ৰধান এনে গীতি-নাট্যৰ ভাষা অকল সুৰীয়াই নহয়, কাব্যিক অলঙ্কাৰৰ দ্বাৰা বিভূষিতও। উপমা, অনুপ্ৰাস, অন্ত্যনুপ্ৰাস আদি কাব্যালঙ্কাৰে নাটৰ গদ্যক ঠায়ে ঠায়ে বৰ বেছি পদ্যধৰ্মী কৰি তুলিছে। অৱশ্যে এটা কথা ঠিক, শঙ্কৰদেৱৰ নাটতকৈ মাধৱদেৱৰ নাটত উপমাৰ পয়োভৰ কম। সহজেই চকুত পৰা দুটিমান উপমা হ'ল— যৈচে পদ্মৰ চকাক পত্ৰে আৱৰল (ভোজন বিহাৰ); কাঙ্গালক ছৱাল যৈচন তদ্বৎ বেৰাৱ (পিম্পৰা গুচোৱা); যৈচন ঘাটচোৰ শত্ৰুক বান্ধয় (অৰ্জুন ভঞ্জন)।

অনুপ্ৰাস আৰু অন্ত্যনুপ্ৰাস বা অন্তধ্বনিৰ মিলৰ সুন্দৰ চানেকি দাঙি ধৰিব তলৰ উদ্ধৃতাংশই—

"ৰোহিণী যশোদাক নিদাৰুণ ভাৱ দেখিয়ে কৃষ্ণক বন্ধন দুখ নিৰেখিয়ে নয়নক নীৰ জুৰায়া বহুত অপমান কয় মৌনে ৰহল। কৃষ্ণক খেৰাক বালকসৱ প্ৰাণবান্ধৱ মাধৱক ঐচন বন্ধন দুখ দেখিয়ে যশোদাক গাৰি দিয়ে ক্ৰন্দন কয়কহু কৃষ্ণক নিকটে ৰহল। আকাশে দেৱতাগণে কৃষ্ণক ভকতবৎসল গুণ দেখিয়ে বিমানে গগন ছানি ৰহল।"

উদ্ধৃতিটোত ন (নিৰেখিয়ে নয়নক নীৰ), দ (দুখ দেখিয়ে), ৱ (প্ৰাণৱান্ধৱ মাধৱক), ক (ক্ৰন্দন কয়কহু কৃষ্ণক) আদি ধ্বনিৰ দ্বাৰা অনুপ্ৰাসৰ ধ্বনি মাধুৰ্য প্ৰকাশিত হৈছে। কিন্তু 'ল' অন্ত্য ধ্বনি ৰূপে থকা 'ৰহল' ক্ৰিয়াপদটোকে কেউতা বাক্যতে একে অতীতকাল বুজাবলৈ বাক্যৰ শেষত ব্যৱহৃত কৰাত বাক্যৰীতি বৈচিত্ৰ্যহীন আৰু বিৰক্তিকৰ হৈ পৰিছে। ক্ৰিয়াপদৰ এনে অভিনৱত্বহীন ব্যহাৰ পিছে সঘন নহয়।

মাধৱদেৱৰ গদ্যত চুটি চুটি সমল বাক্যৰ লগতে চুটি-দীঘল যৌগিক বাক্যৰ ব্যৱহাৰো মনকৰিবলগীয়া। তব, যব আদি অব্যয় শব্দৰ যোগত সৃষ্টি হোৱা 'তব ছোড়ি যব হামাক কিছু লৱনু দেহ, —এনে চুটি যৌগিক বাক্যৰ বাহিৰেও নাটৰ গদ্যত একাধিক অসমাপিকাৰ দ্বাৰা গঠিত হোৱা দীঘল যৌগিক বাক্যৰো বহল ব্যৱহাৰ দেখিবলৈ পোৱা যায়। একেটি বাক্যতে য়া, কয়, কহু, য়ে আদি কেইবাটাও, অসমাপিকা ব্যৱহাৰ কৰি মাধৱদেৱে বাক্য কিদৰে দীঘল আৰু যৌগিক কৰিছে তাৰ নিদৰ্শন দাঙি ধৰিব তলৰ বাক্যটিয়ে—

শ্ৰীকৃষ্ণ ঐচন বন্ধন 'পায়া' মন্দ মন্দ ৰোদন 'কয়কহু', হাতে তালে নয়নক নীৰ 'মাজিয়ে' বন্ধন নয়নে মাৱক 'নিৰেখিয়ে' উৰুখল সহিতে যৈচে পৰকাশ কয়ল, তা দেখহ শুনহ।"

'প্ৰাকৃতৰ দৰে ভগা-ছিগা শব্দৰ প্ৰাচুৰ্য আৰু স্বৰভক্তিৰ ব্যৱহাৰ' মাধৱদেৱৰ গদ্যৰ আন এটি প্ৰধান

বৈশিষ্ট্য। নাটৰ গদ্য কোমল আৰু শ্ৰুতিমধুৰ কৰাত এই বৈশিষ্ট্যৰ ভূমিকা মন কৰিবলগীয়া। অনুস্বৰৰ বাহিৰে প্ৰাকৃতত পদান্ত ব্যঞ্জন উচ্চাৰিত নহয়। মুহ, সুহ আদি শব্দত থকা অন্ত্য ‘হ’ ব্যঞ্জন অ-স্বৰ যুক্ত হৈহে উচ্চাৰিত হয় (muha, suha)। নাটৰ গদ্যতো প্ৰাকৃতৰ দৰে পদান্তৰ স্বৰধ্বনি উচ্চাৰিত হৈছে।[১৮] সেইদৰে প্ৰাকৃতৰ ঋ-ৰ ঠাইত ই হয়। এই বৈশিষ্ট্যও নাটৰ গদ্যত পৰিস্ফুট। যেনে— মাই<মাতৃ। প্ৰাকৃতত পদৰ আদিত থকা যুক্ত ব্যঞ্জনৰ এটিৰ লোপ হয় নতুবা স্বৰভক্তিৰ দ্বাৰা সেই যুক্ত ব্যঞ্জনক সৰলীকৰণ কৰা হয়। মাধৱদেৱৰ নাটৰ ভাষাতো যুক্ত ব্যঞ্জনৰ এনে সৰলীকৃত ৰূপ দেখা যায়। যেনে— তন (স্তন), পৰনাম (প্ৰণাম), পৰসাদ (প্ৰসাদ), পৰকাৰ (প্ৰকাৰ) আদি। সেইদৰে পদৰ মাজত থকা যুক্ত ব্যঞ্জনো স্বৰভক্তিৰ দ্বাৰা পৃথক কৰি সৰল কৰা হৈছে। শৰদ, ভকত, জনম, পতনী, অদভূত, হৰষিত আদি স্বৰভক্তিয়ে নাটকীয় গদ্যক কোমলতা প্ৰদান কৰিছে।

পুনৰুক্তিৰ ব্যৱহাৰ মাধৱদেৱৰ গদ্যৰ আন এটি মন কৰিবলগীয়া বিশেষত্ব। সাধাৰণতে গভীৰতা, সমগ্ৰতা, অবিচ্ছিন্নতা, বাৰম্বাৰতা আদি ভাৱ প্ৰকাশ কৰিবৰ কাৰণে বাক্যতে কোনো শব্দক দুবাৰকৈ ব্যৱহাৰ কৰা হয়। শঙ্কৰদেৱ আৰু আন আন পূৰ্বসুৰী সাহিত্যিকসকলৰ দৰে মাধৱদেৱেও ভাৱৰ গভীৰতা, অবিচ্ছিন্নতা আদি প্ৰকাশ কৰিবৰ কাৰণে গদ্য-পদ্য উভয়তে পুনৰুক্তিৰ ব্যৱহাৰ কৰিছে। নাটকীয় গদ্যত ব্যৱহৃত পুনৰুক্তিসমূহ হ’ল— পেখু পেখু, গাৱে গাৱে, কোটি কোটি, মহা মহা, পাচু পাচু, ৰহ ৰহ, বাৰে বাৰে, টানি টানি, মৰো মৰো, মন্দ মন্দ, লাসে লাসে, ফিৰি ফিৰি, দেখু দেখু আৰু কান্দি কান্দি। এনেবোৰ পুনৰুক্তিৰ ব্যৱহাৰত নাটকীয় গদ্যৰ ধ্বনি মাধুৰ্যও বৃদ্ধি পাইছে।

সাংসাৰিক ভোগ-বিলাস নিৰাসক্ত চিৰকুমাৰ মাধৱদেৱৰ ব্যক্তিগত জীৱন আছিল অনাড়ম্বৰ আৰু সহজ-সৰল। এই সৰলতা আৰু অনাড়ম্বৰতা তেওঁৰ ৰচনা ৰীতিৰ মাজতো ফুটি ওলাইছে। আনকি নাটৰ বস্তুনিষ্ঠ কথাবস্তু নিৰ্বাচনতো মাধৱদেৱে তেওঁৰ সৰলতাপ্ৰিয় মনৰ পৰিচয় দিছে। যুৱাকৃষ্ণৰ সলনি শিশুকৃষ্ণক কেন্দ্ৰীয় চৰিত্ৰ হিচাবেলৈ প্ৰতিখন নাটতে তেওঁ আৱেগ-অনুভূতি আৰু কল্পনাৰে উজ্জ্বল সহজ-সৰল শিশু জীৱনৰ খণ্ডিত শৈশৱ-চিত্ৰ ৰূপায়িত কৰিছে। মুঠতে নিৰলঙ্কাৰ ভাষা আৰু সাৱলীল প্ৰকাশভঙ্গীয়ে মাধৱদেৱৰ গদ্যৰীতিক স্বকীয়তা আৰু বিশিষ্টতা দান কৰিছে।■■


**সহায়ক গ্ৰন্থ ঃ**

১. Baruah, B.K. : History of Assamese Literature, P.32
২. নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ৯৪।
৩. Chatterji, S.K. : The Place of Assam in the History and Civilisation of India, P.62
৪. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, পৃঃ ১৫
মেধি, কালিৰাম ঃ ‘পাতনি’ অঙ্গাৱলী, পৃঃ ২৬
Sen, S. : History of Brajabuli Literature, P.3
৫. নেওগ, মহেশ্বৰ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ, পৃঃ ১৩২
বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ অসমীয়া কথা সাহিত্য (পুৰণি ভাগ), পৃঃ ২
৬. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, পৃঃ ৬২
৭. বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ ‘অৰ্জুন ভঞ্জন’ অঙ্কীয়া নাট, পৃঃ ২০৯
৮. পূৰ্বোল্লিখিত গ্ৰন্থ ঃ পিম্পৰা গুছোৱা, পৃঃ ২১৪
৯. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, পৃঃ ১৯
১০. বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ ‘অৰ্জুন ভঞ্জন’ অঙ্কীয়া নাট, পৃঃ ২১২
১১. পূৰ্বোল্লিখিত গ্ৰন্থ ঃ চোৰধৰা, পৃঃ ২৩২
১২. বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ অসমীয়া কথা সাহিত্য (পুৰণি ভাগ), পৃঃ ৫
১৩. বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ ‘ভোজন বিহাৰ’ অঙ্কীয়া নাট, পৃঃ ১৮৩
১৪. পূৰ্বোল্লিখিত গ্ৰন্থ, অৰ্জুন ভঞ্জন, পৃঃ ১৯৬
১৫. পূৰ্বোল্লিখিত গ্ৰন্থ, চোৰধৰা, পৃঃ ২২৯
১৬. পূৰ্বোল্লিখিত গ্ৰন্থ, অৰ্জুন ভঞ্জন, পৃঃ ২০৫
১৭. Bhattacharyya, Birendra Kumar : Humour and Satire in Assamese Literature, P.79
১৮. বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ অসমীয়া কথাসাহিত্য (পুৰণি ভাগ) পৃঃ ৯



**লেখিকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা**

# গুৰু-চৰিত-কথাত মাধৱদেৱৰ গীত-ৰচনাৰ প্ৰসঙ্গ

ড° মুকুল চক্ৰৱৰ্তী

গুৰু-চৰিত-কথা মূলতে এখন সাঁচিপতীয়া পুথি। পুথিখন বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত সংৰক্ষিত। এই পুথিখনি আজিৰ পৰা প্ৰায় আশীবছৰমান আগতে বৰপেটা সত্ৰৰ সত্ৰীয়া চতুৰ্ভুজ মিশ্ৰৰ পৰা শৰণ লোৱাৰ সময়ত ড° বাণীকান্ত কাকতিদেৱে গুৰু নিমালিৰূপে লাভ কৰিছিল। পৰৱৰ্তী সময়ত (১৯৫২ ইং চনত) কাকতিদেৱৰ উপদেশ অনুসৰি অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱে সম্পাদনা কৰি 'কথা-গুৰু-চৰিত' নামেৰে ছপা কৰি উলিয়ায়। একেখন সাঁচিপতীয়া পুথিকে ড. মহেশ্বৰ নেওগ ডাঙৰীয়াই পুনঃ সম্পাদন কৰি, 'গুৰু-চৰিত-কথা' (১৯৮৭ ইং চনত) নামেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশ কৰে। পুথিখনি দৰাচলতে 'চৰিত-তোলা-প্ৰথা'ৰ সেউজীয়া ফচল। আমাৰ দেশৰ বৈষ্ণৱ সত্ৰ-থান আদিত 'চৰিত-তোলা' বা 'চৰিত-চৰ্চা' কৰা প্ৰথা এটি প্ৰচলিত হৈ আহিছে। সত্ৰীয়া চৈধ্য প্ৰসঙ্গৰ অন্তত এগৰাকী অভিজ্ঞ ভকতে গুৰুসৱৰ জীৱন-লীলাৰ, খণ্ড বিশেষ ক্ৰমান্বয়ে কয়, উপস্থিত ভক্ত সমাজে পৰম নিষ্ঠা আৰু ভক্তিৰে তাক শুনে। কোনো কোনো ভকত-সজ্জনৰ গৃহতো দহ ভকত একেলগ হৈ এনে চৰিত্ৰ-প্ৰসঙ্গ প্ৰৱৰ্তন কৰে আৰু গুৰুসকলৰ জীৱন-কাহিনী এফালৰ পৰা বিৰৰি কয়। কিবা সন্দেহ বা আসোঁৱাহ পালে আন ভক্তই তাক তুলি ধৰে, প্ৰয়োজন হলে শুধৰাই দিয়ে। উল্লেখযোগ্য যে, যিগৰাকী বিশিষ্ট বুঢ়াভকত আতৈয়ে বাপসকলৰ মাজত বা ভক্তসমাজত চৰিত ব্যাখ্যা কৰে তেওঁক বক্তাহে বুলিব পাৰি, বক্তা গৰাকীৰ কথন-বচন অনুসৰি যিজনে বা যিসকলে পুথিখনি লিখি উলিয়াইছে তেওঁৰ বা তেওঁলোকৰ নাম পোৱা নাযায়। এনে ধাৰণা অনুসৰি সংশ্লিষ্ট চৰিত পুথিখনিৰ বক্তা চক্ৰপাণি বৈৰাগী আতৈ। এই গৰাকী বৈৰাগী চক্ৰপাণি আতৈয়ে ১৬৮০ শক (১৭৫৮ ইং চন)ত ইহলীলা সম্বৰণ কৰে বুলি ধৰা হৈছে। সম্ভৱতঃ তেওঁৰ মৃত্যুৰ পিছত চৰিতখনি সাঁচিপাতত লিপিৱদ্ধ কৰা হয়। চৰিতপুথিখন গদ্যত ৰচনা কৰা। এই গদ্য কথোপকথনৰ গদ্য। এই শ্ৰেণী গদ্যৰ সকলো ঠাইতে এটা বিনম্ৰ ভকতীয়া ঠাচ লক্ষ্য কৰা যায়। চৰিত পুথিখনিৰ প্ৰধান উদ্দেশ্য হৈছে মহাপুৰুষ দুজনাৰ (শঙ্কৰদেৱ আৰু মাধৱদেৱ) চৰিত কীৰ্ত্তন কৰি, সাধাৰণ জন-গণ-ভক্তৰ- তেৰাসৱৰ প্ৰতি শ্ৰদ্ধা-ভক্তি আকৰ্ষণ কৰোৱা। গ্ৰন্থখন সম্পৰ্কত ড. মহেশ্বৰ নেওগদেৱে গুৰু-চৰিত-কথাৰ ভূমিকাত এনেদৰে কৈছে-- 'গুৰু-চৰিত-কথা' অসমৰ সংস্কৃতিৰ ইতিহাসৰূপে এখনি অতি মূল্যবান মহৎ গ্ৰন্থ। ঘটনা-বিস্তাৰৰ ফালৰ পৰা কালক্ৰমত ই পঞ্চদশ শতিকাৰ শেহ ভাগৰ পৰা আৰম্ভ কৰি সপ্তদশ শতিকালৈকে স্পৰ্শ কৰিছে আৰু বিষয়ৰ বিস্তাৰত অসমৰ সামাজিক, ধাৰ্মিক, আৰ্থিক, ৰাজনৈতিক, প্ৰশাসনিক, সামৰিক, আৰ্থ-প্ৰশাসনিক, কলাগত আদি সংস্কৃতিৰ বিভিন্ন দিশত এইখনি গ্ৰন্থই অকুণ্ঠ আলোকপাত কৰিছে (পৃঃ৪১)। নেওগদেৱৰ এনে মন্তব্যৰ আধাৰতে আমাৰ আলোচনাৰ বিষয় নিৰ্বাচন কৰি লোৱা হৈছে। কোনো সন্দেহ নাই-- শঙ্কৰদেৱ আৰু মাধৱদেৱ দুয়োগৰাকীয়েই বহুমুখী প্ৰতিভাৰ গৰাকী আছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ শঙ্কৰী যুগৰ সাহিত্যৰ ভঁৰালো দুয়োগৰাকী গুৰু-শিষ্যৰ কৃতিৰে মেটমৰা হৈ উঠিছিল। তেৰাসৱৰ সাহিত্য কৃতিৰ প্ৰেৰণা কি, তেনে কৃতিৰ আঁৰত থকা বিশেষ কাহিনীবোৰনো কি, এনেবোৰ

কথায়ো ‘গুৰু-চৰিত-কথা’ পুথিখনিত স্থান পাইছিল। গীত সৃষ্টিৰ ক্ষেত্ৰত (এই ‘গীত’কৈ পিছলৈ ‘বৰগীত’ আখ্যা দিয়া হৈছে) শঙ্কৰদেৱ গুৰুজনা স্মৃতি দুখৰ। চৰিত পুথিখনি অনুসৰি গুৰুজনাই ৰচনাৰ কৰা গীতসমূহ কমলা বায়ন নামৰ এজন ভকতে আওঁৰাবলৈ নিওঁতে চ'ত মাহত বনপোৰা জুইয়ে ঘৰ পোৰাত গীতসমূহো পোৰা গ'ল। গুৰুজনাই মনত বৰ দুখ পাই, ভৱিষ্যতে গীত ৰচনা নকৰো বুলি স্থিৰ কৰি তেৰাৰ শিষ্য মাধৱদেৱকে গীত ৰচনা কৰিবলৈ আজ্ঞা কৰিলে। ‘গুৰু-চৰিত-কথা’ৰ ভাষাত-

> “আৰু গীত কৰি গোটাই লিখিলে বাৰেওকুৰি ঃ কমলা গায়নে নিলে আৰৰাবলৈ ঃ চতমহা বনপোৰা বতাহত ঘৰ পোৰাত পুইলে ঃ গুৰুজনে খেদকৈ বোলে বৰাপো ঃ অনেক শ্ৰমকৈ গীত-খানি কৈলো পুইলে গীত কিছু কৰা আমি নকৰো আৰু ঃ (গুৰুচৰিতকথা, দফা নং- ৩৮০)”

গুৰুজনাৰ এনে দুখস্মৃতি জড়িত নিৰ্দেশ (অনুৰোধ)ত শিষ্য মাধৱদেৱৰ হৃদয় বিগলিত হ'ল। গীতৰচনাত হাত দিলে। ‘গুৰু-চৰিত-কথা’ৰ ভাষাত এই কথা এনেদৰে পোৱা যায়--

‘তেহে শ্ৰীমাধৱদেৱে ঃ গুৰুবাক্য ধৰি কৰিছে ঃ আতৈসৰৰ মুখত ৰোৱা আগেগুৰি ৰিহাগাৰি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে নকুৰি এঘাৰটা বৰগীত চই ৰসে চোৰ চাতুৰী।।” (দফা নং- ৩৮০)

গুৰুবাক্য অনুসৰি মাধৱদেৱে নকুৰি এঘাৰটা গীত ৰচনা কৰি থৈ গ'ল। এতিয়া আমাৰ উদ্দেশ্য হৈছে এনে গীতসমূহ কি প্ৰেক্ষাপটত ৰচিছিল তাৰ বিচাৰ কৰা। অৱশ্যে এনে ঘটনাৰ আগতে মাধৱদেৱে যে গীত ৰচনা কৰিব পাৰে তাৰ প্ৰমাণ গুৰুজনাই পাই থৈছিল। এবাৰ গুৰুজনাই মাধৱদেৱক আজ্ঞা কৰিছে ‘বোলে বৰাপো এটি গীত কৰা।’ মাধৱদেৱে অনভিজ্ঞতা প্ৰকাশ কৰি সুধিলে ‘বোলে কেনেকৈ।’ গুৰুজনাই উৎসাহ প্ৰদৰ্শন কৰিছে ‘বোলে পাৰিবা কৰা আমি কৰিছো দহো।’ মাধৱদেৱে গুৰুজনাৰ সৃষ্টিকৰ্মৰ আঁৰৰ শক্তিৰ কথা ব্যক্ত কৰিছে এনেদৰে-- ‘বোলে আপুনি কৰে ঈশ্বৰ শক্তি।’ গুৰুজনাই মাধৱদেৱৰ শক্তিৰো মূল্যায়ন কৰিছে এনেদৰে-- ‘বোলে তোমাৰ জানো নহই কৰা।’ ইয়াৰ পিছতে গুৰুবাক্য শিৰে ধৰি গীত কৰিছে-- আসোৱাৰি ৰাগত-

‘ৰে মন হৰিকহো চৰণে শৰণা ঃ নিকটে দেখহু নিজ মৰণা।।’ গুৰুজনাই গীতটো চাই মাধৱদেৱক প্ৰশংসা কৰিছে ‘বোলে তেও বোলা ঈশ্বৰ শক্তি নাই ঃ একো ৰোৱা নাই দহো একা’ (দফা নং-৩৭৪)

উক্ত গীতটো সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত ‘বৰগীত’ পুথিৰ ১নং গীত। গুৰু শঙ্কৰদেৱে নৰনাট সামৰিলে কোচবিহাৰত। প্ৰেত কৃত্যাদি সমাপন কৰিবলৈ ৰামানন্দ ঠাকুৰ পাটবাউসীলৈ আহিল, বাটতে গনককুচিত সোমাই চোটআতাক ঠাকুৰে মাত লগালে। মাধৱদেৱে ওলাই গৈ দেখে ঠাকুৰৰ মূৰত পথালিকৈ গামোছা। একান্ত শিষ্যৰ বুজিবলৈ বাকী নাথাকিল, তথাপি সুধিলে-- ‘বোলে ৰামানন্দ মোৰ গুৰুজন?’ ৰামানন্দ ঠাকুৰে উত্তৰ দিছে-- ‘বোলে বাপ সুধিব নেলাগে আৰু’। সেই মুহূৰ্তত মাধৱদেৱে গুৰুজনাৰ স্মৃতি সুঁৱৰি, গুণ বৰ্ণাই পাৰে মানে কান্দি, সেই নাৱতে উঠি পাটবাউসীলৈ গৈছে; সেই সময়তে প্ৰেমে-খেদে গীত কৰিছে--

> আলো মাই কি কহব দুখ ঃ পৰান নিগৰে নেদেখিয়া চান্দমুখ।।
>
> প্ৰাণনাথ নকৰা বঞ্চিত ঃ তোহাৰি বিয়োগে আগি দহে মোৰ চিত।।

-- দফা নং, ৪০৬

ইয়াৰে ‘আলো মাই কি কহব...’ গীতটো সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত বৰগীত পুথিৰ ১২৫ নং গীত, ৰাগ-ভাটিয়ালী। তেনেকৈ ‘প্ৰাণনাথ নকৰা বঞ্চিত...’ গীতটো ১২৩ নং গীত, ৰাগ কৌ।

গুৰু শঙ্কৰদেৱৰ পৰামৰ্শ অনুসৰি ‘ভক্তি-ৰত্নাৱলী’ৰ ভাঙনি কৰিছিল মাধৱদেৱে। মাধৱদেৱ সেই সময়ত সোন্দৰাত ৰামচৰণ ঠাকুৰৰ ঘৰত আছিল। এই ঠাকুৰৰ গোহালিতে ডাঙনি কাৰ্য সম্পূৰ্ণ কৰিছিল। পূৰ্বতে মূল শাস্ত্ৰখন কণ্ঠভূষণ নামে এজন পণ্ডিতে আনি দিয়া বাবে, সেই ভাঙনি তেওঁক দেখুৱাবৰ বাবে লৈ গ'ল। বাটত যাওঁতে দলডোবা নামৰ ঠাইত গৰখীয়া ল'ৰাবোৰে

‘কৃষ্ণ’ নাম লোৰা শুনিলে। এই কৃষ্ণ নামে মাধৱদেৱৰ অন্তৰাত্মাত কঁপনি তুলিলে। সেয়ে ‘কৃষ্ণ’ ধ্বনি শুনি গীত কৰিছে---

আলো ভাই জাঞ বৃন্দাবনে।।

— দফা নং, ৪২১

এই গীতটি ‘বৰগীত’ পুথিৰ ৭৪ নং গীত, ৰাগ-ভাটিয়ালী।

বুঢ়াগোপাল আতা বৰপেটাৰ তাতিকুচিত থাকে; তাতে বংগদেশী চৈতনীয়া মতে নামমন্ত্ৰ লৈ সেই গাঁৱৰ ওঠৰজন লোকৰ সৈতে আতাই গীত গাই ফুৰে। বুঢ়াগোপাল আতা এজন ডাল কৃষকো। এবাৰ আতাই নেঘেৰি ধানৰ সঁচ বিচাৰি মনথৈত নাৰায়ণ দাস ঠাকুৰ আতাৰ ঘৰ পালে। নাৰায়ণ দাস ঠাকুৰ আতাৰ জৰিয়তে বুঢ়াগোপাল আতা আৰু লগৰ ওঠৰজনে মাধৱদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে। আটায়ে শিষ্যত্ব গ্ৰহণ কৰাৰে পৰা খৰি-খেৰ-চাউল আদি গুৰুজনাৰ বহাত যোগান ধৰে। মাজে মাজে গুৰুৰ পৰা কৃষ্ণকথা শুনে। এদিন আতাই লগৰ ওঠৰজনৰ সৈতে বংগদেশী মতে গীত গাবলৈ ধৰিলে। তেতিয়া মাধৱদেৱে দুটা গীত কৰি দিয়ে--

মোকে কিনা গতি দিলা গোপাল তুমি অগতিৰ গতি।
এ ভৱ ভঞ্জন তোহ্মাৰ চৰণ সেবিতে নাকৰো ৰতি।।
সোই দেখু দেখু সুন্দৰ কানুঃ খেলাই কদম্বৰ তলেঃ কোটি কাম জিনি।। (দফা নং- ৪৯৯)

ইয়াৰে ‘মোকে কিনা ... নাকৰো ৰতি’ গীতটি ‘বৰগীত’ৰ ২৮ নং দগীত; ৰাগ ভাটিয়ালী। তেনেকৈ ‘সোই দেখু দেখু ... কোটিকাম জিনি’ গীতটি ১১২ নং গীত; ৰাগ-বসন্ত। এদিনাখন এইজনা বুঢ়াগোপাল আতাই লগৰ পোন্ধৰজনক লৈ মাধৱদেৱৰ ওচৰত হৰিকথা শুনিছে। আতাৰ লগৰ তিনিজনে যথেষ্ট পলমকৈ গৈ মাধৱদেৱক সেৱা জনাইছে। গুৰুজনাই কৃষ্ণকথা সামৰি, লগৰ তিনিজনৰ কালবিলম্বৰ কাৰণ গোপাল আতাত সুধিলে। উত্তৰত আতাই এওঁলোক তিনিজন কৃষিকৰ্মত ব্যস্ত থকা বুলি জনোৱাত, মাধৱদেৱে অসন্তোষ প্ৰকাশ কৰি, কৃষিৰ লগতে হৰিকথা, হৰিগুণ নামেৰে জীৱন পাৰ কৰিব পাৰিলেহে জনম সাৰ্থক হয় বুলি উপদেশ দি, সেই সময়ত গীত কৰিছে--

কিৰিষি কৰিও আলো সনাইঃ হৰিৰ চৰণসেৱাৰ পৰম সুখে।।

— দফা নং, ৫০০

উল্লিখিত গীতটি ‘বৰগীত’ গ্ৰন্থৰ ১৭নং বৰগীত; ৰাগ-ধনশ্ৰী। বিষ্ণুআতাৰ কানাই নামে এই পুত্ৰ জন্মাৰ সাদিনৰ মূৰত পুত্ৰটিৰ মাকৰ মৃত্যু ঘটিল। আতাক খবৰটো জনোৱা হ’ল। এনে এটি মৰ্মান্তিক খবৰ পাই আতাই মাধৱ গুৰুজনাক জনালে ‘বোলে বাপ জাবই খোজো চৰাটি প্ৰতিপালন কৰোতা নাই।’ গুৰুজনাই সেই সময়ত সংসাৰৰ প্ৰতি বিৰক্তি প্ৰদৰ্শন কৰি গীত কৰিছে- “পামৰু মনাই কমনে হৰিৰ নাম ৰহল বিচুৰিঃ কবহুঃ কাহা গওঁ পিতা-মাতা।।’ (দফা নং- ৫৭২৭)

উল্লিখিত গীতটি ‘বৰগীত’ গ্ৰন্থৰ ১৯নং বৰগীত; ৰাগ- ধনশ্ৰী।

গীত ৰচনা কৰোতে কানাই আতৈয়ে ভনিতা দিবৰ বেলিকা গুৰুজনক সহায় কৰে। গুৰুজনে এনে কাৰ্যত পৰম সন্তোষ পাই গীত ৰচনা কৰিছে--

গোবিন্দ দুগ্ধ পিউ দুগ্ধ পিউ বোল ৰে জসোৱা।।

— দফা নং, ৫৩১

নাৰায়ণ দাস ঠাকুৰ আতা সংসাৰী ভক্ত; এইগৰাকী ভক্ত মাধৱদেৱৰ স্নেহৰ সখি। হাটীত কৃষ্ণকথা চৰ্চা স্থানত মাধৱদেৱে নিতৌ ঠাকুৰ আতাৰ কঠখন পাৰি থয়। হাটীৰ পৰা বিতৰণ কৰা ভোজন সামগ্ৰীও শ্ৰীৰাম আতাই লৈ, ঠাকুৰ আতাৰ ঘৰলৈ আন ভকতৰ হতুৱাই পঠাই দিয়ে। এনে কাৰ্যত হাটীৰ দুই-এজন ভকতে অসন্তোষ কৰে। এই কথা মাধৱদেৱে জানি দুখ প্ৰকাশ কৰি, শ্ৰীৰামকে নিজে ঠাকুৰআতাৰ ভাগটো ঘৰত দি আহিবলৈ আৰু নিজৰ গা বদলে কঠ খানি সখিয়েকক পাৰি দিবলৈ কয়। এনে অসন্তোষৰ বেলাতে মাধৱদেৱে এটি গীতৰ সৃষ্টি কৰে--

নাৰায়ণ লীলা জানব কোই। সুৰপতি শঙ্কৰ চিন্তিতে আকুল হোই।। (দফা নং- ৫৪৬)

এই গীতটি ‘বৰগীত’ গ্ৰন্থৰ ৩৪নং বৰগীত; ৰাগ-- ধনশ্ৰী।

এবাৰ দুটা ব্যাধে হৰিণা এটা ফান্দপাতি ধৰি সাঙি বান্ধি কঢ়িয়াই নিছে। মাধৱগুৰুজনাই হৰিণৰ সমমূল্য দি হৰিণটো হাবিত এৰি দিলে। এনে কাৰ্যত চিকাৰী দুজনৰ মনৰ পৰিবৰ্তন ঘটিল। মায়াময় বিষয়-সংসাৰৰ প্ৰতি বৈৰাগ্য প্ৰদৰ্শন কৰি দুয়োজন চিকাৰীয়ে গুৰুজনাক ধৰিলেহি-- 'পশু জেনেকৈ অন্ধ বন্ধৰ পৰা মুক্ত কৰা গ'লঃ আমাকো তেনেকৈ গৃহ অন্ধ অৰণ্য ভাৰ্যা-পুত্ৰ মোহ ফান্দ পৰমতত্ত্ব টকা দি মেলক।' তেনে প্ৰসঙ্গতে গুৰুজনাই গীত কৰি মাতি শুনাইছে--

'গোপাল ভাবিও মন সকল জতনে।
হৰি বিনে কেনে আন চিন্তা অকাৰণে।।'

— দফা নং, ৫৫৪

উল্লিখিত গীতটি 'বৰগীত' গ্ৰন্থৰ ৫৩নং বৰগীত; ৰাগ-ভাটিয়ালী।

উদাৰ গোবিন্দ আতৈৰ ঘৰ ঢুসৰিত। সংসাৰত বিৰক্তি জন্মি, গৃহ কৰি ভাৰ্যা-পুত্ৰ এৰি শ্ৰীশঙ্কৰদেৰৰ দিনৰে পৰা হাটীত হৰিগুণ গাই দিন নিয়াইছিল। ঘৰত তেওঁৰ পৰিয়াল অনেক-- পত্নী, পুত্ৰ, বধু, নাতি, বেটি আদি। এওঁলোকে আঠ-দহ দিনৰ মূৰে মূৰে চাউল, মাছ, খৰি, গাখীৰ, লোণ-তেলেৰে আতৈক সুধি থাকে। এবাৰ নাতিয়েকে আহি দেখে আতৈৰ গা-দুৰ্বল, জ্বৰ; চাউল সিজাবকে পৰা নাই। পিছদিনা বুঢ়ীয়ে নাতিনী এজনীক লগত লৈ আহি আতৈক সেৱা-শুশ্ৰূষা কৰিলে। বুঢ়ীয়ে আবদাৰ সূচক কথাৰে আতৈৰ মন কোমলালে। শেষত আতৈয়ে বুঢ়ীক কলে-- 'বোলে জা কাইলৈ গুৱাপান দি ল'ৰা এটা পাচি দিবি মই গুৰুজনক বিদাইকৈ জাম মাহচাৰকলৈ ঘলকে।।' যথা সময়ত গুৰুজনাৰ ওচৰত ঘৰলৈ যাবলৈ প্ৰাৰ্থনা কৰিলে। গুৰুজনে ক'লে-- 'বোলে উদাৰ মোহ সি গৃহ চাৰি মোৰ গুৰুজনৰ দিনৰে পৰা সেৱকৰ সঙ্গতে আচা অতকালঃ গৃহ-অন্ধকূপলৈ কেলেই জোৱা আৰু।।' গুৰুজনাৰ যুক্তিপূৰ্ণ কথা শুনি মৌনভাৱে উভতি আহিল। কিন্তু আতৈৰ মনে নেমানিলে। সেয়ে গুৰুজনাৰ ওচৰত পুনৰ প্ৰাৰ্থনা জনাইছে-- 'বোলে বাপ মনটি দহো চলিছে জাবকে খোজোঃ গাটি সজ হলে আহিম আকৌ।।' এনে এক প্ৰেক্ষাপটতে মাধৱদেৱে গীত কৰিছে-

নামে পৰমধন চিন্তহু মন ভাই।।

— দফা নং, ৬০০

এই গীতটি 'বৰগীত' গ্ৰন্থৰ ১৩ নং বৰগীত; ৰাগ- গৌৰী।

ডফলা-মাৰণত ঘাঘৰ মাজি অচম ৰাজ্য এৰি কামৰূপৰ সৰ্থেবাৰী-গোমূঘাত কৃষি-কৰ্ম কৰি থাকে। বিপদকালৰ উপকাৰী বুলি মাধৱদেৱ গুৰুজনাই, বালকদাস, চতুৰ্ভুজ ঠাকুৰ আৰু নাৰায়ণ আতৈ-- এই তিনিজন ভকতৰ দ্বাৰা ঘাঘৰ মাজিক বিচাৰি আনে। মাজিয়ে তেওঁলোকৰ লগতে গুৰুজনাৰ ওচৰলৈ আহি, অনেক প্ৰাৰ্থনা কৰি গুৰুজনাক গো-মূৰালৈ লৈ যায়। গুৰুজনা গৈ পালত মাজিয়ে চাউল সিজাবলৈ অনুৰোধ জনালে। এনেতে বুঢ়া আতা (নাৰায়ণ)ই ঘাঘৰ মাজিৰ ঘৰৰ পাচফালে গৈ দেখে- 'খাপৰে জালে কুতাই বান্ধি থৈছে।' আতাই এই কথা গুৰুজনক জনালে। গুৰুজনাই ঘাঘৰ মাজিক হয়-নহয় সুধিলে। সোধাত মাজিয়ে হয় বুলি জনালে। মাজি গৃহবৰ্ত্তী লোক, দেশৰ ধৰণ-কৰণ অনুসৰি চলিছে। তেনে প্ৰসঙ্গতে গুৰুজনাই গীত কৰিলে-

'কমনে পাইবো হৰি চৰণ তোৰে।
এ দুখ সাগৰে উদ্ধাৰ মোৰে।।'

— দফা নং, ৬২২

উল্লিখিত গীতটি 'বৰগীত' গ্ৰন্থৰ ২৪নং বৰগীত; ৰাগ- তুৰ ভাটিয়ালী। এনে গীতৰ প্ৰতিক্ৰিয়া? 'বুঢ়া আতা বোলে বাপ এ জোৰ পহৰাই লঘু কৰিব নালাগেঃ আমি ভোজন কৰিমঃ অনেক আদৰকৈ ভক্তে সমে চমাহ ৰাখিছিল' (দফা নং-৬২২)।

কামৰূপ ৰাজ্যত এসময়ত ভকতসকলৰ বৰ দুখ হৈছিল। বুঢ়া বষাই ভকত ভিক্ষালৈ যাওঁতে খিৰামৰলৰ ভাতৃ মুকুন্দ আৰু মাধৱে শাৰীৰিকভাৱে অপদস্থ কৰিছিল। আহিনৰ মাহত ৰঘুনাৰায়ণ ৰজাই সত্ৰই সত্ৰই পূজা পাতিবলৈ নিৰ্দেশ দিছিল। এনেবোৰ কথাত মনত যথেষ্ট দুখ পাই মাধৱদেৱ মৌন হৈ পৰিছিল। এনে সময়তে এদিন নিশা মাধৱদেৱে স্বপ্ন দেখিছে-- গুৰুজনা সোণৰ জখলাৰে নামি আহি তেওঁৰ লগত দুখ-সুখৰ কথা হৈছে, অনেক পৰমাৰ্থ কৈছে।

স্বপ্নৰ পৰা চেতনা লাভ কৰি মাধৱদেৱে গুৰুজনাৰ গুণ বৰ্ণাই, ব্যাকুল-বিহ্বল হৈ প্ৰেমত মজি কান্দোতেই ৰাতি পুৱাল। ৰাতিপুৱাই নাৰায়ণ দাস ঠাকুৰ আতা আহি গুৰুজনাৰ পদত সেৱা কৰি বহিল। সেইবেলাত গুৰুজনাই গীত কৰি গাইছে--

'নাৰায়ণ মাগো চৰণে ৰতি তেৰা।
ই তিনি ভুবনে তুমহি ঠাকুৰ নাহি জানত মতি মেৰা।।'

— দফা নং-৬৩৭

এই গীতটি 'বৰগীত' গ্ৰন্থৰ ৩৫ নং গীত; ৰাগ- ধনশ্ৰী।

মাধৱ গুৰুজনা ভক্তসকলৰ সৈতে, ৰজাৰ টেকেলাৰ হেঁচাত গুৱাগচালৈ যাবলৈ ওলাই গৈ বুঢ়াগোপাল আতাৰ কথাত বৰপেটাত বহাকৈ ৰোৱাৰ সময়ৰ কথা। ইয়াত গুৰুজনে সকলো সা-সুবিধাই পাইছিল, হৰিমন্দিৰটোহে ঠেক জানিবা। সেয়ে গুৰুজনে 'বোলে গোপাল নাম গাবলৈ বৰ ঠেক পাঞঃ এফেৰি হৰিমন্দিৰ কৰিব লাগিল কিবা ৰবই পাৰো।' এনে কথাত গোপালে ক'লে-- 'বোলে বাপ উদং ঠাই আৰু নাই পাবলৈঃ আমাৰে পেহাপেহি হই এই ৰামলাৰুৱা বুঢ়াবুৰি বজা বাজি বৰ বাৰিখানঃ দি এনিকি আপুনি ধৰি চাব।' গোপাল আতাৰ পৰামৰ্শ মতে- ৰামলাৰুৱা বুঢ়াক মতাই আনি, বাৰি এচুকত হৰিগৃহ এটি কৰাৰ প্ৰস্তাৱ দিয়া হ'ল। বুঢ়া অসন্মত। 'বুৰা বোলে বাপ অপুত্ৰ দুটি প্ৰাণী তাতেহে যিটো খৰিকাঠডাল বিকিঃ দিলে আৰু জিবৰ উপাই নাই।।" তেতিয়া গুৰুজনাই তলৰ গীতটি কৰি মাতি শুনালে--

'বুঢ়া ভাই হৰিগুণ গাই নাচ।
কোনদিনা ঢলি শৰীৰ পৰই এভো বাট চাই আচা।।'

— দফা নং, ৬৪২

গীতটি গাই মাধৱগুৰুজনাই বুঢ়াক ক'লে-- 'বোলে তোমাৰ চাউল হব মোৰ শ্ৰীশঙ্কৰদেৱৰ প্ৰসাদত জিব পাৰিবাঃ আত শতসহস্ৰ নাম হব নিতে জীৱৰো কুশল হব চাউল কানিজি হবইঃ চিন্তা কৰা কিহলৈ।' মাধৱগুৰুজনাৰ এনে অভয়বাণী শুনি ৰামলাৰুৱা বুঢ়াই মাটি দি, ধৰ্মবস্তু ললে গুৰুজনাৰ পৰা। উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ১৫৪ নং গীত; ৰাগ- ভাটিয়ালী।

এবাৰ বুঢ়া আতাৰ পত্নীআয়ে বলাইক স্নান কৰাই আনি, হাতত কচুপাত এটি দি পাচিলে-- 'গুৰুজনে কোসযুৰি (কোস/কোষ শব্দৰ অৰ্থ খৰম, বাংলাৰ ৰূপ হৈছে কোশী) পিন্ধি শয়ন কৰিছেঃ ... কোষজুৰি সোলোকাই পাটতে থৈ বাৰৰে মাটি এফেৰি আনি পাৱতে ঘষিঃ পাৎটি তলে পাতি কমণ্ডলুৰে জল এটুপি বাকি দি আনাগৈ জা।।' আই নঙলামুখতে ৰৈ আছে, পুত্ৰ বলাই মাকৰ নিৰ্দেশ অনুসৰি মাটি ঘহোতেই গুৰুজনে হাতে চাব দি ধৰি গীত কৰিলে--

'আলো সুন গোৱালৰ জায়াঃ বোলএ গোপাল।
হামাৰ গাএ ধূলা দিলে তোমাৰ চয়াল।।'

— দফা নং- ৬৫৫

আয়ে গীত শুনি গুৰুজনাক স্তুতি কৰি, দাসী বান্দিৰ অপৰাধ মাৰ্জনা কৰিবলৈ প্ৰাৰ্থনা জনালে। এই গীতটি 'বৰগীত' গ্ৰন্থৰ ৬৬ নং গীত। গীতটি- ভাটিয়ালী ৰাগৰ।

মাধৱ গুৰুজনাই বুঢ়াগোপাল আতাক চুৱা পেলোৱা, ধোৱা কাম কৰিবলৈ আজ্ঞা দিছিল। গুৰুৰ আজ্ঞাত আতাই সেই সেৱা অব্যাহত ৰাখিছিল। এই কাৰ্য দেখি লগৰ ভকতে আতাক অসূয়া কৰে, 'বোলে এইটো আৰু একো নাইঃ গোটে দোল মোল চুৱা পেলাব জাৰে হই তাৰে বকৰানি আওতাব দুপৰলকে খাব সুবঃ নামগুণ একো নাই আৰু এৰিলে।' এনে নিন্দাবাণী শুনি তাৰ পিছৰে পৰা কণ্ঠ এখন কৰি নাম গাব ধৰিলে। ইফালে ৰংগাৱন গৃহ চাবলৈ অহা ভকতে বৰপেটা উদুলি-মুদুলি কৰি তুলিছে। আলহীঘৰ, বাট-পথ চুৱাপাতেৰে বিশৃঙ্খল হ'ল। এনে অৱস্থাত গাঁৱৰ ভকতসকল চাউল-পাত থাকিও লঘোণে থাকিব লগা হ'ল। এদিনাখন চতুৰ্ভুজ আতৈ আহিল, চাউল-চৰু দিলে" কিন্তু সিজোৱাৰ উপযুক্ত স্থান নাপাই কীৰ্তন ঘৰতে শুই থাকিল। ৰাতিপুৱাই গুৰুজনে গৈ দেখে চৰু-চাউল মূৰ শিতানতে আছে। গুৰুজনাই ইয়াৰ কাৰণ কি সোধাত আতৈয়ে ক'লে-- 'বোলে খাবলৈ ঠাই নাপালো অথিতঘৰে গলু চুৱা চৰু টৰু তেনেই আছে।।' গুৰুজনাই নিৰ্দিষ্ট দায়িত্বত থকা গোপালক ধৰিলে। গোপাল আতাই

ভকতসকলৰ অসূয়াৰ কথাখিনি গুৰুজনাত ব্যক্ত কৰিলে। তেতিয়া গুৰুজনে 'বোলে চাৰি সন্ন্যাসীৰ পৰিচৰ্যাকৈ নাৰদ ঋষি হ'লঃ কোননো অধমে দাস ভাৱ তেজি উচ্চ পদ পাৰ্থই' বুলি গীত কৰিছে--

কমন মূৰুখে দাসভাৱক তেজয়ঃ
হৰিপদ লঙিঘ লুখ মুকুতি ইচায়।।

—দফা নং-৬৫৮

পিচত যেনিবা গোপাল আতাই গুৰুজনাৰ বাক্যত সন্তোষ হৈ সেৱাত মনোনিবেশ কৰিছে। মন কৰিবলগীয়া যে এইজনা গোপাল আতাকে গুৰুজনাই 'মথুৰাদাস' নাম দিছে। উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ২৭ নং গীত। গীতাংশ বৰগীতটিৰ পদহে। গীতটি বসন্ত ৰাগৰ।

মাধৱদেৱ গুৰুজনাই ভবানীপুৰীয়া গোপাল আতাৰ ঠাইত 'ৰামভাৱনা' যাত্ৰা কৰিছিল। 'গুৰু-চৰিত-কথা'ত সেই কথা এনেদৰে পোৱা যায় 'আৰু গুৰুজনে নাট সূত্ৰ গীতঃ চো কৰি পাচ নিশা ৰামভাৱনা কৈলে জন্মৰ পৰা পয়ানলৈ'। এই 'ৰামভাৱনা'খন বৰ্তমান পাবলৈ নাই। নাটখন গুৰুজনে নিজেই পুৰি পেলোৱা কথা চৰিতত পোৱা যায় এনেদৰে-- 'অদ্ভুত ঈশ্বৰালি কৰ্ম দেখি মনে জিজ্ঞাকৈ বোলে ই ভাও পাচলৈ কোনে গাব কৰিবঃ এই বুলি নাট গীত সূত্ৰ পুৰি পেলালে। সুখৰ বিষয় তাৰ মাজতে ভকতৰ মুখত সিন্ধুৰা আৰু বেলোৱাৰ ৰাগৰ দুটি গীত থাকিল। সেই গীত দুটা ক্ৰমে-
'জয় জয় ৰাম ৰাঘৱঃ ৰঘুকুলপঙ্কজ দিনকৰ ৰাম মুৰাৰি।।'
'দেখুৰে নয়ন ভৰি লোই। পৰমপুৰুষ ৰাম ৰাজা হোই।।'
(দফা নং-৭৪৪) উল্লিখ্য গীত দুটাৰ 'জয় জয় ৰাম...' গীতটো 'বৰগীত' গ্ৰন্থৰ ১৪৫ নং গীত, সিন্ধুৰা ৰাগৰ। তেনেকৈ 'দেখু ৰে নয়ন ভৰি...' গীতটো উক্ত গ্ৰন্থৰে ১৪৬ নং গীত, ৰাগ- বেলোৱাৰী।

এবাৰ গুৰুজনাই একাদশী তিথিত গৈ নাৰায়ণদাস ঠাকুৰ আতাৰ কীৰ্তন গৃহত বহিছিল। সেইদিনা আতাই আইক গুৰুজনাৰ বাবে সান্দহ খুন্দিবলৈ দিহা দিছিল। দিহা অনুসৰি আইয়ে সান্দহ খুন্দাৰ বাবে সকলো যতন কৰি থৈ, কীৰ্তন গৃহৰ কাঠিতে বহি গুৰু-কথা শুনি আছিল। গুৰুজনে সেই সময়তে পাঁচটা গীত কৰিছিল। সেইবোৰ ক্ৰমে,

'ভাটিয়ালি ৰাগ।। গোপাল পলায়া আচা মাত্ৰ মাৰিবাৰ ডৰে।।'
'শ্ৰী।। মাই ভূষণ কৰাৰ হামাৰি।।'
'গৌৰী।। ৰাধাকু আগু গোবিন্দ বোলত চাতুৰি।।'
'আসোৱাৰি।। গোবিন্দকু ৰাধা বোলত বাণী'
'ধনশ্ৰী।। মাৰক আগু গোবিন্দ কৰত গোহাৰি'

— দফা নং-৭৫০

উল্লিখ্য গীতকেইটা ক্ৰমে 'বৰগীত' গ্ৰন্থৰ ৬১, ৬২, ৬৩, ৬৪, ৬৫ নং বৰগীত। ৰাগসমূহো চৰিতপুথিত উল্লেখ কৰাৰ সৈতে একে আছে। এবাৰ একাদশী তিথিত শ্ৰীৰাম আতাৰ সৈতে মাধৱ গুৰুজনা আছিল। কীৰ্তন-ঘৰতে ৰাতি শুইছে। গুৰুজনা ব্ৰহ্মমুহূৰ্ততে শোৱাৰ পৰা উঠি, বাহিৰতে একান্তচিত্তে গীত ৰচনা কৰি গাইছে--
'উঠৰে উঠ বাপু গোপালহে নিশি পৰভাত ভেল নাৰায়ণ।।'

— দফা নং- ৭৫২

শ্ৰীৰাম আতাই গীত শুনি, উঠি আহি গুৰুজনাৰ পাৰত পৰি কান্দি আনন্দ সুখত দুই দণ্ড সময় পাৰ কৰিলে। উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ১২৮ নং গীত, গীতটি কৌ ৰাগৰ।

এবাৰ ভাদ মাহৰ গুৰুকীৰ্তনত মাধৱ গুৰুজনাই 'নাট সূত্ৰ গীত চোকৈ' দিনত 'ভোজন বিহাৰ' আৰু নিশালৈ 'দধিমথন' ভাওনাৰ আয়োজন কৰিছে। মনথৈৰ পৰা নাৰায়ণ দাস ঠাকুৰ আতাৰ লগতে পুত্ৰ পৰমানন্দ ঠাকুৰো ৰাতিপুৱাই ভাওনা চাবলৈ আহিছে। তাকে দেখি শ্ৰীৰাম আতাৰ ঠাকুৰ আতাৰ আইলৈকে মনত পৰিল। আইয়ে এনে ভাওনাৰ পৰা সদায় বঞ্চিত হৈ থাকিব লগা হয়। সেয়ে শ্ৰীৰাম আতাই মনথৈলৈ গৈ, ঘৰ ৰখিম বুলি আইক ভাওনা চাবলৈ পঠায় দিলে। আইক ভাওনালৈ পঠাই ঠাকুৰ আতাৰ ঘৰ-বাৰি সমস্ত চিকুণ কৰিলে। ভাওনা চাই আহি খোৱা-লোৱাৰ সমগ্ৰ ব্যৱস্থাও কৰি থলে। গধূলি আই উভতি আহি বাট পাওতেই শ্ৰীৰাম আতাই বাটতে মাত দি গুৰুজনাৰ ওচৰলৈ গুচি আহিল। ঘৰ সোমাই শ্ৰীৰামৰ কাম দেখি তবধ মানিলে,

নকৰিবলগা কাম কৰা বাবে আইৰ দুখো লাগিল। আতা উভতি অহাত আয়ে কলে- 'আজি আৰু আমাৰ একো ৰক্ষা নপৈলঃ' আতাই 'বোলে কি হ'ল'; আয়ে 'বোলে শ্ৰীৰামে গোটে একো কৰিবলৈ আৰু নথলেঃ নুচুব নকৰিব লগাকো চুই কৈলে'। আতাই 'বোলে কি অসন্তোষ কৰ এতিয়াঃ শ্ৰীৰামে জানো ঘৰ ৰাখিবলৈ আহিছিলঃ আকে কৰিবলৈহে আহিল তেও।।' সেইদিনা আতা-আয়ে উপবাসে থাকিল। পিছদিনা পুৱা ভোজন কৰি উঠি আতা গুৰুজনৰ ওচৰলৈ আহি ক'লে-- 'বোলে শ্ৰীৰামে কালি ঘৰ ৰখো বুলি গৈ একো নথলে আৰুঃ সকলো সৰ্ব্বস লুটকৈ আনিলে।' গুৰুজনাই কথাৰ সুৰ শুনি-বুজি, শ্ৰীৰামৰ কাৰ্যত সন্তোষ লভি স্নেহত গীত কৰিছে--

'ৰামক বাণী জপহু মন ভাই' (দফা নং-৭৬৬)

উল্লিখিত গীতটি 'বৰগীত' গ্ৰন্থৰ ৪নং বৰগীত, গীতটি- আশোৱাৰী ৰাগৰ।

এদিন বংগদেশী ভকতে শিশুকৃষ্ণৰ লীলা-খেলাৰ বঙলা গীত গোৱাত আমাৰ ভকতসকলে গুৰুজনাৰ ওচৰ চাপিলগৈ। গুৰুজনে 'বোলে ভকতৰ লীলা শুনিবৰ মন জাই' বুলি গীত কৰিছে--

'ব্ৰজজীৱন। দয়ালু দীনদলনু।। এ নন্দকুমাৰ।। মনমোহন' (দফা নং-৭৭৬)।

উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ৭৩ নং গীত, গীতটি গৌৰী ৰাগৰ।

পুহমহা নাম গাওঁতে ৰসাই গুৰুৱে টোপনিয়াইছিল। গুৰুজনে দেখা পাই 'বোলে সি টোপনিয়াইছে' বুলি ক'লে। ৰসাই গুৰু টেঙৰ; তেওঁ 'বোলে হৰিজিঃ ভুৰাটো দে পানি খাওঁ' বুলি নোটোপনিয়াৰ ভাওহে জুৰিলে। তেতিয়া গুৰুজনাই পুহমাহতো যে তৃষ্ণা লাগিছে বুলি সুধি 'নাম জগতৰ বাপ বৈকুণ্ঠৰ সুখঃ টোপনি মহাপাপ নৰ্কৰ পথ দুখ' বুলি কৈ, 'তেয়োজে তাকে হিত মানি ঢাকে' বুলি খেদ কৰি গীত কৰিছে--

'ৰে মন ৰামচৰণে ৰতি লাৱতঃ ঝুন্টা।। দুখ ইন্ধনমহঃ বিষয় আমিয়া ৰসঃ ওহি ভবগহন আনলা। তেজিএ তথিএ আশঃ কৈছন লালসঃ অন্ধ মুগুধ বিড়লা।।' (দফা নং-৭৭৯) উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ৩২ নং গীত, গীতটি মাহুৰ ৰাগৰ।

শঙ্কৰগুৰুজনাৰ দৰে মাধৱগুৰুজনাইয়ো ৰাজতন্ত্ৰৰ ষড়যন্ত্ৰৰ বলী হ'ব লগা হৈছিল। ৰজা ৰঘুনাৰায়ণে সুৰানন্দক দুহাজাৰ টকা লৈ ধৰি আনিবলৈ নিৰ্দেশ দিছিল। সেই নিৰ্দেশ মানি, সুৰানন্দ নৌকাৰে আহি বৰপেটা পোৱাত ৰূপাবৰ লস্কৰে ঘাটলৈ কোন আহিছে চাবলৈ গৈছে। লস্কৰে-সুৰানন্দক চিনি পাই কিয় আহিছে বুলি সোধাত-- সুৰানন্দই কৈছে-- 'বোলে ৰজা পাচিছে হাজো নীলাচল অশ্বকান্ত সুকিলশ্বৰ পাৰু উমানন্দ দিগেশ্বৰং এই সবত পূজা কৰাবলৈঃ তাতে এইটে মহন্তক সেৱাকৈ জাএঃ' এই কথা জানি লস্কৰে-সুৰানন্দ ৰাজবিষয়া, সেয়েহে ভালকৈ সন্মান কৰিলেহে সজ হ'ব বুলি গুৰুজনাত জনালে। গুৰুজনে এই কথা জানি-ৰামচৰণক আগবঢ়াই আনিবলৈ পাচিলে। সেইমতে ৰামচৰণ ঠাকুৰ গৈ সুৰানন্দক আনিলে, কীৰ্তন গৃহতে বহাৰো ব্যৱস্থা কৰিলে। গুৰুজনো কীৰ্তন গৃহতে বহিল। সুৰানন্দই নাচা-গোৱা চাব খুজিলে। গুৰুজনাই সকলোৰে সু-ব্যৱস্থা কৰি দিলে। এই ছেগতে সুৰানন্দৰ লগত অহা মেচে ভকতৰ ঘৰ লুৰি সৰ্বস্ব আনিলে। গুৰুজনাই সুৰানন্দক ধন-বিত লাগে নেকি সুধিলে, যদি লাগে সেইখিনিতে মাটি খান্দি ধন উলিয়াব দিলে। ভকতক বন্দী কৰি নিয়াতকৈ ধন দিয়াই শ্ৰেয় বুলি ভাবি সঞ্চিত ধনো সুৰানন্দক উলিয়াই দিলে। ধন উলিয়াবলৈ মাটি খান্দি থকাৰ সুযোগ লৈ বহু ভকত ইতিমধ্যে পলাই সাৰিল। এনেতে সুৰানন্দই ৰাজআজ্ঞা শুনাব খুজিলে 'বোলে বাপ ৰাজআজ্ঞা সুনিব লাগে ঃ আপুনি থাৰক কঠতে ঃ ভকৎসৰে আঠু লক ... ৰাজাৰ আজ্ঞা জাব লাগে ঃ দুহাজাৰ টকা দিব লাগে ঃ' গুৰুজনাই এই কথা শুনি স্পষ্ট উত্তৰ দিলে- 'বোলে ৰাজাৰ আমি হাট ফাট ঘাট একো বিসই খৰা নাই দিয়া নাই ঃ ৰাজাক যদি ধনে অটা নাইঃ লৈ জা ততে ডা ডাঙ্গৰিয়াত খুজি ধাৰে হই দিমগৈ।।' সুৰানন্দই গুৰুৰ উত্তৰ শুনি কলে 'বোলে তেনো ভোজনকৈ ওলক।' গুৰুজনাই ভোজন কিহেৰে

কৰি-- সকলো লণ্ড-ভণ্ড। তথাপি ৰামচৰণ ঠাকুৰে মুৰাৰি তাতিৰ ঘৰত চাউল সিজাই দিলে। 'চাউল সিজোৱা দিঞ্ৰতেই ঠাকুৰে থকবক কৰে ঃ গুৰুজনে বোলে ৰামচন তই থাকিব নালাগে জাঃ সেই নিশাই গ'ল।' আন ভকত সকলেও গুৰুজনাক এৰি নিশাই আতৰি গ'ল। সেই নিশা মহাখেদকৈ শ্ৰীশঙ্কৰদেৱলৈ স্তুতি প্ৰাৰ্থনাকে গুৰুজনালৈ দুটি গীত কৰিছে--

'এ নাথ তাৰিও তাৰিও যদুমণি।। কৈছে নৰহৰি তৰণি উপাই।' (দফা নং ৭৯৯) উল্লিখ্য 'এ নাথ তাৰিও তাৰিও যদুমণি' গতিটো 'বৰগীত' গ্ৰন্থৰ ২৩ নং গীত; ৰাগ তুৰ-ভা। 'কৈ ছ নৰহৰি তৰনি উপাই' গীতটোৰ ক্ষেত্ৰত অকণমান খেলি-মেলি ঘটা দেখা যায়। কাৰণ 'বৰগীত' গ্ৰন্থত এই গীতটো মহাপুৰুষ শঙ্কৰদেৱৰ বুলিহে দেখুওৱা হৈছে। গীতৰ ক্ৰমাংক ১৫, ৰাগ- বসন্ত।

এবাৰ হাজোৰ গায়নে গুৰুজনাৰ ওচৰলৈ গৈ বাজনা শিকাবলৈ প্ৰাৰ্থনা কৰিলে। তেতিয়া গুৰুজনাই এটা গীত কৰি দিছে, 'তাতে ৰাগ তাল মান ঘাত বাজনা সকলো উঠিছে।' গীতটো হৈছে 'ৰাগ গৌৰি।। ৰে ৰে বিৰিন্দাবনে মোহন গোবিন্দ ঃ বিজয় নন্দকুবালা।।'

(দফা নং- ৮১৬)

উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ৮০ নং গীত। চৰিতত উল্লিখিত ধ্ৰুং অংশটোৰ শেষৰ ফালে থকা 'নন্দকুৱালা' অংশটি 'নন্দকু লালৰে' হে।

গুৰুজনা ভটিয়াই সাৰধানিঘাটত ৰোৱাৰ সময়ত এদিনাখন গুৰুজনাই সকলো ভকতকে 'খৰিপাত সুধিকৈ আহিবলৈ' আজ্ঞা কৰিলে। সকলো ভকতে গুৰুৰ নিৰ্দেশ মানি গ'ল। যোৱাৰ সময়তে গুৰুজনাই খৰিপাত যোগাৰ কৰিলে, চৌকাখোলা কৰি স্নান-শুদ্ধ হৈ, টৌ-বাতি ধুই লেও দি, চাউল শাক ধুই-কাটি যতন কৰি থলে। ভকত আতৈসকল আহি দেখে গুৰুজনাই ইতিমধ্যে সকলো সাজু কৰি থৈছে। চৰিতৰ ভাষাত-- 'আতৈসৰ আহি অত্ৰাহি হৈ দণ্ডৱতে পৈল ঃ বোলে বাপ এনে চল কিৰ কৰা জাই ঃ মৈলো সৰ্ব্বনাশ হলু।' ভকত-আতৈসকলৰ এনে মানসিক অৱস্থাই গুৰুজনাৰ অন্তৰাত্মাত জোকাৰণি তুলিলে। জোকাৰণিৰ প্ৰতিক্ৰিয়া? গুৰুজনে এনে মুহূৰ্ততে চাৰিটা গীত কৰিছে--

'ৰামগোসাই ১ ঃ চিন্তহু মন মেৰি ভাই ২ ঃ ৰামক বাণী জপহু মন ভাই ৩ ঃ মই সেবহো ৰামচৰণ দুজা ৪।।' (দফা নং- ৮২৬)

উল্লিখ্য 'ৰামগোসাই' শীৰ্ষ গতিটো 'বৰগীত' গ্ৰন্থৰ মাধৱদেৱ গুৰুজনাই ৰচনা কৰা ৩নং গীত; গীতটো আশোৱাৰী ৰাগৰ। 'চিন্তহু মন মেৰি ভাই' শীৰ্ষ গীতটো 'বৰগীত' গ্ৰন্থৰ ৫নং গীত; গীতটো আশোৱাৰী ৰাগৰ। 'ৰামক বাণী জপহু মন ভাই' শীৰ্ষ গীতটো 'বৰগীত' গ্ৰন্থৰ ৪ নং গীত; গীতটো আশোৱাৰী ৰাগৰ। 'মই সেবহো ৰামচৰণ দুজা' শীৰ্ষ গীতটো 'বৰগীত' গ্ৰন্থৰ ৬ নং গীত, এই গীতটোও আশোৱাৰী ৰাগৰ।

গুৰুজনা মইনাগুৰিত থকা কালত ৰামধন আৰু জইধন নামৰ দুজন ভক্তই গুৰুধৰ্ম ধৰি, গুৰুজনাৰ সঙ্গতে হৰিগুণ গাই আছিল। এই দুজন ভক্তৰে পৰস্পৰে সখি সম্পৰ্ক স্থাপন কৰিবলৈ মন। দুয়ো গুৰুজনাত মনৰ কথা জনালে। কিন্তু গুৰুজনাই ধৰিব পাৰিছিল যে ৰামধন আৰু জইধন দুয়ো অলপ ভোটাবুদ্ধিৰ। সেয়ে মাধৱগুৰুজনাই সখিত্বসম্পৰ্ক স্থাপন কৰাত কালবিলম্ব কৰিছিল। কিন্তু দুয়োজন বিষয়টোও নেৰা-নেপেৰাকৈ লাগি ধৰাত গুৰুজনাই একাদশী তিথিতে হ'ব বুলি সন্মতি জনালে। নিৰ্দিষ্ট দিনত দুয়োজনে শৰাইতকৈ বস্ত্ৰ, গুৱাপান লৈ আঠু পাৰি গুৰুজনাক সেৱা জনাইছে। ... সেই সময়ত গুৰুজনে খেদকৈ জীৱক কৃপাৰে গীত কৰিছে ভাটিয়ালি।।

'মই পাপী কমনে তৰিবো হৰিএ।
তুমি কৰুণা নাকৰ মোৰে।
পাপমতি মনঃ বাসনা নচাতে মজিলো সংসাৰ ঘোৰে।।
নৰনা কামিনীঃ ৰূপ নচাতে ৰসনা এ ষড় ৰস।'

(দফা নং ১০৩৯)

উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ১৬ নং গীতৰ ধ্ৰুং অংশ। গীতটি শ্ৰীৰাগৰ। কথিত ক্ৰমৰ পৰা শুনি লিখা গুণে শব্দৰ গঢ়-মিল হোৱা দেখা গৈছে।

গুৰুজনাৰ ভাগিন ৰামচৰণে গুৰুজনালৈ দুখ

কৰিছে। অসমত থাকোতেও খল-দুষ্টৰ ঈৰ্ষা-অসূয়া, কামৰূপ ৰাজ্যতো একে অৱস্থা আৰু বেহাৰতো বিৰুকাজী, ব্ৰাহ্মণসকলৰ বাবে গুৰুজনাৰ মনত শান্তি নোহোৱা হৈছে। গুৰুচৰিতৰ ভাষাত- 'ৰামচন্দ্ৰে বোলেঃ অচমতো এই বামুনেৰেই বাদকৈ অহা গল কামৰূপলৈঃ তাতো বাদকৈ এই দুষ্ট বামুণেৰে বেহাৰে অহা গ'লঃ আতো এই বামুণবাদেই নেৰিলে আৰুঃ'। গুৰুজনাৰ বৃদ্ধকাল। নতুন কোনো ৰাজ্যলৈ যোৱাৰ কোনো প্ৰশ্নই নাই। গতিকে বেহাৰত থাকিবলৈ অকণমান হেৰফেৰ ঘটাব লাগিব-- এইয়াই হৈছে ভাগিন ৰামচৰণ ঠাকুৰৰ মানসিকতা। সেয়েহে ঠাকুৰে মোমায়েক গুৰুজনাক কৈছে-- 'আমাৰ বিশ্বাসত কৃষ্ণেহে পূৰ্ণব্ৰহ্মঃ বামুণৰ আগত বাজত শিৰক পূৰ্ণ বুইলে এতেকে অসুৰা একো নাই ঃ দুষ্ট দুৰ্জনৰে কোনে বাদকৈ থাকে ঃ তাতে বিৰু হ'ল অনিষ্ট অপক্ষ আমালৈ।' ভাগিন ৰামচৰণৰ পৰামৰ্শত গুৰুজনাই মনত দুখ পালে। সেইদিনা মধুপুৰত দুখ-কষ্টত আছে। নিশা স্নান-ভোজনো কৰা নাই। ভকতসকলে ভোজন কৰিবলৈ ধৰিছে। সেইবেলাত গুৰুজনাই খেদকৈ গীত কৰিছে--

'জসোৱাক আগে।।' (দফানং-১০৪৮)

উল্লিখ্য গীতটি 'বৰগীত' গ্ৰন্থৰ ৭১ নং গীত, গীতটি বৰাড়ী ৰাগৰ।

ওপৰত মাধৱদেৱে ৰচনা কৰা প্ৰায় দুকুৰি গীতৰ আঁৰৰ কথা উল্লেখ কৰা হ'ল। চৰিত পুথিখনিত বিচাৰিলে আৰু হয়তো বহুতো গীতৰ সৃষ্টি-প্ৰসঙ্গৰ কথা ওলাব; সেইবোৰ প্ৰবন্ধৰ সীমাবদ্ধতাৰ বাবে সামৰি ল'ব পৰা নহ'ল। গীত-সৃষ্টিৰ সমস্ত প্ৰসঙ্গ আলোচনা কৰিলে, গীতবোৰৰ পূৰ্ণৰূপবোৰ সংযোগ কৰিব পৰা হ'লে দৰাচলতেই এখন বৃহৎ আকাৰৰ গ্ৰন্থই হ'লহেঁতেন। গীতবোৰ ব্যক্তিনিষ্ঠ সৃষ্টি; এনে ব্যক্তিনিষ্ঠ সৃষ্টিৰ নেপথ্যৰ কথাবোৰৰ ভু পালে জন-গণৰ মাজতসৃষ্টিৰ ৰসাস্বাদন মধুৰ হ'ব বুলি ভাবিয়েই এনে এক স্পৰ্শকাতৰ বিষয়ত এষাৰ লিখিবলৈ প্ৰয়াস কৰা হৈছিল। দেখা গৈছে অকল গীত বুলিলেই নহয়, চৰিতৰ বক্তাই 'চৰিত তোলা'ৰ মাজেৰে শঙ্কৰ-মাধৱ গুৰু দুজনাৰ বিশাল সাহিত্য-কৰ্মৰ আঁৰৰ কথা-কাহিনীবোৰ অতি মনোৰমকৈ ব্যক্ত কৰি গৈছিল। ফলস্বৰূপে এনেবোৰ আঁৰৰ কথাই গুৰুদুজনাৰ সৃষ্টি কৰ্মক অধিক প্ৰাণস্পৰ্শী কৰি তুলিছে।

'গুৰু-চৰিত-কথা' পুথিখনিত গীতবোৰৰ যি উল্লেখ আছে সেইবোৰ খণ্ডিত ৰূপৰ। কৰবাত দেখা গৈছে-- 'ধ্ৰুং' অংশটিৰ উল্লেখ আছে; ক'ৰবাত 'ধ্ৰুং' অংশটিৰ দুটা বা এটা শব্দৰহে উল্লেখ আছে; ক'ৰবাত আকৌ মাজৰ এফাঁকি পদৰে গীতটোৰ উল্লেখ কৰা হৈছে। আমাৰ ধাৰণা, বক্তাৰ স্মৃতিৰ মণিকোঠাত হয়তো গোটেইটো গীতেই আছে, প্ৰাত্যাহিক জীৱনৰ কথিত গদ্যময় ৰূপত ব্যাঘাত ঘটিব বুলি নাইবা সংগীতৰ মূৰ্চ্ছনাত গুৰুস্মৃতি বাধাগ্ৰস্ত হ'ব বুলি ভাবি গোটেইটো গীত উল্লেখ কৰা নাই। মন কৰিবলগীয়া, চৰিত পুথিখনিৰ বক্তাৰ স্মৃতিশক্তি ইমানেই প্ৰখৰ যে-- তেওঁ গীতসমূহৰ ৰাগপৰ্যন্ত উল্লেখ কৰিছে। অৱশ্যে কথিত ক্ৰমত গীতৰ 'ধ্ৰুং' অংশটোৰ দুই এটা শব্দ ইফাল-সিফাল ঘটিছে, তেনেকৈ দফা নং- ৭৯৯ত 'কেছে নৰহৰি তৰনি উপাই' গীতটো মাধৱদেৱ গুৰুজনাৰ বুলি দেখুওৱা হৈছে যদিও 'বৰগীত' গ্ৰন্থত শঙ্কৰ গুৰুজনাৰ সৃষ্টিৰ তালিকাতহে অন্তৰ্ভুক্ত হৈছে। অৱশ্যে এনেবোৰ প্ৰসাদ বক্তাৰ নে লিপিকাৰৰ তাক সঠিককৈ ক'ব পৰা নাযায়।■■


সহায়ক গ্ৰন্থপঞ্জী ঃ

ড° মহেশ্বৰ নেওগ ঃ (সম্পাদিত) গুৰু-চৰিত কথা, ১৯৮৭

হৰিনাৰায়ণ দত্তবৰুৱা ঃ (সম্পাদিত) বৰগীত, ১৯৮৬

ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮৯

ড° কেশৱানন্দ দেৱগোস্বামী ঃ বৰগীত পৰম্পৰা আৰু পৰিবেশন পদ্ধতি, ১৯৯৭

ড° মুকুল চক্ৰৱৰ্তী ঃ গুৰু-চৰিত-কথাৰ ৰূপ-ৰস, ২০০৮



**লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা।**

# প্ৰসঙ্গ ঃ কীৰ্ত্তন পুথিত ভক্তিৰ মাহাত্ম্য

শ্ৰীচিত্ৰজিৎ শইকীয়া

কীৰ্ত্তন-ঘোষা মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত এখনি ভক্তিতত্ত্ব প্ৰকাশক অমূল্য গ্ৰন্থ। এই কীৰ্ত্তন-ঘোষা মহাপুৰুষীয়া ধৰ্মৰ আধাৰ স্বৰূপ। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰধানকৈ ভক্তি প্ৰধান। ভক্তিৰ দ্বাৰা যে সহজতে পৰমপুৰুষ ভগৱানক পাব পাৰি এই কথা গুৰুজনাই প্ৰচাৰ কৰিছিল। তেওঁৰ সমস্ত সাহিত্য কৰ্মৰে মূল সুৰ হৈছে ভক্তিৰ মাহাত্ম্য। আমাৰ আলোচ্য কীৰ্ত্তন-ঘোষাও ইয়াৰ ব্যতিক্ৰম নহয়।

সংস্কৃত 'ভজ্' ধাতুৰ পৰা 'ভক্তি' শব্দটো নিষ্পন্ন হৈছে। 'ভজ্' ধাতুৰ অৰ্থ হৈছে 'সেৱা কৰা'। অৰ্থাৎ ঈশ্বৰ সেৱা। ঈশ্বৰৰ প্ৰতি গভীৰ আকৰ্ষণেই ভক্তি। আনহাতে ভক্তিয়েই হৈছে ঈশ্বৰক পাবৰ প্ৰধান উপায়। ভক্তিৰ ক্ষেত্ৰত কোনো জাতি, বৰ্ণৰ ভেদ নাই। মানৱ মাত্ৰেই ভক্তিৰ পথ গ্ৰহণ কৰিব পাৰে।

ব্ৰহ্মতত্ত্ব বা বেদান্তৰ দৰ্শন কীৰ্ত্তন-ঘোষাৰ ভক্তিতত্ত্বৰ দাৰ্শনিক ভিত্তি। সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ মূল আধাৰস্বৰূপ এক পৰম শক্তি সৰ্বদা বিৰাজমান। এই শক্তি অদৃশ্য, অক্ষয় আৰু সৰ্বশক্তিমান। এই শক্তিয়েই বেদান্তৰ ব্ৰহ্ম। কীৰ্ত্তন-ঘোষাৰ প্ৰতিটো খণ্ডতে ব্ৰহ্মতত্ত্বৰ প্ৰসংগ স্পষ্ট কৰি তোলা পৰিলক্ষিত হয়। 'কীৰ্ত্তন ঘোষা'ৰ বেদস্তুতি অধ্যায়ত পৰমব্ৰহ্ম ভগৱন্তৰ স্বৰূপ আলোচনা কৰা হৈছে--

তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসন্ত।
জগততে সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত।। পদ-১৬৬২

কীৰ্ত্তনৰ 'হৰমোহন' খণ্ডত ব্ৰহ্মক সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ আধাৰ বুলি কৈছে। সেইদৰে 'প্ৰহ্লাদ চৰিত', 'ৰাসক্ৰীড়া', 'বেদস্তুতি' আদি খণ্ডতো বেদান্তৰ ব্ৰহ্মবাদকে সমৰ্থন কৰা দেখা যায়। বেদান্তৰ ব্ৰহ্মবাদৰ দৰে মায়াবাদৰ বিষয়েও শঙ্কৰদেৱে কীৰ্ত্তনৰ বিভিন্ন খণ্ডত গুৰুজনাই জনসাধাৰণৰ বোধগম্যকৈ প্ৰাঞ্জল ব্যাখ্যা আগবঢ়াইছে। কীৰ্তনৰ 'অজামিল উপাখ্যান'ত অজামিলে মায়াৰ প্ৰভাৱত বিষয় বাসনাৰ বোকাত নিকাৰ ভুঞ্জিব লগা হৈছে, 'প্ৰহ্লাদ চৰিত' খণ্ডত প্ৰহ্লাদৰ পিতৃ হিৰণ্যকশিপুৱে মায়া-মোহত আসক্ত হৈ ঈশ্বৰক শত্ৰুতা কৰিছে, তেনেকৈ 'গজেন্দ্ৰ উপাখ্যান' খণ্ডৰ কাহিনীৰ মাজেদিও মায়াৰ প্ৰভাৱ শঙ্কৰদেৱ সহজবোধ্য ৰূপত দাঙি ধৰিছে। মায়াৰ সৰ্বগ্ৰাহী প্ৰভাৱৰ পৰা নিস্তাৰ পাবলৈ ব্ৰহ্ম-জ্ঞানৰ আৱশ্যক। একমাত্ৰ ভগৱানৰ চৰণত শৰণ লৈয়ে সংসাৰ নিকাৰৰ পৰা হাত সাৰিব পাৰি-- এয়াই কীৰ্ত্তন-ঘোষাৰ মূল বক্তব্য। ভক্তিৰ স্বৰূপ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে কীৰ্ত্তন পুথিৰ বিভিন্ন অংশত ব্যাখ্যা আগবঢ়োৱা হৈছে। 'প্ৰহ্লাদ চৰিত' খণ্ডত নৱবিধ ভক্তিৰ কথা পোৱা যায়। এই নৱবিধ ভক্তিকে নৱ বৈষ্ণৱ ধৰ্মত মুখ্য ভূমিকা দিয়া হৈছে--

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।।

এই ভক্তিত্ত্বই সমগ্ৰ কীৰ্ত্তন-ঘোষাতে প্ৰাধান্য লাভ কৰিছে। কীৰ্ত্তনৰ প্ৰতিটো খণ্ডৰ যোগেদিয়েই ভক্তি যে জীৱৰ মোক্ষৰ সৰ্বোত্তম মাধ্যম সেইকথা প্ৰতিপন্ন কৰা হৈছে।

ভক্তিতত্ত্বত শ্ৰৱণ আৰু কীৰ্ত্তন ভক্তিয়েই শ্ৰেষ্ঠ। অমৃতৰ দৰে মধুৰ হৰিনাম শ্ৰৱণৰ দ্বাৰা জ্ঞান আৰু ভক্তিৰ গৰাকী হৈ ভক্তৰ হৃদয় পৱিত্ৰ হয়। শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষাৰ 'বেদস্তুতি'ত শ্ৰৱণ-কীৰ্ত্তন মাহাত্ম্য প্ৰকাশ কৰি কৈছে--

তুমিসি পৰম তত্ত্ব জানি জ্ঞানীগণে।
ছাড়ে পাপ তযু গুণ শ্ৰৱণ কীৰ্ত্তনে।।
আনন্দ ব্ৰহ্মক যিটোজনে ভজে স্বামী।
তাহাৰ মহিমা আৰ কি কহিবো আমি।।১৬৫২
মনুষ্য শৰীৰ পায়া যিটো নৰগণ।
নকৰে তোমাৰ যদি শ্ৰৱণ কীৰ্তন।।
বিফলে জনম গৈল ভৈল সৰ্বনাশ।
জীৱন্ততে মৰা সিটো ভাথিৰ নিশ্বাস।।১৬৫৩

শাস্ত্ৰ অধ্যয়ন কৰি যি পৰম তত্ত্ব লাভ কৰিব পাৰি, সি শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা অনায়াসে লব্ধ--

জ্ঞান অভ্যাসকো কহো নেদেখি বিশেষ।
শ্ৰৱণ কীৰ্ত্তন তৰৈ সংসাৰৰ ক্লেশ।।১৬৫৭

মহাপুৰুষীয়া ধৰ্মৰ প্ৰকৃতি হ'ল দাস্য। স্বামীৰ প্ৰতি দাসৰ যেনে ভক্তি আৰু অনুৰক্তি থাকে, ভগৱানৰ প্ৰতিও ভক্তৰ অনুৰাগ অনুৰূপ হোৱা উচিত। ভক্তই একান্ত মনে ভগৱানৰ দাস বুলি নিজকে ভাৰি ভগৱানৰ নাম স্মৰণ, কীৰ্ত্তন কৰিলে মোক্ষ লাভ কৰে। কীৰ্ত্তন ঘোষাত এইদৰে কৈছে--

তোমাৰ অদ্বৈত ৰূপ পৰম আনন্দ পদ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰ দাস জানি আৰে নৰহৰি
আমাৰ নেড়িবা কদাচিত।।১৬৬৯

নিজকে দাসৰো দাস বুলি ভাৰি প্ৰকৃত ভক্তসকলে ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰে।

পৰম ব্ৰহ্মস্বৰূপ ঈশ্বৰত শৰণ ল'লে যে জীৱৰ মোক্ষ প্ৰাপ্তি হয় সেই কথা কীৰ্ত্তনৰ সকলোবোৰ খণ্ডতে বিবিধ প্ৰকাৰে কোৱা হৈছে। কীৰ্ত্তনৰ 'গজেন্দ্ৰ উপাখ্যান'ত গজেন্দ্ৰই শেষত ঈশ্বৰৰ চৰণত শৰণ লৈহে মুক্তি পাইছে। সেইদৰে 'নাৰদৰ কৃষ্ণ-দৰ্শন' 'বিষ্ণুপুত্ৰ আনয়ন' আদিৰ মাজেদিও ঈশ্বৰত শৰণৰ মাহাত্ম্যকে প্ৰতিপন্ন কৰা হৈছে।

শঙ্কৰদেৱৰ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ এক অন্যতম বৈশিষ্ট্য হৈছে জাতিভেদহীনতা। হৰিভক্তৰ মনত জাতি-ভেদ, উচ্চ-নীচৰ পাৰ্থক্য নাথাকে। যিকোনো লোকেই হৰিৰ কৃপাৰ পাত্ৰ হ'ব পাৰে কীৰ্ত্তনৰ 'অজামিল উপাখ্যান'ত ইয়াৰ উদাহৰণ পোৱা যায়।

জাতি-কুল-ক্ৰিয়া সমস্তে তেজিল
মিলিল কৰ্ম-বিপাক।
যত মহাপাপ সমস্ত সিজিল
পোষন্তে পুত্ৰ-ভাৰ্য্যাক।।১৭৫

ভগৱানৰ নাম 'শ্ৰদ্ধায়ে হেলায়ে লৈয়া'ও যে মুক্তি পাব পাৰি, এই আখ্যানভাগত সেই কথাই ব্যক্ত হৈছে। ভক্তিবাদী আদৰ্শত ভকতৰ শ্ৰেষ্ঠত্ব কীৰ্ত্তন-ঘোষাত এনেদৰে প্ৰতিপন্ন হৈছে--

তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পুণ্য সেহি তীৰ্থস্থান।
তোমাৰ অমৃত কথা ধাৰায়ে বহয়ৈ যথা
তাক যিটো জনে কৰ পান।।১৬৬৮

শঙ্কৰদেৱৰ ধৰ্মত ঈশ্বৰ ভক্তিকেই সৰ্বোত্তম পন্থাৰূপে দেখুওৱাৰ লগতে শ্ৰেষ্ঠতম মাধ্যমৰূপে দেখুওৱা হৈছে ঈশ্বৰৰ নামক। শঙ্কৰদেৱে কীৰ্ত্তনৰ সমগ্ৰতাৰ মাজেদি নাম মাহাত্ম্যৰ গুৰুত্ব সহকাৰে ব্যাখ্যা আগবঢ়াইছে। 'অজামিল উপাখ্যান' খণ্ডত নাম মাহাত্ম্য বখানি কৈছে--

মাধৱৰো মতি হোৱৈ তাক প্ৰতি
যি ফুৰৈ নাম সুমৰি।
ইটো মোৰ দাস নছাড়ন্ত পাশ
ৰাখিয়া ফুৰন্ত হৰি।।১৮৩

মন শুদ্ধ কৰি ভক্তই নামৰ সহায়েৰে নিজৰ হৃদয়ত ভগৱানৰ উপলব্ধি কৰিব পাৰে। এই হৰিনামৰ শ্ৰৱণ, কীৰ্ত্তন বা স্মৰণৰ ফলতেই জীৱৰ সংসাৰৰ পৰা নিৰ্বাণ প্ৰাপ্ত হয়। তদুপৰি নামৰ অপৰাধৰ পৰা হাত সৰাৰ একমাত্ৰ উপায় হৈছে হৰিনাম সততে কীৰ্ত্তন কৰা--

নামৰ দ্ৰোহী যিটো পাপী নৰ।
সততে ফুৰৈ হৰি নাম গাই।।
তেৰেসে নামৰ দ্ৰোহ এড়াই।।৬১।।

নামৰ উচ্চাৰণ আৰু শ্ৰৱণৰ দ্বাৰা শুদ্ধ হোৱা হৃদয়তহে চৈতন্যস্বৰূপ ভগৱন্তৰ উপলব্ধি হয়-- ভক্তিতত্ত্বৰ এই গূঢ়াৰ্থ শঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষাৰ মাজেৰে প্ৰকাশিত হৈছে। শঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষাৰ মূলতঃ গভীৰ ভক্তিবাদী গ্ৰন্থ। সেইবাবে ভক্তিৰ মাহাত্ম্য প্ৰকাশতহে শঙ্কৰদেৱে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়। কীৰ্ত্তনত বেদান্তৰ গভীৰ দাৰ্শনিক তত্ত্ববোৰক জটিল ৰূপত ৰখাৰ পৰিৱৰ্তে লোক সাধাৰণৰ মনক ভক্তিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যত্ন কৰা হৈছে।

শঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষাৰ ভক্তিৰ মাহাত্ম্যৰ প্ৰসঙ্গত আলোচিত কথাখিনিৰ মাজেদি এটা কথা স্পষ্ট হৈ পৰিল যে, ঈশ্বৰত ভক্তি কৰিবলৈ হ'লে এই বিশ্বব্ৰহ্মাণ্ডৰ মূল আধাৰ যে সৰ্বশক্তিমান এক আৰু অখণ্ড ব্ৰহ্ম এই কথা প্ৰথমে উপলব্ধি কৰিব পাৰিব লাগিব। তাৰ পিছতে মায়ামোহাৱিষ্ট এই সংসাৰৰ পৰা নিকাৰ লাভ কৰিব পাৰিলেহে যে ভকতি সাৰ্থক হ'ব, সেই কথা বুজি পাব লাগিব। সেইদৰে পৰম জ্ঞান আৰ্জিত হ'লহে ঈশ্বৰত একান্ত শৰণ সম্ভৱ হয় আৰু ভগৱানৰ নাম শ্ৰৱণ, কীৰ্ত্তন, স্মৰণৰ জৰিয়তেহে ভগৱানক পাব পাৰি। এই জ্ঞানময় এক শৰণেই শঙ্কৰদেৱৰ ভক্তিতত্ত্বৰ সাৰ কথা।■■


প্ৰসঙ্গ পুথি ঃ

১. ড° কেশৱানন্দ দেৱগোস্বামী (সম্পা.) ঃ 'কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা' বাণী মন্দিৰ, ডিব্ৰুগড়, ১৯৮২।

২. ড° কৰবী ডেকা হাজৰিকা ঃ 'অসমীয়া সাহিত্যৰ ৰূপ-ৰস', বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, জানুৱাৰী, ১৯৮৬, চতুৰ্থ প্ৰকাশ (সংশোধিত), ১৯৯৮।

৩. ড° ইন্দিৰা শইকীয়া বৰা ঃ 'বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন', বাণী মন্দিৰ, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, জুন, ২০০৫।

৪. ড° প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ 'ধৰ্ম আৰু দৰ্শন', প্ৰিন্ট-টেক পাব্লিছাৰ্চ, ডিব্ৰুগড়-৩, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০০২।

ঃ 'ধৰ্ম আৰু সাহিত্য সংস্কৃতি', কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়-৩, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০৩।

৫। পদ্ম ৰাজবংশী ঃ 'ভক্তি সাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন', আদৰণী সমিতি, ষষ্ঠ সপ্ততিতম্ অধিবেশন, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মহাপুৰুষ মাধৱদেৱ ক্ষেত্ৰ, নলবাৰী, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০০৭।



লেখক দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা


- **আলু কাটি কিছুসময় থৈ দিলে ক'লা পৰি যায়। তেনে নহ'বলৈ কিছুসময় পানীত ডুবাই থ'ব লাগে।**
- **ইস্ত্ৰি কৰি থাকোতে কাপোৰ জ্বলি ক'লা দাগ পৰিলে পিয়াজৰ ৰস জ্বলা অংশত কিছুসময় লগাই থৈ ধুই পেলালে দাগ নাইকিয়া হয়।**
- **কফিৰ সোৱাদ বৃদ্ধি কৰিবৰ বাবে কফিৰ কাপত ক'ক পাউদাৰ বা যিকোনো চক্‌লেট পাউদাৰ মিহলাই ল'ব পাৰে।**
- **খালি হোৱা ধূপৰ পেকেটটো পেলাই নিদি আলমাৰীৰ কাপোৰৰ ভাঁজত ৰাখিলে আলমাৰীটো সুগন্ধি হৈ থাকিব।**
- **কেঁচা অমিতা কাগজেৰে মেৰিয়াই থ'লে বহুদিনলৈ ভালে থাকে।**

# বৈষ্ণৱ ধৰ্মত সাহিত্য আৰু প্ৰেম

**শ্ৰীকবিতা গগৈ**

মানুহৰ ভাবানুভূতি প্ৰকাশৰ প্ৰধান মাধ্যম হৈছে সাহিত্য। মানৱ সভ্যতাৰ বিকাশৰ সময়ৰেপৰা সাহিত্যৰ জৰিয়তে ব্যক্তিৰ মনত উদয় হোৱা বিচিত্ৰ অনুভৱ উপলব্ধি তথা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰকাশ ঘটি আহিছে। বিশ্বৰ সকলো ভাষাতেই প্ৰথম অৱস্থাত মৌখিক ৰূপত আৰু লিপি আৱিষ্কাৰৰ পিছত লিখিত ৰূপত সাহিত্য সৃষ্টি হৈ অহাটোও সৰ্বজনবিদিত। (অৱশ্যে লিপি আৱিষ্কাৰৰ পিছত যে মৌখিক সাহিত্য সৃষ্টি হোৱা নাই, এনে নহয়।) মৌখিক বা বাচিক ৰূপতেই হওক বা লিখিত ৰূপতেই হওক সাহিত্যৰ এক বৃহৎ অংশৰ মূল চালিকা শক্তি হৈছে প্ৰেম। কাৰণ প্ৰেম হৈছে এক শাশ্বত অনুভৱ-- এক বিৰল অভিজ্ঞতা আৰু অভিনৱ সৃজনী শক্তিৰ মূল প্ৰেৰণা। কবিৰ ভাষাতো প্ৰতিধ্বনিত হৈছে প্ৰেমৰ সৰ্বগ্ৰাসী স্বৰূপ-- 'প্ৰেমত ফুলিছে শতদল/ প্ৰেমত ঘূৰিছে ভূ-মণ্ডল।' বৈদিক সাহিত্যৰ পৰা আৰম্ভ কৰি আধুনিক সৃষ্টিশীল সাহিত্যলৈকে সকলো সাহিত্যকে যেন প্ৰেমেই আচ্ছন্ন কৰি ৰাখিছে। মাথোন এই প্ৰেমৰ স্বৰূপ আৰু প্ৰকাশ ক্ষেত্ৰতে ভিন্ন। ড° বাণীকান্ত কাকতিৰ এটি অতি মূল্যৱান মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য-- 'জুহালৰ এঙ্গাৰ আৰু বহুমূলীয়া হীৰা হেনো ৰসায়ন বিশ্লেষণত একেই পদাৰ্থ। কেৱল তাপ আৰু হেঁচাৰ তাৰতম্য অনুসাৰে দুইৰো বাস্তৱ প্ৰকৃতি আৰু গুণৰ ভেদভাৱ ওপজে। প্ৰেমৰ পোৰণি শক্তিৰ প্ৰভাৱতো একে তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ চটফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে উদ্বোধনী প্ৰজ্ঞান বস্তি। ই তেজ-মঙহৰ খন্তেকীয়া ফৰফৰণি নাইকিয়া কৰি অপাৰ্থিৱ সৌন্দৰ্য আৰু আনন্দৰ প্ৰতি উদ্যম সঞ্চাৰ কৰে।'

বিশ্ব সাহিত্যৰ অনেক অংশ প্ৰেমৰ চিত্ৰণেৰে বহু বৰ্ণময়। ভাৰতীয় সাহিত্যতো বেদৰ বুকুতে (ঋগ্বেদৰ এটি সূক্তত উল্লেখ থকা ঋষি অৰ্চনানসৰ পুত্ৰ শ্যাবাশ্বৰ প্ৰণয় প্ৰসঙ্গ) প্ৰেমক কেন্দ্ৰ কৰি কাহিনী সৃষ্টি হৈছে। সংস্কৃত সাহিত্যত মহাকবি কালিদাসৰ হাতত সৃষ্টি সাহিত্য সম্ভাৰত প্ৰেমৰ অভিনৱ স্বৰূপ প্ৰকাশ পাইছে। কালিদাসক অনুসৰণ কৰি ধোয়ী, কৃষ্ণ সাৰ্বভৌম, ৰূপ গোস্বামী, মাধৱ কৱীন্দ্ৰ আদিয়েও ৰচনা কৰিলে বিখ্যাত প্ৰণয়কাব্য। সহজীয়া বৈষ্ণৱ কবি চণ্ডীদাসৰ কাব্যৰ মূল প্ৰেৰণাও মূলতঃ প্ৰেমেই। ইটালীৰ মহাকবি ডাণ্টেৰ প্ৰেম জগত বিখ্যাত। গ্ৰীক ট্ৰেজেদি বা শ্বেক্সপীয়েৰীয়ান ট্ৰেজেদিৰো অধিকাংশতে আছে প্ৰেমৰেই জটিল প্ৰকাশ। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যত প্ৰেমেৰেই সিক্ত। মুঠতে যুগে যুগে প্ৰেমৰ বিচিত্ৰ প্ৰকাশে সাহিত্যক ৰমণীয় কৰি আহিছে। অসমৰ বৈষ্ণৱ সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়; মাথোন প্ৰেমৰ স্বৰূপহে ভিন্ন।

অসমৰ জাতীয় জীৱনৰ মহাগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ সময়ছোৱা আছিল এক জটিল সময়; সমাজ-জীৱন আছিল নানা কু-সংস্কাৰ আৰু অৰ্থহীন নীতি-আচাৰেৰে আচ্ছন্ন তথা শ্ৰেণী-ভেদৰ বৈষম্যৰে খণ্ডিত আৰু বিপৰ্যস্ত। এনে এক বহুধা বিভক্ত সমাজ জীৱনক উচিত পথৰ সন্ধান দিবলৈ গুৰুজনাই মহান মানৱতাবাদী দৃষ্টিভঙ্গী সম্ভূত একশৰণ নাম-ধৰ্মকেই প্ৰধান উপায় হিচাপে অৱলম্বন কৰিছিল। ধৰ্মীয় অনুশাসনৰ জৰিয়তে গুৰুজনাই তদানীন্তন অসমৰ মানুহক এটা সুস্থ, সবল পৰিশীলিত জীৱনবোধৰ ধাৰণা দি এক আদৰ্শাত্মক মহাজীৱনৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। কিন্তু সেই সময়ত অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বসাধাৰণ মানুহ ধৰ্মৰ তাত্ত্বিক কথাবোৰ পোনপটীয়াকৈ বুজিবলৈ সক্ষম হৈ উঠা নাছিল। সেয়ে গুৰুজনাই ধৰ্ম প্ৰচাৰৰ মাধ্যমৰূপে সাহিত্যকেই

গ্ৰহণ কৰিছিল। কাৰণ গুৰুজনাই অনুভৱ কৰিছিল-- সাহিত্যত অন্তৰ্নিহিত যি কলাধৰ্ম, তাৰ দ্বাৰা মানুহক মনোৰঞ্জন প্ৰদান কৰাৰ লগতে সনাতন মানৱীয় প্ৰমূল্যসমূহৰ উদ্‌ঘাটনতো সহায় কৰি মানুহক ঈশমুখী কৰি তুলিব পৰা যায়। কাহিনীৰ জৰিয়তে শ্ৰৱণ কীৰ্তনৰ দ্বাৰা ভক্তি তাত্ত্বিক কথাবোৰ যিমান সহজে হৃদয়ঙ্গম কৰিব পাৰি, তুলনামূলকভাৱে আন উপায়ক হয়তো গুৰুজনাই সিমান গুৰুত্বপূৰ্ণ বুলি ভাবিব পৰা নাছিল। ইয়াৰ দ্বাৰা ধৰ্মীয় উদ্দেশ্য পূৰণ হোৱাৰ লগতে সাংস্কৃতিক ক্ষেত্ৰতো এক জাগৰণ সৃষ্টি কৰাত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল। তদুপৰি তেওঁ ইয়াৰে অসমৰ সাহিত্য সংস্কৃতিৰ ইতিহাসত নোহোৱা-নোপজা নাট্য-সাহিত্য, বৰগীতৰ দৰে উচ্চাঙ্গ ৰাগ-সংগীত, অভিনয় কলা, নৃত্য আদিৰো শুভাৰম্ভ কৰি অসমীয়া সাহিত্যৰ প্ৰথম শক্তিশালী বুনিয়াদ গঠন কৰিলে। যদিও প্ৰাক্-শঙ্কৰী যুগতেই অনুবাদৰ জৰিয়তে অসমীয়া বিকাশৰ ধাৰা আৰম্ভ হৈছিল। তথাপি শঙ্কৰদেৱৰ হাততহে অসমীয়া সাহিত্যৰ প্ৰায়বোৰ দিশৰে উন্মোচন ঘটিল।

অসমৰ বৈষ্ণৱ সাহিত্য সৃষ্টিত মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰিয়তম শিষ্য মাধৱদেৱেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰাণ গুৰুৰ পদাংক অনুসৰণ কৰি গুৰুজনাৰ প্ৰেৰণাতেই মাধৱদেৱেও কাব্য, নাট, গীত, তত্ত্বমূলক ৰচনাৰে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত বিশেষ ভূমিকা পালন কৰাৰ লগতে অসমীয়া সাহিত্যলৈয়ো নজহা-নপমা অৱদান আগবঢ়ালে। মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন' আৰু 'দশম'ৰ লগতে মাদৱদেৱৰ 'নাম-ঘোষা' আৰু 'ভক্তি-ৰত্নাৱলী'-- এই চাৰিখনি গ্ৰন্থ বৈষ্ণৱ আদৰ্শৰ মূল চাৰিটি খুটি। ইয়াতেই নিহিত হৈ আছে গুৰুজনাৰ একশৰণ নাম-ধৰ্মৰো মূল তাৎপৰ্য।

মহাপুৰুষ দুজনাৰ সাহিত্য মূলতঃ অনুবাদমূলক; কিন্তু অনুদিত ৰচনা তথা আধ্যাত্মিক বিষয়বস্তু সম্বলিত সাহিত্য হ'লেও সাহিত্যিক দৃষ্টিকোণৰ পৰাও এইসমূহ অনুপম সৃষ্টি। কাৰণ ইয়াৰ মাজত অন্তঃসলিলা ৰূপত বৈ থকা ভক্তিৰ খৰস্ৰোতা ধাৰাটিৰ বাহিৰে আছে সাহিত্যৰ সৌন্দৰ্যতত্ত্ব সম্পৰ্কীয় অনেক সমল। গুৰুজনাৰ সাহিত্যৰ ছত্ৰে ছত্ৰে জিলিকি আছে-- অপৰূপ নৈসৰ্গিক শোভা, ছন্দ-অলংকাৰৰ কুশলী প্ৰয়োগ আৰু নৱৰসৰ 'পাৰ উপচা সম্ভাৰ'।[১]

ভাৰতীয় পৰম্পৰাত সাহিত্যৰ বুকুত প্ৰকৃতিৰ গুণ-গান প্ৰাচীন সংস্কৃত সাহিত্যসমূহৰ পৰাই চলি আহিছে। মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাতো প্ৰকৃতিৰ বৰ্ণনাই অনেক ঠাই আগুৰি আছে। বিশেষকৈ দশম আৰু কীৰ্ত্তনৰ 'প্ৰকৃতি অতিশয় জীৱন্ত আৰু অনুভূতিৰ স্তৰত ই পাঠকৰ হৃদয় মন দোলায়িত কৰি যায়।' দশমৰ বৰ্ষা আৰু শৰত ঋতুৰ বৰ্ণনা কীৰ্ত্তনৰ 'হৰমোহন'ত বৰ্ণিত মোহনীয় প্ৰকৃতি চিত্ৰ তথা 'ৰাসক্ৰীড়াৰ চন্দ্ৰালোকিত বৃন্দাবনৰ স্নিগ্ধ সৌন্দৰ্যৰ বৰ্ণনাই এক অনন্য মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে।' ৰূপকৰ চলেৰে ভক্তিতত্ত্বৰ প্ৰকাশ ঘটোৱাৰ বাবেই গুৰুজনাৰ ৰচনাত বৰ্ণিত প্ৰকৃতিও তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে আৰু ই মৌলিক ৰচনাৰ দৰেই উপাদেয় হৈ উঠিছে।

কেৱল প্ৰকৃতি বৰ্ণনাই নহয়, মহাপুৰুষ দুজনাৰ সমগ্ৰ সাহিত্যৰেই ঘাই আৱেদন ইয়াৰ বিষয়বস্তুৰ মাজেৰে সঞ্চাৰিত হোৱা ৰস। আধ্যাত্মিক তত্ত্ব প্ৰধান ৰচনা হ'লেও মহাপুৰুষ দুজনাৰ ৰচনাত শৃংগাৰ, কৰুণ, হাস্য, বীৰ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক, শান্ত-- এই কেউবিধ ৰসৰেই প্ৰকাশ ঘটা দেখা যায়। নক'লেও হয় যে, মহাপুৰুষ দুজনাৰ সাহিত্য উদ্দেশ্যধৰ্মী। ইয়াৰ প্ৰধান উদ্দেশ্য-- সাহিত্যৰ মাজৰে ভক্তিৰসৰ সঞ্চাৰ কৰি পাঠক-শ্ৰোতাক ভক্তিধৰ্মৰ প্ৰতি আকৰ্ষিত কৰা। সেয়ে তেওঁলোকৰ সাহিত্যৰ মূল ৰস শান্ত বা ভক্তিহে। সেই বুলি অন্যান্য ৰসৰযে প্ৰকাশ ঘটা নাই, এনে নহয়। পৰিস্থিতি আৰু বিষয় অনুযায়ী মহাপুৰুষ দুজনাৰ কাব্য, নাট, গীত সকলোতে নৱৰসৰ সুষম প্ৰকাশ কৰিছে; কিন্তু এই সকলো ৰসেই শেষত ভক্তিৰসতেই নিমজ্জিত হৈছে।

মহাপুৰুষ দুজনাৰ সৃষ্ট সাহিত্যৰ ভাষা-ৰীতিও মন কৰিবলগীয়া। বিবিধ ছন্দ আৰু অলংকাৰে তাঁৰাসৰৰ ছবি, দুলড়ী, ঝুমুৰা আদি ছন্দৰ ব্যৱহাৰে মহাপুৰুষ দুজনাৰ ৰচনাৰ আংগিক সৌষ্ঠৱ বৃদ্ধি কৰিছে। বৰ্ণনীয় বিষয় অনুযায়ী ছন্দৰ প্ৰয়োগো পৃথক হোৱা দেখা যায়। বিষয়বস্তুৰ সাধাৰণ বৰ্ণনাত পয়াৰ আৰু দুলড়ী, বৰ্ণনাৰ

ক্ষেত্ৰত ঝুমুৰী ছন্দৰ সুপ্ৰয়োগ লক্ষ্য কৰা যায়।[২] বিবিধ ওজস্বী ছন্দৰ লগে লগে বিচিত্ৰ অলংকাৰৰ প্ৰয়োগে মহাপুৰুষৰ সাহিত্য ৰমণীয় কৰি তুলিছে। বিশেষকৈ মহাপুৰুষ দুজনাৰ ৰচিত কাব্য আৰু নাটসমূহত শব্দাংলকাৰ আৰু অৰ্থালংকাৰৰ সুসমন্বয় পৰিলক্ষিত হয়। অনুপ্ৰাস, অন্ত্যানুপ্ৰাস, ছেকানুপ্ৰাস, যমক আদি শব্দালংকাৰ আৰু উপমা, ৰূপক আদি অৰ্থালংকাৰৰ সমাহাৰত মহাপুৰুষ দুজনাৰ বৰ্ণনা শৈলীক এটা বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। কিন্তু এটা কথা অৱশ্যে লক্ষণীয় যে, মহাপুৰুষ দুজনাৰ দ্বাৰা সৃষ্ট সাহিত্যসমূহৰ মাজেৰে উপলব্ধ হোৱা নৈসগিক চেতনাই হওক বা ৰসোপলব্ধিয়েই হওক, তাৰাসৱৰ সাহিত্য পাঠৰ পিছত পাঠকৰ হৃদয়-মন ভৰি উঠে সেই অনিৰ্বচনীয় অনুভূতিয়ে-- যি দিব পাৰে শৰতৰ জোনালী নিশাৰ স্নিগ্ধতা অথবা জোৱাৰৰ পিছৰ সাগৰৰ শান্ত-সৌম্যৰূপৰ অমেয় অনুভৱ; আৰু মনৰ সেই অৱস্থাৰ মাজত অনুপ্ৰাণিতজনে সন্ধান কৰে পৰম কল্যাণৰ ঈশজ্যোতিৰ।

প্ৰেম জীৱনৰ ভাষা, মানুহৰ সহজাত প্ৰবৃত্তি। সাহিত্যৰ জৰিয়তেই পাঠক-শ্ৰোতাই সাহিত্যত অভিব্যক্তিত প্ৰেমৰ সৈতে একাত্মীয়তা অনুভৱ কৰে। ধৰ্মক কেন্দ্ৰ ৰচিত হ'লেও মহাপুৰুষ দুজনাৰ সাহিত্যও প্ৰেম বিবৰ্জিত নহয়। প্ৰেমৰ প্ৰকাশ ইয়াতো আছে; কিন্তু এই প্ৰেম উচ্চস্তৰৰ আধ্যাত্মিক প্ৰেম, ভগৱানৰ লগত ভক্তৰ মিলনকাঙ্খ্যা প্ৰকাশক-ভগৱৎ-প্ৰেম। মহাপুৰুষ শঙ্কৰদেৱে শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, বন্দন, পদসেৱন, দাস্য, সখ্য আৰু আত্ম নিৱেদন-- এই নৱধা ভক্তিৰ ভিতৰত স্থান-কাল আৰু পাত্ৰৰ প্ৰতি লক্ষ্য ৰাখি ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত শ্ৰৱণ আৰু কীৰ্তনকেই অগ্ৰাধিকাৰ দিছিল। এই কেউবিধ ভক্তিৰ মাজেদি যি প্ৰেমৰ প্ৰকাশ ঘটিছিল-- সেয়া নিতান্তই ভগৱৎ প্ৰেম। গুৰুজনাই কীৰ্ত্তন, দশম, কাব্য আৰু নাটসমূহৰ দ্বাৰা এই ভগৱৎ প্ৰেমকেই বৰ্ণনা কৰিছে।

বৈষ্ণৱ ধৰ্মত এক ঐশ্বৰৰ সন্ধান আৰু তেওঁৰ চৰণত আত্মোৎসৰ্গই মূল চালিকা শক্তি। গতিকে ইয়াত প্ৰেমৰ দৰে লৌকিক বিষয় তথা ভাৱানুভূতিৰ স্থান শূন্য বুলিবই পাৰি। 'কীৰ্ত্তন'ৰ 'ৰাসক্ৰীড়া', 'হৰমোহন', 'ৰুক্মিণীহৰণ' কাব্য আৰু নাট, কেলিগোপাল আদিত স্থূল দৃষ্টিত লৌকিক প্ৰেমৰ প্ৰকাশ ঘটিলেও তাত্বিক দৃষ্টিত এই প্ৰেমো ভগৱৎ প্ৰেমৰেই নামান্তৰ। 'ৰাসক্ৰীড়া'ত গোপী- কৃষ্ণৰ প্ৰেমৰ মাজেৰে অহংকাৰ যে ঈশপ্ৰাপ্তিৰ পথত অন্তৰায়-- তাকেই প্ৰতিপন্ন কৰিব খোজা হৈছে। কৃষ্ণৰ সংগসুখ লাভ কৰি গোপীসকলৰ মনত অহংভাৱ উদয় হৈছে-- 'আমাৰ সম সৌভাগিনী নাই/ ভৈলন্ত অধীন যাদৱ ৰায়।।'-- গোপীসকলৰ এই ভাৱনাত উমান পাই অন্তৰ্যামী কৃষ্ণ নিমিষতে অন্তৰ্ধান হৈছে। ফলত গোপীসকলে নিজৰ ভুল বুজিব পাৰিছে আৰু অন্তৰ্দ্বন্দ্বৰ পীড়ন সহিবলগীয়া হৈছে। সূক্ষ্ম দৃষ্টিত ইয়াত গোপীসকল জীৱাত্মাৰ প্ৰতীক আৰু কৃষ্ণৰ প্ৰতি গোপীসকলৰ প্ৰেমাকাঙ্খা যেন পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ মিলনৰ আকূল আহ্বান।

'হৰমোহন'তো অমৃত মন্থনৰ অন্তত বিষ্ণুৱে মোহিনীৰূপ ধাৰণ কৰি দেৱতাক অমৃত পান কৰোৱাৰ দৃশ্য প্ৰত্যক্ষ কৰাৰ পৰা বঞ্চিত শিৱই বিষ্ণুৰ মোহিনীৰূপ চাবলৈ তীব্ৰ ইচ্ছা প্ৰকাশ কৰে। কিন্তু বিষ্ণুৱে শিৱৰ দৰে মহাযোগীৰ আগত কামিনীৰ প্ৰদৰ্শন কৰিব খোজা নাই। কাৰণ কামিনীৰ ৰূপে মহাসিদ্ধ মুনিৰো চিত্ত চঞ্চল কৰে। কাৰণ--

> 'ঘোৰ নাৰীমায়া সবে মায়াৰে কুৎসিত।
> মহাসিদ্ধ মুনিৰো কটাক্ষে হৰৈ চিত্ত।।
> দৰশনে কৰৈ তপ জপ যোগ ভঙ্গ।
> জানি জ্ঞানীগণে কামিনী কামিনীৰ এৰৈ সঙ্গ।।'

-- ৰুক্মিণীহৰণ কাব্য, পদ-৫২৮

কিন্তু শিৱ আঁকোৰগোজ। তেওঁদৰে এজন মহাযোগীক কামিনীৰ মায়াই টলাব নোৱাৰে। গতিকে বিষ্ণুৱে মোহিনীৰূপ প্ৰদৰ্শন কৰি শিৱক মোহগ্ৰস্ত কৰিছে; মোহিনীৰ ৰূপত অপৰূপ সৌন্দৰ্যৰ পোহাৰ মেলি মহাসিদ্ধ যোগী শিৱৰ প্ৰাণতো প্ৰেমবহ্নি জাগ্ৰত কৰি শিৱৰ সাময়িক স্খলন ঘটাইছে। ইয়াৰ যোগেদি ভক্তিৰ পথত যে মায়া আৰু অহংকাৰ অন্তৰায়-- তাকে দোহাৰিব খোজা হৈছে। উপৰুৱা দৃষ্টিত অশালীন যেন লাগিলেও

বিষ্ণুমায়াত মোহাবিষ্ট শিৱৰ জৰিয়তে মায়াৰ প্ৰভৱাৰ পৰা যে মহাদেৱৰ দৰে যোগীৰো নিস্তাৰ নাই-- সেই কথা প্ৰকাশ কৰাৰ লগতে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ-- এই তিনিওৰে ভিতৰত বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে। অৱশ্যে সকলো প্ৰাণীকে আত্মাসম জ্ঞানকৰা গুৰুজনাই হৰি-হৰৰ অভেদত্বও প্ৰকাশ কৰিবলৈ পাহৰা নাই—

'শুনা মহা জ্ঞানশালী তোমাৰেসে বাক্য পালি
দেখাইলো দুস্তৰ স্ত্ৰীমায়া।
আত নকৰিবা খেদ কিঞ্চিতেকো নাহি ভেদ
তোহ্মাৰে আমাৰে একে কায়া।।'

-- হৰমোহন

মহাপুৰুষ শঙ্কৰদেৱৰ অন্য এক অনুপম সাহিত্য কৃতি হৈছে 'ৰুক্মিণীহৰণ' কাব্য। হৰিবংশৰ পৰা মূল আখ্যান গ্ৰহণ কৰি তাত ভাগৱত পুৰাণৰ কথা মিশ্ৰণ ঘটাই কাব্যখনৰ কাহিনীভাগ ৰচনা কৰা হৈছে। মূলতঃ শৃঙ্গাৰ আৰু বীৰৰস প্ৰধান এই কাব্যখন উপৰুৱা দৃষ্টিত এখন লৌকিক কাব্য যেনহে অনুভৱ হয়। কাব্যৰ নায়ক কৃষ্ণ জগতৰ ঈশ্বৰ আৰু নায়িকা ৰুক্মিণী সাক্ষাৎ লক্ষ্মী যদিও শঙ্কৰদেৱে লৌকিক নায়ক-নায়িকাৰ আদৰ্শতে পূৰ্বৰাগ, মিলনৰ অন্তৰায়, মিলনৰ যত্ন, মিলনৰ প্ৰাপ্তাশো, মিলন ভঙ্গৰ আশঙ্কা, অন্তৰায় অপসাৰণ আৰু সদৌ শেষত স্থায়ী মিলন-- এই বিভিন্ন অৱস্থান্তৰৰ চিত্ৰ অংকন কৰিছে।[৫] গুৰুজনাই লোক বিনোদনৰ প্ৰতি দৃষ্টি ৰাখি কাব্যখনৰ কাহিনী ভাগত লৌকিক ৰহন সনাৰ যত্ন কৰিলেও ই প্ৰকৃতাৰ্থত লৌকিক প্ৰেমৰ কাব্য নহয়। কিন্তু ইয়াত এটা কথা দেখুৱাব খোজা হৈছে যে, ৰুক্মিণীৰ কৃষ্ণৰ লগত মিলনৰ পথ যেনেকৈ নানা সংঘাতেৰে পূৰ্ণ, ঠিক তেনেদৰে ভক্ত আৰু ভগৱানৰ মিলনৰ পথো সৰল নহয়। নানা সংঘাতৰ পিছতহে এই পৰম পদ লাভ কৰিব পাৰি। তাৰ কাৰণে লাগিব ভগৱানৰ প্ৰতি ভক্তৰ ঐকান্তিক ভক্তি। উল্লেখযোগ্য যে, গুৰুজনাৰ 'ৰুক্মিণীহৰণ' নাটতো একেই বিষয়বস্তুকে গ্ৰহণ কৰা হৈছে। কিন্তু নাটৰ বিষয়বস্তুৰ আধাৰ মূলতঃ ভাগৱত গ্ৰন্থ হোৱাৰ বাবে আৰু ভাগৱতৰ মূলতত্ত্ব ভক্তিক প্ৰাধান্য দিয়াৰ বাবে ইয়াত কল্পনা বা লৌকিক ৰহণৰ অতিৰঞ্জন পৰিলক্ষিত নহয়। নাটখনত ৰুক্মিণীক এগৰাকী প্ৰেমিকাতকৈ ভক্তাৰ ৰূপতহে অংকন কৰিবলৈ যত্ন কৰা দেখা যায়। সেয়ে 'ৰুক্মিণী হৰণ' কাব্যতকৈ নাটখনত প্ৰস্ফুটিত ভগৱৎ-প্ৰেম অধিক স্পষ্ট। ইয়াত নায়ক কৃষ্ণ আৰু নায়িকা ৰুক্মিণী সাধাৰণ মানুহ নহয়। কৃষ্ণ-ৰুক্মিণীৰ প্ৰেমৰ মাজেদি প্ৰকাশ পাইছে ভগৱৎ-প্ৰীতিৰ স্বৰূপ; যাৰ দ্বাৰা মানৱ জীৱন পৰম সুখময় হৈ উঠিব পাৰে।

গুৰুজনাই 'ৰাসক্ৰীড়া'ৰ প্ৰায় সমধৰ্মী কাহিনীৰে সৃষ্টি কৰিছে কামকেলি বা 'কেলি গোপাল' নাট। ইয়াতো গোপীসকলৰ অনুৰোধত কৃষ্ণই গোপীসকলৰ লগত ক্ৰীড়া-কৌতুক কৰাত গোপীসকলে কৃষ্ণক কাষতে পাই আত্মবিভোৰ হৈছে আৰু তেওঁলোকৰ মনত গৰ্বভাৱৰ উদয় হৈছে। গোপী-কৃষ্ণৰ নৃত্য-গীত চলি থকাৰ মাজতে শঙ্খচূড় নামৰ দৈৰ্ত্যই আহি এগৰাকী গোপী হৰণ কৰি লৈ গৈছে। গোপীগৰাকীয়ে কৃষ্ণৰ নাম ধৰি কৰা কাতৰ আহ্বানত কৃষ্ণই শঙ্খচূড়ক বধ কৰি গোপীগৰাকীক উদ্ধাৰ কৰিছে। 'কেলিগোপাল' নাটতো ৰাসক্ৰীড়াত দেখুৱাৰ দৰে ভক্তিৰ পথত গৰ্ব-অহংকাৰ যে অন্তৰায় তাক দেখুৱাৰ লগতে শঙ্খচূড় বধৰ দ্বাৰা ভগৱন্তই যে ভক্তক এক শুভ শক্তিৰ দৰে আৱৰি ৰাখে আৰু জীৱনৰ সংকট ঘণীভূত হ'লে ভগৱন্তইহে উদ্ধাৰ কৰিব পাৰে-- এই কথা ঘোষণা কৰা হৈছে।

নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ যাত্ৰাত গুৰুজনাই সৃষ্টি কৰিলে একশ্ৰেণী গীতি সাহিত্যও। তেওঁৰ গীতি সাহিত্যক প্ৰধানকৈ-- বৰগীত, ভটিমা আৰু নাটৰ গীত এই তিনিটা ভাগত ভগাব পাৰি। গুৰু বাক্য শিৰে ধৰি মাধৱদেৱেও গীত ৰচনা কৰিলে। দুজনা গুৰুৰ ৰচিত বৰগীতসমূহৰ বিষয়বস্তু, ভাষা আৰু সুৰৰ গাম্ভীৰ্য আৰু মহত্বই সমকালীন বা পূৰ্বৱৰ্তী আন সকলো গীতৰ পৰাই পৃথক কৰি এক উচ্চাসন দান কৰিলে। 'উচ্চ আধ্যাত্মিক ভাৱসম্পন্ন, নিৰ্দিষ্ট ৰাগ-তালযুক্ত-- এই বৰগীতসমূহ ঘাইকৈ পৰমাৰ্থ, লীলা, বিৰহ আৰু বিৰক্তি বিষয়ক। সংসাৰৰ অনিত্যতা আৰু জীৱন-যৌৱনৰ প্ৰতি অনাস্থাই বৰগীতসমূহৰ মূল আদৰ্শ আৰু এই অনিত্যতাৰ বিপৰীতে ভগৱানৰ চৰণত আত্মসমৰ্পণৰ ভাৱ প্ৰকটিত হৈছে।

বৰগীতসমূহৰ সাহিত্যিক সৌন্দৰ্যও লক্ষণীয়। নিৰ্দিষ্ট ৰাগ, তাল আৰু সুৰৰ ব্যঞ্জনাৰ লগতে শান্তৰসৰ প্ৰকাশে বৰগীতসমূহক অন্যান্য সকলো গীতৰ উৰ্দ্ধত স্থান দিছে। ঠিক তেনেকৈ প্ৰশস্তিমূলক গীত ভটিমাসমূহ আৰু নাটৰ গীতসমূহো মহত্বপূৰ্ণ। এই আটাইখিনি গীতৰ মাজেৰেই ঐশ্বৰিক বিষয়বস্তুৰ প্ৰকাশ ঘটাৰ লগতে ইয়াৰ মাজেৰে নিগৰি ওলাইছে মহাপুৰুষ দুজনাৰ ঈশপ্ৰেমৰ স্বৰূপ।

কেৱল বৈষ্ণৱসকলৰ মাজতেই নহয়, অসমৰ সকলো ধৰ্মাৱলম্বীৰ মাজতেই সমানে জনপ্ৰিয়তা লাভ কৰা এখনি গ্ৰন্থ হৈছে মাধৱদেৱৰ 'নাম-ঘোষা'। কাৰণ হৰিনাম, নাম-ৰত্নৰ আলোকেৰে ভগৱান আৰু ভক্তৰ সম্পৰ্কৰ কথা গাঢ় কৰিব পৰাকৈ 'নাম-ঘোষা'ত শৰণ, ভজন, উপদেশ, নমস্কাৰ, প্ৰাৰ্থনা, আত্ম উপদেশ, হৰিগুণ বস্তু প্ৰকাশ, আত্ম-নিৱেদন, খেদ-কাৰুণ্য, কৃপা, মহিমা, পৰমাৰ্থৰ সন্ধান, নিন্দা-বিৰকতি, নাম-নামান্বয়, তুতি, আশ্ৰয়, নামবস্তুৰ মহত্ব প্ৰকাশ কৰি ঈশ্বৰ নিৰ্ণয়ৰ দ্বাৰা ভগৱানৰ প্ৰকৃত মহৎ কথা ব্যক্ত কৰি মাধৱদেৱে সুন্দৰভাৱে অতি সৰল-সহজ সৰস কৰি ভগৱৎ প্ৰেমময়ৰূপত ভক্তৰ কাৰণে যুগধৰ্ম নিৰ্ণয় কৰি দিছে।[৪] নাম-ঘোষাত মাধৱদেৱে ভক্ত আৰু ভগৱানৰ প্ৰেমময় সম্পৰ্ক ব্যক্ত কৰিছে। ভগৱানৰ প্ৰতি ভক্তৰ যি ঐকান্তিক প্ৰেম সেয়া প্ৰকাশ কৰিবলৈ মাধৱদেৱে নাম-ঘোষাত কাহিনীৰ অৱলম্বন গ্ৰহণ কৰা নাই। ইয়াত যি ভগৱৎ-প্ৰেমৰ প্ৰকাশ ঘটিছে, সেয়া মাধৱদেৱৰ ভক্তপ্ৰাণৰ স্বচ্ছন্দ প্ৰকাশ। ভক্তক ভগৱানৰ প্ৰতি ভক্তিৰ বাহিৰে আন একেবাৰে প্ৰয়োজন নাই। সেই ভক্তিৰ ওচৰত মহাসিদ্ধ মুনিগণৰো পৰম আকাঙ্খা মুক্তিও তুচ্ছ। ভগৱানৰ সান্নিধ্য লাভৰ বাবে ভক্ত প্ৰাণৰ যি আকুলতা, সিয়েই ভগৱৎ প্ৰেম। (ভক্তিও প্ৰেমৰে অন্য ৰূপ; কাৰণ ভগৱানৰ প্ৰতি ভক্তৰ হৃদয় নিগৰি অহা যি গভীৰ শ্ৰদ্ধাৰ আৰু ঐকান্তিক প্ৰেম-- সিয়েই ভক্তি। মাধৱদেৱে 'ভক্তি-ৰত্নাৱলী'তো ভক্তিৰ স্বৰূপেই প্ৰকাশ কৰিছে। ইয়াত মূলতঃ ভক্তিৰ তিনিটা ধাৰা নিৰ্দেশ কৰা হৈছে-- 'ভাগৱতী ভক্তি, প্ৰেম ভক্তি আৰু ভকতৰ কেৱল ভকতি।[৫] অৱশ্যে শ্ৰৱণ কীৰ্ত্তনেই যে ভক্তি শ্ৰেষ্ঠতম পন্থা-- সেই কথা মাধৱদেৱে ইয়াতো দোহাৰিছে।

অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি মানুহক প্ৰকৃত সত্যৰ, প্ৰকৃত পথৰ সন্ধান দিবলৈ মহাপুৰুষ দুজনাই সাহিত্য সৃষ্টি কৰিছিল। এই সাহিত্যই এহাতে ধৰ্মীয় উদ্দেশ্য সাধন কৰিলে আৰু আনহাতে অসমীয়া সাহিত্যৰ সোণালী সৌধ নিৰ্মাণ কৰি পৰৱৰ্তী যুগৰ কাৰণে অবিস্মৰণীয়, মহত্তম প্ৰেৰণা আগবঢ়াই থৈ গ'ল। মহাপুৰুষ দুজনাৰ সাহিত্যৰাজিৰ মাজত নিহিত ভগৱৎ প্ৰেমৰ যি নিৰুত্তাপ সৌন্দৰ্য আৰু মহত্ব আন সকলো অৱদান বাদ দিলেও সিয়েই তাৰাসৰক চিৰস্মৰণীয় কৰি ৰাখিব।■■

**পদটীকা ঃ**

১. শইকীয়া বৰা, ইন্দিৰা (সম্পা.) ঃ মহীয়সী, সপ্তম সংখ্যা, অক্টোবৰ, ২০০৮
২. শৰ্মা, নবীন চন্দ্ৰ ঃ পুৰণি সাহিত্যৰ সুবাস, পৃষ্ঠা-৬৩
৩. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্য সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা-১২৫
৪. ভূঞা, প্ৰদীপ ঃ মাধৱদেৱৰ সাহিত্য-চিন্তা, পৃষ্ঠা-২০
৫. পূৰ্বোক্ত গ্ৰন্থ ঃ পৃষ্ঠা-৩৬
৬. শিৱনাথ বৰ্মন (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (২য় খণ্ড), পৃষ্ঠা-১৩৩

**সহায়ক গ্ৰন্থ ঃ**


১. শ্ৰীশ্ৰীশঙ্কৰদেৱ ঃ কীৰ্ত্তন, দশম, ৰুক্মিণীহৰণ কাব্য।
২. শ্ৰীশ্ৰীমাধৱদেৱ ঃ নাম-ঘোষা, ভক্তি-ৰত্নাৱলী
৩. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্য সমীক্ষাত্মক ইতিবৃত্ত, ২০০১
৪. শৰ্মা, নবীন চন্দ্ৰ ঃ পুৰণি সাহিত্যৰ সুবাস, ১৯৮৮
৫. শৰ্মা কুসুমচন্দ্ৰ ঃ বৈষ্ণৱ ভক্তিবাদ, শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা
৬. ভূঞা, প্ৰদীপ ঃ শঙ্কৰদেৱৰ তত্ত্ব সাহিত্য, ২০০৯
৭. ভূঞা, প্ৰদীপ ঃ মাধৱদেৱৰ সাহিত্য-চিন্তা, ২০০৮


**লেখিকা মৰিঢল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা প্ৰবক্তা।**

# শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত

শ্ৰীমইনা ডেকা

অসমৰ বৈষ্ণৱ পৰম্পৰা, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত বৰগীতসমূহৰ এক বিশিষ্ট আসন আছে। এই গীতসমূহৰ স্ৰষ্টা হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। একশৰণ ভক্তিধৰ্ম প্ৰচাৰৰ মুখ্য উদ্দেশ্য আগত ৰাখি মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে ৰাগ-তাল সমন্বিত একপ্ৰকাৰ আধ্যাত্মিক ভাৱাপন্ন গীত ৰচনা কৰিছিল। অসমীয়া সাহিত্যৰ এই গীতখিনিক 'বৰগীত' আখ্যা দিয়া হৈছে। অৱশ্যে মহাপুৰুষ দুজনাই তেওঁলোকৰ এই গীতসমূহক 'বৰগীত' বুলি কোৱাৰ সলনি কেৱল 'গীত' বুলি উল্লেখ কৰাহে গুৰুচৰিতত পোৱা যায়। পৰৱৰ্তী কালত তেওঁলোকৰ অনুগামী ভক্ত-কবিসকলে সমসাময়িক অন্য গীতৰ পৰা এই গীতখিনিক পৃথক বুজাবলৈ 'বৰ' বিশেষণ সংযোগ কৰে। শঙ্কৰদেৱ-মাধৱদেৱৰ সময়ৰ বহুত আগৰ পৰাই অসমত বিভিন্ন ৰাগযুক্ত গীতৰ প্ৰচলন থকাৰ উদাহৰণ পোৱা যায়। গুৰুজনাৰ সমসাময়িক দুৰ্গাবৰ, পীতাম্বৰ আদি পাচাঁলি কবিসকলেও গীত ৰচনা কৰিছিল। কিন্তু এইবিলাক গীতক 'বৰগীত' বুলি কোৱা হোৱা নাই। ইয়াৰ কাৰণ হিচাপে কব পাৰি যে 'বৰগীত' কেৱল ৰাগযুক্ত গীতেই নহয়; বিষয়বস্তু, ভাষা, সুৰ, ব্যৱহাৰৰ সীমাবদ্ধতা আদি এনেকুৱা কিছুমান বৈশিষ্ট্য বৰগীতত আছে, যিয়ে ইয়াক আন গীতৰ পৰা পৃথক কৰিছে।

বৰগীত সম্পৰ্কে কালিৰাম মেধি, দেৱেন্দ্ৰনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, ড° বাণীকান্ত কাকতি, ড° মহেশ্বৰ নেওগ, ৰাজমোহন নাথ প্ৰমুখ্যে বিশিষ্ট পণ্ডিতসকলে নিজ নিজ অভিমত ব্যক্ত কৰিছে। কালিৰাম মেধিদেৱে বৰগীতক 'মহান গীত' বা 'স্বৰ্গীয় গীত' (Great Song or Song Celestial) বুলিছে। অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জী প্ৰণেতা দেৱেন্দ্ৰনাথ বেজবৰুৱাই বৰগীতক 'পৱিত্ৰ গীত' (Holy Song) আখ্যা দিছে। ড° বাণীকান্ত কাকতিয়ে 'বৰগীতবোৰক ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত দেখি ইংৰাজ কবি হেৰিকৰ আধ্যাত্মিক ভাৱৰ কবিতাৰ আৰ্হিত বৰগীতক 'মহৎ বা মহান গীত' (Noble Numbers) বুলিছে। আনহাতে, প্ৰত্নতাত্বিক ৰাজমোহন নাথে বৰগীত নামাকৰণত সাংগীতিক দিশৰ পৰা দৃষ্টিপাত কৰি ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ 'বড়াগানা' বা 'বড়াখেয়াল'ৰ আৰ্হিত সেই নাম দিয়া হব পাৰে বুলি অনুমান কৰিছিল। অসমীয়া সাহিত্যৰ দ্বিতীয়জন বুৰঞ্জী প্ৰণেতা ডিম্বেশ্বৰ নেওগে শঙ্কৰী যুগৰ বৈষ্ণৱ আৰু অবৈষ্ণৱ সকলো কবিৰে ৰাগতালযুক্ত গীত ৰচনাসমূহকো তল পেলাই কেৱল শঙ্কৰদেৱ আৰু মাধৱদেৱৰ এটি গীতপুঞ্জকহে নিকপকপীয়াকৈ সীমা বান্ধি দিছে। তেওঁৰ মতে "শঙ্কৰ-মাধৱসকলৰ পুঞ্জীভূত ভক্তিপ্ৰসূত কল্পনাৰ ভাৱ-ভাষা আৰু সুৰেই যেন মূৰ্তি ধৰি একোটি বৰগীত হৈছে।" ড° মহেশ্বৰ নেওগৰ মতে, "বৰগীত বুলিলে শঙ্কৰদেৱ আৰু মাধৱদেৱ ৰচিত, নিৰূপিত ৰাগত পোৱা নকুৰি এঘাৰটা গীতৰ এটি থূলক বুজায়।" তেওঁ আৰু কৈছে—

"সংগীত-শাস্ত্ৰীয় কিছুমান ধৰা-বন্ধা নিয়ম মানি চলিলেই বৰগীত নহয়, বৰগীতৰ আৰু কেইটিমান বিশেষত্ব আছে। বৰগীত সাংসাৰিক জগতৰ প্ৰেম কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত, আধ্যাত্মিক ভাৱৰ উপাসনা প্ৰসঙ্গৰ গীত। তদুপৰি ই মহাপুৰুষ বিৰচিত হ'ব লাগিব। এনে প্ৰকাৰে বিবেচনা কৰিলে বৰগীতক এটা শ্ৰেণী নুবুলি এক পঞ্জী বা থুপ বোলাহে সমীচিন হ'ব যেন

লাগে।” (অসমীয়া সাহিত্যৰ ৰূপৰেখা, মহেশ্বৰ নেওগ, পৃষ্ঠা-৯৬)

চৰিতপুথি অনুসৰি শঙ্কৰদেৱে নিজে বাৰকুৰি বৰগীত ৰচনা কৰিছিল। কিন্তু এতিয়ালৈ প্ৰকাশিত ছপা পুথিবোৰত শঙ্কৰদেৱৰ মাত্ৰ চৌত্ৰিশটা বৰগীতহে পোৱা গৈছে। চৰিতপুথিত উল্লেখ আছে যে, কমলা গায়ন নামেৰে ভকত এজনে গীতবোৰ আওৰাবলৈ নিজৰ ঘৰলৈ নিওঁতে তেওঁৰ ঘৰত জুই লাগি আটাইবোৰ গীত পুৰি ছাই হ'ল। এনে অপ্ৰত্যাশিত ঘটনাত মনত বৰ আঘাত পাই গুৰুজনাই হেনো শিষ্য মাধৱদেৱক ক'লে--

“বৰাৰ পো অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে। গীত কিছু কৰা। আমি নকৰো আৰু।”

গুৰুৰ আদেশ মানি মাধৱদেৱে নকুৰি এঘাৰটা গীত ৰচনা কৰা বুলি চৰিত পুথিত উল্লেখ আছে; কিন্তু ছপা পুথিত মাধৱদেৱৰ সাতকুৰি সোতৰটা অৰ্থাৎ ১৫৭ টা গীতহে পোৱা যায়। দুয়োজনা গুৰুৰ গীত লগ লগালেহে নকুৰি এঘাৰটা অৰ্থা ১৯১ টা গীত হয়। ‘আতৈ সবৰ মুখত ৰোৱা আগে গুৰি ৰিহা গাৰি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে নকুৰি এঘাৰটা'-- এই কথাৰ পৰা অনুমান কৰিব পাৰি যে, মাধৱদেৱৰ নিজৰ ৰচনা আৰু ভকতসকলৰ মুখে মুখে কণ্ঠস্থ হৈ ৰৈ যোৱা শঙ্কৰদেৱৰ গীতৰ পংক্তিকেইটি সজাই পৰাই মুঠ নকুৰি এঘাৰটা বৰগীত এৰি থৈ যায়।

বৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে অসমৰ সমসাময়িক কবিসকলৰ দৰে শঙ্কৰ-মাধৱে কেৱল লৌকিক ৰস আস্বাদনৰ বাবে বৰগীত ৰচনা কৰা নাছিল। প্ৰধানকৈ আধ্যাত্মিক ভাৱ আৰু ভগৱান কৃষ্ণৰ প্ৰতি ঐকান্তিক ভক্তিহে গুৰু দুজনে বৰগীতৰ মাজেৰে প্ৰকাশ কৰিছে। তাৰ মাজেৰেই বেদান্তৰ মূল বক্তব্য প্ৰকাশৰ লগতে শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ অনুপম চিত্ৰ বৰগীত সমূহত চিত্ৰিত কৰিছে। যদিও বৰগীতৰ বিষয়বস্তু বিভিন্ন পুৰাণ, ৰামায়ণ, মহাভাৰত আদিৰ পৰা গ্ৰহণ কৰা হৈছে তাত কিন্তু পৰম পুৰুষ ভগৱানৰ গুণনাম আৰু মহিমা প্ৰকাশৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। বিষয়বস্তু পৰিবেশনৰ ক্ষেত্ৰত দুয়োজনা গুৰুৰ এই সংৰক্ষণশীলতা বিশেষভাৱে লক্ষণীয়।

ভাষাৰ ক্ষেত্ৰটো বৰগীতৰ বৈশিষ্ট্য লক্ষণীয়। শঙ্কৰদেৱ আৰু মাধৱদেৱে তেওঁলোকৰ গীতসমূহত এটা কৃত্ৰিম সাহিত্যিক ভাষা ব্যৱহাৰ কৰিছিল যিটো ভাষাক ব্ৰজবুলি, ব্ৰজবোল আৰু অসমত ব্ৰজাৱলী ভাষা বোলে। এই ভাষা কোনো ঠাইৰ কথিত ভাষা নাছিল। দৰাচলতে, ই এটা সানমিহলি ভাষাহে আছিল। মৈথিল বা মৈথেলী ভাষাই এই ভাষাৰ ভেঁটি বুলি পণ্ডিত সকলে কৈছে। অসম, উৰিষ্যা, আৰু বংগদেশৰ কবিসকলে পৰস্পৰৰ কিছু সমিল-মিল থকা এটা ভাষাৰ সৃষ্টি কৰি ভাৱৰ আদান-প্ৰদান সহজ কৰি তোলাৰ লগতে বৈষ্ণৱসকলৰ মাজত প্ৰীতি বঢ়াবলৈ যত্ন কৰা যেন লাগে। বৰগীতসমূহক ব্ৰজাৱলী ভাষাত ৰচিত হোৱা হেতুকে সমসাময়িক অন্য কবিৰ দ্বাৰা ৰচিত গীততকৈ ই সুকীয়া মৰ্যাদা লাভ কৰিছিল বুলি অনুমান কৰিব পাৰি।

ভাষাৰ লগতে সুৰৰ ক্ষেত্ৰটো বৰগীতৰ বৈশিষ্ট্য মন কৰিবলগীয়া। বিষয়বস্তু, উদ্দেশ্য আৰু উপলক্ষ অনুসৰি গুৰুজনাই বৰগীতসমূহত বিভিন্ন ৰাগ সংযোগ কৰি থৈ গৈছে। ৰাগ অনুসৰি বৰগীতসমূহ গোৱাৰো নিৰ্দ্দিষ্ট সময় নিৰ্দ্ধাৰিত। উদাহৰণস্বৰূপে, ৰাতিপুৱা ভূপালী, পূৰ্বী আদি ৰাগৰ গীতহে গাব লাগে। ৰাতিপুৱা ভাটিয়ালী আশোৱাৰী আদি ৰাগৰ গীত গোৱাটো ৰীতি বিৰুদ্ধ কথা। এই সম্পৰ্কত এফাঁকি ফকৰা-যোজনাই প্ৰচলিত আছে-- “বোলে পুৱাৰ গীত গধূলি গায়, তাৰ পৰশ পিছতহে পায়।”

বৰগীতসমূহৰ আন এক বৈশিষ্ট্য হ'ল-- বৰগীত গোৱাৰ সীমাবদ্ধতা। বৰগীতসমূহ ৰচনাৰ মুখ্য উদ্দেশ্য আছিল ভক্তিধৰ্ম প্ৰচাৰ কৰা। সেইফালৰ পৰা বৰগীতসমূহক একপ্ৰকাৰৰ ‘প্ৰাৰ্থনা সংগীত’ বুলি ক'ব পাৰি। তদুপৰি চৈধ্য প্ৰসঙ্গৰ ক্ৰমত গোৱাৰ উপযোগীকৈ বৰগীতসমূহ ৰচনা কৰা হৈছিল। প্ৰসঙ্গৰ আৰম্ভণিতে স্তুতিসূচক বৰগীত গোৱাৰ নিয়ম। তাৰ পিছতহে ভটিমা, ঘোষা, কীৰ্ত্তন আদি গোৱা হয়।

বিষয়বস্তু অনুসৰি বৰগীতসমূহক ছটা ভাগত

ভাগ কৰিব পাৰি-বিৰহ, বিৰক্তি, পৰমাৰ্থ, চোৰ, চাতুৰী আৰু লীলা। ইয়াৰে লীলা বিষয়ক গীতবোৰক চাৰি ভাগত ভাগ কৰিব পাৰি-- জাগন, চলন, খেলন আৰু নৃত্য। মাতৃ যশোদাই কৃষ্ণক টোপনিৰ পৰা জগাই দিয়াৰ বৰ্ণনা থকা গীতসমূহক জাগণৰ গীত বুলি কোৱা হয়। সেইদৰে যিবোৰ গীতত দধি-দুগ্ধ টোপোলা বান্ধি লৈ গোপশিশুসকলৰ সৈতে শ্ৰীকৃষ্ণ বৃন্দাবনলৈ গৰু চৰাবলৈ যোৱাৰ বৰ্ণনা পোৱা যায় তেনে গীতসমূহক চলনৰ গীত, গোপশিশুসকলৰ সৈতে শ্ৰীকৃষ্ণই কৰা বিবিধ বিহাৰৰ বৰ্ণনা থকা গীতসমূহক খেলনৰ গীত আৰু শ্ৰীকৃষ্ণই নাচি নাচি ব্ৰজৰ গোপীসকলৰ পৰা দৈ, মাখন আদি খোৱা-বস্তু আদায় কৰাৰ বৰ্ণনা থকা গীতসমূহক নৃত্যৰ গীত বুলি কোৱা হয়।

বৰগীতৰ এই বিষয়বস্তুক ভিত্তি কৰিয়েই মহাপুৰুষ দুজনাই বৰগীত ৰচনা কৰিছিল যদিও দুয়োজনাৰে বৰগীতৰ মাজত কিছু পাৰ্থক্য দেখা যায়। এই পাৰ্থক্যৰ বিষয়ে ক'বলৈ গৈ ড° কাকতিয়ে উল্লেখ কৰিছেঃ

"শঙ্কৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে, সেই আটাইবোৰেই প্ৰাৰ্থনাসূচক। মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়, হৰিভকতি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা-- এয়ে নানাভাৱ আৰু ভাষাত শঙ্কৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য; মাধৱদেৱৰ ৰচিত গীতবোৰতো এই ভাৱৰ পুনৰুক্তি আছে। কিন্তু তেওঁৰ বেছিভাগ গীততেই শিশুকৃষ্ণৰ বাল্যজীৱনৰ ৰং-বিৰঙৰ চিত্ৰ ফুটি ওলাইছে।"

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত আটাইবোৰ গীতেই পাৰমাৰ্থিক তত্বৰে ভৰপূৰ। শঙ্কৰদেৱে বিক্ষিপ্ত ইন্দ্ৰিয় বৃত্তিক একমুখী কৰাৰ ওপৰত গুৰুত্ব দি বহু ঈশ্বৰবাদ পৰিত্যাগ কৰি এক ঈশ্বৰবাদৰ মহান শিক্ষা দিছিল। 'জয় জয় যাদৱ জলনিধি যাদৱ ধাতা' বৰগীতটোত তাৰেই উমান পোৱা যায়। মোহ মায়াময় সংসাৰত ছয় ৰিপুৰ তাড়ণাত মানুহে ইন্দ্ৰিয় পৰিতৃপ্তিৰ বাবে ব্যৰ্থ প্ৰয়াস কৰে। কিন্তু ক্ষন্তেকীয়া মানৱ জীৱনৰ অন্তিম সময়ত চঞ্চল চিত্তৰ পৰা হাত সাৰিবলৈ একমাত্ৰ শাশ্বত, ঈশ্বৰ উপলব্ধিয়েই একমাত্ৰ উপায় বুলি নিৰ্দ্ধাৰণ কৰি পৰমাৰ্থ বিষয়ৰ গীতবোৰ ৰচনা কৰিছে।

মহাপুৰুষ মাধৱদেৱেও শঙ্কৰদেৱৰ দৰেই অধিক গাঢ় অনুভূতি আৰু ভক্ত হৃদয়ৰ আকুলতাৰে পাৰমাৰ্থিক গীতবোৰ ৰচনা কৰে। তেওঁৰ পৰমাৰ্থ বিষয়ক গীতখিনিত পৰমপুৰুষ ভগৱানৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। পৰমপুৰুষজনাৰ চৰণত আত্মসমৰ্পণৰ ভাৱ তেওঁৰ বৰগীতসমূহত প্ৰকাশ পাইছে। 'মই পাপী কমনে তৰিবে হৰিৰে, তুমি কৰুণা না কৰো মোৰে' আদি বৰগীতত এনে ভাৱৰেই অনুৰণন দেখা যায়।

মহাপুৰুষ দুয়োজনাৰ দ্বাৰা ৰচিত বিৰক্তি বিষয়ক গীতবোৰত সংসাৰৰ প্ৰতি অনীহা প্ৰকাশ পাইছে। শঙ্কৰদেৱে সংসাৰৰ অসাৰতা, ধন-জন-যৌৱনৰ অথিৰতা আৰু পদুম পাতৰ পানীৰ নিচিনা চঞ্চল চিত্তৰ স্বভাৱ উপলব্ধি কৰি ভৱভোগত 'পৰমপদ' লাভ নহয় বুলি জানি সংসাৰ সাগৰৰ পৰা পৰিত্ৰাণ পাবলৈ হৃষীকেশৰ ওচৰত মিনতি জনাই 'পাৰে পৰি হৰি কৰোহো কাতৰি' 'গোপালে কি গতি কৈলে, গোবিন্দে কি মতি দিলে', 'কৈছে নৰহৰি তৰণ উপায়' আদি গীতবোৰ ৰচনা কৰে। মাধৱদেৱৰ বৰগীততো এনেভাৱ অতি সুন্দৰ ৰূপত প্ৰকাশি উঠিছে। এওঁৰ 'হামাৰু ৰাম চৰণে মন লাগু', 'পামৰু মনাই কমনে হৰিৰ নাম ৰহলি বিছুড়ি' আদি বৰগীতবোৰ ইয়াৰ উৎকৃষ্ট উদাহৰণ।

সেইদৰে বিৰহৰ গীতবোৰত শঙ্কৰদেৱ আৰু মাধৱদেৱে শ্ৰীকৃষ্ণ মথুৰালৈ যোৱাত শ্ৰীকৃষ্ণ অবিহনে গোকুলৰ গোপ-গোপী আৰু নন্দ-যশোদাৰ মনত যি শোকৰ সৃষ্টি হৈছিল তাৰ বৰ্ণনা হৃদয়স্পৰ্শীকৈ চিত্ৰিত কৰিছে। শঙ্কৰদেৱৰ 'গোপিনী প্ৰাণ কাহানু গেয়োৰে গোবিন্দ', 'মাই মাধৱ বিৰহে হৰয় চেতন', 'তনু জীৱন নাৰহে' শীৰ্ষক বৰগীতবোৰত এনে বিৰহৰ চিত্ৰ সাৱলীল ৰূপত বৰ্ণিত হৈছে। এই বৰগীতবোৰত গোপিনীসকলৰ ভকতিয়েই শ্ৰেষ্ঠ আৰু ভগৱান যে ভকতিৰহে অধীন তাকো দেখুওৱা হৈছে। আনহাতে গোপিনী বিৰহৰ এনে বৰ্ণনাত মাধৱদেৱ এখোপ চৰাহে। কৃষ্ণৰ মথুৰা গমনত

গোপীসকলৰ অন্তৰত সৃষ্টি হোৱা বিৰহ যন্ত্ৰণাৰ বৰ্ণনা অতি সাৱলীলভাৱে প্ৰকাশ কৰিছে 'আলো মঞি কি কহব দুখ', 'প্ৰাণনাথ নকৰা বঞ্চিত' 'গোকুল আজি গোপাল বিনে অন্ধিয়াৰি' শীৰ্ষক বৰগীতবোৰৰ মাজেৰে।

লীলা বিষয়ক বৰগীতবোৰতো অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণৰ বিভিন্ন কাৰ্যবোৰ বৰ্ণনা কৰা হৈছে। এই গীতবোৰক আকৌ চলন, খেলন, নৃত্য, জাগন, চোৰ, চাতুৰি আদি বিষয়ত ভাগ কৰিব পাৰি। মহাপুৰুষ শঙ্কৰদেৱৰ কিছুসংখ্যক এনে চলন, খেলন, নৃত্য আদি লীলা বিষয়ক গীত আছে যদিও মাধৱদেৱৰ তুলনাত ই তাকৰ। মাধৱদেৱৰ সৰহভাগ বৰগীতেই লীলাবিষয়ক বুলিব পাৰি। শঙ্কৰদেৱৰ চলন বিষয়ক গীতৰ ভিতৰত 'হেৰহ মাই চলীল গোপ শিশু সংগে', পৰভাতে শ্যাম কানু ধেনু লৈয়া সংগে' আদি উল্লেখনীয়। এই শ্ৰেণীৰ গীতত চলনৰ সজীৱ আৰু বাস্তৱ চিত্ৰ প্ৰকাশিত হৈছে। খেলন শীৰ্ষক গীতৰ ভিতৰত শঙ্কৰদেৱৰ 'বালক গোপালে কৰতৰে কেলি' শীৰ্ষক বৰগীতটি উল্লেখযোগ্য। কিন্তু মাধৱদেৱৰ দ্বাৰা বিৰচিত এই শ্ৰেণীৰ গীতত এওঁৰ অপূৰ্ব কবিত্ব শক্তিৰ পৰিচয় পোৱা যায়। যেনে-- 'এ ফাগু খেলায় কৰুণাময় এ নন্দ কুমাৰ আদি। সেইদৰে নৃত্য বিষয়ক গীতবোৰত শ্ৰীকৃষ্ণই গোপগোপিনীসকলৰ সৈতে কৰা নৃত্যৰ বৰ্ণনা পৰিপুষ্ট। ভগৱান শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনা থকা গীতবোৰতো পৰম পুৰুষ শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনা অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। মহাপুৰুষ শঙ্কৰদেৱে এনে গীত ৰচনা কৰিলেও তাৰ তুলনাত মাধৱদেৱৰ শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনাৰ গীতৰ সংখ্যা সৰহ।

এইবোৰৰ উপৰিও, শঙ্কৰদেৱে নোলোৱা কেতবোৰ অন্য লীলা বিষয়ক বিষয়বস্তু হিচাপে লৈ মাধৱদেৱে বৰগীত ৰচনা কৰিছে আৰু ইয়াতেই শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ বিষয়বস্তুৰ পাৰ্থক্য চকুত পৰে। সেইবোৰ হ'ল- জাগন, চোৰ, চাতুৰি, সাজন আদি। মাধৱদেৱৰ দ্বাৰা ৰচিত এনে বৰগীতৰ উদাহৰণ হ'ল--

জাগন--

তেজৰে কমলাপতি পৰবাতে নিন্দ।
তেৰি চান্দ মুখ পেখুঁ উঠৰে গোবিন্দ।।

(ৰাগ-শ্যাম, পৃষ্ঠা-২২০)

উঠ উঠ বাপু চান্দ বয়ন।
যশোৱা মাৰে ডাকে মনে মন।।

(ৰাগ-অহিৰ, পৃষ্ঠা-২১৯)

চোৰ চাতুৰি--

মোৰো মাই ওহো যশোৱা
আজু হামু বৰহী ভুখাৰী।

(ৰাগ-মাহুৰ, পৃষ্ঠা-১৬৪)

যশোৱাকু আগু বোলত হৰিভাৰ।
আজু চিনান কৰব নাহি মাৰ।।

(ৰাগ-বৰাড়ী, পৃষ্ঠা-১৬৫)

সাজন--

সাজেৰে সখি নন্দকু বালা।
নৱঘন জিনি লোহে তনু কালা।।

(ৰাগ-মাউৰ ধনশ্ৰী, পৃষ্ঠা-১৯৩)

দেখত সাগৰ নট বিলসিয়া
বালক মহ কানু সাজতৰি
ভূৱন সুন্দৰ বৰ শ্যাম মনোহা
চান্দ কোটি জিনি ৰাজতৰি।।

শঙ্কৰদেৱে নোলোৱা আন এক বিষয়বস্তুক লৈ মাধৱদেৱে ভালেমান বৰগীত ৰচনা কৰিছে। সেইটো হৈছে শ্ৰীকৃষ্ণৰ বাঁহী সম্বন্ধীয় বৰগীত। শ্ৰীকৃষ্ণৰ বাঁহী হ'ল প্ৰকৃত আৰু তেওঁ নিজে চৈতন্যপুৰুষ। সেয়ে তেওঁৰ বাঁহীৰ সুৰত অমৃত নিঝৰে' পাষান দ্ৰবয় মৃত তৰু মঞ্জৰয়'।

আকৌ মহাপুৰুষ দুজনাৰ বৰগীতত শ্ৰীকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্বৰ পৰিচয় পোৱা যায়। এহাতে শ্ৰীকৃষ্ণৰ পৰম পুৰুষ 'ভগৱান স্বয়ম্' অনন্ত ব্ৰহ্মাণ্ডৰ পতি; আনহাতে কপট গোপবেশধাৰী শিশু কৃষ্ণৰ চিৰশিশু ৰূপৰ চিত্ৰ অধিক সংখ্যক বৰগীততে প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে-

(ক) গোপাল খেলায় কদমতলে।
ভূৱন মোহন মুৰুতি মধুৰ
মদন জিনিয়া জ্বলে।।

(ৰাগ- ভাটিয়ালী, পৃষ্ঠা-১৯৬)

(খ) কবহু বৈঠিয়েকহু পেখিয়ে যশোৱা মাই
হাম্‌ফুলি চলে ঘনে ঘনে।
ভাষতু মাই মাই করু খেন বেন
যশোৱা পেখিতে জুৰে মন।।

(ৰাগ-ললিত, পৃষ্ঠা- ২২৫)

এইদৰে বৰগীতৰ শ্ৰীকৃষ্ণ চৰিত্ৰত সাধাৰণ শিশু জীৱনৰ প্ৰতিচ্ছবি, বিৰহ-বেদনা, ৰং-ধেমালি আদিৰ স্বাভাৱিক চিত্ৰ অংকন কৰিলেও ভক্ত কবিজনাই পাঠক শ্ৰোতাক শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মহিমাও সোঁৱৰাই দিছে।

আনহাতে, দাৰ্শনিক তত্বৰ ফালৰ পৰা শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ সাদৃশ্য লক্ষ্য কৰিবলগীয়া। দৰাচলতে বিষ্ণু বা কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰাই বৰগীতবোৰৰ উদ্দেশ্য। বেদতো পৰম ব্ৰহ্মৰ স্বৰূপ নিৰ্দেশ কৰিছে সৎ-চিৎ আনন্দৰূপে। শ্ৰীমদ্ভাগৱত গীতাতো শ্ৰীকৃষ্ণক 'ঈশ্বৰ পৰমকৃষ্ণ সচিদানন্দ বিগ্ৰহ' বুলি কোৱা হৈছে। বেদোক্ত পৰমব্ৰহ্ম আৰু দৈৱকীনন্দন শ্ৰীকৃষ্ণ একবস্তু। ব্ৰহ্মাৰ স্বৰূপ লক্ষণ নিৰ্দেশক বেদমন্ত্ৰ উচ্চাৰণ কৰি যি ফল লাভ হয় কৃষ্ণ নাম উচ্চাৰণ বা কীৰ্তন কৰিও একে ফল লাভ কৰা যায়। অৰ্থাৎ, যি বস্তুত চৈতন্য আৰু পৰমানন্দৰ মিলন ঘটিছে সেই বস্তুকে কৃষ্ণ বুলি অভিহিত কৰা হৈছে। বৰগীততো গুৰুজনাই নন্দ-নন্দন কৃষ্ণকে পৰম ব্ৰহ্ম বুলি স্বীকাৰ কৰিছে। শঙ্কৰদেৱ আৰু মাধৱদেৱ দুয়োজনাই কৃষ্ণ, ৰাম, হৰি, বিষ্ণু পদেৰে পৰম ব্ৰহ্ম অৰ্থ প্ৰকাশ কৰিছে। আনহাতে পৰমেশ্বৰৰ বাহিৰে এই জগতত সকলো বস্তুৱেই মায়াময়- 'অথিৰ জীৱন ধন যৌৱন জায়া, ভকতি বিৰোধী বিষয় সৱ মায়া'-- বুলি শঙ্কৰদেৱে উল্লেখ কৰিছে। সেইদৰে মাধৱদেৱৰ বৰগীতত আছে-- 'জীৱন যৌৱন মোৰ সব মায়াময় ছোড়।'

দাৰ্শনিক তত্ত্ব বা ভাবৰ দৰেই বৰগীতত সৃষ্টি হোৱা ৰসৰ ক্ষেত্ৰত গুৰুদুজনাৰ বৰগীতৰ এটি সাদৃশ্য দাঙি ধৰিব পাৰি। বৰগীতৰ ঘাই ৰস হৈছে ভক্তিৰস। সেয়ে গুৰু দুজনাই কৃষ্ণ ভক্তি প্ৰকাশক অন্য গ্ৰন্থৰ দৰে বৰগীতটো ভক্তিৰ ৰসময়তাক মানি লৈছে। শঙ্কৰদেৱৰ 'হৰি গুণ বহি বহি প্ৰেমে ঝুৰয় নীৰ', মাধৱদেৱৰ 'কৰত ভকতি হৰিকো অধীন' আদি গীতসমূহে ভক্তিৰসৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। দৰাচলতে, বৰগীতবোৰৰ মাজেৰে ভগবদ্ প্ৰাপ্তিৰ কাৰণে গুৰু দুজনাই ভকতিকেই উচ্চ আসন দিছে। বিভিন্ন বৰগীতৰ পৰা শান্ত, বাৎসল্য, হাস্য, করুণ আদি ৰসৰ আস্বাদন লাভ কৰিব পৰা হলেও ভক্ত কবি দুজনাই ভগৱানৰ প্ৰতি নিজৰ কাকুতি আৰু অনুৰাগহে মূলতে প্ৰকাশ কৰি ফলত বৰগীতসমূহৰ পৰা ভক্তিৰ আস্বাদহে পাঠক শ্ৰোতাই লাভ কৰে।

এনেকৈয়ে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে কৃষ্ণৰ মাহাত্ম্য প্ৰকাশৰ উদ্দেশ্য ভিন ভিন বিষয়বস্তু লৈ বৰগীতসমূহ ৰচনা কৰে। বৰগীতসমূহৰ ভাৱ, ভাষা, আদিত মহাপুৰুষ দুজনাৰ সাদৃশ্য থাকিলেও মহাপুৰুষ মাধৱদেৱে গুৰুজনাই নোলোৱা কিছুমান বিষয়বস্তুলৈও ভালেসংখ্যক বৰগীত ৰচনা কৰে; যিবিলাক বৰগীতে মহাপুৰুষ মাধৱদেৱৰ স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। যিয়েই নহওক, সাহিত্যিক আৰু সাংগীতিক উভয় দিশতে মহাপুৰুষ দুজনাৰ বৰগীতসমূহে অসমীয়া সাহিত্যত এক উচ্চ আসন দখল কৰিবলৈ সক্ষম হৈছে বুলি নিঃসন্দেহে ক'ব পাৰি।■■


সহায়ক গ্ৰন্থপঞ্জী ঃ

১. ভাষা আৰু সাহিত্য ঃ ড° উপেন্দ্ৰ নাথ গোস্বামী
২. অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড° মহেশ্বৰ নেওগ
৩. মাধৱদেৱৰ জীৱন আৰু কৃতি ঃ ড°ৰামচন্দ্ৰ ডেকা
৪. শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ আৰু সংস্কৃতি ঃ সম্পাদনা- প্ৰদী পজ্যোতি মহন্ত
৫. শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন ঃ সম্পাদক, ভৱপ্ৰসাদ চলিহা
৬. প্ৰবন্ধঃ বৰগীত ঃ ড° বাণীকান্ত কাকতি।



**লেখিকা বিহপুৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা**

# অঙ্কীয়া নাটৰ প্ৰথম লিখিত নিদৰ্শন পত্নীপ্ৰসাদ ঃ এক চমু আলোকপাত

শ্ৰীবেবীমনি গগৈ চমুৱা

অঙ্কীয়া নাট অসমীয়া নাট্যসাহিত্যৰ জনক মহাপুৰুষ শঙ্কৰদেৱৰ অভূতপূৰ্ব সৃষ্টি। মূলতঃ একশৰণ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাহনৰূপে সৃষ্ট এইবিধ কলাই এহাতে অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছে, আনহাতে অসমীয়া সংস্কৃতিৰ স্বকীয়তা প্ৰতিপাদনত এক বিশিষ্ট সাংস্কৃতিক সম্ভাৰ হৈ পৰিছে। শঙ্কৰদেৱে সমসাময়িক সমাজৰ চহা, নিৰক্ষৰ, অৰ্দ্ধশিক্ষিত, সহজ-সৰল জনসাধাৰণৰ মাজত কৃষ্ণভক্তি মাহাত্ম্য প্ৰচাৰ কৰাৰ উদ্দেশ্যে অঙ্কীয়া নাট ৰচনা তথা ভাওনা প্ৰথা প্ৰৱৰ্তন কৰে। অঙ্কীয়া ভাওনা চাই আখৰবোধ নথকা জনসাধাৰণে যাতে একশৰণ হৰিনাম ধৰ্মৰ কথা, ভগৱান শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য সহজে উপলব্ধি কৰিব পাৰে, সেই উদ্দেশ্য আগত ৰাখি তেৰাই এইবিধ অভিনৰ কলা সৃষ্টি কৰে। কিয়নো শ্ৰব্য কাব্যতকৈ দৃশ্য কাব্য বা নাটকে সততে মানুহৰ মন জয় কৰিব পাৰে।

শঙ্কৰদেৱৰ প্ৰথম সফল প্ৰচেষ্টা চিহ্নযাত্ৰা অভিনয়। শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি আহি চিহ্নযাত্ৰা নাট অভিনয় কৰাৰ কথা 'কথাগুৰুচৰিত' পুথিত উল্লেখ আছে। তেৰাই তুলাপাতত সাত বৈকুণ্ঠৰ পট অঙ্কণ কৰি দৰ্শকক চমৎকৃত কৰিছিল। ইয়াত কোনো কাহিনী ৰূপায়িত হোৱা নাছিল—

"বেকুণ্ঠ নগৰ পটত লেখিয়া
অঙ্ক কৰিলন্ত তাৰ।।
ধেমালিৰ ঘোষা প্ৰথমে দেখিলা
দ্বিতীয় শ্লোক ৰচিলা।
সূত্ৰ ভটিমাক গীতক কৰিয়া
চিহ্নসৰে বিভাগিলা।।"[১]

পাছলৈ অৱশ্যে চিত্ৰ আঁকি ভাওনা কৰা প্ৰথা লোপ পালে। চিহ্নযাত্ৰাৰ সফলতাৰ পাছত শঙ্কৰদেৱে কাহিনী, সংলাপ, শ্লোক, গীত, ভটিমা, নাট বা নাচ আদি উপাদানেৰে লিখিত নাট ৰচনা কৰে।

শঙ্কৰদেৱৰ প্ৰথম লিখিত নাট পত্নীপ্ৰসাদ। ড০ মহেশ্বৰ নেওগে পত্নীপ্ৰসাদ শঙ্কৰদেৱৰ প্ৰথম নাট বুলি অভিহিত কৰিছে। আনহাতে কালিৰাম মেধিয়ে পত্নীপ্ৰসাদ শঙ্কৰদেৱৰ দ্বিতীয় নাট বুলি কৈছে। তেওঁৰ মতে— "His next drama was the Patni-Prasada written probably at Dhuãhata about 1521 AD. This play was staged at Baradi (near Barpeta) during the sradha ceremony of Madhavadeva's mother who died at Kapala on their way from Dhuãhata to Barpeta."[২]

ড০ সত্যেন্দ্ৰপ্ৰসাদ শৰ্মাই নেওগৰ মন্তব্যকে সমৰ্থন কৰি পত্নীপ্ৰসাদ শঙ্কৰদেৱৰ প্ৰথম ৰচনা বুলি কৈছে। এইখনি নাটেই যে শঙ্কৰদেৱৰ আদ্য ৰচনা সেই কথা নাটখনিৰ কেইটিমান লক্ষণৰ আধাৰত ক'ব পাৰি। যেনে—

(১) কলাকৌশলৰ দিশত 'পত্নীপ্ৰসাদ' শঙ্কৰদেৱৰ নাট্যপ্ৰতিভাৰ প্ৰকৃত পৰিচায়ক নহয়। শঙ্কৰদেৱে পত্নীপ্ৰসাদৰ বাহিৰে বাকী পাঁচখন নাটত দুটাকৈ নান্দীশ্লোক প্ৰয়োগ কৰিছে। ইয়াৰে প্ৰথমটো কৃষ্ণ বা ৰামৰ স্তুতিসূচক শ্লোক আৰু দ্বিতীয়টোত থাকে নাটৰ বিষয়বস্তুৰ বীজ। 'পত্নীপ্ৰসাদ'ত নাট্যকাৰে এটা মাথোন নান্দীশ্লোক সন্নিবিষ্ট কৰিছে। দ্বিতীয় 'অপিচ' অংশ ইয়াত অনুপস্থিত।

(২) অন্যান্য নাটৰ মাজত ব্যৱহাৰ কৰা ভালেসংখ্যক সংস্কৃত শ্লোকৰ বিপৰীতে পত্নীপ্ৰসাদত এটা মাথোন শ্লোকৰ ব্যৱহাৰ হৈছে, সেইটোও শঙ্কৰদেৱৰ স্বৰচিত নহয়, ভাগৱতৰ পৰা আহৰিত।

(৩) শঙ্কৰদেৱৰ আনকেইখন নাটত যেনেকৈ মুক্তিমঙ্গল ভটিমা আছে এইখনত নাই। আৰম্ভণিত থকা

ভটিমাটোও কালিয়দমন নাটৰ ভটিমাটোৰ পুনৰুক্তি।

(৪) তেৰাৰ আনকেইখন নাটৰ পয়াৰসমূহ ব্ৰজাৱলীত লিখা, কিন্তু এইখন নাটৰ পয়াৰ শুধ অসমীয়াত ৰচিত।

(৫) নাটৰ কাহিনীভাগ অতি চমু।

(৬) শঙ্কৰদেৱৰ আনকেইখন নাটকতকৈ পত্নীপ্ৰসাদৰ নাটকীয় সৌন্দৰ্য কম।

(৭) শঙ্কৰদেৱৰ আনকেইখন নাটত উল্লেখ থকাৰ দৰে পত্নীপ্ৰসাদত 'ভকতি ৰসিক সুজ্ঞান' ৰামৰায়ৰ উল্লেখ নাই।

যিকোনো লেখকৰ আদিতম লেখনিত দুই এটা খুঁত ৰৈ যোৱা স্বাভাৱিক। পৰৱৰ্তী লেখনিসমূহত সেয়া নোহোৱা হৈ পৰিপূৰ্ণতা লাভ কৰে। শঙ্কৰদেৱৰ নাট্যৰাজিৰ ক্ষেত্ৰতো এই কথাটোৰ সত্যতা প্ৰতিপন্ন কৰিব পাৰি। সেয়ে পত্নীপ্ৰসাদৰ লক্ষণৰ আধাৰত এই নাটকখনকেই তেৰাৰ প্ৰথম নাট বুলি ক'ব পাৰি।

**কাহিনী আৰু মূল ঃ**

পত্নীপ্ৰসাদ নাটৰ কাহিনীৰ মূল ভাগৱত পুৰাণৰ দশম স্কন্ধ। দশমৰ ত্ৰয়োবিংশ অধ্যায়ৰ কাহিনীৰ আধাৰত 'পত্নীপ্ৰসাদ'ৰ কথাভাগ ৰচিত হৈছে। নাটৰ মূল কথা হ'ল কৰ্মকাণ্ডী, পাণ্ডিত্যাভিমানী আৰু কৃষ্ণভক্তি বিৰোধী ব্ৰাহ্মণসকলৰ লগত কৃষ্ণভক্তিপৰায়ণ বিপ্ৰপত্নী আৰু গোপবালকসকলৰ বিৰোধ। কৰ্মমাৰ্গ আৰু ভক্তিমাৰ্গৰ বিৰোধৰ ভেটিত নাটখনিৰ কাহিনীভাগ ৰচিত হৈছে আৰু ইয়াত ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন হৈছে। নাটখনিৰ কাহিনী চমুকৈ এনে ধৰণৰ—

এদিনাখন শ্ৰীকৃষ্ণই গোপবালকসকলৰ সহিতে বৃন্দাবনত গৰু চৰাই ভাগৰ লগাত কালিন্দীৰ (যমুনাৰ) তীৰত অশোক গছ এজোপাৰ ছাঁত জিৰণি লৈছিল। তৃষ্ণাতুৰ গোপগণে জল পাণ কৰি ৰামকৃষ্ণক জনালে যে তেওঁলোক অতিশয় ক্ষুধাতুৰ। দধিভাত ভক্ষণ নকৰাকৈ পুৱাতে ওলাই অহা গোপগণৰ হাতত অন্ন-ব্যঞ্জন একো নাই। গতিকে ৰাম-কানাই দুয়োয়ে তেওঁলোকক নিকতে থকা আশ্ৰমৰ যজ্ঞস্থলীত গৈ বেদশাস্ত্ৰত পাৰ্গত ব্ৰাহ্মণসকলক ৰামকৃষ্ণৰ নাম কৈ অন্ন প্ৰাৰ্থনা কৰিবলৈ পৰামৰ্শ দিলে। কৃষ্ণৰ কথাত গোপশিশুসৱে বিপ্ৰসৱক অন্ন প্ৰাৰ্থনা কৰাত তেওঁলোকে কাণসাৰেই নকৰিলে। আনকি চন্দ্ৰভাৰতি নামৰ এজন ব্ৰাহ্মণে পৰম ক্ৰোধে আত্ম অহঙ্কাৰৰ বশৱৰ্তী হৈ কৃষ্ণক অৱজ্ঞাহে কৰিলে। শিশুসকলে গৈ কৃষ্ণক অভক্ত ব্ৰাহ্মণসকলৰ কথা নিবেদন কৰাত কৃষ্ণই তেতিয়া ব্ৰাহ্মণ পত্নীসকলৰ ওচৰলৈ অন্ন ভিক্ষাৰ্থে গোপগণক পঠালে। বিপ্ৰপত্নীসকল আছিল পৰম কৃষ্ণভক্তা। তেওঁলোকে কৃষ্ণক দৰ্শনাৰ্থে পিঠা-পৰমান্ন, অন্ন-ব্যঞ্জন হাতত লৈ সদলবলে যাত্ৰা কৰিলে। ব্ৰাহ্মণসকলে পত্নীসৱক বাধা দিলে, কিন্তু হৰিভক্তিপ্ৰাণা ব্ৰাহ্মণীসকলে সকলো বাধা অতিক্ৰমি কৃষ্ণৰ ওচৰ পালেগৈ। এগৰাকী ব্ৰাহ্মণীক পতিয়ে কৃষ্ণৰ ওচৰলৈ যাবলৈ বাধা দি দুৱাৰ বন্ধ কৰি গৃহতে আৱদ্ধ কৰি ৰখাত কৃষ্ণ নাম স্মৰণ কৰি বন্ধ গৃহতে তেওঁ প্ৰাণ ত্যাগ কৰিলে। ব্ৰাহ্মণীসকলে কৃষ্ণৰ দৰ্শন লাভ কৰিলে আৰু কৃষ্ণৰ ৰূপৰ বন্দনা কৰিলে। তেওঁলোকৰ ভক্তিপ্ৰেমত কৃষ্ণ সন্তুষ্ট হ'ল আৰু কৃষ্ণৰ অনুগ্ৰহ লাভ কৰিলে। কৃষ্ণই এনেদৰেই তেওঁৰ প্ৰিয়ভক্তা বিপ্ৰপত্নীসকলৰ ওচৰত অন্ন বিচাৰি তেওঁলোকক ভক্তিৰ প্ৰসাদ দিলে। ব্ৰাহ্মণ পত্নীসকলে কৃষ্ণৰ উপদেশমতে গৃহলৈ ঘূৰি গৈ শ্ৰৱণ-কীৰ্তন ভক্তিমাৰ্গৰ জৰিয়তে হৰিভক্তিত নিমজ্জিত হ'ল।

ব্ৰাহ্মণসকলৰ ঐকান্তিক কৃষ্ণপ্ৰেম দেখি পাণ্ডিত্যাভিমানী বিপ্ৰগণৰ অহংভাৱ দূৰ হয় আৰু আপোনা আপুনি মনৰ পৰিৱৰ্তন ঘটি কৃষ্ণভক্তিত আশ্ৰয় লয়। স্বৰ্গাভিলাষী যজ্ঞকাৰী ব্ৰাহ্মণসকলে নিষ্কাম ভক্তি উপেক্ষা কৰি পত্নীসকলৰ কাৰ্যৰদ্বাৰা নিজৰ ভুল উপলব্ধি কৰি অনুতপ্ত হয়। নাটখনৰ কাহিনীভাগ ইমানেই।

পত্নীপ্ৰসাদৰ কাহিনীভাগত এনেদৰে মূল ভাগৱতত বৰ্ণিত কথাভাগকে শঙ্কৰদেৱে নাট্যৰূপ দিছে যদিও দুই এঠাইত নাট্যকাৰৰ মৌলিকতা প্ৰকাশ পাইছে। চন্দ্ৰভাৰতি নামৰ ব্ৰাহ্মণ চৰিত্ৰটি আৰু তেওঁৰ মুখত দিয়া সংলাপ মূলত নাই। শঙ্কৰদেৱৰ এয়া নিজা সৃষ্টি। সেইদৰে ব্ৰাহ্মণকুলৰ উপাধি যেনে— কন্দলি, মিশ্ৰ, আচাৰ্য আৰু ভাৰতি আদিও নাট্যকাৰৰ মৌলিক সৃষ্টি। নাটৰ শেষৰ ফালে লাখুটিত ভৰ দি ঘৰৰ বাহিৰ ওলাই "হে ব্ৰাহ্মণসৱ, তোৱাসৱ গোকুলে জাইতে চাৱ। তোৱাসৱ নষ্ট ভেলা। ৰাজা কংসে ইহাক জানি সবহি নাহি। তোৱাসৱক নিগ্ৰহি সৰ্বস্ব আগ্ৰহ কৰি লৱব। জাতি কুল সৱ ভ্ৰষ্ট কৰব।"[৩]

বুলি বিপ্ৰগণক কৃষ্ণৰ ওচৰলৈ নাযাবলৈ সকিয়াই দিয়া ব্ৰহ্মাণ চৰিত্ৰটিও শঙ্কৰদেৱৰ কল্পনাপ্ৰসূত।

**নাটকীয় গাঁথনি ঃ**

(১) এটি নান্দীশ্লোকেৰে নাটৰ আৰম্ভণি হৈছে। মুক্তিমঙ্গল ভটিমা নাই।

(২) আৰম্ভণিৰ শ্লোকৰ পিছতে কৃষ্ণৰ লীলা প্ৰকাশক অৰ্থৰ ভটিমাৰ প্ৰয়োগ হৈছে। নাটৰ মাজতো সুত্ৰধাৰৰ এটি ভটিমাৰ যোগেদি কৃষ্ণৰ ৰূপ সৌন্দৰ্য বৰ্ণনা কৰা হৈছে।

(৩) নাটখনিত সাতটি গীত, দুটি শ্লোক আৰু এটি মাত্ৰ পয়াৰ সন্নিবিষ্ট হৈছে।

**চৰিত্ৰ সৃষ্টি ঃ**

পত্নীপ্ৰসাদ নাটত চৰিত্ৰ সৃষ্টিৰ বিকাশ দেখা নাযায়। চৰিত্ৰবোৰৰ খণ্ডিত বা আংশিক অভিব্যক্তিহে ইয়াত লক্ষ্য কৰা যায়। পুৰুষ চৰিত্ৰৰ ভিতৰত শ্ৰীকৃষ্ণ, গোপশিশুসৰ, ব্ৰাহ্মণসকল, দেৱতা আৰু নাৰী চৰিত্ৰ বিপ্ৰপত্নীসকল।

শ্ৰীকৃষ্ণক গোপবালক বেশৰ দেখা গৈছে যদিও তেঁৱেই যে জগত গুৰু পৰম ব্ৰহ্ম সেই কথা নাট্যকাহিনীৰ জৰিয়তে প্ৰতীয়মান হৈছে। কৃষ্ণক ভক্তবৎসল ৰূপত নাট্যকাৰে ৰূপায়িত কৰিছে। কৰ্মকাণ্ডত মগ্ন হৈ পৰম ব্ৰহ্মক পাহৰা ভক্তি, বিৰোধী যজ্ঞকাৰী ব্ৰাহ্মণসকলৰ কৰ্ম গৰ্ব চূৰ্ণ কৰি কৃষ্ণই নিজৰ শৰণাগত কৰিছে। আনহাতে ভক্তৰ অধীন ভগৱানৰূপে বিপ্ৰপত্নীসকলৰ অচলাভক্তিত তুষ্ট হৈ কৃষ্ণই তেওঁলোকক অভয়দান দি পৰমজ্ঞান প্ৰদান কৰিছে।

নাটৰ অন্যান্য চৰিত্ৰ ব্ৰাহ্মণসকলক কৰ্মগৰ্বী অহংকাৰী ৰূপত উপস্থাপন কৰা হৈছে। কৃষ্ণৰ প্ৰকৃত মাহাত্ম্য উপলব্ধি কৰিব নোৱাৰি অন্নপ্ৰাৰ্থী গোপগণক কৈছে— "হামু বেদ শাস্ত্ৰত পৰম পাৰ্গত। যজ্ঞব্ৰত দানে পৰম পৱিত্ৰ। ও হামু ভূদেৱতা। হামাক সৰ্বলোকে পূজায়। নন্দসূত কৃষ্ণ, হামাক আগে কোন হয়।"[৪] অৱশ্যে পিছত তেওঁলোকৰ অহংভাৱ দূৰ হয় আৰু একান্তভাৱে কৃষ্ণপ্ৰেমত নিমজ্জিত হয়। নাটখনিত কন্দলি, ভাৰতি, মিশ্ৰ, আচাৰ্য উপাধিৰ ব্ৰাহ্মণসকলৰ উল্লেখে সমসাময়িক অসমীয়া সমাজৰ ব্ৰাহ্মণ উপাধিৰ প্ৰতিনিধিত্ব কৰিছে। গোপবালকসকলক একান্ত কৃষ্ণ অনুৰক্ত হিচাপে দেখা যায়। পত্নীপ্ৰসাদ নাটৰ আকৰ্ষণীয় চৰিত্ৰ বিপ্ৰ পত্নীসকল। ইয়াত তেওঁলোকৰ কৃষ্ণভক্তি আৰু মাতৃৰূপৰ কোমলতা মনোমোহা হৈ প্ৰকাশ পাইছে। যদিও এই চৰিত্ৰ কেইটিৰ বিকাশ ইয়াত লক্ষ্য কৰা নাযায়, তথাপিও নাট্যকাৰে ইয়াৰ জৰিয়তে বিশেষ উদ্দেশ্য সাধন কৰিছে। সেইয়া হৈছে কৃষ্ণ ভক্তিৰ মহিমা প্ৰচাৰ। কৃষ্ণ দৰ্শনৰ বাবে আকুল হৈ বিপ্ৰ পত্নীসকলে স্বামী পুত্ৰ ভাতৃৰ বাধা নেওচিও ভোকাতুৰ শিশুসকলৰ বাবে নানা ভোজন দ্ৰব্য লৈ বৃন্দাবনলৈ গৈছে। ইয়াৰ মাজত তেওঁলোকৰ কৃষ্ণভক্তিৰ বাহিৰেও মাতৃৰূপৰ কোমলতা ফুটি উঠিছে। সেইদৰে কৃষ্ণ দৰ্শনৰ পৰা বঞ্চিতা ব্ৰাহ্মণীয়ে কৃষ্ণৰচৰণ চিন্তা কৰি প্ৰাণত্যাগ কৰা ঘটনা কৃষ্ণভক্তিৰ অপূৰ্ব নিদৰ্শন।

**পত্নীপ্ৰসাদ নাটৰ ৰস, অলঙ্কাৰ ঃ**

**ভক্তিৰস ঃ** ভক্তিৰস পত্নীপ্ৰসাদ নাটৰ মূল ৰস। ভগৱানৰ প্ৰতি প্ৰেম বা ৰতিভাৱেই হ'ল ভক্তি। ইয়াত বিপ্ৰপত্নীসকলক কৃষ্ণভক্তিপৰায়ণা হিচাপে ৰূপায়িত কৰা হৈছে। পতি, পুত্ৰ, ভাতৃ সকলোৰে বাধা অতিক্ৰমি দ্বিজপত্নীসকলে কৃষ্ণক দৰ্শন কৰি ভক্তি প্ৰেমৰ যি নিদৰ্শন দেখুৱালে, সি অপূৰ্ব। শেষত ব্ৰাহ্মণসকলেও কৰ্মগৰ্ব ত্যাগী ভক্তিৰে কৃষ্ণত শৰণ লৈছে।

**কৰুণ ৰস ঃ** স্থায়ীভাৱ শোকৰ পৰা কৰুণ ৰসৰ উৎপত্তি হয়। পত্নীপ্ৰসাদ নাটত আৱদ্ধ গৃহত বন্দী ব্ৰাহ্মণীয়ে কৃষ্ণনাম স্মৰণ কৰি প্ৰাণত্যাগ কৰা বৰ্ণনা অতি মৰ্মস্পৰ্শী। এনে বৰ্ণনা থকা এটি গীতৰ মাজেদি কৰুণ ৰস প্ৰকাশ পাইছে। যেনে—

ধ্ৰুং ঃ হৰিপদ পেখয়ে না পাৱলি মাই।
ফোকৰায় ঘনে ঘনে নয়ন ঝুৰাই।।
পদ ঃ বন্দু বিয়োগ আগি প্ৰাণ ফুটি যাই।
অৰুণ চৰণ মনে ৰহলি ধিয়াই।।
ছোৰি পৰল প্ৰাণ ধৰি হৰি পাৰে।
পাৱলি গতি সতী শঙ্কৰে গাৱে।।"

**অদ্ভুত ৰস ঃ** স্থায়ীভাৱ বিস্ময়ৰ পৰা অলৌকিকতাৰ সন্নিবেশত অদ্ভুত ৰস সৃষ্টি হয়। পত্নীপ্ৰসাদ নাটত বন্ধ কোঠাত হৰিনাম স্মৰণ কৰি ব্ৰাহ্মণপত্নীয়ে প্ৰাণ ত্যাগ কৰা ঘটনাও কিছু পৰিমাণে অলৌকিক।

নাট্যকাৰে এনেদৰে পত্নীপ্ৰসাদ নাটত কৰুণ,

অদ্ভুত আদি ৰসৰ সমাৱেশ কৰাইছে যদিও মূলতঃ নাটখনিৰ কেন্দ্ৰীয় ৰস ভক্তিৰস উপলব্ধি কৰাবলৈহে অন্যান্য ৰসৰ প্ৰয়োগ কৰিছে।

পত্নীপ্ৰসাদ নাটত ঠায়ে ঠায়ে গীত, ভটিমা আদিৰ অনুপ্ৰাস, যমক, উপমা আদি অলঙ্কাৰ প্ৰয়োগ হৈছে। তেনে দুটিমান উদাহৰণ হ'ল—

(১) **অনুপ্ৰাস অলঙ্কাৰ ঃ**

(ক) "কৃষ্ণ চৰণ তেজি যাইতে যৈচন জীৱ যাই।
বহৰি নয়ন চান্দ বয়ন পুনু পুনু চাহে মাই।।"

(২) **যমক অলঙ্কাৰ ঃ**

(ক) "ৰুচিকৰ কৰ দুহোঁ উতপল ৰাতা।।"

(৩) **উপমা অলঙ্কাৰ ঃ**

(ক) "শ্যামল অংগ পীত পিচোতা।
নৱ ঘন জিনি যৈচে বিজুৰি উজোৰা।।"

আলোচনাৰ অন্তত এটা কথা স্পষ্ট হয় যে, শঙ্কৰদেৱৰ প্ৰথম ৰচিত নাট হিচাপে পত্নীপ্ৰসাদত দুই এটি ত্ৰুটি থকা স্বাভাৱিক। সেয়ে হ'লেও ভক্তিৰ মাহাত্ম্য প্ৰকাশ আৰু ভক্তিৰ শ্ৰেষ্ঠত্ব ঘোষণাতে নাটখনি আৱেদনক্ষম হৈ উঠিছে। অৱশ্যে নাট্যকাৰৰ সৃজনশীলতাই পৰিস্থিতি চিত্ৰণ আৰু চৰিত্ৰ সৃষ্টি অধিক মনোগ্ৰাহী কৰিব পাৰিলেহেঁতেন। বিশেষকৈ বিৰুদ্ধ শক্তিৰ হেঁচা আৰু অধিক শক্তিশালী কৰি চৰিত্ৰসমূহৰ পূৰ্ণাঙ্গ অভিব্যক্তিৰে নাট্যকাহিনী নিৰ্মাণ কৰা হলে নাটখনি অধিক আকৰ্ষণীয় হ'লহেঁতেন।■■


**সহায়ক গ্ৰন্থ ঃ**

১. মেধি, কালিৰাম (সম্পাদনা) ঃ অঙ্কাৱলী
২. দেৱগোস্বামী, কেশৱানন্দ (সম্পাদনা) ঃ শ্ৰীমদ্ভাগৱত
৩. দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পাদনা) ঃ দশম, শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ বিৰচিত
৪. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য
৫. মহন্ত, ৰুবী। ঃ শঙ্কৰদেৱৰ সাহিত্যৰ নন্দনতাত্ত্বিক অধ্যয়ন
৬. নেওগ, মহেশ্বৰ (সম্পাদনা) ঃ কথাগুৰুচৰিত
৭. নেওগ, মহেশ্বৰ ঃ Sankaradeva and His Times.



*লেখিকা মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা।*


## জানি থওঁ আহক

- **কটা-ছিঙা হ'লে নেমু বিলাহী বা আন কোনো টেঙা খালে পকি যাব বুলি ধাৰণা কৰি বহুতে টেঙা নাখায় আৰু আনকো খাবলৈ বাধা দিয়ে। এইটো নিতান্ত ভ্ৰান্ত ধাৰণা। কিন্তু নেমুত থকা ছাইট্ৰিক এচিড্ বা ভিটামিন চিয়ে যিকোনো কটা-ছিঙা বা ক্ষতস্থান নিৰাময় কৰাত সহায়হে কৰে। আনহাতে পানীলগা, কাঁহ-জ্বৰ আদিতো নেমুৰ ভূমিকা অপৰিসীম। প্ৰতিদিনে পুৱা কুহুমীয়া পানীত নেমুৰ চৰৰত খালে পানীলগা বেমাৰ হোৱাৰ সম্ভাৱনা নাথাকে।**

- **পানীলগা জ্বৰ হ'লে বহুতে কল খোৱা অনুচিত বুলি কয়। প্ৰকৃততে পানীলগাৰ লগত কলৰ কোনো সম্পৰ্ক নাই।**

- **মাংস, গাখীৰ একেলগে বেছি পৰিমাণে খোৱা অনুচিত। কাৰণ, দুয়োবিধ খাদ্যত যথেষ্ট পৰিমাণে প্ৰ'টিন থাকে। সেয়ে একেলগে খালে গুৰুপাকীহে হজম হোৱাত ব্যাঘাত জন্মায়।**

- **মাছ, মাংস, কণীৰ সলনি পিয়াজ, নহৰু আদাইহে শৰীৰক গৰম কৰে। পিয়াজ, নহৰু, আদাত ভিটামিন, খনিজ পদাৰ্থ, পানী, সামান্য পৰিমাণৰ প্ৰ'টিন, চৰ্বি আৰু কাৰ্বোহাইড্ৰেট থাকে। প্ৰকৃততে এইবোৰ খালে শৰীতকৈ পেটহে গৰম হয়।**

# শঙ্কৰদেৱৰ ৰুক্মিণী-হৰণ নাটৰ উৎস, মৌলিকতা
# আৰু
# নাৰী চৰিত্ৰসমূহৰ চমু বিশ্লেষণ

ড° চিত্ৰলেখা ফুকন

শ্ৰীমন্ত শঙ্কৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে বিভিন্ন গীত-পদ, নাট, ভক্তিমূলক গ্ৰন্থ ৰচনা কৰিছিল। সেই উদ্দেশ্যেই তেওঁ ছখন নাট ৰচনা কৰে। ইয়াৰে 'ৰুক্মিণী-হৰণ' নাট গুৰুজনাৰ পঞ্চম নাট। 'কাপ-কাঠী' সামৰা নাট 'ৰাম-বিজয়' লিখাৰ পূৰ্বে 'ৰুক্মিণী-হৰণ' নাট ৰচনা কৰিছিল। ইয়াৰ পূৰ্বে অৱশ্যে তেওঁ 'ৰুক্মিণী-হৰণ' কাব্য ৰচনা কৰিছিল। কাহিনীৰ গভীৰতা তথা ৰমনীয়তা আৰু ভগৱন্তৰ ভক্তপ্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন হিচাপে শঙ্কৰদেৱে কাহিনীভাগ কেৱল শ্ৰব্য ৰূপতে সন্তুষ্ট নাথাকি দৃশ্য-শ্ৰব্য উভয় ৰূপ প্ৰদান কৰাৰ প্ৰয়াসেৰে 'ৰুক্মিণী-হৰণ' একে কাহিনীকে নাট্যৰূপ দান কৰি 'ৰুক্মিণী-হৰণ' নাট লিখে। ৰামৰায়ৰ অনুৰোধ মৰ্মে শঙ্কৰদেৱে এই নাটখন ৰচনা কৰে আৰু ইয়াৰ ৰচনাৰ সময় খ্ৰী. ১৫৬০ চনৰ আশে-পাশে হ'ব পাৰে বুলি ড° মহেশ্বৰ নেওগে মত প্ৰকাশ কৰিছে।

'ৰুক্মিণী-হৰণ' নাটৰ কলেৱৰ ছখন নাটৰ ভিতৰতেই ডাঙৰ। শঙ্কৰদেৱে নিজেই আটাইকেইখন নাটকৰ ভিতৰতে 'ৰুক্মিণী-হৰণ'ক প্ৰধান বুলিছে। 'কথাগুৰু চৰিত'ৰ মতে শঙ্কৰদেৱে প্ৰথম 'ৰুক্মিণী-হৰণ' কাব্য জগদীশ মিশ্ৰৰ পৰা 'ভাগৱত-পুৰাণ' নেপাওঁতেই 'হৰিবংশ'ৰ বিষয়বস্তুৰে ৰচনা কৰে। কিন্তু শঙ্কৰদেৱে নিজেই লিখিছে--

এক হৰিবংশ কথা অমৃত সাক্ষাত।
আৰো ভাগৱত কথা মিশ্ৰ দিলো তাত।।
দুয়ো কথা পদ বন্ধে কৰো মিসলাই।
যেন মধুমিশ্ৰ দুগ্ধ স্বাদ অতিপায়।।
(ৰুক্মিণী-হৰণ কাব্য, সম্পা. হৰিনাৰায়ণ দত্ত বৰুৱা)

ইয়েই স্পষ্ট প্ৰমাণ দাঙি ধৰে যে শঙ্কৰদেৱে ভাগৱত আৰু হৰিবংশৰ সমল সংমিশ্ৰণ কৰি 'ৰুক্মিণী-হৰণ' কাব্য ৰচনা কৰিছিল। এই ক্ষেত্ৰত 'কথা-গুৰু-চৰিত'ৰ তথ্যক শুদ্ধ বুলিব নোৱাৰি। 'ৰুক্মিণী-হৰণ' কাব্য ৰচনা কৰাৰ পাছত 'ৰুক্মিণী-হৰণ' নাট ৰচনা কৰে। প্ৰথম ৰচনা কৰা কাব্যখনত যেতিয়া 'ভাগৱত' আৰু 'হৰিবংশ'ৰ প্ৰভাৱ পৰা বুলি শঙ্কৰদেৱৰ কথাৰ পৰাই প্ৰমাণিত হয় তেতিয়াহলে একে কাহিনী লৈ পিছত ৰচনা কৰা নাটখনতো 'ভাগৱত' আৰু 'হৰিবংশ'ৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। সত্যেন্দ্ৰ নাথ শৰ্মাই 'অসমীয়া নাট্য সাহিত্য'ত (পৃ. ৬৮) 'ৰুক্মিণী-হৰণ'ৰ কথাবস্তু 'ভাগৱত পুৰাণ'ৰ পৰা সংগ্ৰহ কৰা আৰু ইয়াত হৰিবংশৰ প্ৰভাৱ নাই বুলি উল্লেখ কৰিছে। অন্যহাতে ড° নবীন চন্দ্ৰ শৰ্মাই 'পুৰণি অসমীয়া সাহিত্যৰ সুবাস'ত (পৃ. ১২৮) 'ৰুক্মিণী-হৰণ' নাটখনত 'ভাগৱত-পুৰাণ' আৰু 'হৰিবংশ'ৰ প্ৰভাৱ সুস্পষ্ট বুলি মত প্ৰকাশ কৰিছে। তেওঁ 'বিষ্ণুপুৰাণ'তো ৰুক্মিণীৰ বিবাহ বিষয়ক কাহিনী পোৱা যায় বুলি কৈছে। আচলতে 'ভাগৱত-পুৰাণ', 'হৰিবংশ' আৰু 'বিষ্ণুপুৰাণ'ত ৰুক্মিণী-হৰণৰ মূল কাহিনীটো একেই। ভাগৱতত বিস্তৃতভাৱে আছে। সেইবাবে শঙ্কৰদেৱৰ নাটত 'ভাগৱত-পুৰাণ'ৰ প্ৰভাৱ বেছিকৈ পৰা বুলিব পাৰি। 'ৰুক্মিণী-হৰণ' কাব্যত শঙ্কৰদেৱে নিজে উল্লেখ কৰা কথালৈ লক্ষ্য ৰাখি পিছৰকালত ৰচিত নাটখনত 'ভাগৱত-পুৰাণ' আৰু 'হৰিবংশ'ৰ প্ৰভাৱ পৰা বুলিব পাৰি। ইয়াৰ লগত শঙ্কৰদেৱৰ মৌলিকতা তথা স্থানীয় ৰহণো সংযোগ হৈ আছে। 'ভাগৱত-পুৰাণ'ৰ মতে ৰজা ভীষ্মকৰ পাঁচজন পুত্ৰ আৰু এজনী কন্যা। ইয়াৰ বিপীতে 'হৰিবংশ'ৰ মতে বিদৰ্ভাধিপতিৰ এজন পুত্ৰ আৰু এজনী কন্যা। নাট্যকাৰে তেওঁৰ নাটত ৰজা ভীষ্মকৰ এজন পুত্ৰ আৰু এজনী

কন্যাৰ কথা উল্লেখ কৰিছে। এই কথাইয়ো প্ৰমাণ কৰে যে 'ৰুক্মিণী-হৰণ' নাটত 'হৰিবংশ'ৰ প্ৰভাৱ আছে। বাকী কাহিনী ভাগৱতৰ ওপৰত নিৰ্ভৰ কৰিছে।

'ভাগৱত-পুৰাণ' আৰু 'হৰিবংশ'ৰ পৰা নাটৰ মূল কাহিনীভাগ গ্ৰহণ কৰিলেও শঙ্কৰদেৱে মৌলিকতাৰ সংযোগ কৰি স্বকীয় প্ৰতিভাৰ পৰিচয় দিছে। 'ভাগৱত-পুৰাণ'ত ৰুক্মিণী-হৰণ কাহিনীৰ লগত উদ্ধৱ জড়িত নহয়। কিন্তু শঙ্কৰদেৱে নাটৰ আৰম্ভণিতে কৃষ্ণৰ লগত উদ্ধৱৰ প্ৰৱেশ দেখুৱাইছে আৰু বিদৰ্ভলৈ ৰুক্মিণীক হৰণ কৰিবলৈ কৃষ্ণ যাওঁতে উদ্ধৱকো লগত দেখুৱাইছে। সুৰভি আৰু হৰিদাস ভাটৰ চৰিত্ৰ সৃষ্টি কৰি নায়ক-নায়িকাৰ গুণানুকীৰ্তন, সেই গুণানুকীৰ্তন শুনি দুয়োজনৰ পূৰ্বৰাগৰ সৃষ্টি হোৱা ভীষ্মক ৰজাৰ পত্নী আৰু ৰুক্মিণীৰ মাতৃৰ নাম শশীপ্ৰভা ৰখা শঙ্কৰদেৱৰ মৌলিকতা। ৰুক্মিণীৰ সখী লীলাৱতী আৰু মদনমঞ্জৰী আৰু ৰুক্মিণীয়ে শ্ৰীকৃষ্ণলৈ পত্ৰ প্ৰেৰণ কৰাজনৰ নাম বেদনিধি ৰখা শঙ্কৰদেৱৰ নিজা সৃষ্টি। 'ভাগৱত'ত এজন ব্ৰাহ্মণৰ হাতত পত্ৰ প্ৰেৰণ কৰাৰ কথা আছে। ব্ৰাহ্মণৰ নামটো তাত নাই। তাৰোপৰি কুণ্ডিন অভিমুখে বায়ুবেগী ৰথত কৃষ্ণৰ লগত অহা বেদনিধিৰ 'শ্ৰুতিভঙ্গ' হোৱাৰ কথা, ৰুক্মিণীৰ ৰূপত মুগ্ধ হৈ অন্যান্য ৰজাসকলে কৰা বীভৎস আচৰণ, দ্বাৰকাত কৃষ্ণ-ৰুক্মিণীক দৈৱকী মাতৃয়ে আদৰি নিয়া, বিবাহ-কাৰ্য, বিবাহ মণ্ডপত ব্ৰহ্মাৰ মূৰ্চ্ছা যোৱা আৰু নাটৰ শেষত পৰিৱেশন কৰা গীতৰ মাধ্যমেদি নায়ক-নায়িকাৰ সম্ভোগৰ যি বৰ্ণনা দিছে এই গোটেইবোৰ শঙ্কৰদেৱৰ নিজা সৃষ্টি। মূলত থকা কিছুমান কথা শঙ্কৰদেৱে অৱশ্যে বৰ্জনো কৰিছে। যেনে মূলৰ মতে কৃষ্ণৰ লগত কুণ্ডিনলৈ বিশাল সৈন্যবাহিনী লৈ বলৰামো আহিছিল। শঙ্কৰদেৱৰ নাটত কৃষ্ণ অকলেই কুণ্ডিনলৈ আহিছে, বলৰাম অহা নাই।

মূলৰ লগত শঙ্কৰদেৱে নিজাববীয়াকৈ সংযোগ-বিয়োগ কৰিছে যদিও কাহিনীৰ গাম্ভীৰ্যতা খৰ্ব কৰা নাই নাইবা ভক্তিক উচ্চস্তৰৰ পৰা লৌকিকতালৈ নমাই অনা নাই। লৌকিকতাৰ মাধ্যমেদি জগতৰ ঈশ্বৰ-ঈশ্বৰীৰ মিলনক ভক্তিৰ দৃষ্টিৰে ৰূপায়ন কৰিছে।

নাটখনৰ মূল নাৰী চৰিত্ৰ হ'ল ৰুক্মিণী। অন্যান্য নাৰী চৰিত্ৰবোৰ হ'ল শশীপ্ৰভা, মদন-মঞ্জৰী, লীলাৱতী আৰু দেৱকী।

**ৰুক্মিণী** ঃ শঙ্কৰদেৱৰ 'ৰুক্মিণী-হৰণ' নাটৰ নায়িকা হ'ল ৰুক্মিণী। বিদৰ্ভ ৰাজকুমাৰী, ৰজা ভীষ্মকৰ একমাত্ৰ কন্যা ৰুক্মিণী ৰূপ-গুণৰ ফালৰ পৰা অতুলনীয়। হৰিদাস ভাটৰ মুখৰ পৰা কৃষ্ণৰ ৰূপ-লীলাৰ কথা শুনি মনে মনে কৃষ্ণক পতিৰূপে বৰণ কৰে। কিন্তু 'ভবা কথা নহয় সিদ্ধি, বাটত আছে কণাবিধি'ৰ দৰে ৰুক্মিণীৰ মনোবাঞ্ছাত ব্যাঘাত জন্মালে ককায়েক ৰুক্মীয়ে। জ্যেষ্ঠজনৰ সিদ্ধান্ত ঘৰৰ সকলোৱে গ্ৰহণ কৰাৰ পৰম্পৰাৰ অনুসৰিয়েই ৰুক্মীৰ কথা মানি পিতাক ভীষ্মকেও নিজৰ ইচ্ছাৰ বিৰুদ্ধেও শিশুপাললৈ জীয়েকক বিয়া দিয়াৰ সিদ্ধান্ত কৰিছে। সখী মদনমঞ্জৰীৰ মুখে ৰুক্মিণীয়ে এই কথা জানিব পাৰি মূৰত 'কলস' ভঙাৰ নিচিনা হৈছে। ৰুক্মিণী প্ৰেমিকা। সৰ্বসাধাৰণ প্ৰেমিকাৰ দৰে প্ৰিয়জনৰ লগত মিলনৰ আশা নেদেখি দুখত কাতৰ হৈ মূৰ্চ্ছা গৈছে। কিন্তু ৰুক্মিণী সাধাৰণ প্ৰেমৰ প্ৰেমিকা নহয়। স্বয়ং কৃষ্ণৰ প্ৰেমিকা। গতিকে নিজৰ স্থিতিক দুৰ্বল নকৰি প্ৰত্যুৎপন্নমতি বুদ্ধিৰে আসন্ন বিপদকো নেওচি বেদনিধিৰ জৰিয়তে কৃষ্ণলৈ পত্ৰ পঠাইছে, আৰু কৃষ্ণই তেওঁক কেনেকৈ হৰণ কৰি নিব তাৰো উপায় নিৰ্দেশ দি পঠাইছে। ৰুক্মিণীৰ সিদ্ধান্ত আৰু পৰিস্থিতি চম্ভালি উপায় উলিওৱা কাৰ্যই ৰুক্মিণীক ধৈৰ্যশীলা আৰু উপস্থিত বুদ্ধিসম্পন্না নাৰী বুলিব পাৰি। কৃষ্ণই ৰুক্মিণীক হৰণ কৰি নিয়াৰ পাছত ৰুক্মবীৰে বাধা প্ৰদান কৰোতে কৃষ্ণই তৰোৱাল উলিয়াই ভাতৃক কাটিবলৈ ধৰোতে সাধাৰণ নাৰীৰ কোমলতা আৰু ভাতৃস্নেহত বিগলিতা হৈ কৃষ্ণৰ ভৰিত পৰি ভাতৃৰ প্ৰাণভিক্ষা খুজিছে। নাটখনত কৃষ্ণৰ প্ৰতি ৰুক্মিণীৰ একান্ত প্ৰেম দেখুৱা হৈছে। নিজৰ প্ৰেমাস্পদক পাবলৈ ব্যাকুল হৈছে আৰু নিজাববীয়াকৈ উপায় উলিয়াইছে। কিন্তু ৰুক্মিণী কৃষ্ণৰ লগত তেনেদৰে গুচি যোৱাৰ ফলত মাক, দেউতাক বা ককায়েকৰ মনত কেনেদৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব ভাবি চোৱা নাই। অন্যহাতে পিতৃ-মাতৃয়ে ৰুক্মিণীক কৃষ্ণলৈ বিয়া দিবলৈ ঠিক কৰা শুনি ৰুক্মিণীয়ে তেওঁৰ সমান সৌভাগ্যৱতী নাই বুলি গৰ্ব কৰিছে।

"অঃ ঈশ্বৰ শ্ৰীকৃষ্ণক স্বামী পাৱলুঃ সখি হামাক সম সোভাগিনী কোন থিক।" ৰুক্মিণীৰ সৌভাগ্যৱতী হৈ থকাৰ মনত পাৰিজাত হৰণ নাটতো পোৱা যায়, নাৰদে দিয়া পাৰিজাত ফুলপাহ স্বামীক খুজি খোপাত পিন্ধি লোৱা

কাৰ্যত। তথাপিও স্বীকাৰ কৰিব লাগিব শঙ্কৰদেৱৰ মানস চৰিত্ৰ হ'ল ৰুক্মিণী। ৰুক্মিণী চৰিত্ৰৰ মাধ্যমেদি শঙ্কৰদেৱে ভক্তিতত্ত্বৰ কথা প্ৰকাশ কৰিছে। কৃষ্ণ ভগৱান আৰু ৰুক্মিণী ভক্তা। ভক্তাৰ অধীৰ আগ্ৰহত আৰু কাতৰ নিমন্ত্ৰণত ভগৱান আহি ভক্তাৰ লগত মনোবাঞ্ছা পূৰণ কৰিছেহি। ভগৱান আৰু ভক্তৰ মিলনত কোনো প্ৰতিবন্ধকতা থাকিব নোৱাৰে। ৰাসক্ৰীড়াত গোপীসকলে যেনেকৈ পৰিয়ালৰ বদনামৰ কথা চিন্তা নকৰি ভগবানৰ লগত মিলনৰ আকাঙ্খা কৰিছিল, ইয়াতো ৰুক্মিণীয়ে পৰিয়ালৰ কথা চিন্তা নকৰি কেৱল ভগৱান কৃষ্ণৰ লগত মিলনৰ কাৰণে ব্যাকুল হৈছে।

**শশীপ্ৰভা** ঃ- শশীপ্ৰভা হ'ল ৰজা ভীষ্মকৰ পত্নী তথা ৰাণী আৰু ৰুক্মবীৰ আৰু ৰুক্মিণীৰ মাতৃ। এই চৰিত্ৰটো শঙ্কৰদেৱৰ নিজা সৃষ্টি। নাটখনৰ মাত্ৰ এঠাইতহে চৰিত্ৰটোৱে ভুমুকি মাৰিছে। কাহিনীৰ অগ্ৰগতিত চৰিত্ৰটোৰ ভূমিকা আছে বুলিব নোৱাৰি। তথাপি শঙ্কৰদেৱে সুখী পৰিয়াল এটাৰ পৰিচয় দিবলৈ মাতৃৰ চৰিত্ৰ সৃষ্টি কৰিছে। মমতাময়ী মাতৃয়ে নিজৰ সন্তানৰ সদায় মঙ্গল কামনা কৰে। ভাটৰ মুখে ৰুক্মিণীয়ে যেনেকৈ কৃষ্ণৰ কথা শুনিছিল, ঠিক তেনেকৈ হয়তো মাতৃ শশীপ্ৰভায়ো কৃষ্ণৰ কথা শুনিছিল। সেইবাবেই কিজানি ভীষ্মকে কৃষ্ণলৈ ৰুক্মিণীক বিয়া দিয়াৰ কথা কোৱাত নিজৰ সন্মতি প্ৰদান কৰিছিল। নাটত শশীপ্ৰভাক এগৰাকী সহজ-সৰল সন্তানৰ মঙ্গল কামনা কৰা মাতৃ হিচাপেই শঙ্কৰদেৱে দাঙি ধৰিছে।

**মদন মঞ্জৰী আৰু লীলাৱতী** ঃ- মদনমঞ্জৰী আৰু লীলাৱতী ৰুক্মিণীৰ দুগৰাকী সখী। চৰিত্ৰ দুটা শঙ্কৰদেৱৰ নিজা সৃষ্টি। দুয়োগৰাকীকে নাট্যকাৰে সখী ৰুক্মিণীৰ অনুগতা হিচাপে তুলি ধৰিছে। মাক-দেউতাকে ৰুক্মিণীক কৃষ্ণলৈ বিয়া দিবলৈ সিদ্ধান্ত কৰাৰ সম্বাদটো লীলাৱতীয়ে ৰুক্মিণীক দিছে। আনফালে ৰুক্মবীৰে শিশুপাললৈ বিয়া দিবলৈ ঠিক কৰা কথাটো মদনমঞ্জৰীয়ে ৰুক্মিণীক জনাইছে। ৰুক্মিণী দুখত কাতৰ হৈ মুৰ্চ্ছা যাওঁতে দুয়োগৰাকী সখীয়ে পৰিচৰ্যা কৰিছে। ৰুক্মিণীয়ে লীলাৱতীৰ যোগেদিয়েই বেদনিধিক মাতি আনিছে। গতিকে বুজিব পাৰি মদন মঞ্জৰী, লীলাৱতী ৰুক্মিণীৰ একান্ত বিশ্বাসী আৰু অন্তৰঙ্গ সখী, যিয়ে ৰুক্মিণীৰ কাষে কাষে থাকি ৰুক্মিণীক সহায়ৰ হাত আগবঢ়ায়।

**দৈৱকী** ঃ- দৈৱকী চৰিত্ৰটোও নাটখনত ক্ষণিকৰ কাৰণে দেখা যায়। নাট্য কাহিনীত বিশেষ সমল যোগাব পৰা নাই যদিও ন দৰা-কন্যাক মাতৃয়ে আদৰ-সাদৰকৈ আদৰি নিয়াৰ যি মনোৰম দৃশ্য অসমীয়া বিয়াত দেখা যায় সেই মনোৰমতা প্ৰকাশ কৰিবলৈকে নাট্যকাৰে দেৱকীয়ে ন-দৰা-কন্যাক আদৰি নিয়াৰ কথা নাটকত দিছে। কৃষ্ণ ভগবান হলেও তেওঁ দেৱকীৰ পুত্ৰ। পুত্ৰই বোৱাৰী আনিলে পোনতে মাতৃয়েই বোৱাৰীক গৃহ প্ৰবেশ কৰাই। গতিকে দেৱকীয়ে সেই কাৰ্য সমাধা কৰিছে।

শঙ্কৰদেৱৰ ছখন নাটৰ ভিতৰত ভক্তি-তত্ত্ব প্ৰকাশৰ দিশৰ পৰা 'ৰুক্মিণী-হৰণ' উল্লেখযোগ্য নাট। 'ভাগৱত-পুৰাণ' আৰু 'হৰিবংশ'ৰ পৰা মূল কাহিনীভাগ গ্ৰহণ কৰি নিজৰ মৌলিকত্ব তথা স্থানীয় ৰহন সানি কাহিনীক অসমীয়াকৰণ কৰিছে যদিও গোটেই নাট্যকাহিনীত অন্তঃসলিলা ফল্গুৰ দৰে ভক্তিৰস প্ৰবাহিত হৈ আছে। ভগবান সদায় ভক্তৰ অধীন। ভক্তি যদি একান্ত হয় তেতিয়া ভগবানে নিজেই আহি ভক্তৰ মনোকামনা পূৰণ কৰে। ইয়াতো ৰুক্মিণীৰ একান্ত ভক্তি আৰু প্ৰেমৰ কাৰণে ভগবানে নিজে আহি ৰুক্মিণীৰ মনোবাঞ্ছা পূৰণ কৰিছে আৰু ভক্ত আৰু ভগবানৰ মিলন হৈছে। বাকীবোৰ চৰিত্ৰই কাৰ্যত অৰিহণা যোগাইছে।■■


সহায়ক গ্ৰন্থ ঃ

| | | | |
|---|---|---|---|
| ১. | অঙ্কাৱলী | ঃ | কালিৰাম মেধি (সম্পাদিত)। |
| ২. | অসমীয়া নাট্য-সাহিত্য | ঃ | সত্যেন্দ্ৰনাথ শৰ্মা। |
| ৩. | পুৰণি অসমীয়া সাহিত্যৰ সুবাস | ঃ | নবীন চন্দ্ৰ শৰ্মা। |
| ৪. | অসমীয়া সাহিত্যৰ ৰূপৰেখা | ঃ | মহেশ্বৰ নেওগ। |



**লেখিকা বিহপুৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা।**

# গুণমালা ঃ অনুপম নামৰ মালা

**শ্ৰীপূৰবী দুৱৰা**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ‘গুণমালা’ অসমীয়া বৈষ্ণৱ সাহিত্যৰ এখনি অন্যতম অনুপম গ্ৰন্থ। ‘গুণমালা’ মুঠ ৬টা খণ্ড বা অধ্যায়ত ৰচিত। ইয়াৰে ৫টা খণ্ড ভাগৱত পুৰাণৰ দশম একাদশ স্কন্ধৰ চমু আভাস; ১ম খণ্ড সাধাৰণ স্তুতিবাচক বৰ্ণনা।[1] মহাভাগৱত শাস্ত্ৰৰ সাৰকথা এই ‘গুণমালা’ গ্ৰন্থৰ ৰচনা সন্দৰ্ভত বহুকেইটা মত আৰু উৎস পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাই কৈছে--

‘শঙ্কৰদেৱে বৰদোৱা এৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শিঙ্গৰিত এৰাতি থাকি তাৰ পিছত বিশ্বনাথ দেৱালয় দেৱীপূজা কৰি থকা সনাতন্দ বা দেৱীদাস নামে কায়স্থ এজনক শিষ্য কৰি ‘গুণমালা’ পুথি দিছিল। ইয়াৰ দ্বাৰাই বুজিব পৰা যায় যে, তেওঁ বৰদোৱাত থাকোতেই ‘গুণমালা’ পুথি ৰচনা কৰিছিল। অৱশ্যে সেই প্ৰথম অধ্যায়ত বাজে।’[2] ‘গুৰুচৰিত কথা’ত পোৱা যায় এনে ধৰণেৰে--

‘আৰু এদিন ৰাজা বোলে ব্ৰাহ্মণ পণ্ডিসৱেও আমাক বাৰেও কন্ধ ভাগৱত সুনাব লাগে (তেনেকৈ) বহাতে পাব লাগে আৰু ঃ তেহে বামুণে বোলে বাৰে কন্ধ বাৰে মাহেও সুনিবলৈ টানেহে ঃ চৰ্চ্চাই চাৰি পাচ বৰ্ষেহে পাৰি ঃ চাই দণ্ডে সুনাবৰ কাৰ সক্তি ঈশ্বৰসক্তি হলেহে পাৰে। মনুয্যৰ সক্তি নাই ঃ ৰাজা বোলে বাপ আপুনি পাৰিবনে।। বোলে মহাৰাজ পণ্ডিতব্ৰাহ্মনেহে পাৰে আমাৰ কি সক্তি আছে।। তেহে গুৰুজন গৈ নামপাঠ অৱসানে ঃ ৰত্নালি বুৰিক বোলে মাহ কিচু বটি দে ঃ গুৰু চতুৰ্ভুজ হৈ দুই হাতে খাৰ কাঢ়িছে ঃ দুহাতে জাঞ দিচে ঃ বুৰিএ বাটি লৈ দেখি দণ্ডৱতে পৈলে ঃ বোলে বুৰি জা কতু নকবি ঃ তেহে মাহ দি কাটি তিকি বাৰেও কন্ধৰ মুঠিকৈ সাৰ গুণমালা লিখিলে ঃ প্ৰাতযে নিত্যকৰ্ম্ম স্নান গুৰুসেৱা কৈ দুই দণ্ডে সুনালে একা বাৰেও কন্ধ ঃ আৱা দহো ইশ্বৰ ঃ পাছে টকা বস্ত্ৰ ভাৰ সাঙ্গি ফুল চন্দন দি ইশ্বৰবোধে মানি সেৱাকৈ পঠালে ঃ বামুনে দেখি হেঠমাথে তুচ হৈ অধোমুখে ৰল।।৩৬২।।[3]

ৰামচৰণ ঠাকুৰে ৰচনা কৰা ‘গুৰুচৰিত’ও এই কথাখিনি আছে যে, কোচৰজা নৰনাৰায়ণে শঙ্কৰদেৱ সহিতে পণ্ডিতসকলক ভাগৱত সংক্ষেপে লিখিবলৈ কৈছিল। শঙ্কৰদেৱৰ বাহিৰে আন পণ্ডিতসৱে এয়া অসাধ্য বুলি অসমৰ্থতা প্ৰকাশ কৰে কিন্তু শঙ্কৰে ৰজাক আশ্বস্ত কৰি পিছদিনা ‘গুণমালা’ ৰজাৰ হাতত সমৰ্পণ কৰে--

‘শ্ৰীশঙ্কৰে ৰাতিভাগে শাস্ত্ৰক লিখিলা।<br>
গুণমালা নাম দিয়া ভুৰুকাত ভৰালা।।’৩৫৯৬

‘বৰদোৱা চৰিত’ত উল্লেখ আছে যে ‘গুণমালা’ৰ মুঠ ৬টা খণ্ডৰ প্ৰথম খণ্ডৰ বাহিৰে বাকী ৫টা খণ্ড বৰদোৱাত ৰচনা কৰি সন্দানন্দ বা দেৱীদাস নামৰ এজনক গাবলৈ দিছিল। মহাৰাজ নৰনাৰায়ণে হাতী মাৰি ভুৰুকাত ভৰাবলৈ কোৱাত ‘গুণমালা’ প্ৰথম খণ্ডটো ৰচনা কৰি পূৰ্বে ৰচনা কৰা ৫টা খণ্ড তাৰ স’তে সংযোগ কৰি অৰ্পণ কৰে। ‘গুণমালা’ গ্ৰন্থখনি বৰপেটাৰ চুণপোৱা ভেটিত শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱাৰ পিছত নাৰায়ণ দাস ঠাকুৰ আতাই লাভ কৰিছিল-- ‘ঠাকুৰ আতা বস্তু কৰি আপোনাৰ নিমিত্তে ‘গুণমালা’ শাস্ত্ৰখনি লাভ কৰিলে।’[4] এনেবোৰ তথ্যৰ পৰা বুজিব পৰা যায় যে, মহাপুৰুষ শঙ্কৰদেৱে

ভাগৱতৰ সাৰকথাখিনি খুউব কম সময়ৰ ভিতৰত ক্ষুদ্ৰ কলেৱৰত বিবৃত কৰিছে। যি কাৰ্য কেৱল শঙ্কৰদেৱৰ ক্ষেত্ৰতহে সম্ভৱ।

**'গুণমালা' গ্ৰন্থৰ বিষয়বস্তু ঃ** 'গুণমালা' কলেৱৰত ক্ষুদ্ৰ হ'লেও উচ্চ বৈশিষ্ট্যসম্পন্ন। ব্যক্তিগতভাৱে বা অকলশৰীয়াকৈ ঈশ্বৰৰ লীলা বা গুণ স্মৰণ কৰাৰ সুবিধাৰ্থে এই পুথি ৰচিত।[৫] বেজবৰুৱাৰ ভাষাত 'গুণমালা' বাৰ স্কন্ধ ভাগৱতৰ 'পকেট এডিচন'।

'গুণমালা' ৬ টা খণ্ড বা অধ্যায়ৰ আৰু ৩৭৭টা পদৰ সমষ্টি। প্ৰতিটো অধ্যায় আৰম্ভ হৈছে একোটি ঘোষাৰে। 'গুণমালা'ৰ প্ৰথম ঘোষাটি হ'ল-- 'ৰাস নিৰঞ্জন। পাতক ভঞ্জন।।'-- এই অধ্যায়ৰ মূল কথাখিনি হ'ল-- পৃথিৱীৰ ভাৰ খণ্ডন কৰিবৰ বাবে কৃষ্ণৰূপী নাৰায়ণ বিষ্ণুৰ বিভিন্ন গুণৰ বন্দনা। ভগৱান বিষ্ণুৰ দশ অৱতাৰৰ বৰ্ণনাৰে প্ৰথম খণ্ডটি মনোৰম।

দ্বিতীয় অধ্যায় আৰম্ভ হৈছে-- 'হৰি হৰি ৰাম। হৰি হৰি ৰাম।।'-- এই ঘোষাৰে। শ্ৰীকৃষ্ণৰ পাৰ্থিৱ লীলাৰ বৰ্ণনা অতি সুন্দৰকৈ কৰিছে। শ্ৰীকৃষ্ণৰ জন্মৰ স্থান, কৃষ্ণৰ ৰূপৰ চিত্ৰন, শৈশৱ কালৰ ৰং ধেমালি আদি প্ৰাণময় ৰূপত শঙ্কৰদেৱে বৰ্ণনা কৰিছে। এই খণ্ডত শ্ৰীকৃষ্ণৰ বাল্যকালৰ সকলোবোৰ ঘটনাই উল্লেখ কৰিছে। জন্মৰ পাছত কৃষ্ণক বসুদেৱে যমুনা নৈৰ পাৰ কৰি নিয়া, ফণায়ে ছত্ৰ ধৰা, কৃষ্ণক থৈ নন্দৰ কন্যাক অনা, নন্দ ঘৰত পুত্ৰ ওপজাৰ বাবে আনন্দোৎসৱ আদি সকলোবোৰ কম পৰিসৰতে নিখুঁতকৈ বৰ্ণিত হৈছে। মূলতঃ কালীয় দমন, গোৱালীসৱৰ লগতে যশোদাৰ স'তে কৃষ্ণৰ চতুৰালি-- ধূৰ্তালি, যমুনাৰ তীৰত গোপীসকলৰ স'তে ক্ৰীড়া, গোপীৰ বস্ত্ৰহৰণ, পত্নী-প্ৰসাদ আদি ভাগৱতৰ দশম স্কন্ধৰ মূল কথাখিনি এই খণ্ডত চিত্ৰিত হৈছে। শেষত 'কৃষ্ণগুণ নাম। ধৰ্ম অনুপাম।।' বুলি নিৱেদন কৰি সামৰিছে।

তৃতীয় অধ্যায় 'কহ হৰি ৰাম নকৰ বিৰাম।।'-- এই ঘোষাৰে আৰম্ভ হৈছে। এই অধ্যায়ত বৰ্ণিত হৈছে-- ইন্দ্ৰৰ দৰ্পচূৰ্ণৰ পৰা চানুৰ মুষ্টিক বধলৈকে। কৃষ্ণ-গোপীৰ প্ৰেম-ভাৱ, শঙ্খচূড় বধ, কুঁজীৰ প্ৰতি সদয়, বৰুণৰ কিংকৰৰ হাতৰ পৰা পিতৃ-নন্দক উদ্ধাৰ, ব্ৰজবাসীৰ স'তে আনন্দ বিহাৰ আদি ঘটনাৰ অনুপম বৰ্ণনাৰে এই অধ্যায় সমৃদ্ধ।

চতুৰ্থ অধ্যায় আৰম্ভ হৈছে-- 'ত্ৰাহি ৰাম ত্ৰাহি ৰাম কৰোঁহো প্ৰণাম।।'-- এই ঘোষাৰে। এই অধ্যায়ত কংসবধ, কৃষ্ণৰ পিতৃ-মাতৃৰ স'তে মিলন, গোপীসকলক উদ্ধৱৰ আশ্বাস, মথুৰা ভ্ৰমণ, ৰুক্মিণীহৰণ, স্যমন্তক মণি উদ্ধাৰ, পাৰিজাত হৰণ, অনিৰুদ্ধ-উষাৰ মিলন, হৰি-হৰৰ যুদ্ধ আদি ঘটনা চমু বৰ্ণনাৰে কৃষ্ণৰ বীৰত্ব প্ৰকাশ কৰিছে।

পঞ্চম অধ্যায় আৰম্ভ হৈছে-- 'ত্ৰাহি হৰি ৰাম বোল অৱিশ্ৰাম।।' ঘোষাৰে। সুভদ্ৰাহৰণ, বিপ্ৰ দামোদৰ এই অধ্যায়ত বৰ্ণিত কৰি কৈছে--

'শ্ৰৱণ কীৰ্ত্তনে    কৰে যিটোজনে
তাতেসে প্ৰসন্ন    হোৱা নাৰায়ণ।।'

দৈৱকীৰ পুত্ৰ আনয়ৰ বৰ্ণনাৰ অন্তত কৃষ্ণৰ শ্ৰেষ্ঠতা ব্যক্ত কৰিছে--

'মাধৱে যে পিতা    মাধৱেসে মাতা
মাদৱেসে ধাতা    মাধৱেসে দাতা'

-- এয়ে হৈছে এই অধ্যায়ৰ মূল ব্যক্তব্য।

ষষ্ঠ অধ্যায় আৰম্ভ হৈছে, 'বোলা ৰাম ৰাম ছাড় আন কাম।' ঘোষাৰে। এই অধ্যায়ত ভাগৱতৰ দশম স্কন্ধৰ সামৰণি আৰু একাদশ স্কন্ধৰ পাতনি মেলিছে। উদ্ধৱৰ আগত কৃষ্ণৰ দ্বাৰা ভক্তিতত্ত্বৰ ব্যাখ্যা, যদুকুল ধ্বংস আৰু ব্যাধৰ হাতত কৃষ্ণৰ বৈকুণ্ঠ গমন আদি বৰ্ণিত হৈছে। এই বিষয়বোৰৰ বৰ্ণনা মাজে মাজে কৃষ্ণৰ বৰ্ণময় ৰূপৰ বৰ্ণনাও চিত্ৰিত হৈছে। ভক্তিয়েই যে মুখ্য এই কথা বৰ্ণনা কৰিছে এনেদৰে--

দেখাইলন্ত সম    কৈলা নিৰূপম।।
ভক্তি মুখ্যতম    পুৰুষ উত্তম।।
নিৰ্গুণ ভকতি    নিৰ্গুণত মতি।।
নিৰ্গুণত ৰতি    নিৰ্গুণত গতি।।
নিৰ্গুণত ধ্যান    নিৰ্গুণত জ্ঞান।।
নিৰ্গুণত স্থান    গৈলা সৰ্বজান।।

শঙ্কৰদেৱে ভকত সম্পৰ্কে কৈছে--

ব্ৰহ্মলক্ষ্মী হৰ    ইটো কলেৱৰ।।
তাতো শ্ৰেষ্ঠতৰ    ভক্ত প্ৰিয়তৰ।।

ভকতেসে জ্ঞান ভকতেসে ধ্যান।।
ভকত সমান নাহি মোৰ আন।।

ব্যাধৰ শৰত কৃষ্ণৰ বৈকুণ্ঠ গমন বৰ্ণনাৰ পাছত কবি শঙ্কৰদেৱে নামৰ মহিমাৰ কথা উল্লেখ কৰিছে--

নামেসে সংসাৰ কৰিবে নিস্তাৰ।।
নামে বিনে আৰ আন নাহি সাৰ।।

শেষত,

মাধৱৰ নাম ধৰ্ম নুপাম।।
এৰি আন কাম বোলা ৰাম ৰাম।।-- এই পদেৰে সামৰণি মাৰিছে। ভাগৱতৰ আধাৰত ৰচিত গ্ৰন্থখন কলেৱৰত সৰু হ'লেও শ্ৰীকৃষ্ণৰ লীলা, শ্ৰীকৃষ্ণ গুণগৰিমা, অলৌকিক কাৰ্য শ্ৰীকৃষ্ণৰ বীৰত্ব আদি কাৰ্যকলাপ ক'তো ত্ৰুটি-বিচ্যুতি নোহোৱাকৈ বৰ্ণিত হৈছে। বিশেষভাৱে শ্ৰীকৃষ্ণৰ গুণ প্ৰকাশক বাবে 'গুণমালা' নাম দিয়া হৈছে। ভক্তৰ হৃদয় স্পৰ্শ কৰিব পৰাকৈ শ্ৰৱণ-কীৰ্তন, ভক্তিৰ স্বৰূপ, ভগৱন্তৰ মহিমা অতি সুন্দৰ শব্দৰ প্ৰয়োগেৰে বৰ্ণনা কৰিছে। গ্ৰন্থখনিত ভাগৱতৰ বিভিন্ন স্কন্ধত বিভিন্ন আখ্যানৰ বৰ্ণনাৰে তত্ত্বকথাৰ মাজেৰে কৃষ্ণৰ মাহাত্ম্য প্ৰকাশি উঠিছে যদিও দশম একাদশ স্কন্ধতেই ই সম্পূৰ্ণ প্ৰকাশ পাইছে। কলিযুগত জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ, ভক্তি হৈছে মুক্তিৰ একমাত্ৰ পথ। 'গুণমালা' গ্ৰন্থত বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন, ভক্তিৰ শ্ৰেষ্ঠত্ব আৰু ভগৱান শ্ৰীকৃষ্ণৰ মাহাত্ম্য চমু অথচ বৈশিষ্ট্যপূৰ্ণভাৱে প্ৰকাশ পাইছে। ড° হৰিনাথ শৰ্মা দলৈয়ে কৈছে-- 'নিৰ্গুণৰ গুণ আৰু অৰূপৰ ৰূপৰে অতীৱ সুন্দৰ মালাধাৰ গাঁঠিছে নাম-গুণমালা।'[৬]

**'গুণমালা'ৰ কাব্যিক গুণ ঃ**

'গুণমালা' কুসুমমালা ছন্দত ৰচিত অনুপম গীতিকাব্য। বৰ্ণনাভংগীৰ ক্ষিপ্ৰতাৰ বাবে পুথিখন ৰসগ্ৰাহী। খুউব কম কথাৰ মাজেৰে বিষয়বস্তুৰ বিকাশ ঘটিছে অথচ উপযুক্ত শব্দ চয়ন আৰু বয়ন শৈলীৰ বাবে ৰসপানত বাধা অহা নাই।

মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কীৰ্ত্তন আৰু দশম। তাত প্ৰকাশ পাইছে 'ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য, ভক্তিৰ গঢ়তা আৰু কীৰ্ত্তনতে ঘটিছে নৱৰসৰ মিলন।' কিন্তু এই কথা 'গুণমালা' ক্ষেত্ৰতো প্ৰযোজ্য নোহোৱাকৈ থকা নাই।

শঙ্কৰদেৱৰ বৰ্ণনা শক্তিৰ দক্ষতাৰ বাবে 'গুণমালা'ৰ বিষয়বস্তু অতি সাৱলীল আৰু মধুৰ ভাষাৰে প্ৰকাশ কৰাত সাৰ্থকতা লাভ কৰিছে। ভাৱৰ মাধুৰ্য আৰু ছন্দোময় শব্দ প্ৰয়োগে কাব্যখন গীতময় কৰি তুলিছে। শব্দ চয়ন আৰু বয়ন দুয়ো দিশতে সিদ্ধহস্ত কবি শঙ্কৰদেৱ। সেয়ে 'গুণমালা'ত বিষয়বস্তুৰ বৰ্ণনাৰ মাজে মাজে উপমা, অনুপ্ৰাস অন্ত্যানুপ্ৰাস আদি ব্যৱহাৰ কৰিছে। যেনে--

অন্ত্যানুপ্ৰাস ঃ ৰাম নিৰঞ্জন পাতক ভঞ্জন।।
দানৱ গঞ্জন গোপীকা ৰঞ্জন।।

শ্ৰীকৃষ্ণৰ বৰ্ণনয় ৰূপ বৰ্ণনাও সাৱলীল--

পীত বয়ন ৰুচিৰ দশন।।
হসিত বয়ন কমল নয়ন।।
খচিত কনক ৰত্নৰ তিলক।।
..... .....
মকৰ কুণ্ডল শোভে গণ্ডস্থল।।
চাৰু কম্বুগল কৌস্তুভে উজ্বল।।
..... .....
চৰণ কমল নূপুৰ উজ্জ্বল।
আতি সুকোমল ৰঙা পাদতল।। আদি

প্ৰতিটো খণ্ডতে শ্ৰীকৃষ্ণৰ বৰ্ণময় ৰূপৰ বৰ্ণনা কৌশলগতভাৱে উপযুক্ত শব্দ চয়নেৰে প্ৰকাশিত হৈছে।

হসিত বয়ন কমল নয়ন।
ৰুচিৰ দলন পীত বসন।।
..... .....
হস্ত চাৰিখন অতি বিতোপন।
কেয়ুৰ কঙ্কন প্ৰকাশে ভূষণ।।
..... .....
উৰু কৰিকৰ জঙ্ঘা মনোহৰ।
..... .....
চৰণ পল্লৱ পদ্ম অভিনৱ।
.... .....
আঙুলিৰ পান্তি নখচন্দ্ৰ কান্তি।।

দ্বিতীয় অধ্যায়ত শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনা কৰাৰ পাছত পুনৰ চতুৰ্থ অধ্যায়তো বৰ্ণিত হৈছে। খুউব কম

কথাৰে ক্ষীপ্ৰতাৰে বৰ্ণিত এই বৰ্ণনা অতি সুন্দৰ।

গুণমালাৰ আন এটি নাম হৈছে 'গুণচিন্তামণি'। এই পুথি ভাগৱতৰ দৰে আদৰৰ। এই প্ৰসঙ্গত শঙ্কৰদেৱৰ দুজন শিষ্য নাৰায়ণ দাস ঠাকুৰ আতা আৰু গকুলচান্দক কোচ ৰজাৰ দূতে ধৰি নি ভোটত বেচাৰ সময়ত দুয়োজনেই 'গুণমালা লীলামালা কৃষ্ণ গুণ গান্তে' অৰ্থাৎ গুণমালাৰ পদ আওৰাইছে কোচ দূত হৰিসাই এই পুথি আগত ৰামি শৰণ লৈছে, 'গুণচিন্তামণি পুথি আগে থৈয়া কৃষ্ণৰ লৈলা শৰণ।'[৬]

যি উদ্দেশ্যেৰে মহাপুৰুষ শঙ্কৰদেৱে ভাগৱতৰ বিভিন্ন খণ্ড অনুবাদ কৰি সাহিত্য-চৰ্চা কৰিছিল, 'গুণমালা' পুথি লিখাৰ উদ্দেশ্যও একে। একশৰণ নামধৰ্ম মতানুসৰি নাম, দেৱ আৰু ভক্তিক প্ৰতিপাদন কৰাই 'গুণমালা'ৰ উদ্দেশ্য। তেওঁ বৰদোৱাত থাকোঁতে এই পুথিৰ ৰচনা আৰম্ভ কৰি কোচৰজা নৰনাৰায়ণৰ ৰাজ্যত সম্পূৰ্ণ কৰে আৰু নৰনাৰায়ণৰ ৰাজসভাত গায়ন কৰাৰ বাবে এই পুথি যশস্যা বাঢ়ে। ড° মহেশ্বৰ নেওগৰ মতে, 'শঙ্কৰদেৱৰ ক্ষিপ্ৰগতি কুসুমমালা ছন্দৰ 'গুণমালা' পুথিখনো কীৰ্ত্তন-ঘোষা শ্ৰেণীৰ। ইয়াত কবিয়ে কোটমনি এধাৰিৰ দৰে খুদ খুদ বাক্যেৰে 'নিৰ্গুণ কৃষ্ণৰ গুণ'ৰ মালা গাঁঠিছে।' শঙ্কৰদেৱে স্বকীয় কাব্যিক প্ৰতিভাৰে সুন্দৰ শব্দ চয়নেৰে ৰচনা কৰাত এই গ্ৰন্থ যিকোনো ভক্তই, যিকোনো সময়ত, গাব পাৰে। কম পাৰিসৰতে ভাগৱতৰ সাৰকথা বুজিব পাৰে, আৰু ভক্তৰ হৃদয় জিনিব পাৰে। কেৱল ভক্তৰ বাবেই নহয়, সকলো পাঠকৰ বাবেই 'গুণমালা' কাব্যিক গুণসম্পন্ন এখনি মনোৰম গ্ৰন্থ। ■■

**প্ৰসংঙ্গ উৎস ঃ**

১. সতেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা-১৪৪
২. বেজবৰুৱা গ্ৰন্থাৱলী, পৃষ্ঠা-২৯০
৩. ড° মহেশ্বৰ নেওগ ঃ গুৰু-চৰিত-কথা, পৃষ্ঠা-১১৭-১১৮
৪. সত্যেন্দ্ৰনাথ শৰ্মা ঃ তদীয়, পৃষ্ঠা-১৪৪
৫. ড° হৰিনাথ শৰ্মা দলৈ ঃ শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা, পৃষ্ঠা-২০৯
৬. শিৱনাথ বৰ্মন (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (২য় খণ্ড), পৃষ্ঠা-১৩৩

**প্ৰাসঙ্গিক গ্ৰন্থ ঃ**

১. সূৰ্যকান্ত হাজৰিকা (সম্পা.) ঃ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা
২. ড° মহেশ্বৰ নেওগ ঃ গুৰু-চৰিত-কথা
৩. সন্দ্ৰেনাথ শৰ্মা ঃ অসমীয়া সাহিত্য সমীক্ষাত্মাক ইতিবৃত্ত
৪. শিৱনাথ বৰ্মন (সম্পা.) ঃ অসমীয়া সাহিত্য বুৰঞ্জী (২য় খণ্ড)
৫. ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
৬. হৰিনাম শৰ্মা দলৈ ঃ শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা।

**লেখিকা মৰিচল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা।**

# মাধৱদেৱ ঃ বহুমুখী প্ৰতিভা

**শ্ৰীকমলা দাস**

বহুমুখী প্ৰতিভাৰ মাধৱদেৱক একমাত্ৰ শ্ৰীগুৰু শঙ্কৰদেৱৰ লগতহে তুলনা কৰিব পাৰি। শঙ্কৰ-মাধৱ দুয়োজনেই আছিল একাধাৰে পণ্ডিত, শাস্ত্ৰকাৰ, গীতিকাৰ, কবি, কলাকাৰ, নাট্যকাৰ, ধৰ্মগুৰু আদি। দুয়োজনাই একশৰণ নামধৰ্ম প্ৰচাৰৰ বাবে নানা কাব্য, কাহিনী, গীত-নাটৰ উপৰি আধ্যাত্মিক গীত 'বৰগীত' ৰচনা কৰিছিল। আনকি গীতৰ লগত বজোৱা খোল, তাল, আদিও নিজে সাজিছিল। 'মুখা' সজা শিল্প অসমৰ প্ৰধান শিল্প আছিল। গুৰুচৰিতত পোৱা যায়—

"তাৰ মোৰ কিছু নাহিকে অন্তৰ
জানিবা নিশ্চয় কৰি
মাধৱ আমাৰ পৰম বান্ধৱ
মোৰ প্ৰাণ এৰে সৰি"

—দৈত্যাৰি

মাধৱদেৱৰ সাহিত্যিক জীৱন আছিল নানা ঘাত-প্ৰতিঘাটেৰে পৰিপূৰ্ণ। ৰজা মহাৰজাৰ পৃষ্ঠপোষকতাৰে ভৰা জীৱন তেওঁৰ নাছিল। তেওঁ কেতিয়াবা ৰাজৰোষৰ পৰা ৰক্ষা পাবলৈ আত্মগোপন কৰি থাকিব লগাত পৰিছিল। তেতিয়াও মাধৱদেৱৰ পাণ্ডিত্য হাৰ মনা নাছিল। কাৰোবাৰ গোহালি ঘৰত আশ্ৰয় লৈও ঘোষা ৰচনা কৰিছিল। কথা-গুৰুচৰিতৰ ২১৭ পৃষ্ঠাত পাওঁ— "মহাপুৰুষ গুৰু গৈ প্ৰথমে খীৰা মৰল বাৰীৰ ৰামচৰণ ঠাকুৰ গৃহে সোন্দৰাতে ৰ'লগৈ। সেই ঠাকুৰ পাট গোহালিতে গুৰুবাক্যেৰে 'ৰত্নাৱলী' শ্লোক ভাঙ্গি পদ কৰিছে।"

আত্মলঘিমা তেওঁৰ চৰিত্ৰৰ ভূষণ আছিল। তেওঁ আছিল ত্যাগৰ মূৰ্তি। এজন ধৰ্মগুৰু হিচাবে থাকিবলগীয়া গুণ— বিনয়, ধৈৰ্য, সহনশীলতা, সংগঠন শক্তি, মানৱতাবোধ, পাণ্ডিত্য আদি সকলো গুণ তেওঁৰ শৰীৰত আছিল। মাধৱদেৱৰ গুৰুভক্তিৰ নিদৰ্শনতে তাৰ উমান পোৱা যায়।

"নিজ গুৰু চৰণত কৰি নমস্কাৰ।
ৰচিলো মাধৱ আদ্যকাণ্ড কথাযাৰ।।"

মাধৱদেৱৰ দাৰ্শনিক চিন্তাধাৰা 'নাম-ঘোষা'ত স্পষ্ট হৈ উঠিছে—

"সমস্ত বেদান্ত সাৰ মহাভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যি জনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই।।"

—নামঘোষা, ১৮

ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ হিচাবে নাম-ঘোষা অনুপম। মাধৱদেৱৰ অনুপম সৃষ্টি 'নাম-ঘোষা'ৰ মাজত ব্ৰহ্ম, জীৱ আৰু জগত সম্পৰ্কে গভীৰ চিন্তাশীল ব্যক্তিত্বই ভুমুকি মাৰিছে। প্ৰতিটো জীৱ হ'ল নিৰাকাৰ ব্ৰহ্মৰ অংশ। ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ হিচাবে নাম-ঘোষাত অনুপম অৱতাৰবাদ, মায়া, ভক্তি, প্ৰেম, জ্ঞান, কৰ্ম, শ্ৰৱণ, কীৰ্ত্তন, সৎসঙ্গ, মাহাত্ম্য, দাস্য, সেৱা আদি ব্যাখ্যা কৰা আছে। ভক্তি তত্ত্বৰ গভীৰতাৰ লগতে খাপ

খুৱাইছে ‘বৰগীত’বোৰ। মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণক এটি চিৰন্তন শিশুৰ ৰূপ দি যশোদাৰ মাতৃস্নেহ উজলাই দি সকলোকে মুগ্ধ কৰিছে। নিজে অবিবাহিত থাকিও শব্দ চয়নেৰে সকলোকে ৰসত জুবুৰিয়াই হাবু-ডুবু খুৱাইছে। শ্ৰীকৃষ্ণই গাখীৰ নোখোৱাত পুত্ৰক সাৱটি ধৰি সজল নেত্ৰে যশোদাই গাইছে—

“পাৰে ধৰো শিৰে ধৰো
দুধ পিউ হৰি হৰি।।”

তথাপি কৃষ্ণই ঠেহ কৰি কান্দে—

“মুখে স্তন লৈয়া কান্দে ফোকাৰি ফোকাৰি।”

মাতৃস্নেহৰ স্নেহ নিজৰা এই পৰিবেশৰ ব্যাখ্যা কৰা নিষ্প্ৰয়োজন। চিৰকুমাৰ মাধৱদেৱৰ সৃষ্টিত শিশু বা নাৰী কেনেকুৱা ৰূপত ধৰা দিব সি এক কৌতুহলৰ বিষয়।

মাধৱদেৱৰ আধ্যাত্মিক তত্ত্ব সহজ সৰল। অবুজ জনতাক বুজাবলৈ পুৰণা অনুষ্ঠানৰ ভিত্তিতে আধ্যাত্মিক তত্ত্ববোৰ বুজাই দি একশৰণীয়া ধৰ্ম শঙ্কৰদেৱৰ লগত লগ লাগি প্ৰচাৰ কৰে। জনসমাজত সমাদৃত অনুষ্ঠান যেনে ওজাপালি, পুতলা নাচ, ঢুলীয়া ভাও, দেওধনী নৃত্য, দেৱদাসী নৃত্য আদিকে প্ৰচাৰৰ মাধ্যম ৰূপে লয়। তাত কৃতকাৰ্যও হয়। মাধৱদেৱ নিজেও ওজাপালিৰ ‘দাইনাপালি’ হৈ থকাৰ কথা চৰিত পুথিত উল্লেখ আছে। শঙ্কৰদেৱে নিজেও ৰাসক্ৰীড়া বৰ্ণনাৰ এঠাইত লিখিছে—

“ভকতৰ পদে দেখুৱাই মনুষ্য চেষ্টাক।
গোপীক নাছান্ত যেন ছায়া পুতলাক।।”

মাধৱদেৱৰ বৰগীতৰ গভীৰ স্মৃতিৰ প্ৰভাৱ হ’ল বিশ্বব্ৰহ্মাণ্ডৰ। ‘ব্ৰহ্মাণ্ডৰ ঈশ্বৰে গৰু চৰায়” —ইয়াৰ দ্বাৰা বেদান্তৰ তত্ত্ব অৱতাৰণা কৰা হয়। বৰগীতৰ লগতে ভটিমাৰ ৰচনায়ো তেখেতৰ কাব্য প্ৰতিভা উজলায়। দুয়ো ধৰণৰ গীততে শ্ৰীমাধৱদেৱৰ সুতীক্ষ্ণ ব্যক্তিত্ব আৰু শিল্প প্ৰতিভাৰ নৈপুণ্য জিলিকি আছে। থিতাতে গীত ৰচি, সুৰ দি গাব পৰা নিপুণতা কেৱল মাধৱদেৱৰহে আছিল। দ্বিতীয়বাৰ তীৰ্থযাত্ৰাত যাওঁতে তেখেতসকলৰ লগত গোকুলৰ বৈৰাগী যাত্ৰী কেইজনমানো আছিল। পুৱা সেই বৈৰাগী কেইজনে বঙালী ভাষাতে কৃষ্ণলীলাৰ গীত গোৱা শুনি শ্ৰীগুৰু শঙ্কৰদেৱে কামোদ মাধৱদেৱকো তেনে গীত ৰচিবলৈ কয়। লগে লগে মাধৱদেৱে গীত ৰচি গায়—

“আজু গোপীনাথ পেখলোঁ আঁখি
যমুনা তীৰে ফুৰে ধেনু ৰাখি।।”

শ্ৰীগুৰু শঙ্কৰদেৱ স্বৰ্গগামী হ’লত একান্ত ভক্ত মাধৱদেৱৰ হৃদয় শোকত কাতৰ হৈ পৰে আৰু ভাটিয়ালী ৰাগত গীত ৰচনা কৰে—

“আলো মই কি কহবোঁ দুঃখ।
পৰাণ নিগড়ে নাদেখিয়া চান্দ মুখ।।”

আশোৱাৰী, ধনশ্ৰী, মাউৰ, ভাটিয়ালী, সুহাই, বড়াৰি, বসন্ত, বেলোৱাৰ, শ্ৰীগান্ধাৰ, মল্লাৰ, সিন্ধুড়া শ্যাম— এনে ৰাগ সমূহৰ নাম মাধৱদেৱৰ বৰগীতত পোৱা যায়।

মাধৱদেৱে ৰচনা কৰা ‘ঝুমুৰা’ও তেখেতৰ প্ৰতিভাৰ আন এটি দিশ। ঝুমুৰা বুলিলে আমি কেৱল মাধৱদেৱৰ নাটহে বুজো। ‘ঝুমুৰা’ত ঘাই চৰিত্ৰ কৃষ্ণ আৰু যশোদা। ইয়াত শ্ৰীকৃষ্ণৰ ৰং-ধেমালি, বাক্‌পটুতা আৰু চতুৰালিত পৰমব্ৰহ্মৰ মানৱী ৰূপৰ প্ৰকাশ। যশোদায়ো আদৰ্শ মাতৃৰ দৰে কৃষ্ণক শাসন কৰি, ভয় দেখুৱাই, কৃষ্ণৰ গাৰ ধূলি গুচাই বুকুত সাৱটি লৈ বিশ্বজনীন মাতৃৰূপৰ প্ৰতিভা দেখুৱাইছে। এইবোৰৰ পৰা বুজা যায় যে মাধৱদেৱ আছিল একাধাৰে শিল্পী, অভিনেতা, বাক্‌পটুতা আৰু সঙ্গীতজ্ঞ। গীত, লেখি, মুখা প্ৰস্তুত কৰি, ভাগে ভাগে ভাও ভগাই দি মাধৱদেৱে সকলো শিল্পীকে নিজে শিকাইছিল। ইতিহাসৰ পৰা জনা যায় যে অসমত মুখাৰ সৃষ্টি আৰু প্ৰচলন শঙ্কৰ-মাধৱেই কৰে। ঝুমুৰা, ভটিমা গীতবোৰৰ দৰেই মাধৱদেৱৰ নাটবোৰ অৱয়বত সৰু যদিও এইবোৰৰ আবেদন গভীৰ। মাধৱদেৱে সদায় দৰ্শক বা শ্ৰোতাৰ ৰুচি-অভিৰুচি বা মনস্তত্ত্বৰ প্ৰতি সচেতন আছিল। নাটত বাৎসল্য ভক্তিৰসৰ পৰকাষ্ঠা দেখা যায়। অৰ্জুন-ভঞ্জন নাটৰ স্থায়ী ভাৱ ‘বাৎসল্য ৰতি’। ঝুমুৰাৰ ঘাই ৰস ভক্তি আৰু হাস্যৰস যদিও আন আন ৰসো পৰিলক্ষিত হয়।

'চোৰধৰা' ঝুমুৰাতে কৃষ্ণভক্তিত ভক্তিৰস দেখুৱাৰ উপৰিও কৰুণ ৰস, কৌতুক ৰস ফুটি ওলাইছে। নাট্য অভিনয়ৰ প্ৰয়োজনৰ কাৰণে মাধৱদেৱে মহাকাব্যৰ কাহিনীৰ ওপৰত মৌলিকতাক স্পৰ্শ দি মূলৰ কাহিনীতকৈও নাট্য কাহিনীটোক অধিক ভাস্কৰ কৰি তোলে। ফলত দৰ্শকৰ কাৰণে ই মনোগ্ৰাহী হয়। 'অৰ্জুন-ভঞ্জন'ৰ কাহিনীটো আছিল ভাগৱতত বৰ্ণিত। ভাগৱতত দিয়া বহল, দীঘল বৰ্ণনাবোৰ চুটি কৰি এই নাটকখন সম্পূৰ্ণ কৰে যদিও ই দৰ্শকৰ মনোগ্ৰাহী হয়। এইদৰে মাধৱদেৱে নাট্য অভিনয়তো বহুমুখী প্ৰতিভাক উদঙাই দেখুৱাইছে। তেখেতে মূল কাহিনী বিকৃত নকৰাকৈয়ে মৌলিকতাৰ পৰশ সানি হৃদয়গ্ৰাহী কৰি তুলিব পাৰিছিল। সেয়েহে পদত পাওঁ—

"মাধৱদেৱৰ মায়াৰ কমনে পোৱা অন্ত।
ঐশ্বৰ্য দৰিদ্ৰ হোৱে দুখী ধনৱন্ত।।"

মাধৱদেৱৰ প্ৰতিভাৰ উজ্জ্বল তৰাটো হ'ল তেওঁৰ মতে ভক্তিৰ দ্বাৰাহে অপ্ৰাপ্যও প্ৰাপ্য হয়। ভক্তিত থাকিব লাগিব ত্যাগ। কামনা, বাসনা, ভোগ, ত্যাগ কৰি নিষ্কাম ভক্তিতহে সকলো সিদ্ধ হয়। ভক্তি বিগলিত মাধৱদেৱৰ কৰুণ চিত্তৰ ছবিটি শ্ৰোতাৰ মনলৈ ভাঁহি আহে যেতিয়া তেওঁ গায়—

"কি মতে ভকতি কৰিবো তোমাত হৰি এ
মঞি মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
...... .....
তোমাৰ মায়ায়ে মন মোহি আছে হৰি এ
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নাপাওঁ।।"
-- নাম-ঘোষা, ৭৯১-৯২

মাধৱদেৱৰ জনপ্ৰিয়তাৰ মূলতে হ'ল তেওঁৰ দাস্যভক্তিৰ অৰিহণা। তেওঁ হ'ল জন্মগত কবি, সঙ্গীতজ্ঞ, সুগায়ক, সুঅভিনেতা, নাট্যকাৰ, নৃত্যৰচক, চতুৰ, উপস্থিত বুদ্ধিসম্পন্ন, ধীৰ, গম্ভীৰ, সৎ চিন্তক আৰু সকলোতকৈ ডাঙৰ গুণ বেদান্ত তত্ত্বৰ মহাপণ্ডিত।

মাধৱদেৱৰ নাম-ঘোষা অনুপম। গুৰুজনাৰ প্ৰপন্ন শিষ্য মাধৱদেৱে 'নাম-ঘোষা'ত কৈছে যে পৰমব্ৰহ্ম মাধৱ (বিষ্ণু)ৰ নাম গুণ কীৰ্ত্তনেই হ'ল সকলো শাস্ত্ৰৰ সাৰতত্ত্ব। শঙ্কৰদেৱৰ সমূহ সৃষ্টিৰ মূল লক্ষ্য আছিল ভক্তিধৰ্ম প্ৰচাৰ, প্ৰসাৰ কৰি সৰ্বসাধাৰণক মুক্তিৰ সন্ধান দিয়া। মাধৱদেৱৰো প্ৰতিভা ইয়াতে পৰিস্ফুত হয়। শ্ৰীগুৰুৰ হাতধৰা হৈ আছিল মাধৱদেৱ। মাধৱদেৱেই গুৰুজনাৰ সৃষ্ট সনাতন সাহিত্যৰ আধ্যাত্মিক ভাৱধাৰা কলাকুশল ভাৱে প্ৰকাশ কৰি বিশ্বজনীন ভাৱধাৰাৰে সকলোকে আকৰ্ষিত কৰি আহিছে। বিশ্বকলাৰ সৃষ্টিকৰ্তা পৰম পুৰুষ দুজনাৰ আশীৰ্বাদেৰে আদৰ্শিত হোৱাটো প্ৰতিজন মানৱৰে প্ৰয়োজন হৈ পৰিছে।

শেষত প্ৰবন্ধটি শঙ্কৰগুৰু আৰু মাধৱগুৰুৰ একে মতেৰেই সামৰণি মাৰিলোঁ—

"পৰম নিৰ্মল ধৰ্ম হৰিনাম কীৰ্ত্তনত
সমস্তে প্ৰাণীৰ অধিকাৰ।
এতেকেসে হৰিনাম সমস্তে ধৰ্মৰ ৰজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ।"
নাম-ঘোষা, ১১৮■■

**লেখিকা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী,**
**মণিপুৰ চেণ্ট্ৰেল স্কুল**

# গোপী-উদ্ধৱ সংবাদ আৰু ভ্ৰমৰগীত প্ৰসঙ্গ

ড° মণিকা শইকীয়া লস্কৰ

ভাৰতবৰ্ষৰ প্ৰায় সকলো কৃষ্ণভক্ত কবিয়ে 'ভ্ৰমৰগীত' প্ৰসঙ্গৰ ওপৰত দুপটল পদ লিখাৰ লোভ সামৰিব পৰা নাই। ভ্ৰমৰগীত মূলতঃ উপালম্ভ কাব্য। ইয়াৰ মূল শ্ৰীমদ্ভাগৱত। 'ভ্ৰমৰ' আৰু 'গীত' দুটা শব্দৰ সংযোগেৰে সৃষ্টি হোৱা 'ভ্ৰমৰগীত'ৰ শাব্দিক অৰ্থ ভ্ৰমৰক লক্ষ্য কৰি গোৱা গীত। ভক্তি কাব্যত ভ্ৰমৰ শব্দৰ প্ৰয়োগ শ্ৰীকৃষ্ণ আৰু তেওঁৰ সখা উদ্ধৱৰ কাৰণে কৰা হৈছে। শ্ৰীকৃষ্ণ আৰু ভ্ৰমৰ দুয়োৰে ৰূপ-ৰঙৰ তথা চৰিত্ৰৰ অদ্ভুত সাম্য পৰিলক্ষিত হয়। শ্ৰীকৃষ্ণ শ্যাম বৰ্ণৰ, পীতাম্বৰধাৰী। সেইদৰে ভ্ৰমৰৰ শৰীৰতো হালধীয়া ৰেখা আছে। ভ্ৰমৰে যেনেদৰে নিজৰ গুণ-গুণ শব্দৰে সকলোকে মোহিত কৰে, ঠিক সেইদৰে শ্ৰীকৃষ্ণইও নিজৰ বংশীৰ মধুৰ ধ্বনিৰে সকলোকে মন্ত্ৰমুগ্ধ কৰে। আন এটা উল্লেখনীয় সাম্য হ'ল এয়ে যে ভ্ৰমৰ বহু পুষ্প প্ৰেমী। যিটো স্বভাৱৰ কাৰণেই এপাহ ফুলৰ লগতে কেন্দ্ৰিত নাৰাখি এপাহৰ পৰা আনপাহলৈ ঢাপলি মেলে, ঠিক সেইদৰে শ্ৰীকৃষ্ণইও অনেক গোপীৰে সম্পৰ্ক ৰাখিছিল আৰু সৰ্বশেষত আটাইৰে প্ৰেম প্ৰত্যাখ্যান কৰি মথুৰালৈ ঢাপলি মেলিছিল। এক দৃষ্টিত ভ্ৰমৰ আৰু শ্ৰীকৃষ্ণ উভয়েই প্ৰৱঞ্চক। ইমানবোৰ সাম্যতা বহন কৰা হেতুকে কাব্যত ভ্ৰমৰক শ্ৰীকৃষ্ণৰ প্ৰতীক ৰূপত ব্যৱহাৰ কৰা হৈছে। ৰাজকাৰ্যৰ দোহাই দি শ্ৰীকৃষ্ণ অক্ৰুৰৰ লগত মথুৰালৈ গুচি যোৱাত শ্ৰীকৃষ্ণৰ প্ৰেমত নিমজ্জিত গোপীগণ শ্ৰীকৃষ্ণৰ বিয়োগত ব্যাকুল হৈ পৰে। বিৰহৰ অগনিত জ্বলিবলৈ ধৰে। ইফালে শ্ৰীকৃষ্ণও গোপীৰ চিন্তাত আকুল। প্ৰাণপ্ৰিয় গোপীসকলৰ বিৰহ জ্বালা দূৰ কৰিবৰ নিমিত্তে শ্ৰীকৃষ্ণই পৰম ভক্ত উদ্ধৱক ব্ৰজধামলৈ প্ৰেৰণ কৰে। ব্ৰজত পদাৰ্পণ কৰাৰ পিছতেই গোপীসকলৰ সহিতে উদ্ধৱৰ বাৰ্তালাপ আৰম্ভ হয়। ইয়াৰ পৰাই কৃষ্ণ ভক্ত কবিসকলৰ প্ৰিয় অংশ 'ভ্ৰমৰগীত প্ৰসঙ্গ' আৰম্ভ হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱে এই খণ্ডক 'গোপী উদ্ধৱ সংবাদ' শীৰ্ষকেৰে নামকৰণ কৰিছে।

এইখিনিতে উনুকিয়াই থোৱা উচিত হ'ব যে সুৰদাস আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্যক্তিত্বৰ পাৰ্থক্যৰ হেতুকে তাৰাসৰৰ ৰচনাতো ইয়াৰ প্ৰভাৱ দৃষ্টিগোচৰ হয়। শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰথমে এগৰাকী একশৰণ হৰিনাম ধৰ্মৰ প্ৰতিষ্ঠাপক, প্ৰচাৰক, কবি-সাহিত্যিক আদি হিচাপে তাৰাৰ পৰিচয় তাৰ পিছতহে। আনহাতে মহাকবি সুৰদাস এজন মহান কবিহে। বিশুদ্ধ ভক্ত কবি। সেয়েহে মহাকবি জনাৰ ৰচনাত কবিত্ব শক্তি যিমান প্ৰখৰ হৈ প্ৰস্ফুটিত, তাৰ তুলনাত শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাত কবিত্ব শক্তিতকৈ ভক্ত হৃদয়ৰ উন্মত্তাহে অধিক মাত্ৰাত পোৱা যায়। যদ্যপি দুয়োজনাৰে বক্তব্যৰ মূল আধাৰগ্ৰন্থ শ্ৰীমদ্ভাগৱতেই, সেয়ে হ'লেও দুয়োগৰাকীয়েই নিজস্ব মৌলিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। সেয়েহে প্ৰস্তুত আলোচ্য অংশতো গোপীসকলেও নিজা বৈশিষ্ট্য ৰাখিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ গোপীসকলৰ যেতিয়া উদ্ধৱৰে প্ৰথম সাক্ষাৎ হৈছে, তেওঁলোক অভ্যাগতজনৰ প্ৰতি উৎসুক হৈ পৰিছে আৰু যেতিয়া তেওঁলোকৰ জ্ঞাত হ'ল যে 'জানিল কৃষ্ণৰ এন্তে পৰম ভকত' (১০/২৩৩৪), গোপীগণ উদ্ধৱৰ সন্মুখত অৱনত হৈ তেখেতৰ আপ্যায়ন কৰিছে, মধুৰ বচনেৰে কুশল-মংগল সুধিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ গোপীসকল অতি শালীন আৰু লাজকুৰীয়া স্বভাৱৰ 'লজ্জাৰে কৰিল আতি হাস্য নিৰীক্ষণ' (১০/২৩৩৪)। কিন্তু মহাকবি সুৰদাসৰ গোপীসকল যেন আগৰ পৰাই সাজু হৈহে আছিল। উদ্ধৱ আহি পোৱা মাত্ৰেই আটাইয়ে ঘেৰি লৈ বাক্যবাণেৰে থকা-সৰকা কৰিছে। উদ্ধৱৰ দ্বাৰা গোপীসকলক দিয়া নিৰ্গুণ উপাসনাৰ সম্পৰ্কে যেন গোপীসকলৰ কোনো জ্ঞানেই নাছিল। উদ্ধৱৰ দ্বাৰা দিয়া উপদেশবোৰ পালন কৰিবলৈ, গ্ৰহণ কৰিবলৈ গোপীসকলৰ কোনো আগ্ৰহ নাই। সেয়েহে উদ্ধৱক বেপাৰী বুলিব পাৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ গোপীসকল সুৰদাসৰ গোপীসকলৰ দৰে বাক্পটু, অসংযমী নহয়। তেওঁলোক ধীৰ, স্থিৰ ও জ্ঞানী। তেওঁলোক দুৰ্দশাৰ বাবে নিজৰ ভাগ্যকে দোষ দিছে--

"কতনো অধৰ্ম কৈলো গোপালে বঞ্চিত হৈলো
বুলি কতো ফুকাৰে নিশ্বাস। (১০/২৩২৭)

শ্ৰীকৃষ্ণৰ বিৰহত জৰ্জৰিত গোপীৰ দ্বাৰা শ্ৰীকৃষ্ণই তেওঁলোকৰ প্ৰতি কৰা অন্যায়-অবিচাৰৰ বিষয়ে ব্যক্ত কৰিলেও তেওঁলোকে সদায়ে শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰিব বিচাৰে কিয়নো--

ধৰ্ম অৰ্থ মোক্ষ ভৈলা লতা প্ৰায়।
সমূলি উভাৰে তাক কৃষ্ণৰ কথায়।।

কৃষ্ণৰ চৰিত্ৰ কথা কৰ্ণৰ অমৃত।
তাত অল্প মাত্ৰো যিটো পিয়ে কদাচিত।।
এতেকতে ৰাগ লোভ মোহ হৈৰে নষ্ট।(১০/২৩৬৭)

শ্ৰীমন্ত শঙ্কৰদেৱৰ গোপীসকল প্ৰিয়তম শ্ৰীকৃষ্ণৰ নিৰ্গুণত্বৰ বিষয়ে জ্ঞাত। তেওঁলোকে কেৱল শ্ৰীকৃষ্ণৰ প্ৰেম ভকতিহে বাঞ্ছা কৰে। মহাকবি সুৰদাসৰ উদ্ধৱৰ দৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ উদ্ধৱে ব্ৰজৰ গোপীনীৰ আগত যোগ-জ্ঞানৰ প্ৰচাৰৰ দ্বাৰা নিৰ্গুণ ব্ৰহ্মৰ উপাসনাৰ মহত্ব বুজাবলৈ অহা নাই। গোপী সকলেও সগুণ-নিৰ্গুণ সম্বন্ধে তৰ্ক কৰি উদ্ধৱক বাকৰুদ্ধ কৰাৰ সুযোগ লোৱা নাই। শ্ৰীকৃষ্ণৰ প্ৰতি গোপীসকলৰ অটল নিষ্ঠা, একান্ত ভকতি দেখি শ্ৰীমন্ত শঙ্কৰদেৱৰ উদ্ধৱ অভিভূত হৈ পৰিছে আৰু গুণীয়েহে গুণীৰ মোল বুজাৰ দৰে গোপীসকলৰ প্ৰেমক প্ৰশংসা কৰি কৈছে--

"কিনো অনুগ্ৰহ আমাৰো মিলিল
তোমাসাৰ দৰশনে। (১০/২৩৮৭)

শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাকবি সুৰদাসৰ ভক্তি সাহিত্যৰ সাম্যতা এয়ে যে দুয়োজনাই সগুণৰ মাধ্যমেৰে নিৰ্গুণ ব্ৰহ্মৰ উপাসনাৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতি মুহূৰ্ততে নিজৰ লক্ষ্যৰ প্ৰতি সজাগ হৈ চলিছে; কিন্তু প্ৰস্তুত প্ৰসঙ্গত সুৰদাস মহাকবিজনাই যেন সগুণ উপাসনাকহে অগ্ৰাধিকাৰ দিব বিচাৰিছে। সগুণ উপাসনাৰ সপক্ষে যুক্তি-তৰ্কৰ অৱতাৰণা কৰা গোপীসকলৰ সন্মুখত নিৰ্গুণ উপাসনাৰ ধ্বজাবাহী উদ্ধৱক যেনেদৰে শিৰনত কৰোৱাইছে, তাৰ পৰাই মহাকবিজনাই নিৰ্গুণৰ তুলনাত সগুণক প্ৰতিষ্ঠা কৰাৰ বিষয়টো সহজে উপলব্ধি কৰিব পৰা যায়। কিন্তু, নিজৰ উদ্দেশ্যৰ প্ৰতি সদা জাগৰুক শ্ৰীমন্ত শঙ্কৰদেৱে সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰিছে। যাৰ কাৰণে নিৰ্গুণ ব্ৰহ্মৰ সম্বন্ধে দিয়া উদ্ধৱৰ জ্ঞানগৰ্ভিত উপদেশ গোপীসকলে একাগ্ৰ চিত্তেৰে শুনিছে। তেওঁলোকৰ মনত কোনো প্ৰকাৰৰ বিৰোধ, সংশয় নাই। যি মহান উদ্দেশ্য লৈ উদ্ধৱ ব্ৰজধামলৈ আহিছিল, সেই উদ্দেশ্যত তেওঁ সফল হৈছে আৰু আনন্দ চিত্তেৰে মথুৰালৈ উভতি গৈছে। কিন্তু সুৰদাসে উদ্ধৱক নিজৰ উদ্দেশ্যত অসফল হোৱাটো দেখুৱাইছে। নিৰ্গুণ ব্ৰহ্মৰ উপাসনাৰ প্ৰচাৰৰ হেতুকে অহা উদ্ধৱক গোপীৰ দ্বাৰা সগুণ উপাসনাৰ পক্ষত দিয়া তৰ্কৰ যথোচিত উত্তৰ দিয়াত অক্ষম দেখা গৈছে। সুৰদাসে যেনেদৰে উদ্ধৱৰ হৃদয় পৰিৱৰ্তন দেখুৱাইছে, শঙ্কৰদেৱত তেনে স্থলেই নাছিল। কাৰণ, গোপীসকলেও কৃষ্ণৰ নিৰ্গুণ ভকতিক স্বীকাৰ কৰে। উদ্ধৱে দিয়া উপদেশ তেওঁলোকে বিনা বাক্য-ব্যয়ে গ্ৰহণ কৰিছে। কাৰণ, উদ্ধৱে শ্ৰীকৃষ্ণৰ বাৰ্তাহে বহন কৰি আনিছিল আৰু প্ৰাণপ্ৰিয় শ্ৰীকৃষ্ণৰ শ্ৰীমুখৰ বাণীক তেওঁলোকেনো অস্বীকাৰ কৰে কেনেকৈ!!

এইখিনিতে আৰু এটা প্ৰণিধানযোগ্য কথা হ'ল যে সুৰদাসে উদ্ধৱক জ্ঞানগৰ্ভীৰ হিচাপে অংকিত কৰিছে। শ্ৰীকৃষ্ণই উদ্ধৱক তেওঁৰ অহঙ্কাৰ ভঙ্গ কৰিবৰ বাবে ব্ৰজৰ গোপীসকলৰ মাজলৈ পঠাইছে। সৰ্বতো শেষত গোপীসকলৰ প্ৰেমাভক্তিৰ ওচৰত তেওঁৰ জ্ঞানক অৱনত কৰোৱাইছে। জ্ঞানৰ ওপৰত প্ৰেমৰ বিজয় প্ৰতিপাদিত কৰিবৰ বাবে যেন উদ্ধৱৰ ব্ৰজ আগমন আৱশ্যক আছিল।

শ্ৰীমন্ত শঙ্কৰদেৱেও প্ৰেমাভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপাদিত কৰিছে। কিন্তু তাৰাৰ গোপীসকলৰ প্ৰেম নিৰ্গুণ কৃষ্ণৰ প্ৰতিহে। শ্ৰীকৃষ্ণৰ নিৰ্গুণত্বৰ প্ৰতি থকা তেওঁলোকৰ বিশ্বাস উদ্ধৱৰ দৰে। বান্ধৈয়ে দিয়া উপদেশে সেই বিশ্বাসক আৰু দৃঢ় কৰি তুলিছে। কিন্তু সুৰদাসৰ গোপীসকলৰ প্ৰেমভক্তি সগুণ কৃষ্ণৰ প্ৰতিহে। নিৰ্গুণৰ ফালে তেওঁলোকৰ কোনো ভ্ৰূক্ষেপেই নাই। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল এয়ে যে শ্ৰীমদ্ভাগৱতৰ আধাৰত দুয়োজনাই নিজস্ব বৰ্ণন কৌশলৰ সহায়েৰে আগবাঢ়ি যাওঁতে শ্ৰীমন্ত শঙ্কৰদেৱে নিজৰ লক্ষ্যত সম্পূৰ্ণভাৱে উপনীত হ'ব পাৰিছে। তাৰাৰ উপস্থাপনত ক'তো বিৰোধ নাই। কিন্তু সুৰদাসৰ ক্ষেত্ৰত দেখা যায় যে সগুণৰ মাধ্যমেৰে নিৰ্গুণৰ দিশে আগবাঢ়িব খুজিও ক'ৰবাত যেন উজুটি খাইছে। নহ'লে জ্ঞানী উদ্ধৱক গোপীৰ ওচৰত অসহায় নেদেখুৱালেহেঁতেন। তথাপিও, দুয়োজনাৰে এই দিশত লক্ষণীয় সাম্যটো হ'ল এয়ে যে দুয়োজনাই উদ্ধৱৰ জৰিয়তে অন্তঃকৰণেৰে গোপীগণৰ কৃষ্ণৰ প্ৰতি থকা প্ৰেমাভক্তি, নিষ্ঠা, একাগ্ৰতা আদি স্বীকাৰ কৰি প্ৰশংসা কৰিছে।

গতিকে, সংক্ষেপে ক'ব পাৰি যে 'গোপী উদ্ধৱ সংবাদ'ৰ জৰিয়তে শ্ৰীমন্ত শঙ্কৰদেৱে যেনেদৰে ভকতিৰ সম্পূৰ্ণতা দেখুৱাবলৈ সক্ষম হৈছে, সুৰদাসেও জ্ঞানৰ সন্মুখত ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপাদন কৰাত সম্পূৰ্ণ সমৰ্থ হৈছে। যি মহান উদ্দেশ্য আগত ৰাখি, একশৰণ হৰি নামধৰ্ম প্ৰচাৰৰ বাবে গুৰুজনাই 'গোপী উদ্ধৱসংবাদ'ৰ অৱতাৰণা কৰিছে, সেই উদ্দেশ্যত তাৰা সফল হৈছে। মহান কবি সুৰদাসেও 'ভ্ৰমৰগীত প্ৰসঙ্গ'ৰ জৰিয়তে অন্তৰৰ ভাবৰাশি অভিব্যক্ত কৰাত সম্পূৰ্ণ সফল হৈছে।■■

*লেখিকা নগাঁও ছোৱালী মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰৱক্তা*

# এক মানৱীয় আৱেদন ঃ দামোদৰ বিপ্ৰাখ্যান

শ্ৰীদীপালি বৰুৱা ফুকন

মহাপুৰুষ গুৰুজনাৰ কীৰ্ত্তনৰ অন্তৰ্গত দামোদৰ বিপ্ৰাখ্যানটি সংস্কৃত ভাগৱতৰ দশম স্কন্ধৰ ৮০-৮১ অধ্যায়ৰ ভাঙনি যদিও ইয়াত মহাপুৰুষৰ মৌলিক সংযোজনা লক্ষ্য কৰা যায়, ই শাব্দিক ভাষান্তৰ নহয়। সংস্কৃত ভাগৱতৰ সুদামাই শঙ্কৰদেৱৰ কাপত দামোদৰ ৰূপ পাইছে। সুদামৰ ধ্বনিগত সাদৃশ্যৰ উপৰিও গুৰুজনাৰ অন্যতম প্ৰিয় শিষ্য দামোদৰদেৱৰ নাম স্থায়ীকৰণৰ উদ্দেশ্যেও সুদামক দামোদৰলৈ ৰূপান্তৰ কৰা হ'ব পাৰে বুলি ভবাৰ থল থকাৰ বিষয়ে কেইবাজনো পণ্ডিতে অনুমান কৰে। তদুপৰি জীৱনৰ আগডোখৰ কাল দামোদৰদেৱেও 'তিনি বাৰী পোহা'ৰ বাবেঅতিশয় শাৰীৰিক পৰিশ্ৰম কৰিব লগা হৈছিল যদিও তেওঁ ঈশ্বৰ ভক্তি পৰায়ণ আছিল। শঙ্কৰদেৱ-মাধৱদেৱে তাৰাসৰৰ লিখনিত শিষ্য-প্ৰশিষ্যসকলৰ নামসমূহ ঈশ্বৰ নামৰ আঁৰত প্ৰচ্ছন্নভাৱে ৰাখি থৈ গৈছে। দামোদৰ পদৰ অন্বয় হ'ল দাম (জৰি) + উদৰ (পেট)। কৃষ্ণক যশোদাই উৰালৰ সৈতে কঁকালত জৰিৰে বান্ধি থোৱাৰ পৰাই তেওঁৰ অন্য নাম দামোদৰ হ'ল। অন্যহাতে তাত্ত্বিকভাৱে দামোদৰ শব্দই মায়াৰ অনন্ত জৰিক পেটৰ ভিতৰতে নিয়ন্ত্ৰণ কৰি ৰাখে বিশ্ব প্ৰপঞ্চ মায়াৰজ্জুৰ দ্বাৰা পৰিচালনা কৰে বাবে বিষ্ণুকো দামোদৰ বোলে।

**কাহিনী ভাগ ঃ** ৰামচৰণ ঠাকুৰৰ দ্বাৰা সংগৃহীত সংকলিত আৰু মাধৱদেৱৰ দ্বাৰা অনুমোদিত ক্ৰমানুসৰি শঙ্কৰদেৱৰ কীৰ্ত্তনৰ দ্বাবিংশ খণ্ডত দামোদৰ-বিপ্ৰাখ্যানটিত (সুদামা) চাৰিভাগ কীৰ্ত্তন আছে। প্ৰথম অধ্যাত ৯টি পদেৰে দুলড়ী ছন্দ, দ্বিতীয়টি অধ্যাত ১৫টি পদেৰে ছবি ছন্দ, তৃতীয়টি অধ্যাত ৩৫টি পদেৰে দুলড়ী ছন্দেৰে গোটেই কাহিনীটো দাস্য আৰু সখিত্ব ভাৱেৰে নিটোলকৈ সজাইছে। কাহিনীটোত মুঠ পদৰ সংখ্যা ৮৭টি তিনি অধ্যায়ত দুলড়ী ছন্দ আৰু এক অধ্যায়ত ছবি ছন্দ ব্যৱহাৰ কৰাত কাহিনীৰ গতিশীলতাই জীৱন্ত ৰূপ পাইছে। জামোদৰ বিপ্ৰ আছিল অষ্টম দৰিদ্ৰ (কেইবাসাজৰ মূৰত খুজি অনা সাজ খাবলৈ বহোঁতেও বিঘিনী মিলা) তেওঁৰ

'খাইবে খুন্টিবাক একোৱে নাহিকৈ
বস্ত্ৰহীন শৰীৰত

-- কীৰ্ত্তন, ১৫৭৯

তেওঁৰ পত্নী 'অতি পতিব্ৰতা' আৰু তেওঁলোকৰ 'দুখে দণ্ডে যুগ যায়। 'দুখৰ জ্বালা সহিব নোৱাৰি এদিন ব্ৰহ্মাণীয়ে ক'লে--

'শুনিয়োক স্বামী মন্দভাগী আমি
সহিবো কত নিকাৰ।
দ্বাৰকাত আছে প্ৰভু নাৰায়ণ
পৰম মিত্ৰ তোমাৰ।।

-- কীৰ্ত্তন, ১৫৮০

গতিকে--

তোমাৰ নিকাৰ দেখিয়া দিবন্ত
অনেক ধন-সম্পত্তি।।

-- কীৰ্ত্তন, ১৫৮১

ভাৰ্যাৰ কথা দামোদৰে মনে দৃঢ় কৰি সুদূৰ

দ্বাৰকালৈ যোৱাৰ সংকল্প ল'লে। অৱশ্যে এই যাত্ৰাৰ উদ্দেশ্যে ধনপ্ৰাপ্তি নহয়- 'কৃষ্ণ দৰশন'হে। কৃষ্ণৰ ওচৰলৈ নিবলৈ ব্ৰাহ্মণীয়েও খুজি মাগি 'চাউল চিৰা চাৰিমুঠি' আনি 'কৃষ্ণৰ চৰণ দেখিবাক মনে' দ্বাৰকালৈ বুলি খোজ পেলালে। বাৰাণসীৰ পৰা খোজ কাঢ়ি কাঢ়ি তেওঁ এদিন দ্বাৰকাত উপস্থিত হ'ল। নগৰীয়া সেনাৰ প্ৰহৰ চকী অতিক্ৰমি--

'যদুগণ যাত পশিবে নপাৰ
কৃষ্ণৰ ৰহস্য স্থান।'

তেওঁ উপস্থিত হ'ল। ভাৰ্যা সত্যাৰ সৈতে সোণৰ খাটত শুইথকাৰ পৰা দামোদৰক দেখি 'দুহাতে সাৱটি/ ধৰিলা আনন্দে/ তিনিও লোকৰ নাথে।।' কৃষ্ণৰ চকুৰেদি আনন্দৰ লোতক ওলাই আহিল। ফটাকাণি পিন্ধা সহপাঠী দামোদৰক সোণৰ খাটত বহুৱাই তেওঁ ফটুৰৈ ফটা ভৰি দুটি ধুৱাই পাদোদক শিৰত ল'লে। 'পথশ্ৰম দূৰ হোৱাকৈ 'সুগন্ধি চন্দন/ কুঙ্কুমে সখিৰ/ ঘসিলা সব শৰীৰে।' ভালকৈ আপ্যায়ন কৰাৰ পাছত মাধৱৰ প্ৰিয় সত্যাই অতি সাদৰে চামৰেৰে বিচি দিলে।

পিছত কৃষ্ণই হাঁহি হাঁহি উপাযাচিয়েই বাল্য বন্ধুক সুধিলে 'গুৰু পত্নীৰ কথামতে আমি খৰি লুড়িবলৈ গৈ অন্ধকাৰ ৰাতি বতাহ বৰষুণৰ মাজত বাট হেৰুৱাই কঁপি কঁপি বনবাস খটাৰ অন্তত পুৱা সান্দীপনি গুৰুৱে আমাক হাবিত বিচাৰি পাই, নপঢ়াকৈ থকা সমস্ত শাস্ত্ৰৰ তত্ত্বজ্ঞান হৃদয়স্থ হ'বলৈ আশীৰ্বাদ দিয়াৰ কথা মনত পৰেনে? 'যাৰ নাকৰ নিশ্বাসত বেদাদি সমস্ত শাস্ত্ৰৰ সৃষ্টি হৈছে, সেইজনে 'আপুনি নিৰ্মিলা শাস্ত্ৰ/ তাকো পঢ়াহুয়া ছাত্ৰ/ ইটো কিনো ভৈল বিড়ম্বন।।' (পদ-১৫৯৩) -বুলি কৈ দামোদৰ নিমাত হ'ল।

ইয়াৰ পিছত 'সৰ্বজান হৃষীকেশে' তেওঁলৈনো বন্ধু পত্নীয়ে কি দি পঠাইছে, তাক জিজ্ঞাস কৰাত দ্বাৰকাৰ ঐশ্বৰ্যৰ আগত চাউল চিৰাৰ টোপোলাটো খুলি তাৰে এগাল মাৰি দ্বিতীয় মুঠি খাবলৈ ধৰাত লক্ষ্মী স্বৰূপা সত্যাই ইংগিতেৰে ক'লে-- 'যত লাগে মানে/ সৱে সম্পত্তিক/ এহিমুঠি দিব পাৰে।' সেই ৰাতি দামোদৰে দুগ্ধ ফেন সম কোমল শয্যাত শয়ন কৰি স্বৰ্গসুখ অনুভৱ কৰিলে। পুৱা প্ৰাতঃ কৃত্যাদি সমাপন কৰি কৃষ্ণত বিদায় লৈ ঘৰলৈ প্ৰত্যাৱৰ্তন কৰাৰ মুহূৰ্তত ভগৱানে সপত্নীৰে নানা মধুৰ বাৰ্তালাপেৰে আগবঢ়াই দিলে। গৃহমুখী দামোদৰে বাটত আহোঁতে কৃষ্ণৰ উদাহ্য, সহৃদয়তা, বন্ধুপ্ৰীতি, ঐশ্বৰ্য আৰু ক্ষমতাৰ প্ৰতি উদাসীন হৈ তেওঁৰ প্ৰতি দেখুওৱা সৰলতা আদিৰ কথা ভাবি ভাবি পুলকিত হ'ল। নিজৰ অৱস্থাৰ কথা কৃষ্ণক লাজতে নক'লে আৰু কৃষ্ণয়ো উপযাচি একো নিদিয়াৰ কাৰণ তেওঁ মনতে গুণি পালে--

'দৰিদ্ৰ ব্ৰাহ্মণে ধন পাইলে মোক
পাসৰিবে সমূদায়।
এহি বুলি ধন নেদিলে আমাক
জানিলে কৃষ্ণ গোসাঁই।।'১৬০২

এইবোৰ কথাকে ভাবি ভাবি আহি তেওঁৰ পদূলি মুখ পাই আচৰিত হ'ল, কাৰণ পূৰ্বৰ জুপুৰিটোৰ ঠাইত সোণ, ৰূপ, হীৰা-মুকুতা খটোৱা ঘৰ-বাৰী আৰু উদ্যান পুষ্কৰিণীৰে এক প্ৰকাণ্ড চৌহদেৰে দেখিলে। এইটো কাৰ ঘৰ বুলি চিন্তা কৰি থাকোতেই 'সালংকৃতা দাসী/ সহস্ৰেকে বেঢ়ি' বামুণীয়ে তেওঁক আগবঢ়াই নিবলৈ আহিছে। এই স্বপ্নৱত পৰিৱৰ্তনৰ উৎস যে কৃষ্ণৰ কৃপা, তাক উপলব্ধি কৰি ব্ৰাহ্মণ ভিতৰত সোমাল। ঘৰৰ অভ্যন্তৰ ভাগত ঐশ্বৰ্য বিভূতিৰ কথা শঙ্কৰদেৱে অতি সহজভাৱে বৰ্ণাইছে আৰু দামোদৰৰ মুখেদি কোৱাইছে-- 'ভকতৰ অল্প/ বস্তক বিস্তৰ/ কৰন্ত গৰুড় কেতু।' (পদ-১৬০৯) এই বুলি কৈ দামোদৰে মনে মনে প্ৰাৰ্থনা জনাইছে। 'জন্মে জন্মে মঞি/ তান দাস হৈবো/ মোক মোহে নলঙেঘাক।' তেওঁ ক্ৰমে ক্ৰমে বিষয়ৰ প্ৰতি আসক্তি শূন্য হৈ ঈশ্বৰৰ নাম জাপি শেষত লীনমুক্তি লাভ কৰিলে।

**কাহিনীৰ মানৱীয় আবেদন** ঃ দামোদৰ বিপ্ৰৰ আখ্যানটো মানৱীয় আৱেদনেৰে পৰিপূৰ্ণ হৈ আছে। গুৰুজনে কীৰ্ত্তনখনি কেৱল ভক্তৰ বাবেই সংকলন কৰা নাই, একশৰণ নামধৰ্মৰ লগত সম্পৰ্ক নথকা যিকোনো দেশৰ যিকোনো লোকেই ইয়াত নৈতিকতা, যথালাভ সন্তোষ, অতিথি সৎকাৰ ক্ৰম, সুজনতা, গুৰুস্থানীয় তথা

বয়স্কজনৰ শ্ৰদ্ধা আৰু ঐশ্বৰ্যৰ শিখৰত অৱস্থান কৰিও নিঃস্বজনৰ প্ৰতি দেখুৱাব লগা ঐকান্তিক সহৃদয়তা, ভোগ আৰু শৰীৰৰ পৰা বেলেগে চোৱাৰ মানসিকতা, ঐশ্বৰ্য-সম্পদৰ অনিত্যতা উপলব্ধি কৰা আদি অনেক মানসিক সম্পদ এই আখ্যানটোত সোমাই আছে।

(ক) সান্দীপনিৰ দৰে গুৰুক আন্তৰিকতাৰ সেৱাৰে লাভ কৰা কৃপাৰ ফলত দামোদৰে অভাৱত দিন কটাব লগা হৈছিল যদিও সেই অভাৱে স্বভাৱ নষ্ট কৰিব পৰা নাছিলেই, বৰঞ্চ স্বভাৱক জুয়ে পোৰা সোণৰ দৰে উজ্জ্বলহে কৰিছিল। তেওঁ এই কথা ভালকৈ উপলব্ধি কৰিছিল যে, 'দেহাদিশু অনাত্মসু অস্মীত্যান্ত বুদ্ধিৰবিদ্যা।' পত্নীৰ কথাত দ্বাৰকালৈ যাবলৈ ওলাইছে কৃষ্ণ দৰ্শনৰ বাবেহে; অনিত্য শৰীৰ সাধনৰ আহিলা প্ৰাপ্তিৰ বাবে নহয়। শৰীৰৰ আৰু মানসিক শুচিতাৰ লগতে অধ্যাত্মিকতাৰ কৰ্ষণ আছিল তেওঁৰ জীৱনৰ প্ৰধান সম্বল।

(খ) স্বামীজন দৰিদ্ৰ হ'লে কোনো কোনো স্ত্ৰীয়ে নানা তাগিদাৰে স্বামীক ব্যতিব্যস্ত কৰাৰ বিপৰীতে দামোদৰ পত্নী প্ৰকৃতাৰ্থত আছিল সখা, সচিব, সহধৰ্মিনী, ক্ৰীড়াৰ লগৰী আৰু প্ৰকৃত গৃহকৰ্মী। অন্যহাতে স্বামীৰ দৰে তেওঁৰ উচ্চ সংস্কাৰ নথকাৰ বাবে দাৰিদ্ৰৰ ভাৰ বহন কৰিব পৰা সৱল মানসিক শক্তিও লাভ কৰিব পৰা নাছিল। সেইবাবেই তেওঁ স্বামীক অতি বিনীতভাৱে লক্ষ্মীপতি ভগৱন্তৰ ওচৰলৈ পঠাইছে।

(গ) মহৎজনৰ দুৱাৰ যে ধনী-দুখীয়া, ক্ষমতাশালী মৰিভাৰী, পণ্ডিত, মুৰ্খৰ বাবে সমানে উন্মুক্ত সেই কথা দামোদৰে কৃষ্ণ সাক্ষাতৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ বাধা নোপোৱাৰ পৰাই বুজা যায়। অন্যহাতে প্ৰব্ৰজকসকলক ভাৰতীয় সামাজিক পৰম্পৰাই সদায়েই অতিথি অভ্যাগত মৰ্যাদা দিয়াৰ বাবেহে বাৰানসীৰ পৰা সুদূৰ দ্বাৰকা যাত্ৰাটি কপটদৰ্প শূন্য দামোদৰৰ বাবে অন্যতম পালনীয় মনোধৰ্ম। ই এতিয়াও লুপ্ত হোৱা নাই।

(ঘ) পৰম দুৰ্বোধ্য আত্মতত্ত্ব বুজোৱাৰ উপৰি সামাজিক সদবৃত্তিৰ কৰ্ষণৰ বাবেও যে ভগৱানে লীলা অৱতাৰ গ্ৰহণ কৰে, সেইকথা সপত্নীক কৃষ্ণই দামোদৰক কৰা সেৱা শৎকাৰৰ পৰাই বুজিব পাৰি। অন্যহাতে গুৰুগৃহত গুৰু সেৱাৰ যোগেদি কৰা কৃচ্ছ্ৰসাধনা আৰু সজ্জনৰ আশীৰ্বাদৰ প্ৰসঙ্গ শ্ৰীকৃষ্ণই নিজেই উত্থাপন কৰি সৌজন্যবোধৰ আদৰ্শ দাঙি ধৰিছে। স্বয়ং ভগৱানৰ বাবে অধ্যয়নৰ আৱশ্যক নাই যদিও লোক শিক্ষাৰ বাবেই তেওঁ অনুগত বিদ্যাৰ্থীৰ দৰে চৰণ ছত্ৰ ছাঁয়াৰ তলত অধ্যয়ন কৰিছে।

(ঙ) দ্বাৰকাৰ পৰা ঘৰ পাই দামোদৰে ভগা জুপুৰীৰ ঠাইত অট্টালিকা আৰু তাৰ ভিতৰত বৈভৱ দেখি অহংকাৰী নহৈ বৰঞ্চ সেয়া ঈশ্বৰৰ দান আৰু তেওঁৰ ভূমিকা যে ন্যাস ৰক্ষাকৰ বাদে একো নহয় সেই কথা উপলব্ধি কৰি ক্ৰমে বিষয়ত বিৰক্ত হৈ ধ্যান যোগ ভক্তিৰ দ্বাৰা লীনমুক্তি লাভ কৰিছে।

তাহান চৰণে সৌহাদ্য সখিত্ব  
মিত্ৰভাৱ নুগুচোক।  
জন্মে জন্মে মঞি তান দাস হৈবো  
মোক মোহে নলঙেঘাক।। ১৬১০■■

**লেখিকা মৰিচল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা**

- **ফ্ৰিজত থোৱা ব্ৰেড টান হৈ পৰে। তিওৱা টাৱেল বা তিতা কাপোৰেৰে ব্ৰেডটো মেৰিয়াই থ'লে কোমল হৈ থাকে।**
- **ক'লা জালুকৰ গুড়ি ড্ৰয়াৰ বা মজিয়াত ছটিয়াই থ'লে পৰুৱাই আমনি নকৰে।**
- **নেমুৰস, ভিনেগাৰ, বেকিং পাউদাৰ সংমিশ্ৰণ কৰি তাৰে টাইলছ্ চাফ কৰিলে চিক্‌চিকিয়া হয়।**
- **ঘৰৰ মজিয়া মচোতে পানীখিনিত দুচামোচ নিমখ মিহলাই ল'বচোন। মাখিৰ অত্যাচাৰৰ পৰা ৰক্ষা পৰিব।**

# নায়িকা ঃ এক সাহিত্যিক বিশ্লেষণ

**শ্ৰীনীলাক্ষি দেৱী**

প্ৰাচীন আলংকাৰিকসকলে যেনেকৈ নাটকত নায়কজন কেনে ধৰণৰ হোৱা উচিত অথবা নায়ক কেই প্ৰকাৰৰ হোৱাটো বাঞ্ছনীয় ইত্যাদি কথা বহলভাৱে আলোচনা আগবঢ়াইছে তেনেদৰে নায়িকা সম্পৰ্কেও স্বকীয় মত উদাহৰণ সহকাৰে বৰ্ণনা কৰিছে। ভিন্ ভিন্ মতবাদেৰে নায়িকাৰ লক্ষণ, ব্যৱহাৰ কথা-বতৰা আদি উপস্থাপন কৰিছে।

ধনঞ্জয়ে তেওঁৰ অলংকাৰ শাস্ত্ৰ দশৰূপকত নায়িকা প্ৰসঙ্গত ক'বলৈ গৈ নায়িকা তিনিপ্ৰকাৰৰ বুলি উল্লেখ কৰিছে-- স্বকীয়া, পৰকীয়া আৰু সাধাৰণ স্ত্ৰী। 'স্বান্যা সাধাৰণস্ত্ৰোতি তদ্‌গুণা নায়িকা ত্ৰিধা।' (দশৰূপক ২.১৫) নায়কৰ তুলনাত নায়িকাও অনেক গুণৰ সমাহাৰেৰে পৰিপ্লুতা। নায়িকাৰ সম্পৰ্ক ৰূপকৰ ফলৰ লগত।

'স্বকীয়া' প্ৰকাৰৰ নায়িকা শীলা তথা সৰলতা আদি গুণেৰে বিভূষিতা। স্বকীয়া নায়িকাক মুগ্ধা, মধ্যা আৰু প্ৰগল্‌ভা তিনি ভাগত ভাগ কৰি দিয়া হৈছে। শীল অৰ্থাৎ নায়িকা সুন্দৰ আচৰণৰ গৰাকী। গতিকে স্বকীয়া নায়িকা পতিব্ৰতা, কুটিলতা শূন্য, লজ্জাৱতী আৰু পতি সেৱাত অতি নিপুণ। শীলৱতী নায়িকা সেই গৰাকী, যিগৰাকীয়ে সৎবংশৰ ছোৱালীৰ যৌৱন, লাৱণ্য, বিভ্ৰম, বিলাস সকলো প্ৰিয় স্বামীৰ প্ৰবাস কালৰ সময়ত আঁতৰি যায় আৰু প্ৰিয়জনৰ আগমনত সকলো ঘূৰাই পায়। ভাগ্যৱান লোকৰ ঘৰত নাৰীৰ হাঁহি নিবিচৰাকৈয়ে মধুৰ, তেওঁৰ গতি বিলাসৰহিত হৈও শোভাযুক্ত আৰু তেওঁৰ কথা কোৱাৰ ধৰণ বৰ সৰল।

ড° বৈজনাথ পাণ্ডেৰ মতে, অগ্নিক সাক্ষী কৰি যিগৰাকী স্ত্ৰীৰ বিবাহ সমান কুল আৰু শীল পুৰুষৰ লগত হয়, সেই গৰাকীক স্বকীয়া আখ্যা দিব পাৰি। তেওঁ বিনয়শীলা, সৰল স্বভাৱৰ, পতিব্ৰতা, গৃহকাৰ্যত দক্ষ, একান্তভাৱে সম্ভোগ আৰু সম্পত্তিৰ প্ৰতি লালসা, বিপত্তি আৰু মৃত্যুলৈকে স্বামীৰ সংগ পৰিত্যাগ নকৰে। এনেকুৱা স্বকীয়া নাৰী পুৰুষে বহুতো পুণ্যৰ বলতহে লাভ কৰে। লজ্জাৱতী প্ৰসঙ্গত কৈছে যে, লাজ নাৰীৰ অন্যতম প্ৰসাধন বা অলংকাৰ। পৰপুৰুষত মন নিদিয়ে আৰু অবিনয় দেখুৱাবলৈ নাজানেই। দশৰূপককাৰ ধনঞ্জয়ে স্বকীয়া নায়িকাক পুনৰ তিনি ভাগত ভাগ কৰিছে। সেইয়া হৈছে-- মুগ্ধা, মধ্যা আৰু প্ৰগল্‌ভা।

মুগ্ধা নায়িকা প্ৰসঙ্গত কৈছে যে, 'মুগ্ধা নববয়ঃ কামা ৰতৌ বামা মৃদুঃ ক্ৰুধি। (দশৰূপক-২.১৬) অৰ্থাৎ যাৰ অৱস্থা আৰু কাম ভাৱনা নতুন, ৰতি-ক্ৰীড়াত বিপৰীত আৰু ক্ৰোধাৱস্থাতো মৃদু স্বভাৱৰ হৈ থাকে, তেওঁৱেই মুগ্ধা নায়িকা। যিগৰাকী তৰুণীৰ ওচৰত কাম বা কামনা প্ৰথমবাৰৰ বাবে অৱতৰণ হৈছে; যি গৰাকী তৰুণী ৰতি ক্ৰীড়াৰ প্ৰতিও অনুকুল নহয়, কিন্তু যি গৰাকী সহজে সন্তুষ্ট কৰিব পাৰি, তেওঁকেই কোৱা হয় মুগ্ধা নায়িকা। মুগ্ধা নায়িকাকো আকৌ বয়োমুগ্ধা, কামমুগ্ধা, ৰতবায়া আৰু কোপে মৃদু বুলি চাৰিটা ভাগত বিভক্ত কৰিব পাৰি।

মধ্যা নায়িকা হৈছে— 'মধ্যোদ্যদ্যৌৱনানঙ্গা মোহান্তসুৰতক্ষমা।। (দশৰূপক, ২.১৬)। অৰ্থাৎ য'ত যৌৱন আৰু কামৰ উদয় হৈছে আৰু যি মূৰ্চ্ছা পৰ্যন্ত ৰতি ক্ৰিয়াত সমৰ্থ তেওঁকেই মধ্যা নায়িকা বুলি কোৱা হয়। এই মধ্যা নায়িকাৰ মানবৃত্তিৰ ক্ষেত্ৰত অপৰাধীৰ প্ৰিয়, ধীৰা, ঠাট্টাৰ সৈতে বক্ৰোক্তি আৰু কঠোৰ শব্দৰে কষ্ট দিয়ে।

আনহাতে প্ৰগল্‌ভা নায়িকা হৈছে-- যি যৌৱনৰ বাবে অন্ধৰ দৰে কামত মতলীয়া হৈ প্ৰিয়তমৰ অংগৰ

মাজত প্ৰৱিষ্ট হৈ আনন্দ হেতু আৰম্ভণিতে অচেতন হৈ পৰে।

'যৌৱনান্ধা স্মৰোন্মত্তা প্ৰগল্‌ভা দয়িতাঙ্গকে।
বিলীয় মানে বানন্দাদ্ৰতাৰম্ভে অপ্যচেতনা।।'

-- দশৰূপক, ২.১৮

নায়িকাৰ দ্বিতীয় ভেদ হৈছে পৰকীয়া বা অন্য স্ত্ৰী। পৰকীয়া নায়িকা দুই প্ৰকাৰৰ হ'ব পাৰে; কন্যা আৰু বিবাহিতা দশৰূপকৰ মতে অন্য বিবাহিতা স্ত্ৰীক নাটকত কেতিয়াও প্ৰধান ৰসৰ নায়িকা বনাব নালাগে। কন্যাক অনুৰাগবশতঃ কবিয়ে ইচ্ছানুসৰি প্ৰধান অথবা অপ্ৰধান ৰসৰ আধাৰ বনাব পাৰে।

'সাধাৰণী নায়িকা' বুলি সততে গণিকা স্ত্ৰীসকলক কোৱা হয়। কলাৰ প্ৰতি বিশেষভাৱে অনুৰক্তা এই শ্ৰেণীৰ নায়িকা অতি ধূৰ্তা আৰু প্ৰগল্‌ভতা হোৱা দেখা যায়। ৰূপক দহ বিধৰ অন্যতম হৈছে প্ৰকৰণ। মহাকবি শূদ্ৰক বিৰচিত 'মৃচ্ছকটিক' প্ৰকৰণৰ নায়িকা বসন্তসেনা 'সাধাৰণী শ্ৰেণী'ৰ নায়িকা। শৃঙ্গাৰাৰসাত্মাক অৱস্থাত প্ৰতিবিধ নায়িকাৰে আকৌ আঠটা অৱস্থাও পোৱা যায়। অৱস্থাসমূহ হৈছে-- স্বাধীন পতিকা, বামকসজ্জা, বিৰহোৎকণ্ঠিতা, খণ্ডিতা, কলহান্তৰিতা, বিপ্ৰলব্ধ, প্ৰোষিত প্ৰিয় আৰু অভিসাৰিকা। অৱস্থাকেইটা বিষয়ে নামকৰণৰ পৰা বুজা অসম্ভৱ।

'দশৰূপক' নামৰ অলংকাৰ শাস্ত্ৰত কৰা বৰ্ণনা অনুসৰি, যি নায়িকাৰ স্বামী তেওঁৰ অধীনত আৰু যি গৰাকী সদায় আনন্দত থাকে তেওঁক 'স্বাধীন পতিকা' বুলি কোৱা হয়। প্ৰিয়তম অহাৰ আশাত যিগৰাকীয়ে আনন্দৰে সৈতে নিজকে সজাই পৰাই ৰাখে তেওঁক বাসকসজ্জা বুলি কোৱা হয়। সাধাৰণতে দেখা যায় যে, স্বামী ওচৰত নাথাকিলে মহিলাসকলে শৃঙ্গাৰ অথবা প্ৰসাধন পৰিহাৰ কৰে। প্ৰিয় স্বামীজন অন্য নায়িকাৰ সৈতে প্ৰণয় কাৰ্যৰূপ অপৰাধৰ পৰা মুক্ত হৈ থকা সত্ত্বেও বিলম্বৰ সময়ত উৎকণ্ঠিত হোৱা নায়িকাক বিৰহোকণ্ঠিতা বুলি কোৱা হয়। খণ্ডিতা নায়িকা হৈছে-- অন্য নায়িকাৰ লগত সহবাস কৰা হেতু প্ৰিয়জনৰ শৰীৰত নখচ্ছেদ, দন্তস্পৰ্শৰ বিকাৰ দেখি হিংসাতে কলুষিত হোৱা গৰাকী। আনহাতে পৰনায়িকাৰ সৈতে প্ৰেমৰ বাবে উৎপন্ন ক্ৰোধত নায়কক তিৰস্কাৰ কৰাৰ পিছত পশ্চাত্তাপৰ পীড়াত পীড়িত নায়িকাক কলহান্তৰিতা বুলি কোৱা হয়। প্ৰিয়তমে নিশ্চিত সময়ত আহি নোপোৱাৰ বাবে অপমানিত হোৱা নায়িকা গৰাকীক 'বিপ্ৰলব্ধা' বুলি কোৱা হয়। কোনো কাৰ্যবশতঃ প্ৰিয়জন অন্য দূৰ দেশত থকাত নায়িকাক 'প্ৰোষিতপ্ৰিয়া' বুলি আখ্যা দিয়া হয়। যি গৰাকীয়ে কামত পীড়িত হৈ নায়কৰ ওচৰলৈ নিজে যায় অথবা দূতী আদিৰ দ্বাৰা নায়কক নিজৰ ওচৰলৈ মানি পঠিয়াই সেই গৰাকীক 'অভিসাৰিকা' বুলি কোৱা হয়।

এই নায়িকাৰ সহায়িকা হিচাপে দাসী, সখী, কাৰু, ধাত্ৰীৰ কন্যা, চুবুৰীয়া, সন্ন্যাস ধাৰণ কৰা নাৰী, শিল্পী আদি থাকিব পাৰে। তেওঁলোকে ভিন্ ভিন্ সময়ত ভিন ভিন ধৰণে নায়িকাক সহায় কৰে।

নায়িকাৰ ভেদ প্ৰসংগত বিশ্বনাথ কবিৰাজেও ধনঞ্জয়ৰ কথাকে সমৰ্থন কৰা যেন বোধ হয়। তেৰোঁ স্বস্ত্ৰী, অন্যস্ত্ৰী আৰু সাধাৰণী স্ত্ৰী নামেৰে নায়িকাক তিনিটা ভাগত বিভক্ত কৰিছে। নাট্য দৰ্পণকাৰে নায়িকাৰ লক্ষণ প্ৰসংগত কৈছে যে--

'নায়িকা কুলজা দিব্যা ক্ষত্ৰিয়া পণ্যকামিনী।
অন্তিমা ললিতোদাত্তা পূৰ্বোদাত্তা ত্ৰিধা পৰে।।

-- নাট্যদৰ্পণ, ৪.১৯

এই নায়িকা মুখ্যতঃ মুগ্ধা, মধ্যা আৰু প্ৰগল্‌ভা নামেৰে তিনি ভাগত বিভক্ত কৰা হৈছে। কথা হৈছে নাটকত নায়িকাৰ স্থান কি? কেৱল নায়কৰ পত্নী, প্ৰিয়তমা নে বীৰাঙ্গনা। নায়িকাৰ নামেৰে নামাঙ্কৃত হ'লেও নাট্যকাৰসকলে নায়িকাৰ ৰূপ-গুণ বৰ্ণনাতে সীমাবদ্ধ থকা দেখা যায়। আলংকাৰিকসকলৰ বৰ্ণনাৰ ফালৰ পৰা নায়িকাক কেৱল নায়কক উপস্থাপনৰ নিমিত্তেহে ব্যৱহাৰ কৰে। প্ৰণয়ৰ সঙ্গীৰূপত অঙ্কিত হৈ আহিছে বেছি ভাগ নায়িকাই। স্বপ্ৰতিভা, স্বকীয় সৌন্দৰ্য আৰু দক্ষতা থকা সত্ত্বেও নাৰী কামনা-বাসনাৰ উপভোগ স্বৰূপে বৰ্ণিত হৈ আহিছে। সেয়েহে প্ৰায়ভাগ সংস্কৃত নাটকতে নাৰীৰ অৱদমিত ৰূপটোহে দেখিবলৈ পাওঁ। কেইখনমান প্ৰমুখ্য নাটকৰ নায়িকাৰ চৰিত্ৰটো বিশ্লেষণ কৰি চালে সংস্কৃত

নাটত নায়িকা অথবা নাৰীৰ স্থান সম্পৰ্কে সঠিক ধাৰণা মনত আহিব।

কালিদাসৰ অন্যতম সৃষ্টি 'অভিজ্ঞান শাকুন্তলম্' নাটত নাৰী চৰিত্ৰ কেইবাটাও যদিও নায়িকা শকুন্তলা আৰু তেওঁৰ প্ৰিয়সখী অনসূয়া প্ৰিয়ম্বদাই অন্যতম। শকুন্তলা সুশীলা, অপৰূপ সৌন্দৰ্যৰ গৰাকী, যি গৰাকীৰ প্ৰতি ৰজা দুষ্যন্তই প্ৰথম দৰ্শনতে প্ৰেমকৃষ্ট হয়। প্ৰকৃতিৰ মাজত উপলব্ধ তৰু-তৃণা, গছ-লতাক তেওঁ নিজৰ সহোদৰ স্বৰূপে ব্যৱহাৰ কৰিছিল। শকুন্তলাৰ সৰলতা আৰু পৱিত্ৰতাই তেওঁৰ চৰিত্ৰক বহু উৰ্দ্ধলৈ লৈ গৈছে। এই শকুন্তলাক স্বামীৰ গৃহলৈ বিদায় দিয়া সময়ত পিতৃয়ে উপদেশ স্বৰূপে কৈছিল-- 'ভৰ্তুঃ বিপ্ৰকৃতাঽপি ৰোষণতয়া মাস্ম প্ৰতীপৎ গমঃ।' (অভিজ্ঞান শাকুন্তলম্, ৪.১৮)। অৰ্থাৎ স্বামীয়ে খঙতে বিপ্ৰকৃতস্থ হ'লেও ওলোটাই একো ক'ব মানা কৰিছিল। ভাৰতীয় নাৰীৰ আদৰ্শ উজ্জীৱিত কৰি ৰাখি স্বামীয়ে ককৰ্থনা কৰি পৰিত্যাগ কৰা ক্ষণতো তেওঁ নিজৰ ভাগ্যকহে দোষাৰোপ কৰিছে। কিন্তু স্বামীৰ ওপৰত কোনো দোষ জাপি দিব বিচৰা নাই। আলংকাৰিকসকলৰ দৃষ্টিভংগীৰ ফালৰ পৰা শকুন্তলাৰ চৰিত্ৰ স্বকীয়া প্ৰকৃতিৰ বুলি ক'ব পাৰি। ইয়াৰ উপৰি এটা কথা মন কৰিলবগীয়া যে, নায়িকাৰ মুখৰ ভাষা। প্ৰায়বোৰ সংস্কৃত নাটকৰে নায়িকা উচ্চ বংশজ আৰু সুস্থিৰ পৰিৱেশত ডাঙৰ হোৱা। বিভিন্ন কলা-কীৰ্তি গুণেৰে বিভূষিতা সংস্কৃত নাটকৰ নায়িকা। কিন্তু কথাৰ বেলিকা মুখত সংস্কৃত ভাষা ব্যৱহাৰ কৰি আহিছে প্ৰায় প্ৰতিজন নাট্যকাৰে। এই ক্ষেত্ৰত নায়িকাৰ পিনে কিছু অৱজ্ঞা কৰা যেন অনুমান হয়। 'অভিজ্ঞান শাকুন্তলম্' নাটতো শকুন্তলাই মনৰ সকলো কথা প্ৰাকৃত ভাষাতেই ব্যক্ত কৰিছে। কেৱল চতুৰ্থ অংকত কণ্বমুনিয়ে কেনেদৰে শকুন্তলাৰ বিবাহ আৰু অন্তঃসত্তা হোৱাৰ বিষয়ে গম পালে এই বিষয়ে প্ৰিয়ম্বদাই অনুসূয়াক জনাওঁতে ছন্দোময়ী বাণীৰ দ্বাৰা জানিব পৰা বুলি সংস্কৃততে শ্লোকটো ব্যক্ত কৰে--

'দুষ্যন্তেনাহিতং তেজো দধানাৎ ভূতয়ে ভূৱঃ।
অবেহি তনয়াং ব্ৰহ্মন্নগিগৰ্ভাং শমীমিৱ।।
-- অভিজ্ঞান শাকুন্তলম্, ৪.৪

ফলত সংস্কৃত নাটত নাৰীৰ স্থান সম্পৰ্কে নিৰূপণ কৰা কঠিন।

আন এখন বিখ্যাত নাটক হৈছে ভট্টনাৰায়ণৰ 'বেণীসংহাৰ'। এইখন নাটত দ্ৰৌপদীৰ বেণীবন্ধন কৰাৰ বিষয়ে বৰ্ণনা আছে। ৰাজসভাত সকলোৰে সন্মুখত বস্ত্ৰহৰণৰ দৰে অপমানৰ মুখামুখি হোৱা দ্ৰৌপদীৰ দুখক অগোচৰ কৰি যুধিষ্ঠিৰে পাঁচখন গাঁৱক লৈ সন্ধি প্ৰস্তাৱ কৰিব যোৱা বাবে দুঃখাক্লিষ্ট দ্ৰৌপদীয়ে প্ৰতিবাদী ভাষাৰে আৰম্ভ কৰিছিল-- '(জনান্তিকম্) নাথ, ন লজ্জন্ত এতে। ত্বমপি তাৱন্মা বিস্মাৰ্ষীঃ। (বেণী সংহাৰ, ১, পৃষ্ঠা ৩০৯) অৰ্থাৎ-- 'হে নাথ! এওঁৰ লাজ নাই। কিন্তু তুমি মোৰ কেশাকৰ্ষণৰ অপমানো পাহৰি যোৱা নাইতো।' সাধাৰণতে নাটকত নাৰী চৰিত্ৰক নাট্যকাৰে প্ৰাধান্যতা প্ৰদান কৰা দেখা নাযায়। কিন্তু 'বেণীসংহাৰ' নাটত দ্ৰৌপদীয়ে প্ৰতিবাদ কৰি নাৰীৰ অৱদমিত ভাৱৰ বিপৰীত দিশত ঠিয় হৈছে। কিন্তু ভাষা প্ৰয়োগৰ ক্ষেত্ৰত একেই। দ্ৰৌপদীয়েও মনৰ অভিব্যক্তি প্ৰাকৃত ভাষাতেই প্ৰকাশ কৰিছে।

কবিপ্ৰৱৰ ভাসৰ তেৰখন নাটকৰ অন্যতম 'স্বপ্নবাসৱদত্তা'। এইখন নাটতো 'বাসৱদত্তা' স্বকীয়া প্ৰকৃতিৰ নায়িকা। স্বামীৰ অত্যন্ত প্ৰিয়া পত্নী বাসৱদত্তাই ৰাজ্য উদ্ধাৰৰ বাবে নিজৰ স্বামীক ত্যাগ কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। অন্তৰৰ সকলো দুখ সামৰি প্ৰজাৰ বাবে সপত্নীও স্বীকাৰ কৰি লৈছিল। এইখন নাটকত অৱশ্যে নাট্যকাৰে নায়কতকৈও নায়িকাৰ চৰিত্ৰ উপস্থাপনত অধিক গুৰুত্ব দিয়া দেখা যায়। নাটকৰ নামকৰণতো নায়িকাৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছে। ভাষা প্ৰয়োগত আলঙ্কাৰিক সকলৰ নিয়ম ভংগ নকৰাকৈ প্ৰাকৃত ভাষাৰেই প্ৰয়োগ কৰিছে।

সংস্কৃত নাটকৰ লক্ষণত বিশ্বনাথ কবিৰাজে নায়কৰ বিষয়ে সন্নিবিষ্ট কৰিছে যদিও নায়িকাৰ বিষয়ে ব্যক্ত কৰা নাই। সংস্কৃত নাটকত নায়িকাৰ বাবেই নাটকৰ কাহিনী অগ্ৰসৰ হোৱা পৰিলক্ষিত হয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও তেখেতৰ নাটসমূহ সংস্কৃত নাটকৰ অনুকৰণতে ৰচনা কৰিছে যদিও তাত মৌলিকত্ব যথেষ্ট পৰিমাণে দেখা যায়। সংস্কৃত

নায়িকাসমূহৰ প্ৰায়ভাগ গুণেই শঙ্কৰদেৱে অঙ্কীয়া নাটৰ নায়িকাৰ চৰিত্ৰত দেখুৱাইছে যদিও শঙ্কৰদেৱে অসমীয়া সমাজৰ লগত খাপখোৱাকৈ নায়িকাসমূহ সৃষ্টি কৰিছে। কিন্তু শঙ্কৰদেৱৰ নাটত পৰকীয়া নায়িকাৰ স্থান নাই। উদাহৰণ স্বৰূপে ভাগৱত পুৰাণ আৰু হৰিবংশৰ ওপৰত আধাৰিত শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ নাটৰ নায়িকা ৰুক্মিণী স্বকীয়া গুণসম্পন্না নাৰী। ভাগৱতৰ দশম স্কন্ধৰ দ্বিপঞ্চাশতম্ অধ্যায়ৰ পৰা চতুঃপঞ্চাশতম্ অধ্যায়লৈকে এই তিনি অধ্যায়জুৰি শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ কাহিনী কোৱা হৈছে। ইয়াৰ মুঠ এশ এষষ্ঠিতা শ্লোকত ৰুক্মিণী হৰণৰ সমগ্ৰ কাহিনীটো অধিকাৰ কৰি আছে। ৰুক্মিণী হৰণত ৰুক্মিণীয়ে যি আচৰণ দেখুৱাইছে অৰ্থাৎ কৃষ্ণৰ প্ৰতি আকৰ্ষণ, কৃষ্ণত চিত্ত অৰ্পণ, কৃষ্ণক পতিৰূপে পোৱাৰ আকাঙ্খা, তথা ৰুক্মিণীক হৰিনিয়াৰ বিস্তৃত পৰিকল্পনা-- এই সকলোবোৰ ৰুক্মিণীৰ মুখতে শঙ্কৰদেৱে তুলি দিছে। সেই কাৰণে ইয়াত স্বকীয়া পতিব্ৰতা গুণযুক্তা ৰুক্মিণীক এগৰাকী সাধাৰণী নায়িকাৰ দৰে দেখা গৈছে।

তেনেদৰে সত্যভামাও স্বকীয়া নায়িকা। কিন্তু শঙ্কৰদেৱে তেওঁক সাধাৰণী নায়িকাৰ দৰে দেখুৱাইছে, কাৰণ সত্যভামাৰ চৰিত্ৰটিৰ যোগেদি অসমীয়া নাৰীৰ সহজাত প্ৰবৃত্তিবোৰ প্ৰকাশিত কৰিছে। সত্যভামাৰ চৰিত্ৰটিৰ প্ৰধান বৈশিষ্ট্য হৈছে-- সতিনীবিদ্বেষ আৰু তেওঁৰ ৰূপগৰ্বীভাব। তেওঁ অভিমানী নায়িকা। পাৰিজাত ফুলৰ বাবে দেৱৰাজ ইন্দ্ৰৰ পত্নী শশীৰ লগত কাজিয়া কৰিছে। দুয়োগৰাকীয়ে দুয়োগৰাকী স্বামীৰ কুকীৰ্তিবোৰ সোঁৱৰাই দিছে। সত্যভামা আৰু শশীৰ ব্যৱহাৰত শঙ্কৰদেৱে অবিনীত, অশিক্ষিত গ্ৰাম্য নাৰীৰ চৰিত্ৰ ফুটাই তুলিছে।

শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা নাটসমূহৰ ভিতৰত আন এখন নাট হৈছে-- শ্ৰীৰামবিজয়। নাটৰ কাহিনী ভাগ ৰামায়ণৰ পৰা গৃহীত। ৰামায়ণত নায়িকা সীতা এগৰাকী স্বকীয়া নায়িকা। কিন্তু শঙ্কৰদেৱৰ কাপত সীতাক সাধাৰণী নায়িকাৰ দৰে দেখুৱাইছে। মূল ৰামায়ণত সীতাই ৰামৰ আহ্বানতো নিজৰ সমৰ্থনত কোনো প্ৰত্যুত্তৰ কৰা নাই। কেৱল তিনিটি বাক্যৰে সীতাই নিজৰ পৱিত্ৰতা প্ৰমাণ কৰিলে। অথচ ৰামৰ ওচৰত আত্মসমৰ্পণো নকৰিলে।

কিন্তু শঙ্কৰদেৱে উত্তৰাকাণ্ড আৰু ৰামবিজয় নাটত সীতাক সাধাৰণ নাৰীৰ দৰে প্ৰতিবাদী নাৰীৰ ৰূপটো প্ৰকাশ কৰোৱাইছে। ইয়াৰ লগত সংস্কৃত নাটক বেণীসংহাৰৰ নায়িকা দ্ৰৌপদীৰ ৰূপ প্ৰকাশ পাইছে। যজ্ঞমণ্ডপত বহু জনতাৰ সন্মুখত সীতাই দীঘলীয়া উক্তিৰে- ১৫২টা পদত ব্যাকুল হৈ কান্দি নিজৰ দুখ-দুৰ্গতিৰ কথা কৈছে আৰু ৰামক বিভিন্ন প্ৰকাৰে ককৰ্থনা কৰিছে। ইয়াৰ দ্বাৰাই শঙ্কৰদেৱে প্ৰতিবাদী সাধাৰণী নাৰীলৈ সীতাক অৱতৰণ কৰোৱাইছে। সীতাক এগৰাকী নিচেই সৰলমনা, আৱেগপ্ৰৱন, অনুভূতিশীল নাৰীৰূপে দেখা গৈছে।

তেনেদৰে পত্নী-প্ৰসাদ নাটকত ব্ৰাহ্মণীসকল, কালিদমন নাটৰ যশোদা এই সকলো চৰিত্ৰ সংস্কৃত নাটৰ নায়িকাৰ অনুকৰণত চিত্ৰিত হ'লেও সংস্কৃত নায়িকাৰ দৰে অঙ্কীয়া নাটৰ নায়িকাসকলক অসমীয়া সমাজ জীৱনৰ লগত খাপ খুৱাই সাধাৰণী নায়িকাৰ গুণসমূহ প্ৰতিফলিত কৰিছে।■■

**সহায়ক গ্ৰন্থ ঃ**
১. ধনঞ্জয়ৰ 'দশৰূপকম্' ডা° বৈজনাথ পাণ্ডে, সম্পাদিত, ১৯৭৯, মতিলাল বানাৰসী দাস প্ৰকাশিত
২. বিশ্বনাথৰ 'সাহিত্যদৰ্পণ' আচাৰ্য কৃষ্ণমোহন শাস্ত্ৰী সম্পাদিত, ১৯৯৬, চৌখম্বা সংস্কৃত সংস্থান, বাৰানসী
৩. ৰামচন্দ্ৰ আৰু গুণচন্দ্ৰৰ 'নাট্যজৰ্পণ', এল বি গান্ধী সম্পাদিত, ১৯৫৯, অৰিয়েণ্টেল ইনষ্টিটিউট, প্ৰকাশিত
৪. কালিদাসৰ 'অভিজ্ঞান শাকুন্তলম্' এম্ আৰ্ কালে সম্পাদিত, ১৯৯৪, মতিলাল বানাৰসী দাস প্ৰকাশিত
৫. ভট্টনাৰায়ণৰ 'বেণীসংহাৰ' এম্ আৰ্ কালে সম্পাদিত, ১৯৯৮, মতিলাল বানাৰসী দাস প্ৰকাশিত
৬. ভাসৰ 'স্বপ্নবাসৱদত্তা', এম্ আৰ্ কালে সম্পাদিত, ১৯৯৬, মতিলাল বনাৰসী দাস প্ৰকাশিত
৭. শাস্ত্ৰ গৌৰীনাথ, 'সংস্কৃত সাহিত্য সম্ভাৰ', ১৯৮৩, নৱপত্ৰ প্ৰকাশন, কলিকতা।

**লেখিকা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অতিথি প্ৰবক্তা**

# শৈক্ষিক পাঠ্যক্ৰমত নৈতিক আৰু আধ্যাত্মিক শিক্ষা বিষয়ৰ প্ৰয়োজনীয়তা

শ্ৰীৰামচন্দ্ৰ ডেকা

শিক্ষা হৈছে মানুহৰ জ্ঞানৰ পূৰ্ণতাৰ বহিঃ প্ৰকাশ। শিক্ষা মানে কেৱল কিতাপ পঢ়িব জনাটোকে নুবুজায়। শিক্ষাৰ প্ৰয়োজন হৈছে জ্ঞান, দক্ষতা, স্বভাৱ আৰু মূল্যবোধ, সাংস্কৃতিক বিনিময় ব্যক্তিত্বৰ বিকাশ, স্বনিৰ্ভৰশীলতা আদি গুণৰাজি আহৰণ কৰা। শিক্ষা ব্যৱস্থাত এই সকলোবিলাক গুণৰ বিকাশ ঘটোৱা আৱশ্যক আৰু ইয়াৰ যোগেদি ব্যক্তি আৰু সমাজক গতিশীল কৰি তুলিবলৈ শিক্ষাক ব্যৱহাৰ কৰা হয়। সমাজ বিকাশৰ ধাৰণাটোৱে আৰ্থিক, ৰাজনৈতিক, সামাজিক, বৌদ্ধিক, সাংস্কৃতিক নন্দনতাত্ত্বিক উন্নয়নৰ কথাবোৰ সামৰি লয়। মূলতঃ ব্যক্তিগত বিকাশেই শিক্ষাৰ প্ৰধান উদ্দেশ্য যদিও সমাজত অন্যায় অধৰ্ম হিংসা আদিৰ প্ৰকোপ দূৰ কৰাৰ সামাজিক প্ৰয়োজনীয়তাৰ লগতো শিক্ষা জড়িত হৈ আছে। শিক্ষাই হৈছে ব্যক্তিত্বৰ বিকাশৰ ভেটি স্বৰূপ। শিক্ষানীতিয়ে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ নীতি নিৰ্দ্ধাৰণ কৰে। শিক্ষাৰ গুণগত মান উন্নত কৰি শিক্ষাক ব্যৱহাৰিক ভিত্তিত উদ্দেশ্য পূৰ্ণ, বাস্তৱ আৰু অৰ্হতা ভিত্তিক কৰি তোলে। এই কথা বিলাকলৈ লক্ষ্য ৰাখি বৰ্তমানৰ শিক্ষানীতি পুনৰ নিদ্ধাৰণ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। শিক্ষানীতিৰ অন্যতম লক্ষ্য হোৱা উচিত হ'ল-- ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন বিকাশ সাধন কৰাটো।

অসমত সাম্প্ৰতিক কালত শিক্ষাৰ ওপৰত নানা আলোচনা হৈছে। বহুতে নানা পৰামৰ্শও আগবঢ়াইছে। আমাৰ ৰাজ্যত এশ এবুৰি সমস্যা আছে। তাৰ ভিতৰতে শিক্ষাৰ সমস্যাটি অন্যতম। আকৌ এই শিক্ষা সমস্যাৰ ভিতৰত প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষাৰ অলেখ সমস্যা আছে। চৰকাৰী, বেচৰকাৰী আৰু ব্যক্তিগত পৰ্য্যায়ত নানা বিদ্যালয়ত প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক পৰ্য্যায়ত শিক্ষা দি থকা হৈছে। কিন্তু এই সকলো বিলাকৰ এক উমৈহতীয়া নীতি নিৰ্দেশনা থকাৰ প্ৰয়োজন। অসমৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থা এক শোচনীয় অৱস্থালৈ গতি কৰিছে। সমাজখন সুস্থিৰ আৰু ভাল কৰিবলৈ উঠি অহা প্ৰজন্মক সুচৰিত্ৰবান হিচাবে গঢ় দিব লাগিব। আমাৰ সমাজৰ দুৰ্নীতি ৰোধ কৰিবলৈ, অন্যায় অত্যাচাৰৰ বিৰুদ্ধে মাত-মাতিব পৰাকৈ নতুন প্ৰজন্মক গঢ় দিব লাগিব। কিন্তু বৰ্তমান দেখা যায় যে আইন-কানুন ৰক্ষাকাৰী পুলিচ প্ৰশাসক, নেতাসকলেই নিয়মৰ বহিৰ্ভূত।

তেনেধৰণৰ সমাজৰ আৰু কিবা উন্নতি হয়নে? তেতিয়া দেশৰ অৱস্থা কি হ'ব পাৰে সহজেই অনুমান কৰিব পাৰি। গতিকে নাগৰিকৰ চৰিত্ৰৰ ওপৰতেই দেশৰ কুশল আৰু উন্নতি নিৰ্ভৰ কৰিছে। সুনাগৰিকেহে দেশৰ উন্নতিত অৰিহণা যোগাব পাৰিব। সেয়ে প্ৰাথমিক শিক্ষাৰ সংস্কাৰ শাসন অতীৱ প্ৰয়োজন।

স্বামী বিবেকানন্দই কৈছিল যে, “শিক্ষা মানে ওৰেটো জীৱন কিছুমান বতৰা সংগ্ৰহ কৰি মগজুত জমা ৰখা নুবুজায়। আমি সকলোবিলাক কথা পৰিপাক কৰি

জীৱন সাধন মানৱতা গঠন, চৰিত্ৰ গঠন আদিত ব্যৱহাৰ কৰিব লাগিব। যদি সুন্দৰ ভাৱবিলাক আহৰণ কৰি সেইবিলাকক তেওঁৰ জীৱনৰ অঙ্গ আৰু চৰিত্ৰ গঠনত নিয়োগ কৰা হৈছে তেন্তে একোটা পুথি ভঁৰালৰ সমগ্ৰ কিতাপ পঢ়ি উঠা এজনতকৈ তেওঁৰ শিক্ষা বেছি চহকী। জ্ঞান মানুহৰ অন্তৰ্নিহিত বস্তু। ই বাহিৰৰ পৰা নাহে।” এইটোৱেই হৈছে মুখ্য কথা। বৰ্তমানৰ শিক্ষা ব্যৱস্থাতকৈ অতীতৰ শিক্ষা ব্যৱস্থাত যি শিক্ষা দিয়া হৈছিল যি মানুহৰ মাজত অন্তৰ্নিহিত জ্ঞানৰ বিকাশ ঘটাই নিজক বা আত্মাক চিনি লোৱা। যেতিয়া ছাত্ৰৰ আত্মজ্ঞান লাভ হৈছিল তেতিয়াই ছাত্ৰক সমাজৰ ধৰ্ম পালন কৰি জীৱন-যাপন কৰিবলৈ এৰি দিয়া হৈছিল। তদুপৰি আত্মৰক্ষাৰ বাবে, দেশ ৰক্ষাৰ বাবে, ক্ষুদ্ৰ বিদ্যাকে ধৰি ব্যৱসায় কৰা ব্ৰহ্মচৰ্য্য, শ্ৰদ্ধাভক্তি, নৈতিকতা, সজ আচৰণ, সত্য আৰু আত্মবিকাশৰ জ্ঞান দিয়া হৈছিল। বেদান্তই কয় যে, মানুহেই জ্ঞানৰ মন্দিৰ। ইয়াক মাত্ৰ বিকশিত কৰি তুলিব লাগে। সমাজত সত্যৰ ওপৰত প্ৰতিষ্ঠিত কৰাটোৱেই তেতিয়াৰ লক্ষ্য আছিল। তেতিয়াৰ শিক্ষা ব্যৱস্থা, নীতি-নৈতিকতা আৰু আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। তদুপৰি কৰ্মমুখী শিক্ষাৰো ব্যৱস্থা আছিল। ফলত এজন ছাত্ৰ সমাজত উপযুক্ত ব্যক্তি হিচাবে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল।

কিন্তু বৰ্তমান শিক্ষা ব্যৱস্থা তথা শিক্ষানীতি সম্পূৰ্ণ বস্তুবাদী আৰু বাহ্যিক উন্নতি কেন্দ্ৰিক। শিক্ষানীতিত সৃজনী শক্তি বা বুদ্ধিমত্তা বিকাশৰ ব্যৱস্থা আছে। কিন্তু এইখিনি মাত্ৰ অৰ্থ উপাৰ্জন বা বিজ্ঞান প্ৰযুক্তি কৌশল উদ্ভাৱনৰ বাবে প্ৰয়োজনীয় বুলি ভাবিহে ৰখা হৈছে। এনে শিক্ষা ব্যৱস্থাৰ পৰা আমাৰ সমাজত যিমানেই শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি নহওক কিয়, সৎ, কৰ্মশীল, জ্ঞানী, নিঃস্বাৰ্থ লোকৰ সৃষ্টি হব নোৱাৰে আৰু এনে নহলে শিক্ষিত লোকৰ দ্বাৰা সমাজৰ উন্নতি হোৱাত সহায়ক নহ'ব। বৰং দুৰ্নীতিযুক্ত স্বাৰ্থপৰ ব্যক্তিৰ জন্ম দিয়াতহে সহায়ক হব। সমগ্ৰ বিশ্বকে বনজুইৰ দৰে গ্ৰাস কৰা অসূয়া-অশান্তি, ধৰ্মীয় উন্মত্ততা হত্যা, লুণ্ঠনাদি, অসামাজিক অপৰাধ প্ৰৱণতা, বিশ্বব্যাপি দেখা দিয়া উচ্ছৃঙ্খলতা আৰু মানৱীয় মূল্যৰ অৱক্ষয়ে পৃথিৱীখনক ধ্বংসৰ মুখলৈ ঠেলি দিয়াত চিন্তাশীল ব্যক্তি সবল সচেতন হৈ পৰিছে। শিক্ষাবিদ মনিষী সকলে একেমুখে স্বীকাৰ কৰিছে যে, একমাত্ৰ আধ্যাত্মিক শিক্ষাৰ দ্বাৰাহে মানৱ জাতিক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰাটো সম্ভৱ আৰু বিদ্যালয়সমূহত আধ্যাত্মিক শিক্ষাৰ প্ৰৱৰ্তন কৰোৱাটো নিতান্তই আৱশ্যক হৈ পৰিছে। ইংৰাজসকলেও ভাৰতীয়সকলৰ বাবে প্ৰচলন কৰা শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষাৰ ব্যৱস্থা কৰিছিল। যাতে প্ৰশাসনে এক শ্ৰেণীৰ বাধ্য আৰু বিশ্বাসী কৰ্মচাৰী পায়। স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ বিভিন্ন আয়োগে শিক্ষাত নৈতিকতা আৰু আধ্যাত্মিকতাৰ উদ্দেশ্য আগত নৰখাকৈ শিক্ষাৰ কোনো পৰিবৰ্ত্তন কৰা নাছিল। ১৯৪৮ চনত দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ সভাপতিত্বত গঠিত “বিদ্যালয় আয়োগে” গণতান্ত্ৰিক আদৰ্শ আৰু চৰিত্ৰ গঠনৰ বাবে দিয়া এই দুটা উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি নৈতিক আৰু আধ্যাত্মিক চেতনাক কাৰ্য্যকৰী ৰূপ দিবলৈ বিচাৰিছিল। ইয়াৰ পিছতো ১৯৫০ চনত মুদালিয়াৰ শিক্ষা আয়োগে আৰু ১৯৫৪চনত কোঠাৰী শিক্ষা আয়োগে আধ্যাত্মিক মূল্যবোধৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই কথা কোঠাৰী আয়োগৰ প্ৰতিবেদনত স্পষ্টকৈ দিয়া থাকে। কিন্তু ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত এনে চিন্তা প্ৰায় বাদ দিয়া হ'ল। নৈতিক আৰু আধ্যাত্মিক জ্ঞান মাত্ৰ প্ৰচাৰৰ পৰা লাভ কৰিব নোৱাৰি। ইয়াক আয়ত্ব কৰিব লাগিব। ইয়াৰ বাবে কিছু সাধনা আৰু অভ্যাস কৰিব লাগিব।

ভাৰতীয় সমাজৰ আজি চৰম বিশৃঙ্খল পৰিস্থিতিত নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষাই গুৰুত্ব লাভ নকৰাটো পৰিতাপৰ কথা। কৰ্মবিমুখ শিক্ষা ব্যৱস্থায়ো আমাৰ বাবে ভয়ানক ৰূপ ধাৰণ কৰিছে।

আমাৰ অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই এনে নৈতিক আৰু আধ্যাত্মিক জ্ঞান বিকাশৰ পথ আজিৰ পৰা প্ৰায় ৫৬০ বছৰ আগতে দেখুৱাই থৈ গৈছে। য'ত ভাৰতৰ বেদ, উপনিষদ, গীতা, ভাগৱতৰ বাণী বিদ্যমান। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ কালজয়ী

যুগজয়ী গ্ৰন্থ “নামঘোষা” স্কুলীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তি হব নোৱাৰাৰ কোনো কাৰণ নাই। কিয়নো এইখন এখন ধৰ্মগ্ৰন্থ মাত্ৰ নহয়। ইয়াত আধ্যাত্মিক তথা নৈতিক জ্ঞানৰ বহু কথাই আছে। আমেৰিকাৰ বহুতো বিদ্যালয়ত ‘গীতা’খন পাঠ্যপুথিৰ অন্তৰ্ভুক্ত হৈছে। আমাৰ দেশতো গীতা আৰু উপনিষদসমূহ স্কুলীয়া পাঠ্যপুথি হ’ব নোৱাৰাৰ কোনো কাৰণ নাই। উপনিষদ সমূহ আধ্যাত্মিক জ্ঞানৰ ৰহঘৰা। সেইদৰে ‘কীৰ্ত্তন-ঘোষা’ত এখন সৰ্বশ্ৰেষ্ঠ আধ্যাত্মিক তত্ত্বযুক্ত কৰ্মস্পৃহাযুক্ত অমূল্য গ্ৰন্থ। এই গ্ৰন্থৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক সৰুৰে পৰা দিয়াৰ ব্যৱস্থাহে কৰিব লাগে। ঠিক তেনেকৈ কোৰাণ, বাইবেল আদি শাস্ত্ৰসমূহৰ মূল বাণীসমূহ ছাত্ৰ-ছাত্ৰীক দিব পাৰি। এই মহান গ্ৰন্থৰাজি কেৱল ধৰ্মীয় সাধন প্ৰণালীৰ অঙ্গ কৰাৰ বাবে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ জ্ঞান আহৰণৰ পৰা বঞ্চিত হৈ আহিছে। কোঠাৰী আয়োগৰ প্ৰতিবেদন মতে এটা বিষয় হিচাবে নৈতিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদান কৰিব লাগিব। অওকল চাকৰিমুখী শিক্ষাগ্ৰহণ কৰি সামাজিক জীৱনত নৈতিকতা তথা আধ্যাত্মিকতা বজাই ৰখাতো সম্ভৱ নহব। আজিৰ শিক্ষানীতিয়ে মাত্ৰ ডিগ্ৰী আহৰণ আৰু চাকৰিৰ ওপৰত গুৰুত্ব দিছে। সবল নৈতিক চৰিত্ৰ অবিহনে প্ৰকৃত সমাজকৰ্মী হব নোৱাৰে। মহা-মানৱ মহাত্মা গান্ধী, আচাৰ্য্য বিনোৱাভাৱে আৰু স্বামী বিবেকানন্দ আদিয়েই ইয়াৰ জ্বলন্ত আৰু শ্ৰেষ্ঠ উদাহৰণ হৈ আছে আৰু যুগে যুগে থাকিবও। সেয়ে আমাৰ দেশ আৰু জাতিৰ উন্নয়ন সাধিবলৈ হলে, প্ৰকৃত মানৱ সম্পদ হিচাবে গঢ়িবলৈ হলে স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰমত নৈতিক আধ্যাত্মিক মূল্যবোধৰ শিক্ষা প্ৰদানৰ লগতে কৰ্মমুখী শিক্ষা প্ৰদানৰ আঁচনি যুগুত কৰিব লাগিব। নৈতিক আধ্যাত্মিক মূল্যবোধ আৰু কৰ্মমুখী শিক্ষা প্ৰসাৰৰ ব্যৱস্থাৰে আৰু ধ্বংসমুখী হবলৈ ধৰা জাতিটোৰ ভৱিষ্যত বুনিয়াদ পুনৰ গঢ়িব পৰা যাব বুলি ভাবিবৰ বহু স্থল আছে।■■

**লেখক ৰামগাঁও, (দৰং) শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গী**

- আপোনাৰ গা গোন্ধায় নেকি? যদিহে গোন্ধায় তেন্তে গাধোৱা পানীত নেমুৰ বাকলি পিহি মিহলাই ল’ব। ইয়াৰ লগতে পদিনাপাত মোহাৰি পানীত দি বিশ মিনিটমান থৈ দি সেই পানীৰে গা ধুলে গাৰ গোন্ধ নাইকিয়া হয়।
- টেপ ৰেকৰ্ডাৰ হেড্‌টো লেতেৰা হ’লে আমি হেডক্লিনাৰেৰে চাফা কৰোঁ। কিন্তু হেড্‌ক্লিনাৰ নাথাকিলে নেইল পলিছ ৰিম’ভাৰেও চাফা কৰিব পাৰি।
- কাপোৰত মাটিৰ দাগ্ লাগিলে আলু পিহি কিছুসময় লগাই থওক। পিছত চাবোনেৰে ধুই চাওকচোন, দাগ্ নোহোৱা হ’ব।
- দুটা ষ্টীম আঠা লাগি ধৰিলে এৰুৱাবলৈ বৰ অসুবিধা হয়। অলপো সময় নষ্ট নকৰি ষ্টীম দুটা ফ্ৰিজত ভৰাই দিয়ক আৰু কিছুসময়ৰ পিছত উলিয়াই এৰুৱাবলৈ চেষ্টা কৰি চাওকচোন।
- ৰূপৰ অলঙ্কাৰ বা আন সামগ্ৰী চাফা কৰোঁতে আধাঘণ্টা সময় তেতেলীটেঙাৰ পানীত ডুবাই পানীৰে ধুই চাওকচোন, কেনে জিলিকনি উঠিছে।
- বগা কাপোৰ ধুই নীল দিলে দেখিবলৈ ধুনীয়া লাগে, কিন্তু কাপোৰত নীল যদি চমকা-চমক হয়, তেন্তে দেখিবলৈ বেয়া লাগে। ইয়াৰ পৰা ৰেহাই পাবলৈ আগতীয়াকৈ অলপ নিমখ নীলপানীত মিহলাই ল’বচোন, দেখিব কাপোৰত সমভাৱে নীল লাগিছে।
- ড্ৰেছিং টেবুলৰ গ্লাচ, টেবুলৰ কাঁচ বাতৰি-কাকতেৰে মোহাৰিলে চিক্‌চিকিয়া হয়।

*মহাভাৰতৰ গল্প ঃ*

# মাধৱীৰ স্বয়ম্বৰ

ড° সোণালী বুঢ়াগোহাঁই

পুণ্যতোয়া গংগা আৰু যমুনা নৈৰ সংগম স্থল। ইয়াতে আছে এখন আশ্রম। তৰু-তৃণ, পশু-পক্ষীৰ কাকলিৰে ভৰা এই আশ্রমত প্ৰৱেশ কৰিলে পৰম প্ৰশান্তিৰে মন ভৰি উঠে। এনে লাগে যেন প্ৰকৃতিয়ে অকৃপণভাৱে সকলো সৌন্দৰ্য এই তপোবনতে অৰ্পণ কৰিছে। উজ্জ্বল, সেউজীয়া, কোমল ঘাঁহনিবোৰত হৰিণাবোৰ মুক্ত মনেৰে বিচৰণ কৰি থকা এই তপোবন দাবানলৰ পৰা মুক্ত; পৱিত্ৰ নদীৰ শীতল, নিৰ্মল পানী খাবলৈ বাঘ আদিৰ আগমন ঘটিলেও এই গহন বন মৃগৰ আৱাসভূমি।

এই মনোৰম আশ্ৰম এদিন বিভিন্ন জনপদৰ ৰজাৰে ভৰি পৰিল। কেৱল ৰাজপুৰুষেই নহয়, ইয়ালৈ আগমন ঘটিছে গন্ধৰ্ব, নাগসকলৰো; আনকি ঋষি আৰু বনবাসীসকলো বাদ পৰা নাই। এই দলদোপ-হেন্দোলদোপৰ মুখ্য উপলক্ষ্য হৈছে এখনি সভাৰ আয়োজন। চন্দ্ৰবংশীয় প্ৰৱল প্ৰতাপী ৰজা যযাতিয়ে তেওঁৰ দুহিতাৰ মাধৱীৰ স্বয়ম্বৰ সভাৰ আয়োজন কৰি সকলো সামৰ্থবান লোকক ইয়ালৈ নিমন্ত্ৰণ জনাইছে। পিতৃৰ নিৰ্দেশমৰ্মে ৰাজপুত্ৰ যদু আৰু পুৰুৱে এখন সুসজ্জিত ৰথত তেওঁলোকৰ ভগ্নীক আশ্ৰমলৈ আগবঢ়াই আনিলে। সমাগত পাণিপ্ৰাৰ্থীসকলৰ পৰিচয় যথাযথভাৱে দাঙি ধৰাৰ পিছত পিতৃয়ে কন্যাৰ হাতত সুগন্ধীপুষ্পৰ বৰমালা দি ইপ্সিত বৰ নিৰ্বাচন কৰি ল'বলৈ আদেশ দিলে। অতিথিসকলক সম্বোধি যযাতিয়ে ক'লে--

"মোৰ এই অপূৰ্ব সুন্দৰী কন্যা সৰ্বসুলক্ষণযুক্তা। দেৱতা, অসুৰৰ পক্ষেও দৰ্শনীয়া এওঁ নানাবিধ গন্ধৰ্ব বিদ্যাতো নিপূণা। যাৰ ডিঙিত এওঁৰ বৰমাল্য প্ৰদান হ'ব তেওঁ যে মহা-সৌভাগ্যৱান হ'ব ইয়াত কোনো সন্দেহ নাই। হে সভাসদসকল, আপোনালোকে কন্যাৰ নিৰ্বাচনৰ বাবে অপেক্ষা কৰক।'

সভাত বিৰাজমান পাণিপ্ৰাৰ্থীসকলক চাই চাই, এখুজি, দুখুজিকৈ আগবাঢ়ি যোৱা ৰূপৱকী মাধৱী পিতৃৰ কথা শুনি থমকি ৰ'ল। কিছু বছৰ পূৰ্বে ৰজা যযাতিয়ে আন এক সজ্জনৰ আগত এইদৰেই তেওঁৰ ৰূপৰ প্ৰশংসা কৰিছিল। কিন্তু ইয়াৰ লগত সংযোজিত আছিল আৰু এটি বাক্য-- 'মোৰ এই কন্যা ৰাজচক্ৰৱৰ্তী পুত্ৰ জন্ম দিবলৈ সমৰ্থ। তেওঁ চাৰিটা ৰাজবংশৰ স্থাপয়িত্ৰী হ'ব।' আজি পিতৃয়ে সেই কথা দোহৰাৰ প্ৰয়োজন শেষ হৈ গৈছে। এতিয়া মাত্ৰ তেওঁ এগৰাকী সুন্দৰী, যি নিজেই বাছি ল'ব পাৰে জীৱনসঙ্গী এই বুলিহে কৈছে। উৎসুকতাৰে তেওঁৰ মুখলৈ ৰ' লাগি চাই থকা ৰজা-মহাৰজা, গন্ধৰ্ব, বনবাসী, নাগবংশী, তপস্বীসকলক চাই চাই এক পৰম সত্য মাধৱীৰ মনত উদ্ভাষিত হ'ল। পিতৃৰ ঘোষণাই ৰাজকুমাৰীৰ মনোজগতত কিয় এনে বিপৰীতভাৱে ক্ৰিয়া কৰিলে তাক জানিবলৈ অন্য এক অধ্যায় জনাৰো প্ৰয়োজন।

কান্যকুব্জ দেশৰ ৰজা, মহাপৰাক্ৰমী বিশ্বামিত্ৰই ঘটনাক্ৰমে ব্ৰহ্ম তেজৰ মাহাত্ম্য অনুভৱ কৰি, সমৃদ্ধিশালী ৰাজ্য, ৰাজলক্ষ্মী, সৰ্বভোগ পৰিত্যাগ কৰি তপস্যাত ব্ৰতী হ'ল, কঠোৰ তপস্যাৰে দেৱতাসকলক তুষ্ট কৰি, দীপ্ত তেজস্বী হৈ ব্ৰাহ্মণত্ব লাভ কৰিবলৈ সক্ষম হ'ল। তপস্যাৰ দ্বাৰা ব্ৰহ্মৰ্ষিলৈ নিজকে উত্তৰণ কৰিলেও প্ৰকৃততে ক্ষত্ৰিয় বিশ্বামিত্ৰৰ সমগ্ৰ সত্বা ব্ৰাহ্মণত্বত নিমৰ্জিত হৈছে নে নাই পৰীক্ষা ল'বলৈ স্বয়ং ধৰ্ম বশিষ্ঠমুনিৰ ৰূপলৈ তেওঁৰ আশ্ৰমলৈ আহিল। বশিষ্ঠমুনি আছিল বিশ্বামিত্ৰ প্ৰধান প্ৰতিদ্বন্দ্বী। কাৰণ, তেওঁৰ প্ৰবল ব্ৰহ্মশক্তিৰ ওচৰত ক্ষত্ৰিয় ৰজা, পৰম প্ৰতাপী বিশ্বামিত্ৰ পৰাজিত হৈছিল। ব্ৰাহ্মণৰ তেজস্বীতাত বিস্ময়াভূত হৈ তেওঁ, তপস্যাৰ দ্বাৰা ব্ৰহ্মত্ব লাভ কৰাৰ সিদ্ধান্ত লৈছিল।

বশিষ্ঠৰূপী ধৰ্মক বিশ্বামিত্ৰই সসম্ভ্ৰমে পাদ্য-অৰ্ঘৰে সৎকাৰ কৰি, ভোকত কাতৰ অতিথিৰ বাবে নিজহাতে, অতি যত্নেৰে পৰমান্ন ৰন্ধন কৰিলে। তেওঁক ৰন্ধা অন্নলৈ অপেক্ষা নকৰি অতিথিয়ে অন্য তপস্বীয়ে দিয়া আহাৰ গ্ৰহণ কৰিলে। বিশ্বামিত্ৰই পাত্ৰৰ পৰা গৰম পৰমান্ন কাঁহীত সজাই ঋষিৰ ওচৰত উপস্থিত হ'ল। ৰাজৰ্ষিৰ ধৈৰ্য্যৰ পৰীক্ষা ল'বলৈ অহা ধৰ্মই 'মই অন্ন খালো, তুমি থাকা' বুলি কৈ আশ্ৰম ত্যাগ কৰিলে। 'তুমি থাকা' এই নিৰ্দেশকে মানি, প্ৰশস্ত ব্ৰত পালন কৰা বিশ্বামিত্ৰই তপত অন্নৰ কাঁহীখন মূৰৰ ওপৰত দুই হাতেৰে ধৰি, নিশ্চেষ্টভাৱে, নিৰাহাৰে, কেৱল বায়ু ভক্ষণ কৰি আশ্ৰমৰ একাষে থিয় হৈ ৰ'ল। এইদৰে বহু বছৰ পাৰ হৈ হ'ল। বিশ্বামিত্ৰৰ প্ৰিয় শিষ্য গালৱে গুৰুৰ এই অৱস্থাত বৰ যত্নেৰে তেওঁক শুশ্ৰূষা কৰিছিল। এদিন ধৰ্ম পুনৰ বশিষ্ঠৰ ৰূপত ভোজনৰ বাবে বিশ্বামিত্ৰৰ আশ্ৰমত উপস্থিত হ'ল। বিশ্বামিত্ৰক এইদৰে অন্নৰ কাঁহী মূৰৰ ওপৰত ধৰি থিয় হৈ থকা দেখি, ক্ৰোধত জয় কৰিব পাৰিছে বুলি ধৰ্মই বুজি পালে। তপোবলৰ দ্বাৰা পৰমান্ন সতেজ আৰু তপত হৈয়ে আছিল। পৰমান্ন ভোজন কৰি অতি তৃপ্তি লাভ কৰা ধৰ্মই ৰাজৰ্ষিক প্ৰশংসা কৰিলে।

ধৰ্মৰ প্ৰস্থানৰ পিছত বিশ্বামিত্ৰই গালৱৰ গুৰুভক্তি আৰু সেৱা-শুশ্ৰূষাত প্ৰসন্ন হ'ল। শিক্ষা সাং হোৱা বাবে তেওঁ স্বাধীনভাৱে ঋষিকৰ্ম কৰিবলৈ উপযুক্ত। সেয়ে গালৱক আশ্ৰম ত্যাগ কৰিবলৈ তেওঁ অনুমতি দিলে। কিন্তু গুৰুকুল এৰাৰ আগেয়ে শিষ্যই দক্ষিণা দিয়া উচিত। আচাৰ্য কৰ্মৰ বাবে তেওঁনো কি দিব তাকে বিশ্বামিত্ৰৰ পৰা জানিব বিচাৰিলে। আন্তৰিক শ্ৰদ্ধা আৰু শুশ্ৰূষাকে গুৰুঋণ পৰিশোধ হৈছে বুলি বিশ্বামিত্ৰই ক'লে যদিও গালৱ সন্তুষ্ট নহ'ল। বহু গুণৰ অধিকাৰী হ'লেও তেওঁৰ স্বভাৱৰ এটি দোষ আছিল। সেইয়া হ'ল-- সুহৃদজনৰ কথা নুশুনি নিৰ্ব্বন্ধ অৰ্থাৎ কোনো কথাত আঁকোৰগোজ হৈ থকা। সেয়ে 'মই কি দ্ৰব্য গুৰু দক্ষিণা দিম?' বুলি তেওঁ পুনঃ পুনঃ দোহাৰি নিজে নজনাকৈয়ে গুৰুক আমনি দিবলৈ আৰম্ভ কৰিলে। প্ৰতিবাৰেই বিশ্বামিত্ৰই সেৱা শুশ্ৰূষাৰ দ্বাৰাই গুৰুঋণ দিয়া হৈছে বুলি উত্তৰ দিলে। পুনৰ একে প্ৰশ্নকে সোধাত এইবাৰ বিৰক্ত হৈ বিশ্বামিত্ৰই অন্যদ্ৰব্যৰে গুৰু দক্ষিণা নিদিয়ালৈকে গালৱ ক্ষান্ত নহ'ব বুলি বুজি আঠশ অশ্ব দক্ষিণাৰূপে দিবলৈ ক'লে। মৰ্ত্যত পোৱা সাধাৰণ অশ্ব নহয়, চন্দ্ৰৰ কিৰণৰ দৰে উজ্জ্বল, ভাল বংশজাত এই ঘোঁৰাৰ কাণৰ এফাল শ্যামবৰণীয়া।

এইবাৰ শিষ্য অথাই সাগৰত পৰিল। ধনহীন ব্ৰাহ্মণ তেওঁ। এই মহামূল্যৱান অশ্ব পাবইবা কিদৰে? ক্ৰয় কৰিবৰ বাবে কোনেনো ধন দিব তেওঁক? গুৰু ঋণ পৰিশোধৰ কোনো উপায় নেদেখি চিন্তা আৰু শোকত দগ্ধ হৈ তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিল। প্ৰতিশ্ৰুতি দি পালন কৰিবলৈ অসমৰ্থ, ধনহীন পাপী, কৃতঘ্ন, মিথ্যাবাদী বুলি নিজকে অভিহিত কৰি মনৰ দুখত তেওঁ আত্মহত্যা কৰাই শ্ৰেয় বুলি ঠিক কৰিলে। কিন্তু ইয়াৰ আগতে তেওঁ ভগৱান বিষ্ণুৰ দৰ্শন পাবলৈ ইচ্ছুক হ'ল। এইবোৰ আকাশ-পাতল ভাবি থাকোতেই তেওঁৰ মিত্ৰ, বিষ্ণুৰ বাহন পখীৰাজ গৰুড় উপস্থিত হ'ল। গালৱৰ বিপৰ্যয় জানি তেওঁক সহায় কৰিবলৈ বিনতাপুত্ৰ সন্মত হ'ল। গৰুড়ৰ অৱশ্যে তেনে ঘোঁৰা নাই, কিনিবৰ বাবে ধনো নাই। কিন্তু তেনে দুষ্প্ৰাপ্য ঘোঁৰাৰ সন্ধানত সহায় কৰিবলৈ গালৱক পিঠিত বহুৱাই সমগ্ৰ ধৰাৰ ওপৰেৰে উৰা মাৰিলে যদিও ক'তো সন্ধেদ নাপালে।

হতাশ হৈ পৰা মিত্ৰক সান্ত্বনা দি গৰুড়ে ক'লে-- 'প্ৰচুৰ ধনৰ বিনিময়ত এনে অশ্ব হয়তো পোৱা সম্ভৱ হ'ব। কিন্তু এনে ধন আমি পাম কাৰ পৰা? যি ৰজাই প্ৰজাক কষ্ট নিদিয়াকৈ আমাক এনে ধন দিব পাৰে তেনে ৰাজৰ্ষি বংশ সম্ভূত ৰজাৰ ওচৰলৈ গ'লেহে আমাৰ উদ্দেশ্য সফল হ'ব, কাৰণ ৰাজকোষৰ ধন প্ৰজাৰ হিতৰ বাবেহে। ৰজাই তেওঁৰ বাবে নিৰ্দ্ধাৰিত ধনহে ব্যক্তিগত কাৰণত ব্যয় কৰিব পাৰে।'

চন্দ্ৰবংশীয় ৰজা নহুষৰ পুত্ৰ দানবীৰ যযাতিৰ ওচৰতে প্ৰয়োজনীয় ঋণ ভিক্ষা কৰিবলৈ গৰুড়ে মনস্থ কৰিলে। কুবেৰৰ দৰেই প্ৰচুৰ ধন-সম্পত্তিৰ গৰাকী যযাতিয়ে ইতিমধ্যে এশ ৰাজসূয়, এশ অশ্বমেদ, এহেজাৰ পুণ্ডৰীক, এহেজাৰ অতিৰাত্ৰ যজ্ঞ আৰু নানাবিধ যাগ-যজ্ঞ অনুষ্ঠান কৰি ব্ৰাহ্মণসকল দান দক্ষিণা দিছে, তদুপৰি দেৱাসুৰৰ সংগ্ৰামত তেওঁ দেৱতাসকলক সাহায্য কৰি, নানা প্ৰকাৰৰ যজ্ঞৰ দ্বাৰা পৰমাত্মাৰ যজন কৰিছিল। মিত্ৰ গৰুড়ৰ অনুৰোধ মৰ্মে নিশ্চয় তেওঁ ঋষিক প্ৰয়োজনীয় ধন দান কৰিব।

এই সিদ্ধান্ত মৰ্মে দুয়ো যযাতিৰ কাষ পালেগৈ। যথাযোগ্য সৎকাৰৰ পিছত গৰুড়ে ৰজাক আদ্যোপান্ত বিৱৰি ক'লে। গুৰুঋণ দিয়াত সফল হ'লেই গালৱে কঠোৰ তপস্যাত আত্মনিয়োগ কৰিব। যযাতিয়ে কৰা সহায়ৰ বাবে সেই ব্ৰহ্ম

তপস্যাৰ এটি ভাগ তেৰোঁ পাবৰ যোগ্য হ'ব।

সকলো কথা শুনি ৰজা যযাতি বিমোৰত পৰিল। প্ৰিয়সখা, বিনতা-নন্দন গৰুড় আৰু দ্বিজশ্ৰেষ্ঠ গালৱে অন্য ৰজাৰ ওচৰলৈ নগৈ তেওঁক নিৱেদন কৰি সন্মানিত কৰিছে যদিও অত্যাধিক ব্যয়ৰ বাবে সেই পৰিমাণৰ ঋণ দিবলৈ তেওঁ অক্ষম। কিন্তু যাচকক বিমুখ কৰি হতাশগ্ৰস্ত হোৱাও অনুচিত। সেয়ে এটি উপায় চিন্তি, সাৱধানতাৰে যযাতিয়ে গৰুড়ৰ আগত উত্থাপন কৰিলে।

'হে আকাশচাৰী গৰুড়! তোমাৰ আগমন মই ব্যৰ্থ কৰিব নোৱাৰো, ব্ৰাহ্মণজনৰ আশাও নিষ্ফল কৰিব নোৱাৰো। ব্যয় হৈ মোৰ ধনসম্পদ টুটি আহিছে। কিন্তু হে ব্ৰাহ্মণ! আপোনাক এনে এক ৰত্ন দিম যাৰ দ্বাৰাই আপোনাৰ উদ্দেশ্য সাধন হ'ব। মোৰ মাধৱী নামৰ এই কন্যা সৰ্বাংগসুন্দৰী সৰ্বপ্ৰকাৰ ধৰ্মবৃদ্ধিকাৰিণী, দেৱকন্যাসদৃশ। তদুপৰি তেওঁ চাৰিটা ৰাজবংশৰ সূচনা কৰিব পৰা পুত্ৰৰ জননী হ'ব পাৰিব। এনে কন্যা লাভৰ বাবে মনুষ্য বাদেই অসুৰ, দেৱতাসকলো লালায়িত। শ্যাম বৰণীয়া কাণৰ অশ্ব কি বস্তু, এওঁক পাবলৈ যিকোনো ৰজাই ৰাজ্যখনকে শুল্ক হিচাবে অনায়াসে দিব। গতিকে এই কন্যাক গ্ৰহণ কৰি তেওঁৰ বিনিময়ত পোৱা শুল্কৰে ঋণ পৰিশোধৰ ব্যৱস্থা কৰক।

ৰাজনন্দিনী মাধৱী পিতৃৰ এটি সিদ্ধান্ততে এটি পণ্যলৈ পৰিৱৰ্তিত হ'ল। তেওঁক জোখা হ'ল ৰূপ, গুণ, বিশেষকৈ চাৰিটা ৰাজবংশ স্থাপয়িত্ৰি গুণটো। তেওঁৰ পুত্ৰই চাৰিটা ৰাজবংশ সৃষ্টি কৰিব। তুলাচনী গধুৰ এই গুণেই এজন ব্ৰাহ্মণে আঠশ দুষ্প্ৰাপ্য অশ্বলাভ কৰি গুৰু দক্ষিণা দিবলৈ সমৰ্থ লাভ কৰিব। মাধৱীৰ মতামতৰ প্ৰয়োজন নহ'ল। অচিনাকি এক ব্ৰাহ্মণৰ হাতত তেওঁক অৰ্পণ কৰা হ'ল।

পিতৃৰ বাক্য উলঙ্ঘা নকৰি গালৱৰ লগত মাধৱীয়ে ৰাজপ্ৰসাদ ত্যাগ কৰিলে। এই কন্যাৰত্নৰ উপযুক্ত শুল্ক কোন ৰজাই দিবলৈ সক্ষম হ'ব চিন্তা কৰি গালৱে অযোধ্যাপতি হৰ্যশ্বৰ ওচৰ চাপিল। ইক্ষ্বাকুবংশীয় এই নৃপতিৰ ধন, সম্পত্তি অসীম। গজ আৰু অশ্ববলো লেখত ল'বলগা। অপুত্ৰক বাবে তেওঁ সন্তান লাভৰ বাবে আগ্ৰহী। ৰজাক সুন্দৰী, বংশবৃদ্ধিকাৰী কন্যাক পত্নীৰূপে গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। কন্যাৰ শুল্ক যে আঠশ বিশেষ ঘোঁৰা তাকো উল্লেখ কৰিলে।

অপৰূপা কন্যাৰ লক্ষণ দেখিয়েই তেওঁ ৰাজচক্ৰৱৰ্তীযুক্ত পুত্ৰ দিবলৈ সমৰ্থ বুলি গণ্য কৰি মাধৱীক পত্নী হিচাবে বিচাৰিলে। কিন্তু মুনিয়ে বিচৰা ধৰণৰ ঘোঁৰা মাত্ৰ দুশহে তেওঁ অধিকাৰী। ইয়াক মুনিৰ চৰণত অৰ্পণ কৰি মাত্ৰ এটি পুত্ৰ সন্তানৰ জন্মৰ পিছত কন্যাৰ ওপৰত থকা তেওঁৰ অধিকাৰ ত্যাগ কৰিব বুলি সিদ্ধান্ত লৈ মুনিক জনালে।

গালৱ পুনৰ বিপাঙত পৰিল। তেওঁৰ মানসিক অৱস্থাত সহানুভূতিশীল হৈ মাধৱীয়ে সমস্যা সমাধানৰ সূত্ৰ আগবঢ়ালে। এজন বেদবাদী মহাত্মাৰ পৰা মাধৱী এনে এক বৰ পাইছিল যাৰ দ্বাৰা তেওঁ প্ৰতিটো সন্তান জন্মৰ পিছত পুনৰ কুমাৰী কন্যা হ'ব পাৰিব। গতিকে চাৰিজন ৰজাৰ পৰা দুশকৈ এনে ঘোঁৰা লৈ মুনিয়ে গুৰুঋণৰ পৰা মুক্ত হওক আৰু মাধৱীয়েও চাৰিজন ৰজাৰ পৰা চাৰিপুত্ৰৰ জননী হ'ব পাৰিব।

মাধৱীৰ পৰমাৰ্শমতেই মুনিয়ে হৰ্যশ্ব ৰজাৰ কাষত এৰি বনমুৱা হ'ল। যথা সময়ত মাধৱীৰ এক তেজস্বী পুত্ৰৰ জন্ম দিলে। বসুমনা নামৰ এই পুত্ৰক পাই ৰজা পৰম আহ্লাদিত হ'ল যদিও সত্য ৰক্ষাৰ বাবে গালৱ মুনিৰ হাতত মাধৱীক উভতাই দিবলৈ বাধ্য হ'ল। ৰাজপ্ৰাসাদ ত্যাগ কৰি যোগবলেৰে মাধৱী পুনৰ কুমাৰী কন্যা হৈ পৰিল।

দুয়ো পুনৰ ঘোঁৰা বিচাৰি কাশীপতিৰ ওচৰ পালেগৈ। ৰজা দিৱোদাস ধাৰ্মিক, সংযমী আৰু সত্যপৰায়ণ। মাধৱীৰ বিনিময়ত ছশ ঘোঁৰা মাত্ৰ দুশহে আছে। গতিকে বিধিমতে গ্ৰহণ কৰি কন্যাৰ গৰ্ভত এটি পুত্ৰৰ উৎপাদন কৰিবলৈ আগ্ৰহী হৈ তেওঁ ঘোঁৰা দুশ অৰ্পণ কৰিলে।

প্ৰতৰ্দন নামৰ পুত্ৰৰ জন্মৰ বাতৰি পাই গালৱ ৰজাৰ ওচৰত উপস্থিত হ'ল। পুনৰ ঘোঁৰা অন্বেষণৰ পৰ্ব আৰম্ভ কৰাৰ সময় সমাগত। কাশীৰাজৰ ৰাজ্যশ্ৰী ত্যাগ কৰি পুনৰ কুমাৰী কন্যা হৈ মাধৱী ঋষিৰ লগত যাত্ৰা কৰিলে। এইবাৰ ঋষিয়ে ভোজ নগৰৰ ৰজা উশীনৰক দুটি পুত্ৰ সন্তানৰ বিনিময়ত কন্যাক গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। নিঃসন্তান ৰজাই দেৱকন্যা সদৃশ মাধৱীক দেখিয়ায়েই মুগ্ধ হ'ল। কিন্তু গালৱক শুল্ক হিচাবে দিব লগা ঘোঁৰা তেওঁৰো মাত্ৰ দুশহে আছে। এটি পুত্ৰ সন্তানৰ উদ্দেশ্যে তেওঁ কন্যা গ্ৰহণ কৰিলে। ৰূপৱতী মাধৱীক পত্নীৰূপে লাভ কৰি উশনীৰ অতি আনন্দিত হ'ল। পত্নীক লৈ তেওঁ গিৰি-গুহা, বন-উপবন,

ৰাজ অট্টালিকা, বিমান আনকি মাটিৰ তলৰ গৰ্ভগৃহতো বিহাৰ কৰি পৰম তৃপ্তি লাভ কৰিলে। তেওঁলোকৰ আনন্দময় দিনবোৰ ফল অচিৰেই ফলদায়ক হ'ল। মাধৱীৰ গৰ্ভত সূৰ্যৰ দৰে তেজস্বী পুত্ৰৰ জন্ম হ'ল। মহাদানী এই পুত্ৰ শিৱি নামেৰে বিখ্যাত হ'লগৈ।

গালৱৰ গুৰুদক্ষিণা তিনি-চতুৰ্থাংশ সংগ্ৰহ হ'ল। সন্তান জন্মৰ পিছত পুনঃ কুমাৰী কন্যা হৈ মাধৱী মুনিৰ অনুগামী হ'ল। শেষবাৰৰ বাবে কোন ৰজাৰ কাষলৈ যোৱা উচিত হ'ব, চিন্তা-চৰ্চা কৰোঁতেই গালৱৰ গৰুড় পক্ষী আহি গালৱক অভিনন্দন জনাই পুনৰ ঘোঁৰা সংগ্ৰহ পৰা বিৰত থাকিবলৈ উপদেশ দিলে। কাৰণ আৰু ঘোঁৰা পোৱা সম্ভৱপৰ নহয়। ইয়াৰ কাৰণ স্বৰূপে এই দুষ্প্ৰাপ্য অশ্বৰ ইতিবৃত্ত গালৱক জানিবলৈ দিলে। কান্যকুব্জ ৰাজ্যৰ ৰজা গাধিৰ সত্যৱতী নামে এক ৰূপহী কন্যা আছিল, ঋচিক ঋষিয়ে তেওঁক বিবাহ কৰিবলৈ ইচ্ছুক হৈ প্ৰস্তাৱ আগবঢ়োৱাত ৰজাই দুষ্প্ৰাপ্য ঘোঁৰা এহাজাৰ বিচাৰিলে। তপোবলৰ সহায়ত ঋচিকে অতি সহজে বৰুণলোকলৈ গৈ, তাৰ অশ্বতীৰ্থত চৰি থকা ইপ্সিত ঘোঁৰাসমূহ পাই ধৰি আনি ৰজাক দিলেহি। ৰজা গাধিয়ে কন্যাক সমৰ্পণ কৰিলে। পিছত পুণ্ডৰীক যজ্ঞত ৰজাই সেই দুৰ্লভ ঘোঁৰাবোৰ দক্ষিণাৰূপে ব্ৰাহ্মণসকলক বিলাই দিলে। বহুমূলীয়া হ'লেও অশ্বৰ প্ৰয়োজন ব্ৰাহ্মণৰ নাই। সেয়ে বহু ধন-সম্পদ বিনিময়ত ঘোঁৰাসমূহ বিক্ৰী কৰা হ'ল। হৰ্যশ্ব, দিৱোদাস আৰু উশীনৰ-- এই তিনি ৰজাই ছশ ঘোঁৰা কিনি ৰাখিছিল। বাকী চাৰিশ ঘোঁৰা নদী পাৰ কৰোঁতে বিতস্তা নদীৰ সোঁতে গ্ৰাস কৰিলে। গতিকে অশ্বসংগ্ৰহৰ বৃথা চেষ্টা নকৰি দুশ ঘোঁৰাৰ পৰিৱৰ্তে ঋষি বিশ্বামিত্ৰকে মাধৱীক সমৰ্পণ কৰিবলৈ পৰামৰ্শ দিলে।

সুন্দৰ ঘোঁৰাসমূহ ঋষিৰ চৰণত অৰ্পণ কৰি গালৱে গুৰুক সভয়ে ক'লে-- 'হে মহান গুৰু! দুশ ঘোঁৰাৰ পৰিৱৰ্তে এই কন্যা ৰত্নগ্ৰহণ কৰক। এওঁ ইতিমধ্যে তিনিজন ৰজাক তিনিপুত্ৰৰে গৌৰৱান্বিত কৰিছে। তেওঁৰ গৰ্ভত হ'ব লগা চতুৰ্থজন পুত্ৰৰ আপুনিয়েই জনক হওক আৰু এওঁৰ দ্বাৰাই মইও আঠশ ঘোঁৰাৰ গুৰুঋণৰ পৰা মুক্ত হৈ তপস্যাত ব্ৰতী হওঁগৈ।

মাধৱীৰ ৰূপ-লাৱণ্যই বিশ্বামিত্ৰক মোহিত কৰিলে, প্ৰিয় শিষ্যক মৃদু ভৰ্ৎসনা কৰি ক'লে-- 'প্ৰথমেই যদি অশ্বৰ পৰিৱৰ্তে এই কন্যাক মোৰ ওচৰলৈ আনিলা হয়, তেন্তে চাৰিজন ৰাজবংশৰ প্ৰৱৰ্তক পুত্ৰৰ জনক ময়েই হ'ব পাৰিলোঁ হয়। যি নহওক, এই কন্যাৰ গৰ্ভত মই এটি পুত্ৰৰ জন দিম।'

সময়ত বিশ্বামিত্ৰৰ ঔৰষত মাধৱী পুনৰ এটি পুত্ৰৰ মাতৃ হ'ল। এই পুত্ৰৰ নাম থোৱা হ'ল অষ্টক। গুৰুঋণ পৰিশোধ হোৱাত বিশ্বামিত্ৰই কন্যাক ঘূৰাই দিলে। কুমাৰী মাধৱীক গালৱে পুনৰ যযাতিৰ ওচৰত সমৰ্পণ কৰিলে। চাৰিজন নৃপতি পুত্ৰৱান কৰি পিতৃ যযাতিক গৰুড়ৰ ধনৰ অনুৰোধ ৰক্ষা কৰি আৰু গালৱক গুৰু দক্ষিণাৰ পৰা উদ্ধাৰ কৰাৰ বাবে মাধৱী ধন্যবাদৰ পাত্ৰী হ'ল।

চাৰিজন ৰজাৰ মহিৰ্ষী হৈ চাৰি পুত্ৰৰ জননী হোৱা মাধৱীৰে আজি স্বয়ম্বৰ। পিতৃৰ ঘোষণাত থমকি ৰৈছে ৰাজনন্দিনী। পিতৃয়ে এইবাৰ তেওঁ চাৰি ৰাজবংশৰ স্থাপয়িত্ৰি বুলি কোৱাৰ প্ৰয়োজন শেষ হৈছে। প্ৰথমবাৰৰ বাবে মাধৱীয়ে অনুভৱ কৰিলে-- 'তেওঁৰ গুণৰাশি ৰজাসকলৰ বাবে গৌণ আছিল। মুখ্য আছিল পুত্ৰ জন্ম দিব পৰা গুণটোহে। অৰ্থাৎ তেওঁৰ গৰ্ভক মূলধন হিচাপে গণ্য কৰি পিতৃয়ে গালৱৰ হাতত অৰ্পণ কৰিলে যি আঠশ ঘোঁৰাৰ বিনিময়ত ভগাই দিলে চাৰিজন ৰজাক। এই বৈবাহিক জীৱনত প্ৰেমৰ স্থান নাই, আছে মাত্ৰ দৈহিক সম্ভোগ যাৰ উদ্দেশ্য ৰাজপুত্ৰৰ উৎপাদন। চাৰিজন পুত্ৰৰ তেওঁ কেনে জননী হ'ল? পুত্ৰক পালন কৰিবলৈ নাপালে, নাপালে মাতৃ বুলি এযাৰ মাত।

এনে অসাৰ বৈবাহিক সম্বন্ধৰ বাবে পিতৃয়ে স্বয়ম্বৰ ৰচনা কৰিছে। হাতযোৰ কৰি সকলো পাণিপ্ৰাৰ্থীক নমস্কাৰ জনাই মাধৱীয়ে সভা ত্যাগ কৰি আশ্ৰমৰ জীৱনকে পতিৰূপে মানি ল'লে। পবিত্ৰ আশ্ৰমৰ নিৰ্মল পৰিৱেশত নানা ব্ৰত, তপস্যাত ব্ৰতী হৈ তেওঁ ৰাগ-দ্বেষ আদি মনৰ মলিনতা আঁতৰাই পেলালে।

বনচাৰিণী হৰিণীৰ লগত স্বচ্ছন্দভাৱে বিচৰণ কৰা তপস্বিনী মাধৱীয় ব্ৰহ্মচৰ্য পালন পূৰ্বক মহান ধৰ্মৰ আচৰণ কৰি অৱশেষত মানৱ জীৱনৰ সাৰ্থকতা লাভ কৰিলে।■■

**লেখিকা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ জ্যেষ্ঠা প্ৰবক্তা**

আইন

# মহিলা আৰু বিবাহ বিচ্ছেদ

**শ্ৰীপাৰুল দেৱী**

বৰ্তমান সময়ত বিবাহ বিচ্ছেদ এক সামাজিক ব্যাধিৰূপে দেখা দিছে। বিবাহ বিচ্ছেদৰ কাৰণবোৰ ফহিয়াই চালে দেখা যায় যে বৰ্তমান ভোগবাদী সমাজ ব্যৱস্থাৰ তীব্ৰ আশাবাদ বা উচ্চাকাংক্ষা, সন্দেহ, পতি-পত্নীৰ এজনৰ আনজনৰ প্ৰতি অমনোযোগিতা আৰু কৰ্তব্যতকৈ অধিকাৰৰ ওপৰত দিয়া গুৰুত্ব, নিচাসক্ত স্বামীৰ পত্নীক কৰা নিৰ্যাতন, ল'ৰা সন্তান জন্ম দিব নোৱাৰা আদিয়েই প্ৰধান কাৰক।

বিজ্ঞান প্ৰযুক্তিৰ জয়গান গাই থকাৰ সময়তো নাৰী জাতি আজিও নিষ্পেষিত, দলিত হৈয়ে আছে। প্ৰতিদিনেই বাতৰি-কাকতত প্ৰকাশিত নাৰী নিৰ্যাতন সম্পৰ্কীয় সংবাদবোৰেই এই কথাৰ সত্যতা প্ৰমাণ কৰে।

বিবাহ-মৰ্ত্যত নহয়, স্বৰ্গতে থিৰাং হৈ অহা এক পবিত্ৰ বন্ধন। মনুসংহিতাৰ ৯ম অধ্যায়ত আৰু বিষ্ণুপুৰাণৰ ৩য় অধ্যায়ত আঠ প্ৰকাৰ বিবাহৰ বিষয়ে কোৱা হৈছে--

ব্ৰাহ্মদৈৱতস্তথৈৱাআৰ্যঃ প্ৰাজাপত্যস্তথাহসুৰঃ।
গান্ধৰ্বো-ৰাক্ষসৌ বান্যৌ পৈশাচশ্চাষ্টমোহধমঃ।।
বিষ্ণুপুৰাণ-৩/১০

অৰ্থাৎ ব্ৰাহ্ম, দৈৱত, আৰ্য, প্ৰজাপত্য, অসুৰ, গন্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ। আমাৰ সমাজত প্ৰজাপত্য বিবাহেই সম্পাদিত হোৱা দেখা যায়। দুজন অচিনাকি ব্যক্তিৰ দুটা অচিনাকি মনৰ মধুৰ মিলন এই বিবাহ। সমাজতত্ত্ববিদ ৰবাৰ্ট হলৰ মতেও সভ্য সমাজৰ সভ্য ৰূপৰ নিদৰ্শনেই হ'ল বিবাহ। এই বিবাহই দুজন পুৰুষ নাৰীক ওৰেটোজীৱন একেলগে থকাৰ নিজৰ বুলি ভবাৰ সুবিধা প্ৰদান কৰিছে।

ব্যক্তি মাত্ৰৰেই এনে এটা সহজাত প্ৰবৃত্তি আছে যে জীৱনৰ খলা-বমা, বিপদ-আপদৰ সন্মুখীন হ'বলৈ সাহস গোটাব নোৱাৰে। আনহাতে সাম্প্ৰতিক সময়ৰ আধুনিক আৰু ভোগবাদী মানসিকতাৰ কবলত পৰি বিবাহো পৱিত্ৰ বন্ধনৰ পৰা ফালৰি কাটি গৈ এক ধৰণৰ ব্যক্তিৰ জীৱনৰ সমস্যা ৰূপেই থিয় দিছে।

আজিৰ বৈবাহিক সম্বন্ধ এটালৈ সততে অহা ভাঙোনৰ কাৰণ হৈছে কল্পনা আৰু বাস্তৱৰ মাজত থকা বিস্তৰ পাৰ্থক্য। যোৱা কেইবছৰমানৰ পৰা আমাৰ সমাজতো বিবাহ বিচ্ছেদৰ সংখ্যা বাঢ়িছে। হেজাৰ হেজাৰ মানুহৰ আশীৰ্বাদ পায়ো দেখোন বহুতৰে বৈবাহিক জীৱন বেছি দিন নিটিকে। কিন্তু সকলোতকৈ আশ্চৰ্যৰ কথা যে বৰ্তমান বেছিভাগ বিয়াই দৰা-কইনাৰ নিজৰ পচন্দৰে হয়। পাঁচ-ছয় বছৰ প্ৰেম কৰি বিয়াৰ বান্ধোনেৰে বান্ধ খোৱাৰ পাছতো বিবাহ বিচ্ছেদৰ প্ৰশ্ন আহে কেনেকৈ?

বৈবাহিক জীৱনৰ সমৃদ্ধিৰ বাবে প্ৰয়োজনীয় উপাদান হ'ল-- প্ৰেম আৰু বিশ্বাস। এই ছায়াটোৰ সংজ্ঞা নিৰূপণ কৰা বৰ সহজ নহয়। সেয়ে প্ৰেম আৰু ভালপোৱা দুয়োটা বেলেগ যদিও বাহ্যিক দিশত দুয়োটা মানুহৰ এক মনোধৰ্ম। কবিয়েও প্ৰেমক স্বৰ্গীয় অনুভূতি বুলি কৈছে। সেয়ে প্ৰেমৰ এক যাদুকৰি শক্তি আছে যি শক্তিয়ে বিশ্বাসৰ ভেটি সুদৃঢ় কৰি তোলে। কিন্তু বৰ্তমান শিক্ষিত যুৱক-যুৱতীসকলে প্ৰেম কৰে যদিও বহুক্ষেত্ৰত তেওঁলোকৰ মাজত বিশ্বাসৰ অভাৱ দৃষ্টিগোচৰ হয়। সেয়ে কোনো প্ৰেমিকে আন কাৰোবাৰ লগত মিলা-মিছা কৰিলে আনজনৰ ঈৰ্ষা হয়। ফলস্বৰূপে সৃষ্টি হয় সন্দেহ।

**বিবাহ বিচ্ছেদৰ কাৰণবোৰ বিশ্লেষণ কৰিলে চকুত পৰে যে ঃ** (১) আমাৰ সমাজত এনে বহু নাৰী আছে যি প্ৰয়োজনতকৈ বেছি আশাবাদী। এওঁলোকৰ অতি কম সংখ্যকেহে বাস্তৱৰ লগত মোকামিলা কৰিব পাৰে। কিন্তু বাস্তৱ বৰ সহজ নহয়। সেয়ে বিয়াৰ পাছত নিজৰ সপোনবোৰ পূৰণ নোহোৱা যেন পালেই সংসাৰৰ প্ৰতি বিৰক্ত হয়।

(২) সন্দেহ বিবাহ-বিচ্ছেদৰ আন এক কাৰক। সন্দেহে বিহযুক্ত সাপৰ দৰে নিমিষতে সুখৰ সংসাৰ থান-বান কৰি দিব পাৰে। স্বাস্থ্য, সম্পদ, খ্যাতি ৰূপ সকলো থাকিলেও সন্দেহে বৈবাহিক জীৱন যন্ত্ৰণাময় কৰি তোলে।

(৩) স্বামীৰ অমনোযোগিতাও বিবাহ-বিচ্ছেদৰ অন্যতম কাৰণ। ব্যস্ততাময় যান্ত্ৰিক জীৱন প্ৰণালীয়ে মানুহৰ মনবোৰো যান্ত্ৰিক কৰি তুলিছে। মানুহৰ অভাববোৰ সেয়ে বাঢ়ি গৈছে। খাদ্য, বস্ত্ৰ, বাসস্থানতে আজিৰ মানুহ সন্তুষ্ট নহয়। ফলস্বৰূপে আদৰ্শৰ আশ্বাসত, দৰিদ্ৰতাৰ তাড়ণাত, স্বাৱলম্বী হোৱাৰ আকাংক্ষাত নাৰী কৰ্মক্ষেত্ৰলৈ আগবাঢ়িছে। নাৰী-পুৰুষৰ সমানে সকলো ক্ষেত্ৰতে আগবাঢ়িলেও সকলো নাৰীয়ে নিজ স্বামীৰ পৰা অলপ গুৰুত্ব পোৱাটো বিচাৰে। কিন্তু বহুতো পুৰুষে পত্নীক প্ৰশংসা কৰা দূৰৈৰ কথা পত্নীৰ মানসিক সমস্যা, শাৰীৰিক সমস্যাৰ বিষয়েও জানিব নিবিচাৰে। ক'ৰবাত ফুৰাবলৈ নিয়াটো দূৰৰ কথা, ভালকৈ মাত এষাৰ দিয়াৰো অৱকাশ নাথাকে। এনে সময়ত নাৰীৰ মন বিদ্ৰোহী হৈ উঠে। বহুতো পুৰুষে আকৌ বিয়াৰ পিছত তিৰোতা ঘৰতে বন্দী হৈ ঘৰুৱা কাম-কাজত ব্যস্ত থকাটো বিচাৰে ফলত দুয়োৰে মাজত কাজিয়াৰ সূত্ৰপাত হয়।

(৪) অৰ্থনৈতিক স্বাৱলম্বীতাই বৰ্তমান নাৰীক কৰি তুলিছে আত্ম-অহংকাৰী। ফলস্বৰূপে নাৰীৰ মনত পৰা নোহোৱা হৈ গৈছে ধৈৰ্য, ক্ষমা বা দয়াৰ দৰে গুণবোৰ। ফলস্বৰূপে বৃদ্ধি পাইছে বিবাহ বিচ্ছেদ।

(৫) পুৰুষসকলৰ নিচাসক্ত পানীয় সেৱনো বিবাহ বিচ্ছেদৰ কাৰণ হ'ব পাৰে। নিচাসক্ত স্বামীৰ হাতত নিৰ্যাতন ভুগি উপায়হীন হৈ নাৰীয়ে বিবাহ বিচ্ছেদৰ সিদ্ধান্ত ল'বলৈ বাধ্য হৈ পৰে।

(৬) বিবাহ-বিচ্ছেদৰ প্ৰধান কাৰণসমূহৰ ভিতৰত আৰু এটা হৈছে 'স্ত্ৰীধন'। স্ত্ৰীধন ৬ প্ৰকাৰৰ-- (ক) বিবাহৰ সময়ত অগ্নিক সাক্ষী কৰি দিয়া (খ) পতিৰ ঘৰলৈ যাবৰ সময়ত দিয়া (গ) পত্নী মৰমতে পত্নীক দিয়া (ঘ) ভায়েক-ককায়েকে দিয়া (ঙ) মাকে দিয়া (চ) পিতৃয়ে বিভিন্ন সময়ত দিয়া।

এনেদৰে এগৰাকী স্ত্ৰীয়ে 'স্ত্ৰীধন' লাভ কৰে। এই স্ত্ৰীধন স্ত্ৰীগৰাকীৰ সম্পূৰ্ণ নিজা। যদিহে নাৰীগৰাকীয়ে ইচ্ছা কৰে তেতিয়া পতিক, সন্তানক বা পৰিয়ালৰ লোকক দিব পাৰে। এই ধনৰ বাবেও কেতিয়াবা বিবাহ-বিচ্ছেদ হয়।

নাৰীৰ সমস্যাক লৈ বিতৰ্ক হোৱাৰ পৰা আৰম্ভ কৰি এক বিৱৰ্তনৰ মাজেদি পোৱা নোপোৱাৰ অসংখ্য অভিজ্ঞতাৰে আহি সমাজ আজি একবিংশ শতিকাত উপস্থিত হৈছেহি। সমাজৰ এক অন্যতম চালিকাশক্তি নাৰী সমাজে নিজৰ সামাজিক স্থিতিৰ বাবে বিভিন্ন প্ৰকাৰে প্ৰচেষ্টা চলাই আহিছে। নাৰী সকলৰ এনে জাগৰণে বিভিন্ন নাৰী আন্দোলন চৰকাৰ, ৰাষ্ট্ৰসংঘৰ পদক্ষেপ ইত্যাদিৰ ফলস্বৰূপে নাৰীৰ অৱস্থান কিছু পৰিৱৰ্তন হৈছে যদিও এতিয়াও আমি দৃঢ়তাৰে ক'ব নোৱাৰো যে নাৰীৰ স্থিতিশীলতাই সম্পূৰ্ণৰূপে গতিশীলতা লাভ কৰি সমাজত এক দৃঢ় অৱস্থান ল'ব পাৰিছে। শতাব্দীজোৰা সংগ্ৰামৰ ফলত নাৰীয়ে কিছু অধিকাৰ কৰিলেও এতিয়াও বহু নাৰীয়ে ঘৰৰ চাৰিবেৰৰ মাজতেই জীৱনৰ অন্ত পেলাইছে।

নাৰীৰ বিভিন্ন সমস্যা সমূহ সমাধানৰ বাবে কেৱল সংবিধানৰ সম-স্বীকৃতি, আইনৰ দ্বাৰা সম-অধিকাৰ ইত্যাদিয়েই যথেষ্ট নহয়। প্ৰয়োজন ৰাজনৈতিক সদিচ্ছা, আইন প্ৰণয়ন আৰু চৰকাৰী উদ্যোগৰ। চৰকাৰী উদাসীনতা আৰু বিচাৰ ব্যৱস্থাৰ তৎপৰতাৰ অভাৱে নাৰীজনিত অপৰাধ বঢ়াত সহায় কৰিছে।

নাৰীৰ সমস্যাবোৰ আচলতে সমাজৰে সমস্যা। নাৰী-পুৰুষ উভয়েই এজনে আনজনৰ পৰিপূৰক। সেয়ে উভয়ৰ সম-অৱস্থানেহে এখন সমাজক গতিশীল কৰি তুলিব। নহ'লে একবিংশ শতিকাৰ দুৱাৰদলিত থিয় হৈয়ো আমি নিজকে প্ৰগতিশীল বুলি দাবী কৰিব নোৱাৰিম। যিহেতু শৰীৰৰ সৰ্বাংগীন উন্নতিয়েই বৃহৎ অৰ্থ ৰাষ্ট্ৰৰ প্ৰগতি।

বহুতো ব্যক্তিয়ে নিজৰ ছোৱালীৰ সমবয়সীয়া ছোৱালী বিয়া কৰায়। বহুতে পত্নীৰ পৰা আঁতৰত আন এটা পৰিয়াল ৰাখিও সংসাৰ কৰিব বিচাৰে। এইক্ষেত্ৰত নাৰীগৰাকীয়ে মাতমতাৰ অধিকাৰ নাপায়।

নাৰী সদায় অপমানিতা হয়, লাঞ্ছিতা হয় পুৰুষৰ হাতত। কিন্তু কোনে দিলে এই অধিকাৰ তেওঁলোকক? পুৰুষে কিয় নাৰীক মানসিক যন্ত্ৰণা দি সুখ পায়। সমাজত বহুতো পুৰুষ আছে যি নাৰীক মান দিব জানে মৰম দিব জানে, সুৰক্ষা দিব জানে। তেনে পুৰুষক সদায় নাৰীয়ে শ্ৰদ্ধাৰ দৃষ্টিৰে চায়। মানৱতাৰে ভৰা হৃদয় থকা বহুত পুৰুষ আছে সমাজত, কিন্তু সংখ্যাত নগণ্য।■■

*লেখিকা অধিবক্তা মঙ্গলদৈ নিম্ন আদালত, দৰং*

সাক্ষাৎকাৰ

# কৰ্মযোগী শ্ৰীযুতা চম্পা বড়া আই



কৰ্মণ্যেবাধিকাৰাস্তে মা ফলেষু কদাচন।
মা কৰ্মফলহেতুৰ্ভূ মা তে সঙ্গোঽস্ত্বকৰ্মণি।।
(শ্ৰীমদ্ভগৱদ্‌গীতা-২/৪৭)

অৰ্থাৎ "কৰ্মতেই তোমাৰ অধিকাৰ, কৰ্মফলত তোমাৰ কেতিয়াও অধিকাৰ নাই। কৰ্মফলযেন তোমাৰ কৰ্মৰ কাৰণ নহয়, কৰ্মত্যাগো যেন তোমাৰ প্ৰবৃত্তি নহয়।

ভগৱান শ্ৰীকৃষ্ণই শ্ৰীমদ্ভাগৱদ্‌গীতা শাস্ত্ৰৰ দ্বিতীয় অধ্যায়ত (সাংখ্য-যোগ) উক্ত শ্লোকফাঁকি কৈছিল। যেতিয়া কুৰুক্ষেত্ৰ সমৰত নিজৰ আত্মীয়সকলক সন্মুখত দেখা পাইছিল তেতিয়া অৰ্জুনে শৰ ধৰিবলৈ অতিশয় চিন্তাক্লিষ্ট হৈ পৰিছিল। সেই সময়তে ভগৱান বাসুদেৱ কৃষ্ণই জগতবাসীক উদ্দেশ্য কৰি অৰ্জুনক উক্ত কথাষাৰ কৈছিল যে মানুহে কৰ্মফলৰ কথা ভাবি কাম কৰা উচিত নহয়, কৰ্মতহে অধিকাৰ আছে। তেনে কৰ্মযোগীয়েহে নিজ কীৰ্তি জীয়াই ৰাখিব পাৰে।

কৰ্মকে একমাত্ৰ ব্ৰত কৰি লোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এগৰাকী একনিষ্ঠ কৰ্মযোগী আই হৈছে শ্ৰীযুতা চম্পা বড়া। ওৱেটো জীৱন সমাজৰ বাবে ত্যাগ কৰা এগৰাকী বিৰল প্ৰতিভাৰ নাৰী। তেখেতৰ কৰ্মত অণুপ্ৰাণিত হৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেখেতক সন্মান জনায়। তাৰে ভিতৰত পূবেৰুণ স্বেচ্ছাসেৱী অনুষ্ঠানে ১৯৯৯ চনত, 'কল্পদ্ৰুম' নামৰ কাব্যগোষ্ঠীয়ে ২০০৩ চনত, Eastern India Women Association-এ ২০০৫ চনত, অসম সমাজ কল্যাণ বিভাগৰ কৰ্মীসন্থাই ২০০৬ চনত, দক্ষিণ-পশ্চিম শিশু আইমাতৃ কল্যাণ শাখাই ২০০৮ চনত আইগৰাকীক সন্মান যাচে।

এই গৰাকী আইৰ বিষয়ে কিছু জানিবলৈ আগ্ৰহ প্ৰকাশ কৰি আমি সাক্ষাৎকাৰটি লওঁ। এই চমু সাক্ষাৎকাৰটিত তেখেতৰ সকলো কথা সন্নিবিষ্ট কৰিব পৰা হোৱা নাই। তথাপিও তেখেতৰ জীৱনৰ কেইটামান প্ৰয়োজনীয় দিশৰ বিষয়ে পাঠক সমাজলৈ আগবঢ়োৱা হ'ল। --সম্পাদিকা

**প্ৰশ্ন** ঃ আপোনাৰ জীৱনত সমাজসেৱাৰ মনোভাৱ কেতিয়াৰ পৰা গঢ় লয়?

**উত্তৰ** ঃ মোৰ জন্ম হয় শিৱসাগৰ জিলাৰ চাৰিং বাৰুৱতী গাঁৱত। পিতৃ আছিল প্ৰয়াত ডম্বৰুধৰ বড়া। মোৰ জন্মৰ কিছুদিনৰ পিছত মোৰ ভনীজনীৰ জন্মৰ লগতে ভনী আৰু মাৰ মৃত্যু হয়। চাৰিঙ এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। ইংৰাজৰ শাসন কালত গাঁৱে গাঁৱে শিক্ষালয় পাতিবলৈ লোৱাৰ পৰা সমাজলৈ পৰিবৰ্তন আহিছিল। বৃটিছৰ বিৰুদ্ধে জেহাদ ঘোষণাকাৰী মণিৰাম দেৱান চাৰিঙৰ সন্তান। চাৰিঙক লক্ষ্মী-সৰস্বতীৰ মিলনথলী বুলিব পাৰি। ১৯২৫ চনত হাইস্কুল প্ৰতিষ্ঠা হৈছিল। স্বাধীনতা আন্দোলনতো চাৰিঙৰ সমাজখনক বেচ সক্ৰিয় কৰি তুলিছিল, তাৰ প্ৰভাৱে মোকো প্ৰভাৱিত কৰি তুলিলে। ১৯৪৬ চনত গুৱাহাটীত আৰম্ভ হোৱা কস্তুৰবা ট্ৰাষ্টলৈ প্ৰথম গৰাকী সেৱিকা শ্ৰীযুতা হেম কাকতি বাইদেউ ওলাই আহে। গান্ধীজীৰ আহ্বান পাই দেশসেৱা কৰিবলৈ ওলাই অহা হেমকাকতি বাইদেউ আছিল মোৰ দেশসেৱাৰ অনুপ্ৰেৰণা। তেখেতৰ অনুপ্ৰেৰণাতে সমাজসেৱাৰ বাবে স্বাধীনতা আন্দোলনত লাগি পৰো।

**প্ৰশ্ন** ঃ পঢ়াজীৱন ত্যাগ কৰি আপুনি কিয় সমাজ-সেৱিকাৰ কামত যোগদান কৰিলে?

**উত্তৰ** ঃ আমাৰ গাঁৱৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত নেওগ-গোহাঁই পুখুৰী বালিকা বিদ্যালয়ত প্ৰাথমিক শিক্ষা, চাৰিঙ এম. ভি. স্কুলৰ পৰা এম. ভি আৰু চাৰিঙ শশীধৰ ছোৱালী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হওঁ। ১৯৫৫ চনত পৰীক্ষা দি আহিয়ে অসমবাণীত এটা বিজ্ঞাপন পাওঁ। অনাড়ম্বৰ জীৱন-যাপন আৰু কঠোৰ পৰিশ্ৰম কৰি ভালপোৱা প্ৰৱেশিকা বা সমপৰ্যায়ৰ শিক্ষিতা ছোৱালী বিচৰা হৈছে কেন্দ্ৰীয় সমাজ কল্যাণ পৰিষদে। ৰাজ্যিক সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ জড়িয়তে কিছু প্ৰকল্প

লোৱা হ'ব। অনুন্নত পিছপৰা অঞ্চলত কাম কৰিবলৈ গুৱাহাটীৰ শৰণীয়া আশ্ৰমত ১১ মাহ প্ৰশিক্ষণ দিয়া হ'ব। তাৰবাবে প্ৰাৰ্থী বিচৰা হৈছে। শিৱসাগৰ নগৰত পৰীক্ষা দি সেই বিজ্ঞাপনটো পাই কোনোৱে নজনাকৈ আবেদন কৰিলো।

জুলাই মাহত পৰীক্ষাৰ ফলাফল ওলাল। চাৰ বাইদেউসকলে শিৱসাগৰ ছোৱালী কলেজত পঢ়িবলৈ মোক জোৰ দিয়ে। আগষ্ট মাহটো হোষ্টেলত থাকিলো। আগষ্ট মাহৰ শেষ তাৰিখৰ দিনা দেউতাই গৈ ক'লেগৈ যে ছোৱালীক পঢ়ালে পৰৰ ঘৰলৈহে যাব। পঢ়িনো কি লাভ? তেতিয়াই টালি-টোপোলা বান্ধি দেউতাৰ লগত গুচি আহিলো। ঘৰলৈ অহাৰ পাঁচ দিনৰ দিনা শৰণীয়ালৈ মতাৰ পত্ৰ পালো। ৭ দিনৰ দিনা শৰণীয়া আশ্ৰমত উপস্থিত হ'লো আৰু কামত যোগ দিলো। কিছুদিনৰ পিছত সেই প্ৰকল্প পৰিয়াল আৰু শিশুকল্যাণ প্ৰকল্পলৈ ৰূপান্তৰিত হৈছিল। ইয়াত শিশু আৰু মাতৃসকলক ব্যক্তিগত শিক্ষা দিব লাগে। সমাজ কল্যাণৰ ৰাজ্যিক পৰিষদত এগৰাকী অধ্যক্ষা থাকে। এগৰাকী মহিলা কল্যাণ বিষয়া থাকে আৰু মহিলা সকলৰ এখন স্থানীয় কমিটি থাকে। মহিলাসকলে নিজৰ সমস্যাসমূহ মুকলিকৈ আলোচনা কৰিব পাৰে। সেই সময়ত পৰিষদৰ অধ্যক্ষা আছিল শ্ৰীযুতা কমল কুমাৰী বৰুৱা। কেন্দ্ৰীয় চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিল প্ৰয়াত ফুলৰেণু গুহ। কিছুদিনৰ পিছত আমাৰ পাঁচ গৰাকীৰ পদোন্নতি হয় আৰু এশটা প্ৰকল্প খুলি প্ৰতিগৰাকীক বিশ (২০) টাকৈ ভগাই দিয়ে। লগতে এশ গৰাকী অঙ্গনাৱাড়ী মহিলা দিয়ে। ঢকুৱাখানা উন্নয়ন খণ্ডৰ চৌহদত ষ্টাফ মিটিং বহে। মোৰ ভাগত ঢকুৱাখানা প্ৰকল্প পৰিছিল ঢকুৱাখানাত তিনিবছৰ কাম কৰা হ'ল। যাতায়তৰ ব্যৱস্থা নোহোৱা বাবে চাইকেল চলাই কাম কৰিছিলো। তাৰ পিছত ডিফু, লঙ্কা আদিত কাম কৰিলো। সমাজ কল্যাণ বিভাগত কাম কৰি মই নিজকে ধন্য মানিছো। তাৰ পিছত অসমৰ বিভিন্ন স্থানত কাম কৰো। মুঠতে মই ঘৰৰ পৰা ওলাই আহিছিলো ১৯৫৫ চনৰ ৫ চেপ্তেম্বৰত। শৰণীয়াত ১১ মাহ প্ৰশিক্ষণ ল'লো, কাছাৰৰ বিক্ৰমপুৰ সমাজকল্যাণ প্ৰকল্পত গ্ৰামসেৱিকাৰ কাম কৰিলো ১৯৬৯ চনলৈ। শান্তিনিকেতনত প্ৰশিক্ষণ ১৯৬০ নবেম্বৰলৈ, ১৯৬০ৰ ডিচেম্বৰ-মাৰ্চলৈ ৩ মাহ কলিয়াবৰ সমাজ কল্যাণ প্ৰকল্পত, ১৯৬২ চনৰ নবেম্বৰলৈ গোলোকগঞ্জ প্ৰকল্পত। ১৯৬৭ চনৰ নবেম্বৰৰ পৰা ১৯৬৭ নবেম্বৰলৈ ৰাণী প্ৰকল্পত, ১৯৬৭ চনৰ ফেব্ৰুৱাৰীৰ পৰা নবেম্বৰলৈ পুনৰ গোলোকগঞ্জ। ১৯৬৭ চনৰ পৰা ১৯৭৪ চনৰ নবেম্বৰলৈ হাজো, ১৯৭৪ চনৰ পৰা ১৯৭৫ ৰ অক্টোবৰলৈ পুনৰ ৰাণী ১৯৭৫ চনৰ অক্টোবৰৰ পৰা ১৯৭৮ৰ জুলাইলৈ ঢকুৱাখানাত, ১৯৭৮ৰ জুলাইৰ পৰা ১৯৮১ লৈ কাৰ্বি আংলংত, ১৯৮১ চনৰ পৰা ১৯৮৪ চনলৈ লঙ্কাৰ শিশু উন্নয়ন প্ৰকল্পত। ১৯৮৪ চনৰ পৰা ১৯৯৭ চনৰ জানুৱাৰীলৈ গোৱালপাৰাৰ ৰংজুলি ১৯৯৭ চনৰ জানুৱাৰী নবেম্বৰলৈ কামৰূপ, গুৱাহাটীত।

শৰণীয়াত গ্ৰামসেৱিকাৰ প্ৰশিক্ষণ আৰু শান্তিনিকেতনত মুখ্য সেৱিকাৰ দীৰ্ঘকালীন প্ৰশিক্ষণ লোৱাৰ উপৰিও নতুন নতুন আঁচনি সম্বন্ধে নতুন প্ৰশিক্ষণ লওঁ।এলাহাবাদ, বৰোদা, দিল্লী, কলকতা, গুৱাহাটী, বেলতলা, শিক্ষামূলক ভ্ৰমণ-লক্ষ্মৌ, আহমেদাবাদ। ব্যক্তিগতভাৱে ভ্ৰমণ- কন্যাকুমাৰী, মহীশূৰ, বাঙ্গালোৰ, জম্মু-কাশ্মীৰ, উত্তৰাখণ্ড (গঙ্গোত্ৰী), যমুনোত্ৰী, বদৰিকাশ্ৰম। ইয়াৰোপৰি ৪ মাহ গ্ৰেট ব্ৰিটেইনত থাকো।

**প্ৰশ্ন** ঃ আপুনি সাংসাৰিক বান্ধোন বা বিয়াৰ কথা চিন্তা কৰিছিলনে নাই? নে বিশেষ কোনো সঙ্কল্পৰ বাবেহে গৃহস্থাশ্ৰমত প্ৰৱেশ নকৰিলে?

**উত্তৰ** ঃ বিয়াত নবঢ়ো বুলি মোৰ কোনো বিশেষ সঙ্কল্প নাছিল। মোৰ বিয়াৰ বাবেও ঘৰত চেষ্টা কৰিছিল, মোৰ বিবাহৰ উপযুক্ত বয়সত অভিভাৱকসকলে বিয়া হ'বৰ বাবে মোক বুজাইছিল আৰু কেইবাজনো বিবাহযোগ্য যুৱকে মোক চাবলৈকো আহিছিল। আমাৰ গাঁৱৰ সৰ্বেশ্বৰী বুলি এগৰাকী শিক্ষয়িত্ৰীৰ প্ৰভাৱ মোৰ ওপৰত পৰিছিল। তেখেত আছিল অবিবাহিতা আৰু অতিশয় নিষ্ঠাবান শিক্ষয়িত্ৰী। বাইদেউৰ দৰে থাকিম বুলি মনতে ভাবি ল'লো আৰু সমাজৰ হকে কাম কৰি যিদৰে আনন্দ লাভ কৰিছিলো, বৈবাহিক জীৱনত হয়তো সেয়া অসুবিধা হব বুলিয়েই অভিভাৱক সকলৰ চেষ্টাকো মই বাদ দিছিলো। চাকৰি জীৱনতো ভালেমান পুৰুষৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিছিল। মই ছোৱালীৰ ভিতৰত গাঁৱৰ প্ৰথমজনী মেট্ৰিক পাছ হঁলো বুলি প্ৰচাৰ হৈছিল। আমাৰ সময়ত বি.এ., এম.এ. পাছকৰা অসমীয়া মহিলাৰ নাম দুই এটাহে শুনিছিলো। কলেজত পঢ়াৰ সপোন নেদেখা স্বত্বেও

ছাৰসকলৰ উদগনি পাই পঢ়িবলৈ গৈছিলো। ঈশ্বৰৰ কি মহিমা-- সমাজ কল্যাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা প্ৰতিখন আঁচনিৰে প্ৰথম কৰ্মী হোৱাৰ সুযোগ দিয়াৰ লগতে ৰাষ্ট্ৰৰ বিভিন্ন স্থানত কাম কৰোৱাই মোক কৃতাৰ্থ কৰিলে।

উপন্যাসত পঢ়িছিলো-- নায়িকাসকলে নায়কৰ লগত শেষ আশ্ৰয় গ্ৰহণ কৰিছিল কোনো মন্দিৰত, অৰ্থাৎ মনে মনে বিবাহ সম্পাদন কৰিছিল। সেইদৰে সমাজ কল্যাণ বিভাগত সোমাই শিশু আৰু মহিলাৰ বাবে লোৱা আঁচনিৰ কামত লাগি থাকোতে তাৰ মাদকতাই মোক বিয়াৰ কথা পাহৰাই ৰাখিলে।

**প্ৰশ্ন** ঃ আপোনাৰ ঘৰ চাৰিঙত বুলি প্ৰথমতেই উল্লেখ কৰিছে। কিন্তু আপুনি কামৰূপ জিলাৰ আজাৰাতহে নিগাজীকৈ থাকিবলৈ ল'লে। ইয়াৰ কিবা বিশেষ কাৰণ আছেনেকি?

**উত্তৰ** ঃ চাকৰিৰ সূত্ৰে মই আজাৰাত প্ৰায় ছবছৰ আছিলো। সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ এটা নিৰ্দেশনা আছিল-- "কোনো কৰ্মীয়ে পৰিয়ালৰ সদস্য কেন্দ্ৰত ৰাখিব নোৱাৰিব। কাছাৰত থাকোতেই মোৰ বিমাতা আৰু দেউতা একে সময়তে ঢুকায়। ফলত বৈমাত্ৰেয় ভাই আৰু ভনী এজনীৰ দায়িত্ব বহন কৰিব লগা হোৱাত কৰ্তৃপক্ষক জনালোঁ। কৰ্তৃপক্ষক অনুমতি দিয়াত এটা আহল-বহল ঘৰ ১০/- টকাত ভাড়ালৈ তাতে আমি আটাইকেইজন থাকিবলৈ লওঁ-- লগতে প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ কাম চলাও। আজাৰাত তেতিয়া মইনা পাৰিজাত আছিল। মই "জেউতি মইনা পাৰিজাত" নাম দি ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলৰ খেলা-ধূলা, নৃত্য-গীত, সাহিত্য-সংস্কৃতি বিষয়ৰ কাম-কাজ চলাবলৈ ধৰো। সেই মইনা পাৰিজাতৰ দুজনী ছোৱালীৰ পিতাক ঢুকাল। ৮টি প্ৰাণীৰ উপাৰ্জ্জনৰ পথ নোহোৱাত মাটি সম্পত্তি বিক্ৰী হোৱাত অনাটনত ধাৰে লোৱা টকাৰ বিনিময়ত মই দুকঠা মাটি কিনিবলৈ বাধ্য হওঁ। ভাবিছিলো পিছত বিক্ৰী কৰিলে সুদেমূলে পোৱা যাব। ১৯৭৪ চনত ভাইটোৱে শিক্ষকৰ চাকৰি পালে। সুদীৰ্ঘকাল থাকি বিশেষকৈ মইনা পাৰিজাত পাতি ঠাইখন নিজৰ যেন লগা হ'ল। মোক পৰিষদে পুনৰ ৰাণী প্ৰকল্পলৈ বদলি কৰে। গতিকেই মাটি বিক্ৰী নকৰি নিজ ঘৰ সাজিবলৈ যোজা কৰোঁতেই সহকৰ্মীসকলে তেওঁলোকো মাজে মাজে থকাৰ সুবিধাৰ্থে অলপ ডাঙৰ ঘৰ সজাৰ বাবে তেওঁলোকৰ জমা ধনৰ একোটাকৈ অংশ ঋণ হিচাবে দি সহায় কৰিলে। ১৯৫৫ চনৰ পৰা বিভিন্ন ঠাইত থাকিলো। সকলো কৰ্মীয়েই মোৰ আপোনজন। আজাৰাত নিগাজীকৈ থাকিবলৈ লোৱাৰ বাবে গুৰুসেৱাৰ বাবে এটি মণিকূট স্থাপন কৰো। স্থানীয় সমাজৰ সহযোগত বিভিন্ন উৎসৱ-পাৰ্বনৰ সমাৰোহ, সমাবেশ ইয়াত হোৱাৰ বাবে ই বাসগৃহ নহয় যেন সামাজিক অনুষ্ঠানহে হ'ল। মই আজাৰাত মোৰ নামত কিনা মাটি ডোখৰৰ উপৰিও ভাই আৰু ভনীজনীৰ বাবে দুটুকুৰা মাটি কিনিলো। ভাবিলো পিতৃগৃহৰ পৰা আঁতৰাই আনিলো, যদি দুৰ্ভাগ্যবশতঃ কেতিয়াবা বিপদত পৰো তেতিয়া সহায় হ'ব। গোলাঘাটৰ অঞ্জনা বৰা, গৌৰীপুৰৰ অনিতা বৰুৱা আৰু মই আমি তিনিওগৰাকীয়ে একেলগে ঘৰ সাজি নিগাজীকৈ থাকিবলৈ লওঁ।

**প্ৰশ্ন** ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ হৰি নাম-ধৰ্মৰ প্ৰতি আপোনাৰ মন কেতিয়াৰ পৰা ঢাল খায়? বিভিন্ন ঠাইত চাকৰি কৰোতে গুৰুজনাৰ প্ৰভাৱ পৰিছিলনে?

**উত্তৰ** ঃ মোৰ মন গুৰুজনাৰ ধৰ্মৰ প্ৰতি আকৰ্ষিত হয় শিশুকালৰ পৰাই। সৰু কালত ঘৰত সন্ধিয়া আমি সকলোৱে মিলি প্ৰাৰ্থনা গাইছিলো। সঙ্গীত মোৰ প্ৰিয়, দেউতাৰ মুখত বৰগীত শুনি মই অতি আকৰ্ষিত হৈছিলো। সঙ্গীত মানে মই বৰগীতকহে সঙ্গীত বুলি ভাবিছিলো। পিছলৈ অৱশ্যে ধাৰণাটো সলনি হ'ল। চাকৰিৰ সূত্ৰে বিভিন্ন ঠাইত ঘূৰি ফুৰোঁতেও মই সুবিধা পালেই শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ৰচনাসমূহ মাজে মাজে পঢ়িছিলো। আজাৰাত নিগাজীকৈ থাকিবলৈ লোৱাত তাতেই গুৰুগৃহ এটি সাজিবলৈ মন গ'ল। মোৰ ওচৰত নামঘৰো নাই। ভাবিলো ৰাজপথৰ বাটৰুৱাইও মূৰ দোৱাব পৰাকৈ এটি নামঘৰ সাজো। মোৰ পিতৃধৰ্মও পালন কৰা হ'ব লগতে ৰাইজৰো হ'ব। ১৯৮৪ চনত লঙ্কাৰ পৰা বদলি হৈ আহিয়েই মণিকূট নিৰ্মাণ কৰি ভাগৱত প্ৰতিষ্ঠা কৰা হ'ল। এবছৰ মান যোৱাৰ পিছত সেই অঞ্চলৰ মহিলাসকল আগবাঢ়ি আহি নাম গায় আৰু শিশুসকলক কীৰ্ত্তন পুথি পঢ়িবলৈ দিয়ে। তাৰোপৰি প্ৰতি পূৰ্ণিমাতে নামধৰা নিয়মকৰা হ'ল, ঘৰুৱা সকাম নিকামো পতা হ'ল। আইসকলে নামৰ ধ্বনিৰে আজৰাৰ এটি নৱজাগৰণ আনে।

মোৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘত শৰণ ল'বলৈ ইচ্ছা হ'ল। কিন্তু খবৰ কৰি জানিলো মহিলাক শৰণ দিয়া নহয়।

সেয়ে মই মাণিকপুৰলৈ গৈ শ্ৰীকৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ ওচৰত শৰণ গ্ৰহণ কৰিলো। মনটো ভাল লাগিল। ৰাষ্ট্ৰীয় পথৰ দাঁতিতে মণিকূট স্থাপন হোৱাৰ বাবে-- যিকোনো লোককে অনুষ্ঠানটিয়ে মানুহক আকৰ্ষণ কৰে। সৰুতে আমাৰ অঞ্চলত পালন কৰা নিয়ম-কানুনসমূহৰ দ্বাৰাই নাম-প্ৰসঙ্গও চলোৱা হ'ল। সেয়া দেখি মই অধিক উৎসাহ পালো।

VIP-ত (ঠাইৰ নাম) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত শৰণ লোৱা প্ৰয়াত নৰেশ্বৰ নাথদেৱে মোক সঙ্ঘভূক্ত হ'বলৈ অনুৰোধ কৰে। মই ক'লো "সঙ্ঘত বোলে মহিলাৰ স্থানেই নাই। তামোল-পাণ আৰু পাচলি কাটিবলৈ মই নাযাওঁ।" তেখেতে এইকথা সঙ্ঘত ক'লেগৈ। সেই সময়ত প্ৰয়াত মোহন মহন্তদেৱ সঙ্ঘৰ পদাধিকাৰ আছিল। তেখেতসকলে শিশুসকলৰ বাবে আঁচনি লৈছিল কিন্তু আইসকলৰ কথা ভবা নাছিল হেনো।

১৯৮৭ চনত মিৰ্জাত সঙ্ঘৰ অধিৱেশন অনুষ্ঠিত হৈছিল। মোক এজন ভকতে চাই আহিবলৈ অনুৰোধ কৰিছিল। চাবলৈ গৈ দেখিলো বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া, বিৰিঞ্চি বাঋৰতী, অচ্যুতকৃষ্ণ মিশ্ৰ মঞ্চলৈ উঠি আহিছে। তেখেতসকলৰ ভাষণ শুনিলো। ১৯৪৮ চনতেই চাৰিগুত চুতীয়াদেৱৰ ভাষণ শুনিছিলো। মোৰ দেউতাই তেখেতৰ ওচৰত শৰণ লৈছিল। মই ওচৰলৈ গৈ মঞ্চতেই পৰিচয় দি তাতে সেৱা জনালো আৰু জনালো যে সঙ্ঘত মহিলাক শৰণ নিদিয়ে বুলি শুনি মাণিকপুৰত শ্ৰীকৃষ্ণা নন্দ ব্ৰহ্মচাৰীৰ ওচৰত শৰণ ল'লো। মোৰ পিতৃধৰ্ম ৰাখিব নোৱাৰি দুঃখিত হৈ আছো। তেতিয়াৰ পৰা মই নৰেশ্বৰ নাথ দেউতাৰ পিছ নেৰা হ'লো আৰু তেখেতৰ দিহালৈয়ে ১৯৯৬ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত শৰণ ল'লো। শুনিছিলো তেখেতেই সঙ্ঘত মহিলাক অন্তৰ্ভুক্ত কৰাত আগ-ভাগ লয়। ১৯৯৭ চনত লক্ষীমপুৰ অধিবেশনত মোৰ নাম মনোনীত সদস্যা হিচাবে প্ৰস্তাৱ হয়। মূলৰ সদস্যা হিচাবে শিক্ষা শাখাৰ সদস্যা হৈ দুটা কাৰ্যকাল থকাৰ পিছত আইমাতৃ কল্যাণ শাখাৰ উপবিধিখন প্ৰস্তুত কৰি সঙ্ঘৰ মূল কাৰ্যালয়ত জমা দিবলৈ সক্ষম হওঁ। সেয়া আছিল ২০০২ বৰ্ষ। ইয়াৰ পিছত ২০০৪-২০০৫ বৰ্ষত সভানেত্ৰীৰ দায়িত্বত থাকোতেই শদিয়া, ধুবুৰী ভ্ৰমণ কৰাৰ সুযোগ পাওঁ। চাকৰি কালত শদিয়ালৈ যোৱাৰ সুযোগ পোৱা নাছিলো। কেৱল শদিয়াই নহয়, নাৰায়ণপুৰ, গহপুৰ, চিপাঝাৰৰ পাথৰিঘাট আদি ঠাইলৈও যোৱা নহৈছিল। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত সোমাই মই সমগ্ৰ অসমৰ বহুতো ঠাইলৈ গৈ আইসকলৰ লগত মত বিনিময়ৰ সুযোগ লাভ কৰিছিলো।

মনত পৰাৰে পৰা আমি দেউতাক গুৰুসেৱা কৰা দেখিছিলো। মই দ্বিতীয়, তৃতীয় শ্ৰেণীত থাকোতেই কীৰ্ত্তন পঢ়িবলৈ শিকিছিলো। সেই সৰুকালতে পঢ়া কীৰ্ত্তন-ঘোষাৰ পদসমূহ কিছুমান মুখস্থ হৈছিল। মই সাজি দান দিয়া মণিকূটৰ সন্মুখত এটা বিৰাট গাঁত আছিল। পিছত সেই গাঁতটোত মাটি ভৰাই ঘৰেপতি এচটাকৈ টিন দান দি নামঘৰ এটি সজা হ'ল আৰু আইসকলে তাত নাম-প্ৰসঙ্গ কৰে। আইসকলে গাবলৈ মই কিছু নাম ৰচিলো, সুৰ দি গাবলৈ শিকালো। পিছত সেইখিনি নামকে 'দিহা নামৰ কৰণি' নাম দি পুথিখন ছপা কৰি উলিয়াও। মণিকূটৰ নামৰ দলে বিভিন্ন ঠাইত নামৰ আমন্ত্ৰণ পাবলৈ ধৰিলে। আমাকে দেখি পিছলৈ ভালেকেইটা নামঘৰ সেই অঞ্চলত প্ৰতিষ্ঠা হয়। 'দিহানামৰ কৰণি' খনত মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱৰ জীৱনী আৰু ভগৱান কৃষ্ণৰ বাল্যলীলাসমূহো অন্তৰ্ভুক্ত হৈছিল।

ইতিমধ্যে মই ১৯৯৩ চন মানৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্য্যসূচীসমূহত আমন্ত্ৰণ পাবলৈ ধৰো। সঙ্ঘৰ একান্ত ভকত নৰেশ্বৰ নাথ বাপে মোক কেন্দ্ৰীয় আইমাতৃ সমাৰোহ, বাৰ্ষিক অধিবেশনলৈ লৈ যায়। ১৯৯০ চনতে মই গুৱাহাটী জিলাৰ পলাশবাৰী আঞ্চলিকৰ অন্তৰ্গত মাজিৰ গাঁৱৰ এটি ধৰ্মীয় অনুষ্ঠানত প্ৰথম ভাষণ ৰাখো। তাৰ পিছতো মাজে মাজে সেই সুযোগ লাভ কৰি আহিছো।

ইতিমধ্যে ২০০১ চনৰ ২৮ মে' তাৰিখে মুঠ ১২ টি পৰিয়াল মিলি আজৰা প্ৰাথমিক শাখা গঠন কৰা হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যদি আগতেই মহিলাসকলক সঙ্ঘৰ অন্তৰ্ভুক্ত কৰিলেহেঁতেন তেনেহ'লে হয়তো নামঘৰটো আহল-বহলকৈ নিৰ্মাণ কৰিলোহেঁতেন। কাৰণ সঙ্ঘৰ বিভিন্ন উৎসৱ পাৰ্বন পালন কৰিবলৈ ঠাঁৰি নাটনি হ'লেও আইসকলক অধিক উৎসাহী দেখা যায়। 'মণিকূট' হৈছে আজৰা অঞ্চলৰ আইসকলৰ মধ্যবিন্দু। ১৯৮৮ চনত আজৰাৰ মহিলাসকলক 'সাতসৰী মাতৃ সমাজ' নামৰ এটি সংগঠনৰ জন্ম দিয়া হয়। ১৯৯০ চনত সাতসৰী মাতৃ সমাজৰ অৰ্দ্ধশিক্ষিত মহিলাৰ ভিতৰত ২৩ গৰাকীয়ে প্ৰৱেশিকা পৰীক্ষা দিয়ে আৰু ১৭ গৰাকী উত্তীৰ্ণ হয়। তাৰোপৰি "সাতসৰী মইনা পাৰিজাত", ৩ খন কণমানি

বিদ্যালয় খোলা হয়। পিছত সেয়া সমাজ কল্যাণ বিভাগলৈ হস্তান্তৰিত কৰা হয়।

১৯৯৭ চনৰ প্ৰথম ভাগত মোৰ চাকৰিৰ শেষ পদোন্নতি হয়। সহকাৰী প্ৰকল্প বিষয়াৰ পৰা কামৰূপ জিলাৰ আবেক্ষণ বিষয়া পদত অধিষ্ঠিত হওঁ। এইবছৰতে মই অৱসৰ গ্ৰহণ কৰো। ৪১ বছৰীয়া চাকৰী জীৱনত মহিলা আৰু শিশুসকলৰ সেৱা কৰাৰ কামৰ পৰা অব্যাহতি পাই মনলৈ কিছু হতাশা আহিছিল। কিন্তু একশৰণ হৰিনামৰ ধৰ্মই মোৰ মনত অধিক শক্তিহে যোগান দিয়ে। ২০০৫ চনতহে মই পেনচনৰ টকা পাওঁ আৰু বিভিন্ন সমাজ-কল্যাণমূলক কামৰ লগতে কিতাপ-পত্ৰ প্ৰকাশ কৰো। এই বছৰতে ২০০৫ চনত আমি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘলৈ পিতৃদেৱ প্ৰয়াত ডম্বৰুধৰ বড়াদেৱৰ নামত একলাখ দহ হাজাৰ টকা আগবঢ়াও। মোৰ দেউতাই ভাওনাত সূত্ৰধাৰৰ ভাও লৈছিল। সেইকাৰণে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সংস্কৃতি শাখালৈ দেউতাৰ নামতে সেই অনুদান আগবঢ়াইছিলো।

সকলো নিৰক্ষৰ মহিলাই আখৰ শিকিব আৰু লিখিব পাৰে তালৈ লক্ষ্য কৰি “আখৰৰ বাখৰ” লিখি উলিয়াও। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘত সোমাই প্ৰথমেই শিক্ষা শাখাৰ অন্তৰ্ভুক্ত কৰি শিশুসকলৰ বাবে অনুপ্ৰাস ছন্দত ‘আমাৰ অ-আ’ নামৰ পুথিখন লিখা হয়। ‘দিহানামৰ কৰণি’খন চতুৰ্থ সংস্কৰণ ওলাইছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰধান সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপজনাই মই লঙ্কা প্ৰকল্পত চুপাৰ ভাইজাৰ হৈ থাকোতে মোৰ বিষয়ে কিছুকথা জানিছিলে আৰু শিশুকল্যাণৰ লগত জড়িত বুলি জানিব পাৰি শিশুসকলৰ বাবে এখন পুথি লিখি দিবলৈ অনুৰোধ কৰে। পিছত সেই দায়িত্ব পালন কৰি ‘গীতেৰে নীতিশিক্ষা’ নাম দি এখন গ্ৰন্থ লিখি উলিয়াও।

আগতে ভাবিছিলো অৱসৰ ল’বলৈ বাচি থাকোনে নাথাকো। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মনোনীত সদস্য হোৱাৰ লগে লগে মনলৈ বল আহিল। সমাজলৈ অহা পৰিবৰ্তন, মানুহৰ মানসিক অৱক্ষয়, ৰাজনীতি-সমাজনীতিৰ প্ৰতিখোজতে অৱক্ষয়ৰ দুৰ্গন্ধি বাৰুকৈয়ে অনুভৱ কৰিলো। যিকোনো ভাল কথা বুজাই কবলৈও সাহস নহয়। অথচ নোকোৱাকৈও থাকিব নোৱাৰো। সেয়ে লিমাৰিক ছন্দত ৯৯ টা পংক্তিত ‘ফুচুং কথাৰ ফৰ্মূতি’ নাম দি এখন কিতাপ লিখি নিজেই প্ৰকাশ কৰিলো। ২০০১ চনৰ ১ জানুৱাৰীৰ দিনা গুৱাহাটীৰ জজ্ ফিল্ডত অনুষ্ঠিত গ্ৰন্থমেলাত সদৌ অসম লেখিকা সন্থাৰ সভানেত্ৰী শ্ৰীযুতা হৰিপ্ৰিয়া বাৰুকীয়াল বৰগোহাঁই ডাঙৰীয়ানীয়ে উন্মোচন কৰে।

এটা সময়ত বাতৰি কাকতত এইড্ছ ৰোগৰ প্ৰাদুৰ্ভাৱ আৰু আক্ৰান্তৰ বাতৰিয়ে হতাশ কৰিছিল। ১৯৯২ চনত এখন সভা পাতি স্থানীয় স্বাস্থ্যকেন্দ্ৰৰ ডাক্তৰসকলক আহ্বান কৰি এই ৰোগৰ প্ৰতিৰোধৰ বাবে ক’বলৈ দিয়া হৈছিল। পিছত এই বিষয়ত “কালান্তকৰ পদধ্বনি” নাম দি এখন কিতাপ লিখি উলিয়ালো। প্ৰকাশৰ বাবে অনুমতি বিচাৰি অসম চৰকাৰৰ এইড্ছ প্ৰতিৰোধৰ সঞ্চালক মহোদয়ক কপি দি ছপা খৰচৰ একাংশ দিবলৈ অনুৰোধ জনালো। কিন্তু ফল নধৰাত শ্ৰীযুতা অনুদল বৰুৱা আয়ে প্ৰকাশ কৰিলে। তাৰপিছত “ছন্দত শ্ৰীকৃষ্ণৰ অষ্টোত্তৰ শতনাম” নামৰ হাতপুথিখনি লিখা হয়। মুঠতে চাকৰিৰ লগতে সমাজ কল্যাণ আছিল মোৰ ৰাজযোৱা। ৪১ বছৰ শিশুসেৱা কৰিও হেপাহ পূৰ্ণ নহ’ল। ছপাহৈ ওলোৱা কিতাপ কেইখন হৈছে--

(১) শিশুসেৱাৰ অঞ্জলি
(২) বনভোজৰ লগৰী
(৩) অসমৰ আখৰ
(৪) আখৰৰ বাখৰ
(৫) আমাৰ অ-আ
(৬) গীতেৰে নীতিশিক্ষা
(৭) ফুচুং কথাৰ ফৰ্মূটি
(৮) দিহানামৰ কৰণি
(৯) কালান্তকৰ পদধ্বনি
(১০) ছন্দত শ্ৰীকৃষ্ণৰ অষ্টোত্তৰ নাম।

এনেদৰে বৰ্তমানেও শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ কামত নিজকে নিয়োজিত কৰি সমাজৰ হকে কিছু কৰণীয় আছে বুলি ভাবিয়েই কাম কৰি যাম বুলি ভাবিছো। সকলো কথাই গুৰুজনৰ কৃপাতহে হয়। এইখিনি কথাকে সংক্ষেপতে আমি ‘মহীয়সী’ নামৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ আইমাতৃসকলৰ বছৰেকীয়া মহিলা আলোচনীভাগিলৈ আগবঢ়ালো।■■

**সাক্ষাৎ গ্ৰহণ কৰিছে– মহীয়সীৰ সম্পাদিকা ড° ইন্দিৰা শইকীয়া বৰাই**